# নগাঁও ছোৱালী কলেজ আলোচনী

## Nowgong Girls' College Magazine



Session : 2008-09

# নগাঁও ছোৱালী কলেজ আলোচনী

# Nowgong Girls' College Magazine

২০০৮ - ২০০৯ চন

# NOWGONG GIRLS' COLLEGE MAGAZINE

**Annual Publication, 2008-2009**

**নগাঁও ছোৱালী কলেজ আলোচনী ঃ বাৰ্ষিক প্ৰকাশ, ২০০৮-২০০৯ চন**

## সম্পাদনা সমিতি

**উপদেষ্টামণ্ডলী ঃ**

জ্যোতিৰ্ময় জানা, অধ্যাপক, ইংৰাজী বিভাগ
গৌতম গোস্বামী, মুৰব্বী অধ্যাপক, দৰ্শন বিভাগ
প্ৰদীপমোহন দুৱৰা, মুৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ
দীপক শৰ্মা, মুৰব্বী অধ্যাপক, অৰ্থনীতি বিভাগ
ড° বিশ্বজিৎ দাস, অধ্যাপক, অসমীয়া বিভাগ
ড° বিপুল মালাকাৰ, অধ্যাপক, অসমীয়া বিভাগ

**সভাপতি ঃ**

ড° অজন্তা দত্ত বৰদলৈ, অধ্যক্ষা

**তত্ত্বাবধায়ক ঃ**

মুনি কাকতি, অধ্যাপিকা, ইংৰাজী বিভাগ
সঞ্চিতা বৰা, অধ্যাপিকা, দৰ্শন বিভাগ

**সম্পাদিকা ঃ**

নমী গগৈ, অসমীয়া বিভাগ

**সহ-সম্পাদিকা ঃ**

নীহাৰিকা গোস্বামী, অসমীয়া বিভাগ

**সম্পাদনা সহযোগী ঃ**

পিংকিমণি ডেকাৰজা, দৰ্শন বিভাগ
ত্ৰিবেণী বৰা, দৰ্শন বিভাগ

প্ৰকাশিকা ঃ অধ্যক্ষা, নগাঁও ছোৱালী কলেজ।

বেটুপাত ঃ নমী গগৈ

ছপা ঃ গিগাবাইট্চ প্ৰেছ এণ্ড পাব্লিকেশ্যন, মিলনপুৰ, নগাঁও।

# উৎসৰ্গ



নগাঁও ছোৱালী কলেজৰ প্ৰধান স্থপতি, প্ৰতিষ্ঠাপক অধ্যক্ষ, শিক্ষাবিদ, সাহিত্যিক

**স্বৰ্গীয় মহেশচন্দ্ৰ দেৱ গোস্বামী**

কাৰ্য্যকাল ঃ ১৯৬২-১৯৮০



ড° অজন্তা দত্ত বৰদলৈ
অধ্যক্ষা, নগাঁও ছোৱালী কলেজ

# ‘নগাঁও ছোৱালী কলেজ আলোচনী’ সম্পাদনা সমিতি




**বাঁওফালৰ পৰা ক্ৰমে ঃ** ড° বিশ্বজিৎ দাস, সঞ্চিতা বৰা, মুনি কাকতি, মঞ্জু জয়ছোৱাল,
ড° অজন্তা দত্ত বৰদলৈ, ড° বিপুল মালাকাৰ, নমী গগৈ (সম্পাদিকা)

# কলেজ কৰ্তৃপক্ষ আৰু কাৰ্যালয়ৰ কৰ্মচাৰীবৃন্দ



**বাঁওফালৰ পৰা বহি ক্ৰমে ঃ** সৰ্বশ্ৰী তীৰ্থজ্যোতি উজিৰ, মহিৰাম বৰা, কমল চন্দ্ৰ মুক্তিয়াৰ, ড° অজন্তা দত্ত বৰদলৈ,
মঞ্জু জয়ছোৱাল, কিশোৰ কুমাৰ শৰ্মা, মুনীন্দ্ৰ শইকীয়া, ৰবীন চন্দ্ৰ শইকীয়া, কুলেন চন্দ্ৰ শইকীয়া।

**বাঁওফালৰ পৰা থিয়হৈ ক্ৰমে ঃ** সৰ্বশ্ৰী গিৰিধৰ হাজৰিকা, টংকেশ্বৰ শইকীয়া, হৰকান্ত শইকীয়া, ৰামদেউ সিং,
মিতালী বৰা, ৰামচন্দ্ৰ দাস, বদন চন্দ্ৰ ভূএগ্ৰা, জোনমণি শইকীয়া, ৰেব শইকীয়া, মনেশ্বৰ ৰাভা।

# কলেজৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ একাংশ




**বাঁওফালৰ পৰা বহি ক্ৰমে ঃ** সৰ্বশ্ৰী ড° মনিকা শইকীয়া, জোনালী মুদৈ, সঞ্জিতা সিংহা, লীনা বৰা হাজাৰী, অমিয়া পাটৰ, ড° অজন্তা দত্ত বৰদলৈ, মঞ্জু জয়ছোৱাল, ৰীতা বৰা, কল্পনা ভট্টাচাৰ্য, ৰীতা কলিতা, পিক্‌লি বুঢ়াগোহাঁই।

**বাঁওফালৰ পৰা থিয়হৈ ক্ৰমে ঃ** কুলেন চন্দ্ৰ শইকীয়া, গৌৰীশংকৰ নাৰ্জাৰী, স্মৰজিৎ ওজা, উদয়ভান ভগৎ, কল্যান বৰা, দীপক শৰ্মা, বিজয় প্ৰসাদ সিংহ, নিজাম উদ্দিন আহমেদ, শৰৎ হাজৰিকা, গৌতম কুমাৰ গোস্বামী।

# সূচীপত্ৰ


সম্পাদকীয় ∻ ১১
- From the Principal's Desk ∻ ১৩
- বৰ্তমানৰ শিক্ষানীতি — ✦ চন্দনা ডেকা ∻ ১৭
- সন্ত্ৰাসবাদ ঃ এক নতুন বিশ্বযুদ্ধ ✦ ত্ৰিবেণী বৰা ∻ ২১
- নাৰী সবলীকৰণ — ✦ নৱজিৎ মজুমদাৰ ∻ ২৮
- পৌৰাণিক আৰু সংস্কৃত .... ✦ মীৰা বৰুৱা ∻ ৩৩
- সন্ত্ৰাসবাদ ঃ এক নতুন বিশ্বযুদ্ধ ✦ মুনমী বৰা ∻ ৩৫
- লোকনাট্য আৰু হবিব.... ✦ ড° বিপুল মালাকাৰ ∻ ৩৮
- বৰ্তমানৰ শিক্ষানীতি ঃ ✦ বনশ্ৰী বৰা ∻ ৪১
- নাৰী শিক্ষা আৰু ... ✦ অমিয়া পাটৰ ∻ ৪৫
- জীৱন যাপন কলা — ✦ ৰ'জী ডেকা ∻ ৪৮
- এব্‌ছাৰ্ড নাটক ✦ মৌচুমী শইকীয়া ∻ ৫০
- প্ৰসংগ ঃ মুছলমান যুগৰ... ✦ সংগীতা বৰা ∻ ৫১
- জেহাদ, জেহাদি আৰু... ✦ আইমণি হাজৰিকা ∻ ৫২
- মোৰ অনুভৱৰ নাৰী ✦ মন্দিতা কলিতা ∻ ৫৩
- উচ্চাকাংক্ষা ✦ কল্পনা দাস ∻ ৫৪
- বিজ্ঞানৰ যুগত দৰ্শন... ✦ জয়শ্ৰী কলিতা ∻ ৫৫
- কৌটিলীয় অৰ্থশাস্ত্ৰ ✦ জুমুলী শৰ্মা ∻ ৫৭
- ক'লাজ ✦ নমী গগৈ ∻ ৫৯
- অনুভৱ ✦ মৰমী গায়ন ∻ ৫৯
- এটা কবিতাৰ কাৰণেই ✦ চন্দ্ৰানী পাল ∻ ৬০
- ধৰ্ষিতা সংস্কৃতিৰ মনোবেদনা ✦ হিমাক্ষী বৰা ∻ ৬০
- বন্ধুত্ব ✦ তৰালী বৰা ∻ ৬১
- সুদীৰ্ঘ যাত্ৰা ✦ পাপৰি গোস্বামী ∻ ৬১
- ভগ্ন স্বপ্নৰ বিননি ✦ ফাহমিন আখতাৰ ∻ ৬২
- সপোন ✦ কাকলি বৰা ∻ ৬২
- এটি সভ্যতাৰ... ✦ মানালী কাশ্যপ ∻ ৬৩
- তেজীমলা ✦ চাহনাজ পাৰবিন ∻ ৬৩
- তোলৈ একলম ✦ শিখামণি দেৱী ∻ ৬৪
- কলং ✦ বনশ্ৰী বৰা ∻ ৬৪
- শান্তিৰ বিপ্লৱ ✦ কাকলি ডেকা ∻ ৬৫
- সপোনৰ অসম ✦ মুনমী বৰা ∻ ৬৫
- লিমাৰিক ✦ নীহাৰিকা গোস্বামী ∻ ৬৬
- সংকল্প ✦ ত্ৰিবেণী বৰা ∻ ৬৭
- বাস্তৱত অতীতৰ কল্পনা ✦ জ্যোতি মণি তামুলী ∻ ৭০

- ডাৱৰ ভৰা আকাশ ✦ ছায়াময়ী দেৱী ✧ ৭৪
- আশাৰ বালিঘৰ... ✦ ভাস্বীতী গোস্বামী ✧ ৭৭
- Empowerment of Women... ✦ Hiren Chetty ✧ ৮১
- The Silent Valley... ✦ Sangeeta Choudhuri ✧ ৮৬
- Problems of Modern... ✦ Boney Devi Das ✧ ৯০
- Chipko : The Movement... ✦ Himadri Hazarika ✧ ৯২
- Objects of Human... ✦ Sanchita Bora ✧ ৯৬
- Global Financial Crisis ✦ Pinky Barah ✧ ১০০
- संगीत एक गुरुमुखी... ✦ मानाली काश्यप ✧ १०३
- गुरु और शिष्य... ✦ डिम्पी दास ✧ १०४
- आयुर्वेदस्य विकशनम... ✦ सञ्जिता सिंह ✧ १०५
- ईश्वर अल्लाह तेरी नाम ✦ माधवी कुमारी शर्मा ✧ १०७
- संसद ✦ विजय प्रसाद सिंह ✧ १०८
- प्रदूषण ✦ अंचल कुमारी राय ✧ १०८
- आतंकवाद ✦ श्रदधा रानी डेका ✧ १०९
- कलंग ✦ माधवी कुमारी शर्मा ✧ १०९
- हिन्दी भाषा की... ✦ रानी कौर ✧ ११०
- कचौड़ी और रसगुल्ला ✦ संगीता कुमारी पासी ✧ ११०
- দেবী ✦ সংগীতা সরকার ✧ ১১৩
- মৃত্যুঞ্জয় ✦ সুস্মৃতি জানা ✧ ১১৫
- সৌন্দর্য্যে অভিশাপ ✦ দীপিকা পাল ✧ ১১৭
- ত্যাগ ✦ ঝুমা সূত্রধর ✧ ১১৯
- শিলঙের অপূর্ব সৌন্দর্য্যে... ✦ সুনীতা পাল ✧ ১২০
- মা ✦ সুনীতা পাল ✧ ১২১
- আশা ✦ পলি কর ✧ ১২১
- নীরৱতা ✦ রাখী দেৱনাথ ✧ ১২৩
- পাখী ✦ পলি কর ✧ ১২৩
- কলং ✦ সুস্মৃতি জানা ✧ ১২৮
- মুখা-মুখি ✧ ১৩৫
- প্ৰশ্নোত্তৰ শিতান ✧ ১৪১
- প্ৰাচীৰৰ সেউজীয়া সুবাস ✦ ত্ৰিবেণী বৰা ✧ ১৪৭
- একাংকিকা নাটক ঃ অবৈধ ✦ ত্ৰিবেণী বৰা ✧ ১৫০
- একাংকিকা নাটক ঃ আধুনিকতাৰ শিকলি চিঙি ✦ ভাস্বতী গোস্বামী ✧ ১৫৩
- পৃথিৱীৰ সৰ্বপ্ৰথম ✧ ১৫৭
- সাধাৰন সম্পাদিকাৰ প্ৰতিবেদন ✦ ৰিমঝিম দাস ✧ ১৫৮
- সংগীত সম্পাদিকাৰ প্ৰতিবেদন ✦ অঙ্কুৰীমা চুতীয়া ফুকন ✧ ১৫৯
- সাংস্কৃতিক সম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন ✦ মল্লিকা হাজৰীকা ✧ ১৬০


# সম্পাদকীয়

## সামাজিক অৱক্ষয় ঃ পৰিৱৰ্তনৰ এক প্ৰাসংগিক চিন্তা

দ্বিতীয় মহাসমৰৰ কামান গৰজনিত অসমৰ হাজাৰ হাজাৰ বছৰীয়া পুৰণি সভ্যতা আৰু সংস্কৃতি জানোচা আগ্নেয়াস্ত্ৰৰ দাবানলত দহিপুৰি ছাই হৈ যায়, সেই চিন্তাই শ্ৰেষ্ঠ অসমীয়া গণশিল্পী বিষ্ণুৰাভাৰ হিয়াক খুলি খুলি খোৱাৰ দৰেই, সাম্প্ৰতিক সময়ত দেশখনৰ সচেতন ছাত্ৰ-ছাত্ৰীবো চিন্তা জন্মে — বিশ্বায়নৰ আগ্ৰাসন, পাৰমাণৱিক বোমাৰ কুচ-কাৱাজে আৰু লক্ষ্মীনাথ বেজবৰুৱাই ক'বৰ দৰে ৰঘুমলা সদৃশ বাঢ়ি অহা পশ্চিমীয়া অপসংস্কৃতিয়ে কোটি কোটি বছৰীয়া মানৱ সভ্যতাৰ সৰল-সংস্কৃতি, সৰল আচৰণ তথা মানৱতাক পুৰি নিঃশেষ কৰি পেলাব নেকি? অসমীয়া কৃষ্টি, সংস্কৃতি আৰু সভ্যতাৰ টোপোলাটোৰ ৰহঘৰা, মৌচাকবোৰৰ পৰা নিগৰি ওলোৱা ৰসাল টোপালবোৰক গৰললৈ ৰূপান্তৰিত কৰাৰ প্ৰস্তুতি প্ৰায় শেষেই কৰিব নেকি? এনে বিপৰ্যয়ৰ সন্মুখত সচেতন বিজ্ঞ মহলৰ লগতে ভাৰতীয় ৰুচিবান ছাত্ৰ-ছাত্ৰী সমাজকো সাগৰত সাঁতুৰি-নাডুৰি পাৰনোপোৱা মনস্তাত্বিক দ্বন্দ্ব আৰু চিন্তাই গিলি পেলাব নেকি? পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ পাৰমাণৱিক অস্ত্ৰৰ প্ৰস্তুতিয়ে যদি মানৱ জাতিলৈ বিভিষিকা কঢ়িয়াই আনে। যদি সন্ত্ৰাসবাদী, নক্সালপন্থী, শাসকৰ আগ্নেয়াস্ত্ৰৰ ঝণ্‌ঝননিত সাধাৰণ নাগৰিকৰ জীয়াই থকাৰ অধিকাৰ বিপদাপন্ন হৈ উঠে?

মুদ্ৰাস্ফীতিৰ অনিয়ন্ত্ৰিত গতিবেগত দেশৰ সাধাৰণ নাগৰিকৰ অৰ্থনৈতিক অৱস্থা সংকটজনক। নাজল্-নাথল্ খাটিখোৱা সমাজৰ ছাত্ৰ-ছাত্ৰীৰ অৱস্থা। দৈনন্দিন নিম্নতম প্ৰয়োজনীয় দ্ৰব্য কেইবিধৰ আকাশলংঘী মূল্যই প্ৰমাণ কৰে আমাৰ অগ্ৰগতি শূন্যৰ ঘৰত। বিশ্বায়নৰ ৰঙীন বাতাবৰণৰ পোহৰত ছাত্ৰ-ছাত্ৰী সমাজৰ সপোন কেৱল উচ্চশিক্ষা, ডিগ্ৰী, ডক্টৰেট, ডিপ্ল'মা অৰ্জন। সংস্থাপনৰ উচ্চাকাংক্ষাত মোহগ্ৰস্ত হৈ তেওঁলোকে ভোগবাদৰ দাসত্ব বিনা প্ৰতিবাদে মানি লৈছে। পাহৰি গৈছে তেওঁলোকে মানৱীয় অনুভূতিহীন এই প্ৰতিযোগিতাযে মাথোন এক অভিশাপস্বৰূপ।

আমি এনে অভিশাপত লীন হৈ যাবলৈ নিবিচাৰো। বিচাৰো অভিশাপমুক্ত হ'বলৈ। আমি প্ৰগতিৰ পোষকতা কৰো দৈনন্দিন মৌলিক সমস্যা সমূহৰ সমাধানৰ জৰিয়তে, সাধাৰণ মানুহৰ স্বাধীনতা আৰু নিৰাপত্তা সুনিশ্চিত কৰণৰ মাজেৰে। আমাক সঁচা অৰ্থত এটা পৰিৱৰ্তনৰ প্ৰয়োজন।

**পৰিৱৰ্তন আপোনা-আপুনি নাহে**

Diecyৰ বিখ্যাত গ্ৰন্থ The law of constitution ত আছে, "সাধাৰণ মানুহে প্ৰশ্ন কৰে অমুক অমুক পৰিৱৰ্তনবোৰ কৰিলেই দেখোন সমাজৰ সকলো খেলি-মেলি আঁতৰ হ'ব, পোপে এই ব্যৱস্থাবোৰ হাতত নলয় কিয়?" — প্ৰকৃতাৰ্থত বৈপ্লৱিক পৰিৱৰ্তন কৰিবলৈ সাম্প্ৰতিক সময়ত কোনো ব্যক্তিয়েই পোপ নহয়, কোনো মন্ত্ৰী নহয়। ছাত্ৰ-ছাত্ৰী হিচাপে সাম্প্ৰতিক সময়ত আমি ইয়াকে দেখিছো। তাৰ মাজতো এপাচি শাকত ক'ৰবাত এটা জালুক থকাৰ কথাও শুনিছো, পিছে দেখা হ'লে নাই। জনসাধাৰণৰ মংগল সাধিবলৈ, ৰাজনীতিলৈ যোৱা ধৰণৰ পৌৰাণিক চিন্তাৰ এতিয়া পৰিৱৰ্তন হৈছে। মধ্যবিত্ত, সংখ্যাগৰিষ্ঠ জনতাক এতিয়া লাগে এক্সট্ৰা ইনকাম, বে-নামী পাৰ্মিট, ঠিকা, ঋণ আৰু ক'ত কি? সমাজৰ চিন্তাদূত ছাত্ৰ-ছাত্ৰীৰ সংখ্যাগৰিষ্ঠই এতিয়া ব্যস্ত কেৱল কেৰিয়াৰ সজোৱাত। পুঁজিপতিসকলৰ কথা বাৰু বাদেই দিলো, মধ্যবিত্ত জনতাৰ সংখ্যাগৰিষ্ঠই যদি লেমটৌগিৰি কৰি ব্যক্তিগত সুবিধা সৰকোৱাত ব্যস্তহৈ পৰে, তেন্তে মধ্যবিত্ত

সমাজখনে জ্যোতিপ্ৰসাদৰ বা বিষ্ণুৰাভা দিৱসৰ দৰে অনুষ্ঠান পাতি জাতিটোক মহৎ কৰিবলৈ যোৱাটো একপ্ৰকাৰৰ মিথ্যাচাৰ আৰু ভণ্ডামী নহ'বনে? এনে সুবিধাবাদীৰ সমাজত জাত-পাত, পূজা-যজ্ঞ, মিলাদ-মেহফিলৰ মাজত সাধাৰণ মানুহৰ সমাজক ব্যস্ত ৰাখি বিভাজনৰ পথ বহলোৱাৰ সুবিধা শাসকবৰ্গক দিয়া হৈছে। আনহাতে পুৰণি প্ৰবাদতটো আছেই —হেনো প্ৰজা যেনেকুৱা, প্ৰজাৰ ভাগ্যত শাসনো তেনেকুৱাই। গতিকে, পৰিৱৰ্তন মনমোহন সিঙে বা কোনোবা ধৰ্ম যাজকে আনি দিব নোৱাৰে। এনে সন্ধিক্ষণত দেশৰ সচেতন বুদ্ধিজীৱী (যাৰ দৃষ্টিত সাহিত্য, সংস্কৃতি কেৱল পণ্য নহয়) ৰ সৈতে দেশৰ শিক্ষাগুৰুসকলো অতিৰিক্ত ভাৱে এটা ধনাত্মক গুৰুদায়িত্বৰ বাবে সাজু হওক। আজিৰ ছাত্ৰ-ছাত্ৰীক পথ দেখুৱাওক। সাজু কৰি তোলক প্ৰকৃত অৰ্থত এটা পৰিৱৰ্তনৰ বাবে। কাৰণ পৰিৱৰ্তন কোনো জৈৱিক পুষ্পবৃষ্টি নহয়, নহয় কোনো প্ৰাকৃতিক দুৰ্ঘটনা।

- নমী গগৈ, সম্পাদিকা



# From the Principal's Desk

'Education is still at a very low ebb throughout Assam, and that little is confined entirely to the male sex.' – So wrote John M'Cosh in 1835 in his *Topography of Assam*. Why was this gender discrimination ? M'Cosh gives the answer : 'Learning was thought too dangerous a power to be entrusted to females : and no man would marry a girl if she could read or write', Opposition to women's education has a long history, which cannot be narrated in a few words. Even the nineteenth century, which brought about a drastic change of outlook on almost every subject in every society, could not extend a whole-hearted and unanimous support to the question of women's education. In mid-1880s, Lambodar Bora opposed the education of women by defining it as 'Learning to write letters (*i.e. love-letters*); not keeping away from dramas and novels even for a moment; forgetting regular domestic works like spinning and weaving; becoming weak, useless, and skin and bone; making the mind restless, dishonest and hard; learning how to treat bridegrooms with negligence and forgetting the kind of works women are meant for.' To Bora, education for women was a device 'to transform women into men, flowers into thunder and lakes into deserts.' Significantly, this Bora wrote a number of essays on the necessity of education, and the duties and responsibilities of students, but nowhere did he speak in favour of the education of women. Education liberates the mind and women's education is considered indispensable for the liberation of women. Bora was scared of this and, therefore, he caricatured women's liberation as a phenomenon instigating women 'to divorce their husbands or not to accept them, to go out alone to flower-gardens to refresh themselves with fresh air, ... to drive out father-in-laws and mother-in-laws from the houses or deny them food, to get domestic works like cooking and serving done by their husbands ...'.

Did not this prejudiced attitude of the male-dominated society to women's education change in the twentieth century ? Or has it not changed even in the twenty-first ? Yes, it has, quite remarkably, though not fully. The huge gap between male-female literacy rates is just an indicator. According to the 2001 census, the male literacy rate in India is more than 75%, whereas the female literacy rate is just 54.16%. This is a clear proof of gender discrimination in Indian society. The picture of Assam is a bit better so far as gender discrimination is concerned, though the average literacy rate in the state is disappointing. In Assam in 2001, the literacy of women was 61.87% while that of their male counterpart was 71.83%.

Though both society and the government are encouraging education in general and women's education in particular, the prevalence of huge illiteracy even in the twenty-first century is a matter to be concerned about. While we come to the question of women's education in particular, we feel compelled to say that both society and the government have still a lot more to do in this field to ensure an equal and equitable development of human resources and an improvement in the quality of life both at home and outside.

'Education is the panacea of all evils', said Swami Vivekananda. It enables a person to solve

his or her problems by himself or herself. The Swami, therefore, gave a lot of emphasis on mass education. However, by education he meant an all-round development of man. He said : 'We want that education by which character is formed, strength of mind is increased, the intellect is expanded, and by which one can stand on one's feet'. This was his general opinion on education, not women's education in particular.

Coming to the specific question of women's education, Vivekan'nanda expressed his anguish at the servile condition of Indian women since time immemorial. 'They (i.e. *women)'* deplored the Swami, 'have all the time been trained in helplessness, servile dependence on others, and so, they are good only to weep their eyes out at the slightest approach of a mishap or danger.' He stressed upon the need for such education for women as would make them strong not only intellectually, but also physically and mentally. He insisted : 'Along with other things they (i.e. *women)* should acquire the spirit of valour and heroism. In the present day, it has become necessary for them also to learn self-defence.'

Now the question is : Have women nothing to do for themselves, i.e. for the elevation of their own status and position ? Should they perpetually keep waiting for persons like Rammohan and Vidyasagar to do everything for them ? We do not expect twenty-first century women to be so callous and indifferent in matters relating to their own interest. We do feel that it is time for women themselves to understand the necessity of their empowerment through proper education and training. Modern world is highly competitive where women have to secure a space for themselves or, in Virginia Woolf's words, have 'a room' of their own, by virtue of their education and excellence. They have to assert that they can play a significant role not only in the development of their own families but also in the development of the nation : they apart from giving a strong economic support to their families, can promote the education of their children and help in the measures against population rise and the reduction of infant mortality rate. The high rate of female illiteracy and drop-out are putting a serious question-mark on the advancement of India as a strong nation. No one-winged bird can ever fly. Society in general and women in particular must understand that the empowerment of women through education is indispensable if society has to rise and make progress in different fields.

After visiting Assam three times in late nineteeth century, Ramkumar Vidyaratna, a scholarly Brahmo preacher from Bengal, praised Assamese women, saying : 'The women of Assam are comparatively free ... They are industrious and artistic by nature. They are strong and more intelligent and courageous than men. Even the upper-class Assamese women can weave exquisite silk of different kinds and make beautiful clothes for everyday wear. They are not much fond of ornaments....' Then this scholarly preacher deplored the absence of women's education in Assam, saying : 'It is sad that women's education does not enjoy much favour in the province. If Assamese society favoured the education of its women, the women in Assam must have progressed quite remarkably.' Now, we strongly feel that while the twenty-first century Assamese women must defend the time-honoured image of Assamese women in the face of 'globalization', they must move forward with the resolution that they have to progress remarkably in this fast-changing global scenario and secure a potent space for themselves by virtue of their education and edification.

**Dr. Ajanta Dutta Bordoloi,** *Principal*
*Nowgong Girls' College*



# অসমীয়া বিভাগ

প্ৰবন্ধ

# বৰ্তমানৰ শিক্ষানীতি— ইয়াৰ সমস্যা আৰু সমাধান

চন্দনা ডেকা, *স্নাতক ৩য় বৰ্ষ, অৰ্থনীতি বিভাগ*

শিক্ষা হৈছে মানৱ সমাজৰ ভাৱ-অনুভূতি, চিন্তা আৰু ক্ৰিয়া-প্ৰক্ৰিয়াসমূহৰ মূল পৰিচালিকা শক্তি। পৰিৱেশৰ লগত হোৱা ক্ৰিয়া-প্ৰক্ৰিয়াৰ ফলত মানুহৰ অভিজ্ঞতাৰ যি পৰিপুষ্টি আৰু সংস্কাৰ সাধন হয়, তাকে সাধাৰণ অৰ্থত শিক্ষা বোলা হয়। শিক্ষাই মানুহৰ মনৰ অজ্ঞানতাৰ এন্ধাৰ দূৰ কৰি জ্ঞানৰ কিৰণেৰে বুদ্ধিৰ বিকাশ আৰু যথাস্থানত তাক প্ৰয়োগৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰে। শিক্ষা এনে এক মাধ্যম যাৰ জৰিয়তে মানুহে নতুন চিন্তা-ধাৰণা আৰু উদ্ভাৱন শক্তিৰে ভাল-বেয়া বিচাৰ কৰি জীৱনৰ নতুন পথ নিৰ্বাচন কৰিব পাৰে। শিক্ষাৰ জৰিয়তেহে জীৱনৰ সাৰ্থকতা সম্ভৱ। শিক্ষা মানুহৰ জীৱনৰ এক অবিচ্ছেদ্য অংশ হোৱাৰ উপৰি সফলতাৰ মূল চাবি-কাঠি। শিক্ষাইহে মানুহৰ জীৱনলৈ পূৰ্ণতা আনি দিয়ে।

শিক্ষা এক ধাৰাবাহিক প্ৰৱাহ হোৱা হেতুকে পৰিবৰ্তনশীল সমাজ ব্যৱস্থাৰ লগতে শিক্ষা ব্যৱস্থাটোতো বিভিন্ন ধৰণৰ উত্থান-পতন পৰিলক্ষিত হয়। পুৰণিকলীয়া শিক্ষাব্যৱস্থাটোৰ লগত বৰ্তমানৰ শিক্ষাব্যৱস্থাটো তুলনা কৰিলে বহুখিনি বৈসাদৃশ্য দেখা যায়। উন্নত প্ৰযুক্তিবিদ্যাই আজিৰ শিক্ষা ব্যৱস্থাটোক আধুনিকতাৰ ৰঙেৰে ৰঙীন কৰাৰ লগতে তুলনামূলকভাৱে বহুখিনি সহজসাধ্যও কৰি তুলিছে। কিন্তু এই আধুনিকীকৰণে নৱ-প্ৰজন্মলৈ কিমান সাৰ্থকতা কঢ়িয়াই আনিছে সেইটোহে প্ৰধানতঃ চিন্তনীয় বিষয়। বৰ্তমানৰ সমাজ ব্যৱস্থাটো সমস্যা জৰ্জৰিত হোৱাৰ লগতে শিক্ষাব্যৱস্থাটোও বিভিন্ন সমস্যাৰ দ্বাৰা গুৰুতৰভাৱে আক্ৰান্ত। সমস্যাসমূহ গভীৰভাৱে অনুধাৱন কৰিলে ইয়াৰ কাৰণ আৰু উৎসৰ বিভিন্নতা স্পষ্টভাৱে পৰিলক্ষিত হয়। সমস্যাসমূহৰ কিছুমান প্ৰত্যক্ষভাৱে আৰু আন কিছুমান অন্যান্য কাৰিকৰী প্ৰভাৱত পৰোক্ষভাৱে উৎপত্তি হয়। যিহেতু গভীৰ চিন্তাশক্তিয়ে আমাক শিক্ষাৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যাসমূহৰ কাৰণ আৰু উৎসৰ কাষলৈ লৈ যায় তেনেস্থলত সেইবোৰৰ সমাধানৰ জৰিয়তে শিক্ষা ব্যৱস্থাটোক সাফল্যমণ্ডিত কৰি তোলাটো অসম্ভৱ নহয়। ইয়াৰ বাবে প্ৰয়োজন কেৱল গভীৰ চিন্তা, অবিৰত প্ৰয়াস আৰু দৃঢ় মানসিকতা।

বৰ্তমান সময়ৰ শিক্ষাৰ ক্ষেত্ৰত বৰ্দ্ধিত ভৰ্তি মাচুল এক প্ৰধান অন্তৰায়ৰূপে পৰিগণিত হৈছে। এখন উন্নয়নশীল দেশৰ নিবাসী হিচাপে দেশৰ প্ৰায় গৰিষ্ঠসংখ্যক লোকে দৰিদ্ৰ সীমাৰেখাৰ তলত জীৱন নিৰ্বাহ কৰি আছে। তেনেক্ষেত্ৰত উচ্চশিক্ষাৰ বাবে প্ৰতিবছৰে ইমান টকা-পইচা ব্যয় কৰাটো কিমান দূৰ সম্ভৱপৰ? প্ৰতিবছৰে তীব্ৰ হাৰত বাঢ়ি অহা ভৰ্তি মাচুলে মধ্যবিত্ত আৰু নিম্নশ্ৰেণীৰ লোকৰ সন্মুখত এক ভয়াবহ সমস্যাৰ সৃষ্টি কৰিছে। দেশৰ এচাম পুঁজিপতি লোকে সন্তানৰ উচ্চশিক্ষাৰ নামত বিনাদ্বিধাই ধন ব্যয় কৰিব পাৰে আৰু তাৰ তুলনাত আন এচামৰ বাবে নিজৰ সন্তানক মেট্ৰিকৰ দেওনাখন পাৰ কৰোৱাটোও বহু দূৰৰ কথা হৈ পৰে। গতিকে শিক্ষা ব্যৱস্থাটো কেৱল ধনীশ্ৰেণীৰ পক্ষপাতী হৈ পৰা যেন বোধ হয়। তেন্তে দুখীয়া শ্ৰেণীৰ বাবে শিক্ষা লাভৰ উপায় কি? নে শিক্ষা দুখীয়া শ্ৰেণীৰ বাবে অপ্ৰয়োজনীয়? দেশৰ সমূহ নৱ-প্ৰজন্মক শিক্ষা আৰু জ্ঞানৰ জ্যোতিৰে সুনাগৰিক হিচাপে গঢ়ি তোলাই যদি শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য হয় তেন্তে এনে পক্ষপাতিত্ব কিয়?

আজিৰ সময়ৰ এই ভয়ঙ্কৰ সমস্যাটো সমাধান কৰাটো যে অসম্ভৱ তেনে নহয়। চৰকাৰে বিভিন্ন আঁচনি ৰূপায়ণৰ জৰিয়তে ইয়াক নিৰ্মূলৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ মেধাশক্তিৰ ভিত্তিত শিক্ষামূলক বৃত্তি প্ৰদান কৰি চৰকাৰে উচ্চশিক্ষা লাভৰ ক্ষেত্ৰত অৰিহণা যোগাব পাৰে। তাৰোপৰি নিম্নশ্ৰেণীৰ

ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ ক্ষেত্ৰত কিছু শতাংশ ৰেহাই দিয়াৰ ব্যৱস্থা কৰাটো প্ৰয়োজন। বিভিন্ন সামাজিক অনুষ্ঠান সমূহেও মেধাসম্পন্ন দুখীয়া ছাত্ৰ-ছাত্ৰীক আৰ্থিক সহায় আগবঢ়াব পাৰে।

আজিৰ শিক্ষাব্যৱস্থাৰ আন এক উল্লেখনীয় আৰু গুৰুত্বপূৰ্ণ সমস্যা হৈছে বিশৃংখল পৰীক্ষা ব্যৱস্থাটো। বিগত কিছু বছৰৰ পৰা পৰীক্ষাৰ ক্ষেত্ৰত বিশৃংখলতাৰ পয়োভৰ বাৰুকৈয়ে পৰিলক্ষিত হৈ আহিছে। হাইস্কুল-উচ্চতৰ মাধ্যমিক পৰ্যায়ত পৰীক্ষাৰ পূৰ্বে প্ৰশ্নকাকত উপলব্ধ হোৱা আৰু মহাবিদ্যালয়-বিশ্ববিদ্যালয় পৰ্যায়ত পৰীক্ষাৰ বহী নিৰীক্ষণৰ ক্ষেত্ৰত সৃষ্টি হোৱা বিশৃংখলতাৰ জোৱাৰে শিক্ষা ব্যৱস্থাটো ভীষণভাৱে ক্ষতিগ্ৰস্ত কৰিছে। যাৰ বলি হ'ব লগা হৈছে স্কুল-কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰী। তাৰোপৰি স্নাতক মহলাৰ পৰীক্ষাৰ ফলাফল সমূহ সময়মতে নিদিয়াৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে পৰবৰ্তী পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ প্ৰয়োজনতকৈ কম সময় পায়। সেয়ে কম সময়ৰ ভিতৰত বুজন পৰিমাণৰ পাঠ্যক্ৰম শেষ কৰি পৰীক্ষাৰ বাবে নিজকে সাজু কৰিব লগা হয়। লগতে অনিয়মিত ফলাফল ঘোষণাই ছাত্ৰ-ছাত্ৰীৰ স্নাতকোত্তৰ অন্যান্য উচ্চস্তৰৰ শিক্ষানুষ্ঠানত নামভৰ্তিৰ ক্ষেত্ৰটো কিছু সমস্যাৰ সৃষ্টি কৰিছে। পৰীক্ষাৰ বহী নিৰীক্ষণ কেলেংকাৰীত জড়িত অধ্যাপক-অধ্যাপিকাক পৰৱৰ্তী পৰীক্ষাৰ বহী পুনৰ নিৰীক্ষণৰ দায়িত্ব দিয়াটো কিমানদূৰ ন্যায়সঙ্গত? ই ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত উজ্জ্বল কৰাত সহায়ক হ'বনে?

পোনপটীয়া দৃষ্টিৰে চালে শিক্ষা ব্যৱস্থাত জড়িত ওপৰ মহলৰ অৱহেলা আৰু উদাসীন মনোভাৱে এই সমস্যাৰ মূল উৎস হিচাপে ধৰা দিয়ে। ওপৰ মহলৰ অৱহেলিত আৰু বিশৃংখলিত পৰীক্ষা ব্যৱস্থাৰ বাবে ক্ষতিগ্ৰস্ত আৰু হতাশাগ্ৰস্ত হ'ব লগা হৈছে নিৰীহ ছাত্ৰ-ছাত্ৰী। ই কিমানদূৰ যুক্তিসঙ্গত? এই বিশৃংখলতাৰ পৰা উত্তৰণৰ বাবে সৰ্বপ্ৰথমে পৰীক্ষা ব্যৱস্থাটোক লক্ষ্য সচেতন, নিয়ন্ত্ৰিত আৰু উদ্দেশ্যপ্ৰণোদিত কৰি তুলিব লাগিব। ইয়াৰ বাবে ওপৰ মহলে প্ৰথম আৰু তৎপৰ পদক্ষেপ লোৱাটো নিতান্ত প্ৰয়োজনীয়। লগতে সমূহ অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীয়ে তীব্ৰ সচেতনতা আৰু সহযোগিতা আগবঢ়ালে এই সমস্যা অনতিপলমে নিৰ্মূল হ'ব।

শিক্ষা সম্পৰ্কত চৰকাৰৰ দ্বাৰা ৰূপায়িত ক্ৰুটিপূৰ্ণ আঁচনিসমূহে বহুক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰা দৃষ্টিগোচৰ হয়। আজিৰ সময়ৰ শিক্ষা ব্যৱস্থাটো কেৱল উচ্চ পৰ্যায়তে সমস্যা জৰ্জৰিত নহয়, প্ৰাথমিক পৰ্যায়তো অনিয়ন্ত্ৰিত আৰু অসফল হৈ পৰিছে। বৰ্তমান ৰাজ্যচৰকাৰে ৰূপায়ণ কৰা আঁচনি অনুসৰি প্ৰাথমিক বিদ্যালয়ৰ মধ্যাহ্ন ভোজন ব্যৱস্থা অতি পুতৌলগা। দুপৰীয়াৰ আহাৰৰ বাবদ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ বহু সময় অপব্যয় হয়। ইয়াৰ পৰিবৰ্তে পঢ়াশালিৰ পাঠদানৰ সময় কিন্তু বঢ়োৱা হোৱা নাই। ফলত ছাত্ৰ-ছাত্ৰীয়ে প্ৰয়োজনতকৈ কমকৈ শিক্ষা লাভ কৰাৰ লগতে অধ্যয়নৰ পৰা বিভ্ৰান্ত হৈ পৰা দেখা যায়। ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা নে আহাৰ গ্ৰহণৰ বাবে বিদ্যালয় অভিমুখে ৰাওনা হ'ব? দুপৰীয়াৰ আহাৰৰ বজাৰ কৰা আদি কামত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ব্যস্ততাই পাঠদানত বহুখিনি ব্যাঘাত জন্মাইছে। প্ৰাথমিক পৰ্যায়তে ছাত্ৰ-ছাত্ৰীক শৈক্ষিক উন্নয়নৰ বাবে সুপৰিকল্পিত আৰু সুনিয়ন্ত্ৰিতভাৱে তথা সুপৰিচালিতভাৱে গঢ় দিয়াটো আৱশ্যক। তাৰোপৰি প্ৰাথমিক শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশ আৰু জ্ঞান আহৰণৰ মূল সুঁতি। তেনেস্থলত চৰকাৰৰ দ্বাৰা ৰূপায়িত এনে ধৰণৰ আঁচনিসমূহে শিক্ষা ব্যৱস্থাৰ সুনিয়ন্ত্ৰিত আৰু উন্নয়নৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ অন্তৰায়ৰ উদ্ভাৱন ঘটাইছে।

চৰকাৰে এনে ক্ৰুটিপূৰ্ণ আঁচনিৰ পৰিবৰ্তে অন্যান্য উন্নয়নমূলক আঁচনি ৰূপায়ণৰ জৰিয়তে শিক্ষা ব্যৱস্থাটো সাৰ্থক কৰাত অৰিহণা যোগাব পাৰে। বিদ্যালয়সমূহত সময়মতে বিনামূলীয়া কিতাপ-বহী বিতৰণ কৰা, শৌচাগাৰ-প্ৰস্ৰাৱগাৰ তথা বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা, পৰ্যাপ্ত পৰিমাণৰ ডেস্ক-বেঞ্চ আদি নিৰ্মাণ আদি কাৰ্য ছাত্ৰ-ছাত্ৰীৰ মৌলিক আহিলাৰ অভাৱ দূৰীকৰণত সহায়ক হৈ পৰিব। তাৰোপৰি শিক্ষক-কৰ্মচাৰীৰ নিয়মীয়া দৰমহা দি নিয়মীয়া পাঠদানৰ ব্যৱস্থা কৰিব লাগে। কেৱল চৰকাৰেহে এনে পদক্ষেপ ল'ব পাৰে তেনে নহয়। যিহেতু প্ৰাথমিক পৰ্যায়ৰ শিক্ষাই ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ পথ নিৰ্দ্ধাৰণ কৰে, গতিকে ইয়াৰ বাবে শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱক তথা সমাজেও সক্ৰিয় ভূমিকা অৱলম্বন কৰাটো প্ৰয়োজন।

অসম আন্দোলনৰ সময়ৰ পৰাই শিক্ষা ব্যৱস্থাৰ লগত জড়িত প্ৰশাসনীয় ব্যৱস্থা অতি নিম্নমানৰ হৈ পৰা দেখা যায়। চৰকাৰৰ মন্ত্ৰী, বিধায়ক আৰু এক শ্ৰেণীৰ অসাধু বিষয়াই স্কুলবোৰৰ শৈক্ষিক পৰিৱেশ বিনষ্ট কৰিছে। ব্যক্তিস্বাৰ্থক অগ্ৰাধিকাৰ দিয়াৰ বাবে মহানগৰ আৰু অন্যান্য নগৰ-চহৰৰ স্কুলসমূহত শিক্ষকৰ ভিৰ, আনহাতে গ্ৰামাঞ্চলৰ স্কুলত শিক্ষকৰ অভাৱ। নিষ্ক্ৰিয় হৈ পৰা স্কুলৰ পৰিচালনা সমিতিবোৰ আজিও সক্ৰিয় হৈ উঠা নাই। স্কুলৰ প্ৰশাসন সম্পূৰ্ণৰূপে স্থবিৰ হৈ পৰিছে। তাৰোপৰি জ্যেষ্ঠ গুণী-জ্ঞানী অভিজ্ঞ শিক্ষকৰ অৱসৰৰ পাছত মেধাৰ ভিত্তিত নিয়োগ ব্যৱস্থা হোৱা নাই। মন্ত্ৰী-বিধায়কৰ মনোনয়নত নিম্ন অৰ্হতা থকা শিক্ষক কিছুমানৰ নিযুক্তিয়ে শিক্ষা ব্যৱস্থাটোক ধ্বংসমুখী কৰি তুলিছে। এনে পৰিস্থিতিত শিক্ষাৰ প্ৰতি আগ্ৰহী এচাম সচেতন অভিভাৱক সন্তানৰ ভৱিষ্যতৰ প্ৰতি শংকিত হৈ পৰিছে।

যিহেতু উচ্চ-প্ৰশাসনীয় বিষয়াৰ দ্বাৰা নিয়োজিত অপৰিপক্ক শিক্ষক-শিক্ষয়িত্ৰীৰ বাবে এই সমস্যাৰ উদ্ভাৱন ঘটিছে গতিকে প্ৰশাসনীয় বিষয়াই নিজৰ ক্ষমতাৰ অপপ্ৰয়োগ কৰাৰ পৰা তৎকালিন অৱসৰ লোৱাটো অত্যাৱশ্যক। দেশৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি, মোটা অঙ্কৰ টকাৰ বিনিময়ত ব্যক্তিস্বাৰ্থক অগ্ৰাধিকাৰ দিয়াৰ পৰিবৰ্তে মেধাশক্তিৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিব লাগে। এইক্ষেত্ৰত শিক্ষক-শিক্ষয়িত্ৰীসকলেও অগ্ৰণী ভূমিকা ল'ব লাগিব। শিক্ষকেই যিহেতু জ্ঞানৰ জ্যোতি বিলোৱাৰ মূল উৎস সেয়ে ছাত্ৰ-ছাত্ৰীক প্ৰয়োজনীয় শিক্ষা আৰু জ্ঞান দিয়াৰ বাবে নিজকে প্ৰস্তুত কৰি তুলিব লাগিব। অভিজ্ঞতা আৰু চেষ্টাৰে আহৰণ কৰা জ্ঞানৰ সম্ভাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সমভাৱে বিতৰণৰ জৰিয়তে নিজৰ দায়িত্ব আৰু কৰ্তব্য নিষ্ঠাৰে পালন কৰিব লাগিব। তেতিয়াহে শিক্ষা ব্যৱস্থাটো সফল হ'ব।

শিক্ষাৰ ক্ষেত্ৰত অভিভাৱকৰ ভূমিকাই সবাতোকৈ গুৰুত্বপূৰ্ণ, কিন্তু আমাৰ অধিকাংশ অভিভাৱকেই এই কথাৰ গুৰুত্ব উপলব্ধি নকৰে। ছাত্ৰ-ছাত্ৰীক স্কুললৈ পঠিওৱা আৰু টিউশ্যনৰ ব্যৱস্থা দিয়াটোৱেই প্ৰধান দায়িত্ব বুলি ভাৱে। কিন্তু সেয়াই জানো অভিভাৱকত্ব? শিক্ষা প্ৰক্ৰিয়াটো এটা ত্ৰিভূজৰ নিচিনা। ছাত্ৰ, শিক্ষক আৰু অভিভাৱক— এই তিনিটা ত্ৰিভূজৰ তিনিটা বাহুৰ নিচিনা। কেনো এটাৰ অনুপস্থিতিতেই শিক্ষা সম্পূৰ্ণ আৰু সফল হ'ব নোৱাৰে। শিক্ষকে শিকাই, ছাত্ৰই শিকে আৰু অভিভাৱকে ছাত্ৰ-ছাত্ৰীক পথ প্ৰদৰ্শন কৰিব। তেতিয়াহে শিক্ষা শুদ্ধ আৰু সৎ পথেৰে ধাৱমান হ'ব। সৰুৰেপৰাই যদি অভিভাৱকে ছাত্ৰ-ছাত্ৰীক সুচিন্তা, সুবুদ্ধি আৰু সুজ্ঞান প্ৰদান কৰে তেন্তে সেই ল'ৰা-ছোৱালীয়ে উচ্ছৃংখল সামাজিক পৰিৱেশতো নিজকে উপযুক্ত কৰি তুলিবলৈ সক্ষম হ'ব। এগৰাকী দাৰ্শনিক পণ্ডিতে কৈছিল— "An educated mother is equal to one hundred teacher" কিন্তু এই "educated" অৰ্থাৎ শিক্ষিত শব্দটোৱে কেৱল ডিগ্ৰীধাৰীক নুবুজায়। প্ৰকৃতাৰ্থত ঘৰখনেই শিক্ষা আহৰণৰ প্ৰথম তথা মূল পঢ়াশালি আৰু অভিভাৱকেই হৈছে প্ৰথম শিক্ষক। বৰ্তমান সময়ৰ অভিভাৱকসকলৰ মাজত আন এটা বদ্ধমূল ধাৰণাৰ তীব্ৰ প্ৰচলন দেখা যায় যে— "ইংৰাজী মাধ্যমত পঢ়িলেহে ল'ৰা-ছোৱালী স্মাৰ্ট হয়।" প্ৰতিজন অভিভাৱকে নিজৰ সন্তান ডাক্তৰ-ইঞ্জিনিয়াৰ হোৱাৰ সপোন ৰচে। তাৰ পৰিৱৰ্তে নিজৰ বুদ্ধিমান সন্তান এজন প্ৰকৃত শিক্ষক হোৱাটো কেতিয়াও নিবিচাৰে। কিন্তু মেধাৱী ছাত্ৰ-ছাত্ৰীয়েই যদি উপযুক্ত অৰ্হতা লাভ কৰি শিক্ষকতা নকৰে তেন্তে ভৱিষ্যত প্ৰজন্ম প্ৰকৃত শিক্ষা লাভৰ পৰা বঞ্চিত হৈ পৰিব। শিক্ষা ব্যৱস্থাই বৰ্তমানতকৈও অধিক ধ্বংসাত্মক ৰূপ ল'ব। তাৰবাবে অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰী উভয়েই এতিয়াৰ পৰা সজাগতা অৱলম্বন কৰাটো প্ৰয়োজন।

অসম আন্দোলনৰ পাছৰ পৰাই অৰ্থাৎ আশীৰ দশকৰ পৰাই আমাৰ সমাজ ব্যৱস্থা ভীষণভাৱে নিম্নগামী হৈ পৰা পৰিলক্ষিত হয়। যিয়ে আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থাটোত ব্যাপকভাৱে এক বিনষ্টকাৰী প্ৰভাৱ বিস্তাৰ কৰিছে। বৰ্তমানৰ শিক্ষা ব্যৱস্থাই আশানুৰূপ ফলাফল লাভ কৰিব নোৱাৰাৰ মূলতে আমাৰ ক্ৰুটিপূৰ্ণ তথা অপৰিপক্ক সমাজ ব্যৱস্থা বুলি ক'লে হয়তো ভুল নহ'ব। বিগত কিছু বছৰৰ পৰা শিক্ষাৰ উৎকৃষ্ট পৰিৱেশ

সৃষ্টিৰ বাবে চৰকাৰ, সমাজ কাৰোবে আগ্ৰহ নোহোৱা হ'ল। শিক্ষা জগতত ভুমুকি মাৰিলে আজি অৰাজকতা প্ৰত্যক্ষভাৱে দৃষ্টিগোচৰ হয়। আন্দোলনৰ পাছৰ পৰাই আৰম্ভ হ'ল আমাৰ সমাজ ব্যৱস্থা আৰু শিক্ষা ব্যৱস্থাৰ স্খলন।

শিক্ষাৰ সেই হৃত প্ৰকৃত পৰিবেশ পুনৰ নিৰ্মাণৰ বাবে প্ৰথমে সমাজ সংস্কাৰ কৰিব লাগিব। এই দায়িত্ব সমাজৰ প্ৰতিজন ব্যক্তিয়েই গ্ৰহণ কৰিব লাগিব। সমাজ ব্যৱস্থা উন্নত কৰি নতুন প্ৰজন্মক প্ৰগতিৰ পথত অগ্ৰসৰ কৰিব লাগিব। তেতিয়াহে শিক্ষাই সাৰ্থকতা কঢ়িয়াই আনিব। সমাজ ব্যৱস্থাৰ উন্নতি অবিহনে শিক্ষা ব্যৱস্থাৰ অগ্ৰগতি আৰু সম্প্ৰসাৰণ অসম্ভৱ।

অধ্যয়নে শিক্ষাৰ প্ৰতি আগ্ৰহ জন্মায়। কিন্তু আজিৰ নতুনচাম ছাত্ৰ-ছাত্ৰীৰ মাজত অধ্যয়নৰ স্পৃহা দেখা নাযায়। তাৰ পৰিবৰ্তে এক অৱহেলাৰ আৰু অমনোযোগিতাৰ ভাৱে গা কৰি উঠিছে। এইক্ষেত্ৰত প্ৰধানকৈ দুটা কাৰকে প্ৰেৰণা যোগাইছে। বৰ্তমান সময়ত তীব্ৰ জনপ্ৰিয়তা লাভ কৰা টিউশ্যন ব্যৱস্থাই বিদ্যালয়ত পাঠ গ্ৰহণৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ অমনোযোগিতাত সঁহাৰি আগবঢ়াইছে। টিউশ্যনত প্ৰশ্নসমূহৰ সমাধান অনায়াসে লাভ কৰা বাবে ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যক্ৰম সমূহ নিজাববীয়াকৈ পঢ়াৰ প্ৰয়াস নকৰে। তাৰোপৰি বৰ্তমান সময়ত সকলো বিষয়তে টিউশ্যন ল'ব পৰাটো এক গৌৰৱৰ কথা হৈ পৰিছে। কিন্তু টিউশ্যনে ছাত্ৰ-ছাত্ৰীৰ মেধাশক্তি বৃদ্ধিত সহায় নকৰে। তাৰ পৰিবৰ্তে ছাত্ৰ-ছাত্ৰীক মুখস্থ বিদ্যাতহে পাৰ্গত কৰি তোলে। তাৰোপৰি "শিক্ষা লাভ কৰিলে কি হ'ব, ধনহে লাগে। ধন হ'লেই মনৰ সকলো আশা পূৰণ কৰিব পাৰি"— এনেধৰণৰ জঘন্য মনোবৃত্তি গঢ়ি তোলাৰ বাবে আজিৰ ছাত্ৰ-ছাত্ৰী শিক্ষা লাভৰ পৰা নিজেই বঞ্চিত হৈ পৰিছে। এনে ধৰণৰ সমস্যা সমূহৰ সমাধানৰ একমাত্ৰ সম্বল হৈছে ছাত্ৰ-ছাত্ৰীৰ দৃঢ় মানসিকতা আৰু অবিৰত প্ৰচেষ্টা।

উপৰোক্ত পৰ্যালোচনাৰ পৰা দেখা যায় যে আজিৰ সময়ত প্ৰচলিত আমাৰ শিক্ষা ব্যৱস্থাটো বিভিন্ন সমস্যাৰ জটিল মেৰপাকত সোমাই আছে। প্ৰতিটো সমস্যাই জটিল আৰু গুৰুত্বপূৰ্ণ; কিন্তু তাৰ অৰ্থ এইটো নহয় যে সেইবোৰৰ পতন ঘটোৱা অসম্ভৱ। শিক্ষা ব্যৱস্থাটোক সমস্যামুক্ত কৰি সাফল্যমণ্ডিত কৰি তুলিবলৈ সমূহ ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা সমাজৰ প্ৰতিজন ব্যক্তিৰে সজাগতা আৰু আগ্ৰহৰ প্ৰয়োজন। লগতে সমস্যাৰ সৃষ্টি কৰিব পৰা প্ৰতিটো কাৰক তথা উৎসৰ ওপৰত কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। তাৰ বাবে লাগিব গভীৰ চিন্তা, অবিৰত প্ৰয়াস, দৃঢ় মানসিকতা আৰু তীব্ৰ সহযোগিতা। ✦

*তুমি কেতিয়াওঁ পৰ্বতটো জয় কৰাৰ কথা নাভাবিবা, তুমি জয় কৰা কেৱল নিজক।*

— জিম হুইটেকাৰ

*জীৱনৰ চৰম জয়লাভ ঘটে আত্মাৰ মহত্বৰ যোগেদি, অস্ত্ৰৰে নহয়।*

— বাৰুক স্পিনোজা

*মানুহ জন্মতেই দুষ্ট নহয়, তেওঁ বেমাৰী হোৱাৰ লেখিয়াকৈ পিচতহে দুষ্ট হয়।*

— ভল্টেয়াৰ



# সন্ত্ৰাসবাদ ঃ এক নতুন বিশ্বযুদ্ধ

ত্ৰিবেণী বৰা, *স্নাতক ৩য় বৰ্ষ, দৰ্শন বিভাগ*

নিজৰ স্বাৰ্থসিদ্ধি আৰু ৰাজনৈতিক উদ্দেশ্য সফল কৰাৰ কাৰণে সকলো ধৰণৰ শক্তি তথা অস্ত্ৰ-শস্ত্ৰ প্ৰয়োগ কৰা বা প্ৰয়োগত বিশ্বাস কৰাৰ উপায় বা পথকে সন্ত্ৰাসবাদ বুলি ক'ব পৰা যায়। বিৰোধী দল, সম্প্ৰদায় বা ৰাষ্ট্ৰীয় কৰ্তৃপক্ষক ভীতিবিহুল কৰিবলৈ, ধমকি দিবলৈ, হত্যা বা প্ৰশাসন ব্যৱস্থাৰ ওপৰত নিজৰ প্ৰভুত্ব চলাবলৈ অস্ত্ৰ-শস্ত্ৰৰ ঘৃণনীয় প্ৰয়োগ কৰা দেখা যায়।

বৰ্তমান প্ৰায় গোটেই বিশ্ব সন্ত্ৰাসবাদৰ গ্ৰাসত পৰিছে, ৰাজনৈতিক স্বাৰ্থ পূৰণ কৰাৰ কাৰণে সামগ্ৰিক হিংসা আৰু সামগ্ৰিক হত্যাৰ কুৎসিত পথ গ্ৰহণ কৰা দেখা যায়। ভৌতিক দৃষ্টিত সমৃদ্ধ আৰু বিকশিত জ্ঞান কৰা দেশবোৰতো সন্ত্ৰাসবাদৰ এনেকুৱা প্ৰকৃতি বিশেষ ৰূপত ঠন ধৰি উঠা দেখা যায়। আমেৰিকাৰ ৰাষ্ট্ৰপতি কেনেডি, ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধী আৰু ৰাজীৱ গান্ধীৰ নৃশংস হত্যা, আমেৰিকা বিশ্ব বাণিজ্য কেন্দ্ৰ ধ্বংস কাৰ্য, ইত্যাদি কিছুমান ঘটনা আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদৰ কেইটামান উল্লেখযোগ্য উদাহৰণ হিচাপে দাঙি ধৰিব পাৰি।

পৃথিৱীৰ যিকোনো দেশতেই সন্ত্ৰাসবাদীসকলে প্ৰায় একে ধৰণৰ পদ্ধতি গ্ৰহণ কৰা দেখা যায়। সন্ত্ৰাসবাদীসকলে অতি গুৰুত্বপূৰ্ণ ব্যক্তি আৰু ৰাজনীতিবিদক অপহৰণ কৰে, উৰাজাহাজ অপহৰণ কৰে, সাৰ্বজনীন নেতাক হত্যা কৰে, বোমা বিস্ফোৰণ কৰে আৰু ঐতিহাসিক সা-সম্পত্তি ধ্বংস কৰে। এই ধৰণৰ সকলোবোৰ কাৰ্যৰ অন্তৰালত সন্ত্ৰাসবাদীসকলৰ এটা সু-নিশ্চিত লক্ষ্য থাকে — 'সন্ত্ৰাসবাদ প্ৰতিষ্ঠা কৰি নিজৰ অভীষ্ট আদায় কৰা।'

ৰাম আহুজাৰ ভাষাত 'ৰাজনৈতিক উদ্দেশ্যত এটা সম্প্ৰদায় বা তাৰ এটা ডাঙৰ অংশক ভয় খুৱাই নিজৰ অভীষ্ট সিদ্ধি কৰা, ই এটা নিষ্ঠুৰ আচৰণ।' ('The violent behaviour designed to generate fear in the community, or a substantial segment of it for political purpose is really brutal.') 'সন্ত্ৰাসবাদ মূলতঃ হ'ল সংগঠিত হিংসাৰ দ্বাৰা এটা সংগঠন বা দলে নিজৰ স্পষ্ট লক্ষ্য পূৰণৰ বাবে ব্যৱহাৰ কৰা এটা পদ্ধতি।' ('A method whereby an organised group or party seeks to achieve its avowed aims Chiefly through the systematic use of violence.') [Encyclopaedia of social science.] Advanced Learner's Dictionary of Current English অনুসৰি — 'ৰাজনৈতিক উদ্দেশ্য পূৰ্ণ কৰাৰ কাৰণে হিংসা আৰু ভীতি প্ৰয়োগ কৰাটো হ'ল সন্ত্ৰাসবাদ।' 'Longman's Modern English Dictionary অনুসৰি 'শাসন কৰিবলৈ বা ৰাজনৈতিক বিৰোধ প্ৰকট কৰিবলৈ ভীতিক এক বিধিৰ ৰূপত প্ৰয়োগ কৰাটো প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰাটোৱে সন্ত্ৰাসবাদ।'

সন্ত্ৰাসবাদৰ বৈশিষ্ট্যসমূহত দেখা যায় যে সন্ত্ৰাসবাদ ৰাষ্ট্ৰ নাইবা সমাজৰ বিৰোধী, ইয়াৰ ৰাজনৈতিক উদ্দেশ্য আছে। ই অবৈধ আৰু বে-আইনী; সন্ত্ৰাসবাদে শত্ৰুৰ উপৰি সাধাৰণ মানুহকো ভয় দেখুৱায় আৰু এওঁলোকৰ ওপৰত ভীতিৰ জৰিয়তে সন্ত্ৰাস প্ৰয়োগ কৰি পীড়িত কৰে আৰু বশ কৰাৰ কু-প্ৰয়াস চলায়।

সন্ত্ৰাসবাদৰ আন বৈশিষ্ট্য সমূহ হৈছে —নিজৰ উদ্দেশ্য আৰু আদৰ্শ অবিৰত প্ৰচাৰ কৰা আৰু জনসাধাৰণৰ অধিক সংখ্যকৰ সমৰ্থন আদায় কৰা, নিজৰ সংগঠনৰ শক্তি বঢ়োৱা, বিশেষকৈ যুৱ সম্প্ৰদায়ক আকৰ্ষিত কৰা আৰু নিজৰ আদেশ পালনৰ বাবে তেওঁলোকৰ শৰীৰ আৰু মনক প্ৰস্তুত কৰা নাইবা সংগঠনৰ কাৰণে জীৱন বলিদান দিবলৈ প্ৰস্তুত কৰি

তোলা, দাবী-ধমকি, হত্যা-হিংসা, অপহৰণ, আৰু ৰাজহুৱা সম্পত্তি সমূলি নষ্ট কৰি চৰকাৰ নাইবা শাসকৰ ওপৰত নিজৰ দাবী আদায়ৰ কাৰণে হেঁচা প্ৰয়োগ কৰা, বিৰোধী নাইবা চোৰাংচোৱা বুলি ভবাসকলক কোনো ধৰণৰ ক্ষমা নকৰা, এওঁলোকক শেষ কৰাৰ কাৰণে আৱশ্যকীয় সকলো ধৰণৰ উপায় গ্ৰহণ কৰা, সন্ত্ৰাসবাদী সকলৰ পথত বাধা প্ৰদান কৰা সকলক ধ্বংস কৰা, তেওঁলোকৰ গতিপথত থকা সকলো বাধা দূৰ কৰা, নিজৰ সমৰ্থক আৰু অনুসৰণকাৰী সকলক সকলো প্ৰকাৰৰ সহায় কৰা নাইবা সমৰ্থক বা অনুসৰণকাৰীক গ্ৰেপ্তাৰ কৰাৰ পিছত তেওঁলোকক মুকলি কৰাৰ কাৰণে সম্ভৱপৰ সকলো উপায় প্ৰয়োগ কৰা। নিজৰ শক্তি বা জনপ্ৰিয়তাৰ পৰিচয় দিয়াৰ বাবে শাসন বা সেনাবাহিনীৰ মনোবল ভাঙিবলৈ যত্ন কৰা, ৰাষ্ট্ৰৰ সুৰক্ষা, শান্তি বা অখণ্ডতাৰ বাবে সদায় সকলো ধৰণৰ ভয়াবহতা উৎপন্ন কৰা যাতে ৰাষ্ট্ৰৰ ভয়, আতংক আৰু অনিশ্চয়তা বাতাবৰণ বিৰাজ কৰে ৰাষ্ট্ৰৰ অন্যান্য আতংকবাদী দলক জগাই তোলা যাতে চৰকাৰৰ ই মূৰৰ কামোৰণি হৈ পৰে ইত্যাদি।

সাধাৰণতে প্ৰায়ভাগ ক্ষেত্ৰতে কম শক্তি সম্পন্ন কিছুমান ৰাষ্ট্ৰই, ওচৰ-চুবুৰীয়াই ৰাষ্ট্ৰত সন্ত্ৰাসবাদ প্ৰয়োগ কৰা দেখা যায়। ভাৰত চৰকাৰে বিশ্বাস কৰে যে, জম্মু কাশ্মীৰত ধৰ্মযুদ্ধ আৰু স্বাধীনতাৰ নামত যিবোৰ সন্ত্ৰাসবাদী হিংসামূলক কাৰ্য চলি আছে, সেইবোৰ প্ৰতিবেশী ৰাষ্ট্ৰ পাকিস্তানৰ দ্বাৰা প্ৰযোজিত আৰু প্ৰেৰিত সন্ত্ৰাসবাদীৰ দ্বাৰা সংগঠিত কাৰ্য। কেতিয়াবা আন্দোলন বা সন্ত্ৰাসবাদ দমনৰ নামত ৰাষ্ট্ৰযন্ত্ৰয়ো পুলিচ আৰু সেনাবাহিনীৰ দ্বাৰা ৰাইজৰ ওপৰত দমন আৰু নিৰ্যাতনৰ জৰিয়তে সন্ত্ৰাসবাদ প্ৰয়োগ কৰা দেখা যায়।

ৰাষ্ট্ৰৰ দ্বাৰা নিয়োজিত বা ৰাষ্ট্ৰশক্তি জড়িত থকা সন্ত্ৰাসবাদেও বিশ্ব ৰাজনীতিত গুৰুত্বপূৰ্ণ স্থান দখল কৰা দেখা গৈছে। অৱশ্যে ই বিভিন্ন প্ৰকাৰৰ। ৰাষ্ট্ৰৰ ক্ষমতা অটুট ৰখাটোৱেই ইয়াৰ মূল উদ্দেশ্য। কেতিয়াবা বিশেষ দল একোটাৰ সা-সুবিধাবোৰ সংৰক্ষণ কৰি ৰখাৰ কাৰণে ৰাষ্ট্ৰৰ ক্ষমতাক সন্ত্ৰাসবাদী কাৰ্যত ব্যৱহাৰ কৰা হয়। প্ৰায়ে ৰাষ্ট্ৰশক্তি জড়িত সন্ত্ৰাসবাদে ক্ষমতা সম্পৰ্কক, পৰিবৰ্তন কৰিব বিচৰা বৈপ্লৱিক শক্তিবোৰৰ বিৰুদ্ধে নাইবা ৰাষ্ট্ৰৰ শক্তিক দুৰ্বল বুলি ভবা শক্তিবোৰৰ বিৰুদ্ধে গোপনে আৰু অবৈধভাৱেও ব্যৱহাৰ হয়। মধ্য আমেৰিকাত কমিউনিষ্ট বিপ্লৱক বাধা দিবলৈ সৃষ্টি কৰা মৃত্যু বাহিনীৰ পৰা আৰম্ভ কৰি বৃটিছ চৰকাৰৰ লগত একতা সূত্ৰত আবদ্ধ উত্তৰ আয়াৰলেণ্ডৰ ৰাজভক্ত সকললৈকে সকলোবোৰ ৰাষ্ট্ৰৰ দ্বাৰা প্ৰেৰিত সন্ত্ৰাসবাদী সংগঠন। এই দলবোৰে নিজৰ প্ৰতিপত্তি নিশ্চিত কৰিবলৈ আৰু নিজৰ ক্ষমতা সংৰক্ষণ কৰাৰ চেষ্টা চলাই থাকে।

বিভিন্ন সময়ত আত্মসমৰ্পণকাৰী সন্ত্ৰাসবাদী-সকলক ৰাষ্ট্ৰশক্তিয়ে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সাহায্য আগবঢ়াই চৰকাৰ বিৰোধী সন্ত্ৰাসবাদী সকলৰ বিৰুদ্ধে কামত লগোৱা দেখা যায়। চৰকাৰৰ সমৰ্থন-পুষ্ট এইসকলে সন্ত্ৰাসবাদী আশ্ৰিত অঞ্চলত ভয় আৰু ত্ৰাসৰ সৃষ্টি কৰে যাতে ৰাইজৰ আবেগ, অনুভূতি আদায় কৰিবলৈ সক্ষম হোৱা সন্ত্ৰাসবাদীসকল ছিন্নমূল হয় নাইবা সমৰ্থন হেৰুৱায়। উত্তৰ-পূৰ্ব ভাৰতত এই ধৰণৰ ৰাষ্ট্ৰ নিয়োজিত সন্ত্ৰাসবাদৰ যথেষ্ট প্ৰমাণ আছে।

ৰাজনৈতিক বিপ্লৱ বা বিশেষ পৰিবৰ্তনৰ প্ৰতি থকা ভয় আৰু সন্দেহে প্ৰেৰিত সন্ত্ৰাসবাদক সমৰ্থন কৰে। কিয়নো বেছিভাগ নাগৰিকেই চৰকাৰক তেওঁলোকৰ গেৰাণ্টৰ হিচাপে বিবেচনা কৰে। পৃথিৱীৰ প্ৰায় সকলো ৰাষ্ট্ৰতে গোটৰ দ্বাৰা প্ৰয়োজিত সন্ত্ৰাসবাদ দেখা যায়। সাধাৰণতে এইধৰণৰ সন্ত্ৰাসবাদ ৰাষ্ট্ৰ বা শাসনৰ বিৰুদ্ধে বিচ্ছিন্নতাবাদী আন্দোলনৰ ৰূপত ভুমুকি মাৰে আৰু পিছলৈ সন্ত্ৰাসবাদী কাৰ্য প্ৰণালীলৈ গতি কৰে। উদাহৰণ স্বৰূপে, পাঞ্জাৱত ভিন্দ্ৰানেৱালা গোটৰ দ্বাৰা সংঘটিত খালিস্তানী সন্ত্ৰাসবাদ, যিসকলে পাঞ্জাৱত পৃথক আৰু স্বাধীন খালিস্তান তৈয়াৰ কৰিব বিচাৰিছিল। শ্ৰীলংকাৰ লিবাৰেচন টাইগাৰচ অৱ তামিল ঈলম (LTTE) এনেকুৱা বিচ্ছিন্নতাবাদী সিদ্ধান্তৰ ওপৰত আধাৰিত সংগঠন। আইৰিচ ৰিপাব্লিকান আৰ্মি, ৰাছিয়াৰ চেচনীয়া বিদ্ৰোহী, অসমৰ ইউনাইটেড লিবাৰেচন ফ্ৰণ্ট অৱ আসাম (ULFA) আদিয়ে ৰাষ্ট্ৰৰ পৰা পৃথক হৈ স্বাধীন ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিব বিচাৰে। অপৰাধ সম্পৰ্কীয় সন্ত্ৰাসবাদে মানুহৰ মাজত আতংক সৃষ্টিৰ বাবে হিংসাক মুখ্য উপায় হিচাপে ব্যৱহাৰ কৰে আৰু ৰাজনৈতিক



ক্ষমতা হস্তগত কৰাৰ বাবে ধনৰ প্ৰয়োগ কৰে। ডাউড ইব্ৰাহিমৰ নিচিনা অন্ধকাৰ জগত (under world)ৰ অপৰাধীসকলৰ দ্বাৰা পৰিচালিত সন্ত্ৰাসবাদী কাৰ্যবোৰ এই শ্ৰেণীৰ ভিতৰত পৰে।

মাদক দ্ৰব্য সম্পৰ্কীয় সন্ত্ৰাসবাদে ধন আহৰণৰ কাৰণে মাদক দ্ৰব্যৰ (ক'কেইন, ব্ৰাউন চুগাৰ ইত্যাদি) চোৰাং কাৰবাৰী সকলক সহায় কৰে। সংবাদ পত্ৰত প্ৰকাশিত বাতৰি অনুসৰি কুখ্যাত আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী ওচামা বিন লাডেনে মাদক দ্ৰব্যৰ চোৰাং কাৰবাৰ কৰি প্ৰচুৰ পৰিমাণৰ ধন সংগ্ৰহ কৰে। বিচাৰ্য বিষয়ৰ ওপৰত প্ৰতিষ্ঠিত সন্ত্ৰাসবাদে পৰমাণু অস্ত্ৰ নিষিদ্ধকৰণ, ভূমি সংঘৰ্ষ, ভাষা-সংস্কৃতি ৰক্ষণ, শিল্পউদ্যোগ স্থাপনত প্ৰাথমিকতাৰ দাবী, নিৰ্বাচনত জয়ী হোৱাৰ নিশ্চয়তা ইত্যাদি বিষয়ৰ ওপৰত ভিত্তি কৰি সংঘটিত হোৱা সন্ত্ৰাসবাদ। উদাহৰণ হিচাপে, পশ্চিমবংগ নক্সালবাদী সন্ত্ৰাসবাদ মাটিহীন কৃষক শ্ৰমিকক মালিকীস্বত্ব প্ৰদানৰ বাবে সংঘটিত হৈছিল, বিহাৰৰ পিপুলচ্ ৱাৰ গ্ৰুপ (people's war group) নামৰ সন্ত্ৰাসবাদী সংগঠনটো এনেকুৱা বহুতো দাবীক কেন্দ্ৰ কৰি গঢ়ি উঠিছে। জম্মু-কাশ্মীৰৰ কেইটামান সন্ত্ৰাসবাদী সংগঠনে হিংসা আৰু ধমকি প্ৰয়োগ কৰি নিৰ্বাচনী প্ৰক্ৰিয়া প্ৰভাৱিত কৰিব বিচাৰে। সন্ত্ৰাসবাদীসকলে নিজৰ লক্ষ্যত উপনীত হোৱাৰ কাৰণে তলত উল্লেখ কৰা ধৰণৰ কাৰ্য প্ৰণালী গ্ৰহণ কৰা দেখা যায় —

সমাজৰ কোনো বিশেষ শ্ৰেণী একোটাকৈ অন্য শ্ৰেণীৰপৰা পৃথক পৃথক কৰা তথ্য, তেওঁলোকৰ মাজত থকা সম্প্ৰীতি ধ্বংস কৰাৰ বাবে হিংসা বিয়পাই দিয়া, জ্বলনশীল পদাৰ্থ, বোমা-বাৰুদ তথা আগ্নেয় অস্ত্ৰ ব্যৱহাৰৰ দ্বাৰা ধ্বংসমূলক কাৰ্য কৰা, যথেষ্ট লোকৰ মৃত্যু নাইবা আহত হোৱা আৰু প্ৰয়োজনীয় সেৱাৰ ওপৰত কু-প্ৰভাৱ পৰা ধৰণৰ বৰ্বৰোচিত হিংসাত্মক কাৰ্য সম্পাদন কৰা, গুৰুত্বপূৰ্ণ লোক অপহৰণ তথা হত্যা নাইবা তেনেকুৱা লোকক অপহৰণ কৰা বা হত্যা ভাবুকিৰ দ্বাৰা চৰকাৰৰ ওচৰত অনুচিত দাবী উত্থাপন কৰা আৰু এই দাবীবোৰ চৰকাৰক জনাবলৈ প্ৰয়াস কৰা, বেংক ডকাইতি, বিমান অপহৰণ ইত্যাদি অনেক কু-কাৰ্য সন্ত্ৰাসবাদীসকলে কৰা দেখা যায়।

গোটেই বিশ্বতে সন্ত্ৰাসবাদ সৃষ্টি এটা মুখ্য কাৰণ হ'ল শোষণ আৰু অন্যায়। ইয়াৰ বাবে আগৰে পৰাই বিশ্বত বহুতো সন্ত্ৰাসবাদমূলক কাৰ্য চলি আহিছে। সাম্ৰাজ্যবাদৰ জৰিয়তে অনুন্নত আৰু দুখীয়া দেশবিলাকৰ ওপৰত শোষণ চলাই অহা হৈছে। স্বাধীন ভাৰতবৰ্ষতো শোষণ আৰু অন্যায় চলিয়েই আছে। এনেকুৱা পৰিস্থিতিত সন্ত্ৰাসবাদীসকলে ৰাইজৰ ওচৰত প্ৰচাৰ চলায় যে তেওঁলোক সন্ত্ৰাসবাদী নহয়, মাত্ৰ শোষণ আৰু অন্যায় বিৰোধী। বহুতো ক্ষেত্ৰত জনসাধাৰণে এইটো বিশ্বাসো কৰে আৰু সন্ত্ৰাসবাদীৰ ওপৰত সাময়িকভাৱে হ'লেও আস্থা প্ৰকাশ কৰে। শোষণৰ ফলত হোৱা আৰ্থিক বৈষম্য, ভাষিক নাইবা আঞ্চলিক বৈষম্যই সন্ত্ৰাসবাদ সৃষ্টিত বিশেষ অৰিহণা যোগায়।

নিবনুৱা, দৰিদ্ৰতা, অশিক্ষা, স্বজন-তোষণ, ভ্ৰষ্টাচাৰ আদি বহুতো কাৰণত বৰ্তমান সময়ত যুৱক বিলাকৰ মনত অসন্তুষ্টি চলি থাকে। বৰ্তমান সময়ৰ যুৱকসকলে ভৱিষ্যত জীৱনত বিশেষ কিবা এটা কৰাৰ তীব্ৰ আকাংক্ষা এটা পুহি ৰাখে। কিন্তু এই আকাংক্ষা বা ইচ্ছাক বাস্তৱায়িত কৰিবলৈ ধনৰ দৰকাৰ হয়। আনহাতে চৰকাৰী সা-সুবিধা গ্ৰহণৰ ক্ষেত্ৰতো স্বজন-প্ৰীতি, ঘোচ ইত্যাদি উপসৰ্গবিলাকে তেওঁলোকৰ মাজত তীব্ৰ অসন্তোষ আৰু বিদ্বেষৰ সৃষ্টি কৰে। ফলত ধন সংগ্ৰহ কৰিবলৈ নাইবা বিদ্বেষৰ ফলত হিংসাপূৰ্ণ কাম কৰিবলৈ তেওঁলোকে নিচাযুক্ত দ্ৰব্যৰ ব্যৱসায় আৰু সন্ত্ৰাসবাদীসকলৰ লগত চামিল হৈ যায়।

পৃথিৱীত এনেকুৱা কিছুমান ৰাষ্ট্ৰ আছে যিবোৰে আজিও সন্ত্ৰাসবাদী সকলক প্ৰশিক্ষণ আৰু আৰ্থিক সাহাৰ্য প্ৰদান কৰে। বাহিৰা দেশৰ সন্ত্ৰাসবাদ বাধা দিয়াত সহায় নকৰি প্ৰতিবেশী নাইবা বেলেগ দেশৰ আভ্যন্তৰত অস্থিৰতা সৃষ্টি কৰাৰ বাবে সন্ত্ৰাসবাদীসকলক আৰ্থিক আৰু ৰাজনৈতিকভাৱে সহায় প্ৰদান কৰে। পাকিস্তানে ভাৰতত এই ধৰণৰ আতংক সৃষ্টি কৰিবলৈ বিচাৰে যাৰবাবে ISI, লস্কৰ ই তৈবা, জৈচে মহম্মদ আদি সংগঠন বিলাকে সক্ৰিয়ভাৱে কাম কৰে।

অবৈধ অস্ত্ৰ-শস্ত্ৰৰ ব্যৱসায় আজিকালি যথেষ্ট বৃদ্ধি পাইছে। অত্যাধুনিক আৰু ভয়ানক অস্ত্ৰ অবৈধভাৱে

লাভ কৰা বৰ্তমান সময়ত বিশেষ টান কাৰ্য নহয়। বহুকেইখন ৰাষ্ট্ৰই অবৈধভাৱে আধুনিক অস্ত্ৰৰ ব্যৱসায় কৰা যেন অনুমান হয়। আধুনিক মৰণাস্ত্ৰৰ সহজলভ্য হোৱা কাৰণেও সন্ত্ৰাসবাদে গতি লাভ কৰিছে।

বিশ্বৰ দেশবিলাকত ভ্ৰষ্টাচাৰৰ পয়োভৰ হৈছে। ৰাজনৈতিক নেতা, উচ্চ আমোলা, ব্যৱসায়ী আৰু শিল্পপতি সকলৰ আচৰণ দেখি নতুন যুৱকসকলৰ ধৈৰ্যৰ বান্ধ চিঙি গৈছে। উচ্চস্তৰৰ পদাধিকাৰী সকলো ভ্ৰষ্টাচাৰ আৰু দুৰ্নীতিত লিপ্ত হৈ পৰাৰ প্ৰমাণ হৈ গৈছে। পৰ্বত প্ৰমাণ দুৰ্নীতিৰ ফলত শিক্ষিত-অশিক্ষিত যুৱকসকল চাকৰি, ব্যৱসায়, উদ্যোগ সকলোতে অন্যায়, বৈষম্য আৰু শোষণৰ বলি হৈছে। এই কাৰণবোৰে সন্ত্ৰাসবাদ বৃদ্ধিত বিশেষ সহায় কৰিছে। ন্যায় ব্যৱস্থাত হোৱা অযথা পলমেও সন্ত্ৰাসবাদী কাৰ্য চলি থকাত সহায় কৰে। বিভিন্ন দেশৰ ন্যায়াধীশ সকলো ভ্ৰষ্টাচাৰী আৰু ঘোচখোৰ হৈ পৰিছে। তেওঁলোকে উপঢৌকন, ভেটি আদি লৈ মোকৰ্দমাবোৰ বৰ দীঘলীয়া কৰে যাৰ ফলত সন্ত্ৰাসবাদীসকলে নিৰ্ভীকভাৱে তেওঁলোকৰ কাৰ্য চলাই যাব পাৰে।

ৰাজনৈতিক দলবোৰেও সন্ত্ৰাসবাদ বৃদ্ধিত সহায় কৰে। এই দলবোৰে ভোট লাভ কৰাৰ আশাত বিভিন্ন ধৰণৰ বেয়া কাম কৰিবলৈ সাজু হৈ থাকে। ৰাজনৈতিক দলবোৰে নিৰ্বাচনত জয়ী হ'বলৈ সন্ত্ৰাসবাদী সংগঠনৰ সহায় লোৱা দেখা যায়। কেতিয়াবা ৰাজনৈতিক দলে সন্ত্ৰাসবাদী আৰু গুণ্ডা প্ৰকৃতিৰ লোকক নিজক দলৰ পৰা নিৰ্বাচনত প্ৰাৰ্থিত্বও দিয়া দেখা যায়।

সন্ত্ৰাসবাদ বৃদ্ধি পোৱাৰ কেইটামান অন্যান্য কাৰণ হ'ল - (১) চোৰাংচোৱা আৰু প্ৰশাসনৰ বিফলতা (২) নৈতিক শিক্ষাৰ অভাৱ (৩) মূল্যবোধৰ অৱক্ষয়।

সন্ত্ৰাসবাদী সংগঠনবোৰক দুটা স্তৰত অধ্যয়ন কৰিব পাৰি ঃ

১। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ঃ বৰ্তমান বিশ্বৰ অনেক দিশত (কম বা বেছি পৰিমাণে) সন্ত্ৰাসবাদ থকা দেখা যায়। উদাহৰণ হিচাপে—

(ক) ইউৰোপীয় দেশবোৰত ঃ
সংঘীয় জাৰ্মান গণৰাজ্য — মেনহাঁফ
ফ্ৰান্স — ব্ৰেটনে, পোলেলিবাৰেচন
আয়াৰলেণ্ড — আইৰিচ লিবাৰেচন আৰ্মি
তাৰ্কী — তাৰ্কী পিপুলচ লিবাৰেচন আৰ্মি
ইটালী — বিগেট দোচে

(খ) আমেৰিকা দেশবোৰত ঃ
আৰ্জেণ্টিনা — (ERP) যুৰ্চিতো ৰিভিলিউচনাৰী দল পুৱো
বলিভিয়া — (ELN) যুচিভোদ লিবাৰেচন নেচনেল
উত্তৰ আমেৰিকা — ব্লেক পেন্থৰ

(গ) আফ্ৰিকাত ঃ
ইথিওপিয়া — (ELF) ইৰিট্ৰীয়ন লিবাৰেচন ফ্ৰন্ট

(ঘ) পূৱ এচিয়াত ঃ ৰেংগী চেংকিগুণ। (জাপান)

(ঙ) পশ্চিম এচিয়াত ঃ
পেলেষ্টাইন — (PLO) পেলেষ্টাইন লিবাৰেচন অৰ্গেনাইজেচন।
ইৰাক — আলকায়দা, তালিবান।

(চ) শ্ৰীলংকা ঃ (LTTE) লিবাৰেচন টাইগাৰচ অৱ তামিল ঈলম।

(ছ) পাকিস্তান ঃ ISI, লস্কৰ-ই-তৈবা, জৈচে মহম্মদ।

২। ৰাষ্ট্ৰীয় স্তৰত ঃ স্বাধীনতা প্ৰাপ্তিৰ লগে লগে ভাৰতবৰ্ষত সন্ত্ৰাসবাদে মূৰ দাঙি উঠিছিল। ভাৰতৰ নাগালেণ্ড, মিজোৰাম, কাশ্মীৰ, পশ্চিমবংগ, বিহাৰ, অসম, অন্ধ্ৰপ্ৰদেশ, পঞ্জাব আদি ৰাজ্যত সন্ত্ৰাসবাদী সংগঠন গঢ়ি উঠিছে। বৰ্তমান সময়ত ভাৰতত সক্ৰিয় হৈ থকা কেইটামান সন্ত্ৰাসবাদী সংগঠন হ'ল —

ISI, জৈচে মহম্মদ, লস্কৰ-ই-তৈবা, চিমি, পিপুলচ বাৰ গ্ৰুপ, আলফা, NDFB, খাপলাং গোট।

সন্ত্ৰাসবাদী কাৰ্যকলাপ বিশ্বৰ বিভিন্ন দেশত সংঘটিত হৈ আছিল যদিও এই ঘটনাক ৰাষ্ট্ৰীয় ঘটনা বা ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰা হৈছিল কিন্তু ২০০১ চনৰ ১১ ছেপ্তেম্বৰত। আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্কত অৱস্থিত বিশ্ব বাণিজ্য কেন্দ্ৰত (WTC) আৰু ৱাচিংটন চহৰৰ পেণ্টাগণত হোৱা সন্ত্ৰাসবাদী আক্ৰমণে সন্ত্ৰাসবাদক আন্তঃৰাষ্ট্ৰীয় আতংকবিদ ওচামা বিন লাডেনৰ বুদ্ধি আৰু কৌশলৰ পৰিচয় দিছিল। আমেৰিকাই ১১ ছেপ্তেম্বৰ ঘটনাৰ বাবে ওচামা বিন লাডেন আৰু আফগানিস্তানৰ তালিবান মিলেচিয়াক দোষী সাব্যস্ত কৰি আফগানিস্তানৰ ওপৰত আক্ৰমণ কৰি আফগানিস্তানৰ পৰা তালিবান মিলেচিয়াৰ শাসন দলিয়াই পেলায়, কিন্তু সন্ত্ৰাসবাদীসকলক আমেৰিকাৰ সৈনিকে কৰায়ত্ব কৰিব নোৱাৰিলে। সন্ত্ৰাসবাদীৰ মুখ্য তালিকাত আছিল ওচামা বিন লাডেন আৰু মৌলানা মহম্মদ ওমৰ।

১২ ছেপ্তেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে (security council) আমেৰিকাৰ ওপৰত হোৱা সন্ত্ৰাসবাদী আক্ৰমণ নিন্দা কৰি ১৩৬৮ নং প্ৰস্তাৱ গ্ৰহণ কৰে। ইয়াৰ পিচতে ২৪ ছেপ্তেম্বৰত নিৰাপত্তা পৰিষদে ১,৩৭৩ নং প্ৰস্তাৱ গ্ৰহণ কৰে। এই প্ৰস্তাৱ আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ দমন কৰা কাৰণে বিভিন্ন উপায়ৰ ৰূপৰেখা তৈয়াৰ কৰা হয়। এই প্ৰস্তাৱত অন্যান্য কথাৰ উপৰি ইয়াকো কোৱা হয় যে কোনো এখন দেশেই যাতে সন্ত্ৰাসবাদীসকলক কোনো প্ৰকাৰৰ সাহাৰ্য্য প্ৰদান নকৰে আৰু এই সন্ত্ৰাসবাদ নিৰ্মূলকৰণত সকলোৱে সহযোগিতাও কামনা কৰা হয়।

২০০৪ চনৰ ১১ মাৰ্চ তাৰিখে স্পেইনৰ ৰাজধানী মাদ্ৰিদত বৰ ভয়ানক ধৰণৰ সন্ত্ৰাসবাদী আক্ৰমণ চলে। মাদ্ৰিদ আৰু ইয়াৰ ওচৰ-পাজৰ ষ্টেচন আৰু ট্ৰেইনত সৰ্বমুঠ ১০টা বোমা সংস্থাপন কৰে যিবোৰৰ দুটা বোমাৰ কিছু সময়ৰ ভিতৰতে বিস্ফোৰণ ঘটে। এই বিস্ফোৰণৰ ফলত ২৫০ জন লোক নিহত হয় আৰু ১৫০০ তকৈ অধিক লোক আহত হয়। স্পেইনৰ গৃহমন্ত্ৰী এঞ্জেল এস্বেচেবাস্ক বিচ্ছিন্নতাবাদী সংগঠনে ETA ক এই কাৰ্যৰ বাবে দোষী সাব্যস্ত কৰে। কিন্তু ওচামা বিন লাডেনৰ সন্ত্ৰাসবাদী সংগঠন অলকায়দাই আমেৰিকাই ইৰাকৰ ওপৰত চলোৱা আক্ৰমণৰ বাবে স্পেইনে আমেৰিকাক সহায় কৰাৰ বাবে ইয়াৰ পোতক তোলা বুলি নিজৰ দায়িত্ব নিজে স্বীকাৰ কৰি লয়। লণ্ডনৰ প্ৰকাশত এখন দৈনিক অল কুটচ অল আৰবীলৈ পঠোৱা এখন চিঠিত অলকায়দাই কয় যে — 'এইটো ইউৰোপত আৰম্ভণিহে মাত্ৰ। মুছলমান বিৰোধী ৰাষ্ট্ৰক সহায় যোগোৱাৰ বাবে ইয়াতকৈ ভয়াৱহ পৰিণতিৰ মুখামুখি হ'ব লাগিব যিটোৰ আঘাত স্পেইনে বহুবছৰ ধৰি পাহৰিব নোৱাৰিব।

**ভাৰতত সন্ত্ৰাসবাদৰ ভিন্ন ৰূপ (Various forms of terrorism in India) ঃ**

ভাৰতত সন্ত্ৰাসবাদে বেলেগ ৰূপত প্ৰকাশ পোৱা দেখা যায়।

১। খালিস্তানী সন্ত্ৰাসবাদ — এই সন্ত্ৰাসবাদ পাঞ্জাৱত বিশেষ ৰূপত প্ৰকাশ পাইছিল। ভিন্দ্ৰানৱালৰ নেতৃত্বত স্বাধীন খালিস্তান ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ উদ্দেশ্য লৈ এই সন্ত্ৰাসবাদে গা কৰি উঠিছিল। ১৯৮৪-৮৫ চনত এই সন্ত্ৰাসবাদে এটা ভয়াবহ পৰ্যায়ত উপনীত হৈছিল। গুৰুদ্বাৰবিলাক অস্ত্ৰাগাৰত পৰিণত হৈছিল। অসংখ্য নিৰপৰাধী লোক (যি সকলৰ অধিকাংশই হিন্দু আছিল)ৰ মৃত্যু হৈছিল। খালিস্তানী উগ্ৰবাদী সকলে জ্বলোৱা হিংসাৰ জুইত পাঞ্জাৱৰ সুখ, শান্তি আৰু বিকাশ সকলোবোৰ স্তব্ধ হৈ পৰিছিল। এইবোৰৰ চৰম প্ৰতিফলন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ হত্যাৰ জৰিয়তে প্ৰকাশ পাইছিল। যাৰ প্ৰতিক্ৰিয়া স্বৰূপে শিখৰ ওপৰত চলা হাংগামাত ৩০০তকৈ অধিক শিখ লোকৰ মৃত্যু হ'ল। কিন্তু এনে এটা সময় আহিল যেতিয়া পাঞ্জাৱত মানুহে নিজেই সন্ত্ৰাসবাদী কাৰ্য-কলাপত বিৰক্ত হৈ হেৰোৱা সুখ ঘূৰাই আনিবৰ বাবে পুলিচ আৰু চৰকাৰৰ লগত সহযোগিতা কৰিব ধৰিলে। বিখ্যাত পুলিচ বিষয়া কে. পি. এচ. গীলৰ উপলব্ধ সঠিক ৰণনীতি ১৯৯৩-৯৪ চনত চৰকাৰে প্ৰয়োগ কৰি পাঞ্জাৱত সন্ত্ৰাসবাদ শেষ কৰি পেলালে।

২। নক্সালবাদী সন্ত্ৰাসবাদ (Naxalite Terrorism) — নক্সালবাদী সন্ত্ৰাসবাদৰ জন্মস্থান পশ্চিমবংগ। ১৯৬৭ চনত নক্সালবাদীসকলে মূৰ দাঙি উঠি চীনৰ দ্বাৰা সাহায্য লাভ কৰি ১৯৬৯ চনত ভাৰতীয় কমিউনিষ্ট পাৰ্টি (মাক্সবাদী লেনিনবাদ) গঠনৰ জৰিয়তে সন্ত্ৰাসবাদী কাৰ্য আৰম্ভ কৰিলে। নক্সালবাদী নেতা চাৰু মজুমদাৰে ঘোষণা কৰিলে 'চীনৰ চেয়াৰমেন আমাৰ চেয়াৰমেন।' বিহাৰত বৰ্তমানো সক্ৰিয় সন্ত্ৰাসবাদী সংগঠন 'পিপুলচ ৱাৰ গ্ৰুপ' (PWG) আচলতে নক্সালবাদী সংগঠনৰ এটা শাখা। প্ৰাপ্ত বাৰ্তাৰ মতে ১৯৬৯ৰ পৰা ১৯৯২ চনলৈ নক্সালবাদী সন্ত্ৰাসবাদীসকলে ২,৭১১ জন লোকক হত্যা কৰে, ৭১৫ জন জমিদাৰ আৰু মহাজনৰ সা-সম্পত্তি লুটপাত কৰে আৰু ২১ বাৰ বেংক লুটপাতৰ চেষ্টা

কৰে আৰু ৯,৯৮৭টা অন্যপ্ৰকাৰৰ হিংসাত্মক ঘটনা সংঘটিত কৰে। ২০০২ চনৰ মে' মাহত PWGৰ সক্ৰিয় সদস্যই ২জনী মহিলা আৰু ২টি শিশুৰে সৈতে কেইবাজনো লোকক সামূহিক হত্যা কৰে।

৩। অসমৰ আলফা আৰু বড়ো সন্ত্ৰাসবাদ — অসমত ১৯৮০ চনৰ পিছত সন্ত্ৰাসবাদে গা কৰি উঠে। সদৌ অসম ছাত্ৰ সন্থাই (AASU) অসমৰ পৰা বিদেশী আৰু অবৈধ নাগৰিক বাহিৰ কৰি দিয়া এওঁলোকৰ ভোটাৰ তালিকাৰ পৰা বাদ দিয়াৰ বাবে চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিলে আৰু চৰকাৰে যেতিয়া এই দাবী মানি নল'লে তেতিয়া এই আন্দালনে হিংসাত্মক ৰূপ লয় আৰু প্ৰায় ৫০০০ লোকৰ মৃত্যু হয়। আছুৰ আন্দোলন ফলস্বৰূপে অসম গণ পৰিষদ দলে ৰাজ্যত চৰকাৰ গঠন কৰিলে, তেতিয়া সকলোৰে আশা কৰিছিল হিংসাত্মক আন্দোলনৰ সমাপ্তি ঘটিব। কিন্তু আভ্যন্তৰীণ দ্বন্দ্বৰ কাৰণে অসম গণ পৰিষদ দুৰ্বল হয় আৰু ইউনাইটেড লিবাৰেচন ফ্ৰন্ট অৱ আছাম নামৰ (ULFA) সন্ত্ৰাসবাদী সংগঠনটোৱে খুউব শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰে। অসংখ্য হত্যা-লুণ্ঠন আৰু অপহৰণৰ ঘটনাত সমগ্ৰ অসম কঁপি উঠে। আলফাই নিজৰ স্থিতি ৰক্ষা কৰি থকা সময়তে সদৌ বড়ো ছাত্ৰ সন্থাই (ABSU) উপেন ব্ৰহ্মৰ নেতৃত্বত পৃথক ৰাজ্যৰ দাবীত আন্দোলন আৰম্ভ কৰি দিয়ে। প্ৰথমৰ পৰাই হিংসাত্মক কাৰ্যৰে পৰিচালিত হয় আৰু গোটেই অসমতে ভয়াবহ সন্ত্ৰাসৰ পৰিবেশ সৃষ্টি কৰে। বড়োসকলৰ এই আন্দোলনৰ ফলশ্ৰুতিত এচাম বড়ো যুৱক-যুৱতীয়ে হাতত অস্ত্ৰ লৈ স্বাধীন বড়োলেণ্ডৰ দাবীত সশস্ত্ৰ বিদ্ৰোহ আৰম্ভ কৰে। বড়ো চিকিউৰিটি ফোৰ্চ (BSF), বড়োলেণ্ড লিবাৰেচন টাইগাৰ্চ (BLT), নেচেনেল ডেমোক্ৰেটিক ফ্ৰন্ট অৱ বড়োলেণ্ড ইত্যাদি নামৰ বিদ্ৰোহী সংগঠনৰ নামত অসমৰ এটা ব্যাপক অংশত সন্ত্ৰাসবাদী কাৰ্যকলাপ সংঘটিত হ'বলৈ ধৰে। ফলত বিস্ফোৰণ, হত্যা, গোষ্ঠী সংঘৰ্ষ, বিৰোধী ৰাজনৈতিক মতবাদীক হত্যা ইত্যাদিৰ মাধ্যমত এই সন্ত্ৰাসবাদে আত্মপ্ৰকাশ কৰে।

আনহাতে অসমৰ কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলাত কেইবাটাও সন্ত্ৰাসবাদী গোট সক্ৰিয় হৈ আছে। DHD বৰ্তমান অতি সক্ৰিয় ৰূপত আত্মপ্ৰকাশ কৰিছে। মিজোৰামত মাৰ পিপল কনভেনচন, নগালেণ্ডৰ NSCN, ত্ৰিপুৰাত TNV আদিয়ে চেগাছোৱোকাকৈ সন্ত্ৰাসবাদী কাৰ্যকলাপ চলাই আছে। সম্প্ৰতি মাল্টা নামৰ ইছলামী সংগঠনৰ সদস্য অসমত কৰ্মৰত হৈছে।

৪। LTTE দ্বাৰা পৰিচালিত সন্ত্ৰাসবাদ — সন্ত্ৰাসবাদৰ এটা প্ৰত্যক্ষ ৰূপ হ'ল লিবাৰেচন টাইগাৰচ অব তামিল ঈলমৰ দ্বাৰা পৰিচালিত সন্ত্ৰাসবাদ। এই সংগঠনৰ মুখ্য ব্যক্তি বা কামাণ্ডাৰ হ'ল — ভেলুপিল্লাই প্ৰভাকৰণ। শ্ৰীলংকাৰ এই সন্ত্ৰাসবাদী সংগঠনটোক বিশ্বৰ লোকে মানৱতাৰ শত্ৰু হিচাপে গণ্য কৰে। এই সংগঠনৰ দ্বাৰা পৰিচালিত হিংসা ভাৰত আৰু শ্ৰীলংকাতে সীমাবদ্ধ নাথাকি সমগ্ৰ বিশ্বৰ কাৰণে ভয়ৰ কাৰণ হৈ পৰিছে। প্ৰভাকৰণৰ সহযোগীসকলে শ্ৰীলংকাৰ এজন প্ৰধানমন্ত্ৰীৰ লগতে বহুতো অভিজ্ঞ আৰু প্ৰবীন ৰাজনৈতিক নেতাক হত্যা কৰিছে। LTTEৰ দ্বাৰা পৰিচালিত সন্ত্ৰাসবাদত হাজাৰ সৈনিক নিৰপৰাধী লোক, বৃদ্ধ, শিশু আৰু মহিলাৰ মৃত্যু হৈছে। ভাৰতবৰ্ষৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীক যিজনী আত্মঘাতী মহিলাৰ দ্বাৰা হত্যা কৰা হৈছিল সেই ষড়যন্ত্ৰ প্ৰভাকৰ বা LTTEৰ দ্বাৰা পৰিচালিত হৈছিল।

৫। কাশ্মীৰৰ সন্ত্ৰাসবাদ — ভাৰতবৰ্ষই যোৱা অৰ্দ্ধশতিকা জুৰি কাশ্মীৰ সমস্যাত ভুগি আছে আৰু দুখনকৈ ইন্দো-পাকিস্তান যুদ্ধৰ মুখামুখি হ'ব লগা হৈছে। কিন্তু যোৱা ২০ বছৰমানৰ পৰা জম্মু-কাশ্মীৰত হিংসা আৰু ধ্বংসৰ তাণ্ডৱ চলোৱা সন্ত্ৰাসবাদী সংগঠন ভয়ানক ৰূপত গঢ়ি উঠিছে। এই সন্ত্ৰাসবাদী সংগঠনৰ কাৰ্যকলাপে গোটেই জম্মু-কাশ্মীৰতে সুখ-শান্তি আৰু বিকাশ স্থবিৰ কৰি তুলিছে। কাশ্মীৰৰ সন্ত্ৰাসবাদ ইছলামী সন্ত্ৰাসবাদী সংগঠন যেনে — লস্কৰ ই তৈবা, জৈচে মহম্মদ, হিজবুল মুজাহিদীন আদি সংগঠনে চলাই আহিছে। ১৯৯৩ চনৰ অক্টোবৰ মাহত ৪০ জন সন্ত্ৰাসবাদীয়ে ৩১ দিন ধৰি জুলাই মাহত Al-Foram নামৰ সন্ত্ৰাসবাদী গোটটোৱে পাঁচজন বিদেশীক অপহৰণ কৰা, ১৯৯৯ চনৰ মে'ত IC-1814 বিমানৰ অপহৰণ, ২০০১ চনৰ ১৩ চেপ্তেম্বৰত ভাৰতীয় সংসদৰ ওপৰত চলোৱা আক্ৰমণ, ২০০২ চনৰ ১ অক্টোবৰত জম্মু-কাশ্মীৰত বিধান সভাৰ বাহিৰত বোমা বিস্ফোৰণ, ২০০১ চনৰ ৩ নৱেম্বৰত দক্ষিণ দিল্লীৰ বজাৰ অঞ্চলত হোৱা আক্ৰমণ, ২০০২ চনৰ ২৪ ছেপ্তেম্বৰত গুজৰাটৰ গান্ধীনগৰৰ অক্ষয়ধাম মন্দিৰত হোৱা আক্ৰমণ, ২০০২ চনৰ ২৫ আগষ্টত মুম্বাইৰ তাজ হোটেলৰ সন্মুখত আৰু মুম্বাদেৱী মন্দিৰৰ ওচৰৰ চবেৰী বজাৰত হোৱা শক্তিশালী বিস্ফোৰণ সন্ত্ৰাসবাদী কাৰ্যৰ কেইটামান উদাহৰণ মাত্ৰ।

গতিকে, যদিও আমি সন্ত্ৰাসবাদৰ বিষয়ে বিস্তৃত আলোচনা কৰিলো, তথাপিও আমি সন্ত্ৰাসবাদৰ বিৰুদ্ধে সিমানেই সজাগ বুলি ক'ব পাৰিমনে? ছোৱালীক ল'ৰাই জোকোৱা, মদ খাই আহি পৰিবাৰৰ ওপৰত অত্যাচাৰ কৰা এক প্ৰকাৰৰ সন্ত্ৰাসেই নহয়জানো? নিজৰ ভিতৰতে থকা সন্ত্ৰাসৰ বীজৰ পৰা ছোমালিয়াৰ জলদস্যুসকলে অপহৰণ কৰা বাণিজ্যিক জাহাজলৈকে সকলোবোৰ এক নতুন বিশ্বযুদ্ধৰেই সূচনা কৰে। গতিকে সকলো সজাগ হ'ব'ৰ হ'ল, আভ্যন্তৰীণ ক্ষেত্ৰতো আৰু বাহ্যিক ক্ষেত্ৰতো। ✦

*সহায়ক গ্ৰন্থ ঃ*

*১। সমসাময়িক ৰাজনৈতিক বিষয় ঃ তালুকদাৰ, হিৰণ্য।*

# পৃথিৱীৰ বৃহত্তম

| | | |
|---|---|---|
| বৃহত্তম মহাদেশ | — | এছিয়া — ৪১,৬৬৭,৭২০ বৰ্গ কিঃ মিঃ |
| বৃহত্তম মহাসাগৰ | — | প্ৰশান্ত মহাসাগৰ — ১৬৬,২৪০,০০০ বৰ্গ কিঃ মিঃ |
| বৃহত্তম দেশ | — | ৰাছিয়া — ১৭,০৭৫,০০ বৰ্গ কিঃ মিঃ |
| বৃহত্তম জলপ্ৰপাত | — | গুয়েইবা (ব্ৰাজিল) ১৩,৩০০ কিউবিক মিঃ (জনপ্ৰবাহ) |
| বৃহত্তম উপসাগৰ | — | মেক্সিকো উপসাগৰ |
| বৃহত্তম মৰুভূমি | — | চাহাৰা (দঃ আফ্ৰিকা) |
| বৃহত্তম প্ৰাসাদ | — | ভেটিকান (ৰোম) |
| বৃহত্তম ব-দ্বীপ | — | সুন্দৰবন (ভাৰত) |
| বৃহত্তম নদীদ্বীপ | — | মাজুলী (অসম, ভাৰত) |
| বৃহত্তম হ্ৰদ | — | কাস্পিয়ান সাগৰ |
| বৃহত্তম দ্বীপপুঞ্জ | — | ইন্দোনেচিয়া |
| বৃহত্তম দ্বীপ | — | গ্ৰীণলেণ্ড |
| বৃহত্তম ৰেলওৱে প্লেটফৰ্ম | — | খড়্গপুৰ (ভাৰত) |
| বৃহত্তম ওলমা দলং | — | ভেৰাজানো (নিউ ইয়ৰ্ক) |
| বৃহত্তম গুহা | — | গুফাৰ বাৰ্জাৰ (ফ্ৰান্স) |
| বৃহত্তম দূৰবীন | — | কেলিফোৰ্ণিয়াৰ মাউণ্ট পালোমাৰৰ দূৰবীন |
| বৃহত্তম গম্বুজ | — | পিট্‌চবাৰ্গ (আমেৰিকা) |
| বৃহত্তম টেঙ্ক | — | টালা টেঙ্ক (কলকাতা, ভাৰত) |
| বৃহত্তম চিৰিয়াখানা | — | এতোছা ৰিজাৰ্ভ |
| বৃহত্তম মূৰ্তি | — | ষ্টেচু অৱ লিবৰ্টি (আমেৰিকা) |
| বৃহত্তম হীৰাৰ খনি | — | কিম্বৰ্লি (দঃ আফ্ৰিকা) |
| বৃহত্তম সাগৰ | — | মালয় সাগৰ (৮১,৪৩,১০০ বৰ্গ কিঃ মিঃ) |
| বৃহত্তম আগ্নেয়গিৰি | — | টুপুনগেটো (চিলি) |
| বৃহত্তম জলপ্ৰপাত | — | ভেনেজুয়েলা (উচ্চতাত) |

# নাৰী সবলীকৰণ —সম্ভাৱনা আৰু বাধাসমূহ

নৱজিৎ মজুমদাৰ

শস্য শ্যামলা সুন্দৰ বসুন্ধৰাৰ সংসাৰৰূপী ৰথৰ এটি মহত্বপূৰ্ণ চকা নাৰী। এই নাৰীৰ সহযোগতেই সমাজ আৰু প্ৰগতি সম্ভৱ। নাৰীয়েই সৃষ্টিৰ আধাৰ আৰু নাৰীয়েই হৈছে শক্তিৰ স্বৰূপ। এই নাৰী সকল হৈছে সমাজৰ এক স্পৰ্শকাতৰ শ্ৰেণী। শিক্ষা, স্বাস্থ্য, নিয়োগ, অৰ্থনৈতিক কাম-কাজৰ লগত জড়িত থকা অনেক বিষয়বোৰে পুৰুষৰ তুলনাত নাৰীৰ অৱস্থিতিৰ দিশৰ পিনে আঙুলিয়ায়। দেশ এখনৰ সৰ্বাঙ্গীণ বিকাশত পুৰুষৰ সমানেই নাৰীৰ ভূমিকা আছে যদিও কোনো কোনো ক্ষেত্ৰত নাৰী হৈ পৰিছে অৱহেলিত। এনে এক পৰ্যায়ত বাহ্যিক তথা আভ্যন্তৰীণ দিশত নাৰী এক সংকোচময় পৰিৱেশত থাকিব লগা হৈছে। নাৰীক এই পৰিবেশৰ পৰা মুক্ত কৰিবলৈ 'নাৰী সবলীকৰণ' নামৰ এক ভাৱধাৰাৰ উদ্ভৱ হৈছে।

**নাৰী সবলীকৰণৰ অৰ্থ ঃ** বৰ্তমান গোটেই বিশ্বজুৰি নাৰী মুক্তি আন্দোলনৰ বাবে তোলপাৰ লগাই থকা এটি জাগৰণ হৈছে, 'নাৰী সবলীকৰণ' (Women Empowerment)। এক কথাত ক'বলৈ হ'লে নাৰী সবলীকৰণ হৈছে পুৰুষ প্ৰধান সমাজত অৱহেলিত নাৰী সকলৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু শৈক্ষিক ভাৱে সজাগতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত সৃষ্টি কৰা এক মনঃস্তাত্বিক জগৰণ। বৰ্তমান নাৰীসকলে আধুনিক যুগৰ বিভিন্ন ক্ষেত্ৰত প্ৰত্যাহ্বান সমূহৰ সন্মুখত মূৰ তুলি জীয়াই থকাৰ সাহসৰ প্ৰয়াসৰ বাবে নাৰী সবলীকৰণ অত্যন্ত জৰুৰী হৈ পৰিছে। ইংৰাজীত ক'বলৈ হ'লে Women empowering means to let women live their own life in a way they think appropriate on the basis of their condition, family circumstances, qualities and capabilites of which they themselves are the best judges. Demand for empowering is not a demand for equality or superiority, it is the demand to let, them realize their own true self'. L.C.hich shouldn't be denied to them on any basis whatover, anywhere, anytime and anyplace.

**নাৰীৰ সামাজিক স্থিতিঃ** সমাজত নাৰীৰ স্থিতি বিভিন্ন সময়ত বিভিন্ন ধৰণে প্ৰৱাহিত হৈ আহিছে। কোনো সময়ত যদি নাৰী পূজিত হৈছে দেৱী ৰূপে আৰু কোনো সময়ত নাৰীয়ে মৃত্যুদণ্ড পাবলগীয়া হৈছে ডাইনী ৰূপে। এনেদৰেই নাৰী ক্ৰমৱৰ্দ্ধমান গতিত পৰম্পৰাৰ পৰা বাস্তৱৰ পৰ্যায় পাইছে। প্ৰাচীন কালত দেৱী কামাখ্যাৰূপী নাৰীক কামৰূপত পূজা কৰাৰ কথা আমি যোগিনীতন্ত্ৰত পাওঁ —

"কামৰূপং দেৱীক্ষেত্ৰং কুত্ৰপি তৎসম ন চঃ
অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে।।"

অৱশ্যে বৰ্তমান পৰ্যন্ত কামাখ্যাৰ উপৰি অন্যান্য দেৱীৰূপে খ্যাত সৰস্বতী, লক্ষ্মী, দুৰ্গা আদিক কামৰূপত পূজা কৰা হয়। বৈদিক যুগত নাৰীৰ স্থিতি আছিল পুৰুষৰ সমানে। সেই সময়ত নাৰীয়ে বেদপাঠ কৰিছিল আৰু গায়ত্ৰী মন্ত্ৰও উচ্চাৰণ কৰিছিল। সেই সময়ত মৈত্ৰেয়ী, গাৰ্গী আদি উচ্চ শিক্ষিতা নাৰী আৰু ৰোমশা, লোপামুদ্ৰা আদি মহিলা ঋষিৰ নাম শুনোহক। মধ্যযুগত নাৰীয়ে যুদ্ধতো অংশগ্ৰহণ কৰিছিল আৰু বৰৰাণী ফুলেশ্বৰী লেখীয়া নাৰীয়ে ৰাজসিংহাসনতো বহিছিল। এই ক্ষেত্ৰত ৰাণী লক্ষ্মীবাই, ৰাণী দুৰ্গাৱতী আদিৰ নামো উল্লেখযোগ্য। অসমত মূলাগাভৰুৱে যুদ্ধত অংশগ্ৰহণ কৰাৰ কথাও আমি জানো। তেতিয়াৰ নাৰীৰ সন্মান আৰু মৰ্যাদা আছিল অসীম। কিন্তু কালক্ৰমত মনু স্মৃতিৰ যুগৰে পৰা নাৰীৰ স্থান সমাজত ক্ৰমে নিম্নগামী হ'বলৈ ধৰে। নাৰীক কোনো বয়সতে স্বাধীনতা দিয়াৰ পক্ষপাতী নাছিল মনু। সেই সময়ত নাৰী হৈ পৰিল পুৰুষৰ ওচৰত বন্দী তথা অসামৰিক বন্দী শিবিৰৰ চিৰস্থায়ী বাসিন্দা। সেয়ে ৰচিত হৈছিল এষাৰ বাক্য —'পিতা ৰক্ষতি কৌমাৰে, ভৰ্তা ৰক্ষতি যৌৱনে, ৰক্ষন্তি স্থবিৰে পুত্ৰা ন স্ত্ৰী স্বতন্ত্ৰম্ অৰ্হতি' অৰ্থাৎ কুমাৰী অৱস্থাত থাকোতে ছোৱালীক পিতাকে ৰক্ষা কৰে। যৌৱন কালত স্বামীয়ে ৰক্ষা কৰে আৰু বৃদ্ধা অৱস্থাত পুত্ৰই ৰক্ষা কৰে। গতিকে তিৰোতা সকলে স্বাধীনতা আহৰণ কৰিব নোৱাৰে। সেই তেতিয়াই যি নাৰীৰ কঁকাল ভাঙিল সেই হাড় আৰু যোৰা নালাগিল। মনুস্মৃতিৰ যুগতে বাল্যবিবাহ, সতীদাহ প্ৰথা, বিধবাৰ যন্ত্ৰমাময় জীৱন ইত্যাদিৰ মাজেৰে স্ত্ৰীজাতিক নানা ভাবে নিৰ্যাতন কৰাৰ পথ মুকলি হয়। বিশেষকৈ মুছলমান সকলৰ আগমণৰ পিছৰে পৰা নাৰীসকলৰ বন্দিত্বৰ দুৱাৰৰ শিকলি আৰু টানকৈ বান্ধ খায়। পৰ্দাপ্ৰথাৰ সূত্ৰপাত হ'বলৈ আৰম্ভ কৰিলে। নাৰীৰ দেৱীৰ নিচিনা স্থান লোপ পালে। নাৰীৰ অপমান হ'বলৈ ধৰিলে।

১৮৫৬ চনত ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ চেষ্টাত প্ৰবল বিৰোধৰ মাজতো বিধৱা বিবাহ আইনত সিদ্ধ হয়। ইয়াৰ আগেয়ে সনাতন পন্থী সকলৰ তীব্ৰ বাধা নেওচি ১৮২৯ চনত ৰাজা ৰামমোহন ৰায়ৰ চেষ্টাত সতীদাহ প্ৰথা বন্ধ হয়। স্ত্ৰীশিক্ষা আৰু নাৰীমুক্তিৰ ক্ষেত্ৰতো তেওঁলোকৰ আছিল উদাৰ দৃষ্টিভংগী। নাৰীক সম্পত্তিৰ অধিকাৰ দিবলৈ চেষ্টা কৰে ৰাজৰামমোহন ৰায়ে। একেটা উদেশ্য লৈ গুজৰাটত স্থাপিত হয় আৰ্যসমাজ। মুম্বাই, পুনা, মাদ্ৰাজত স্ত্ৰীপ্ৰগতিৰ বাবে আগবাঢ়ি অহাসকলৰ মাজত মহৰ্ষি কাৰ্ভে, ৰামবাঈ আৰু শুভলক্ষ্মী সুব্ৰাহ্মণিয়ামৰ নাম উল্লেখযোগ্য। এনেদৰেই আমি প্ৰাচীন কালৰ পৰা বৰ্তমানলৈ নাৰীৰ সামাজিক স্থিতিৰ উমান ল'ব পাৰো।

**নাৰী সবলীকৰণৰ ক্ষেত্ৰত সাংবিধানিক গুৰুত্ব ঃ** এখন ৰাষ্ট্ৰৰ উৎপত্তিৰ ক্ষেত্ৰত জনসমষ্টি অপৰিহাৰ্য। এই জনসমষ্টিৰ ভিতৰত পুৰুষ আৰু নাৰী উভয়েই পৰে। ৰাষ্ট্ৰ পৰিচালনাৰ বিষয়াবোৰো নাৰী-পুৰুষ উভয়ৰে ওচৰত দ্বায়বদ্ধ। সেয়েহে ৰাষ্ট্ৰৰ সংবিধানত পুৰুষৰ লগতে নাৰীৰ সা-সুবিধাৰ কথাও সোমাই পৰে। ৰাষ্ট্ৰ সংঘৰ চনদৰ ১,৮,১৩ আৰু ৫৫ নং অনুচ্ছেদত নাৰীৰ সা-সুবিধাৰ বিধান আছে। ভাৰতীয় সংবিধানৰ বিভিন্ন পৰিকল্পনাতো মহিলাৰ সা-সুবিধাৰ কথা উল্লেখ আছে। নাৰী সকলৰ বাবে ভাৰতীয় সংবিধানত যৌতুক নিবাৰণ আইন, দেহ ব্যৱসায় নিষিদ্ধ আইন, গৰ্ভস্থ ভ্ৰূণৰ লিঙ্গ নিৰূপণ নিষিদ্ধকৰণ আইন, বাল্যবিবাহ নিয়ন্ত্ৰণ আইন, পাৰিবাৰিক হিংসাৰ পৰা নাৰী সুৰক্ষা আইন আদি সন্নিৱিষ্ট কৰা হৈছে। আমাৰ বৰ্তমানৰ পঞ্চবাৰ্ষিক পৰিকল্পনাত নাৰীৰ সবলীকৰণ এটা প্ৰধান উদ্দেশ্যে হিচাপে লোৱা হৈছে। চৰকাৰে মহিলাসকলৰ আৰ্থিক, শাৰিৰীক ও মানসিক উৎকৰ্ষ সাধনত বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে। বৰ্তমান অসমত স্বৰ্ণজয়ন্তী গ্ৰাম স্বৰোজগাৰ যোজনাৰ অধীনত ৩১ ডিচেম্বৰ ২০০৫ লৈ ৭৭৭৮ টা আত্মসহায়কগোট গঠন কৰা হৈছে আৰু তাৰে ৩৩৮৪ টা গোটেই হৈছে নাৰীসকলৰ বাবে। ষষ্ঠ পৰিকল্পনাত প্ৰথমবাৰৰ বাবে নিয়োগ তথা অৰ্থনীতিৰ বিভিন্ন ক্ষেত্ৰত নাৰীয়ে অৰিহণা যোগাই নাৰীৰ উপাৰ্জনৰ পথ তথা নাৰীক কৰ্মী হিচাপে শক্তিশালী কৰাৰ আৱশ্যকতাৰ কথা অন্তৰ্ভুক্ত কৰা হয়। নৱম পৰিকল্পনাত বৃহৎ কৌশলৰাজিৰ অন্যতম ৰূপে, 'নাৰী অনুভাগ' আঁচনি গ্ৰহণ কৰা হয়। ইয়াৰোপৰি ভাৰত চৰকাৰে নাৰীৰ কুশল মংগলৰ বাবে এগৰাকী কেন্দ্ৰীয় মন্ত্ৰীকো নিযুক্তি দিছে। সংবিধানত সন্নিবিষ্ট কৰা এই আটাইবোৰ বিষয়ে প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে হ'লেও নাৰী সবলীকৰণত সহায়ক হ'ব।

**নাৰী সবলীকৰণৰ প্ৰয়োজনীয়তা ঃ** নাৰী অৱলা, কাঁচজাতীয়, ঈশ্বৰৰ থুনুকা সৃষ্টি। দৰাচলতে তেওঁলোক অৱলা নহয়, তেওঁলোকক অৱলা কৰি ৰাখিছে পুৰুষপ্ৰধান সমাজখনেহে। কুসংস্কাৰ, অন্ধ-বিশ্বাস, প্ৰতিহিংসাপৰায়ণতা, অস্পৃশ্যতা, আদিয়ে নাৰীৰ স্বাধীনতাত হেঙাৰ ৰূপে থিয় দিছে। এই হেঙাৰ ভাঙি নাৰীসকল আগবাঢ়ি আহিবলৈ হ'লে তেওঁলোকক সহায় কৰিব নাৰী সবলীকৰণে। প্ৰখ্যাত সাহিত্যিক তথা অৰ্থনীতিবিদ, নোবেল বটাঁ বিজয়ী অধ্যাপক অৰ্মত্য সেনেও অনুভৱ কৰিছিল, উন্নতিয়ে স্বাধীনতা আৰু ইয়েই সলনি হ'ব সবলীকৰণলৈ। সেয়ে তেওঁ বিভিন্ন ৰাষ্ট্ৰৰ উন্নতিৰ বাবে নাৰীৰ সবলীকৰণ বিষয়টোৰ ওপৰত গুৰুত্ব দিছিল। যিহেতু মানৱ সমাজৰ আধা অংশ নাৰীয়ে বৈষম্যতা, অক্ষমতা, অবিচাৰ আৰু অসমতাত ভোগী আছে। আৰ্থ-সামাজিক তথা সাংস্কৃতিক দিশত নাৰীয়ে

ন্যায্য বিচাৰৰ পৰা বঞ্চিত হৈছে। এইবোৰৰ সুবিধাৰ পৰা যাতে নাৰী বঞ্চিত নহয় তাৰ বাবেও নাৰী সবলীকৰণ প্ৰয়োজনীয়। নাৰী সকলৰ ওপৰত চলি অহা বিভিন্ন ধৰণৰ কুসংস্কাৰ বোৰৰ বাবে সংবিধানত অনেক পৰিকল্পনা তথা আইনৰ সৃষ্টি কৰা হৈছে। এই পৰিকল্পনা আৰু আইনে নাৰীৰ ক্ষেত্ৰত কোনো বৈষম্যৰ সৃষ্টি কৰা নাই সচাঁ, কিন্তু ৰূপায়ণেহে তেওঁলোকৰ প্ৰতি চিৰদিন অবিচাৰ কৰি আহিছে আৰু উন্নয়ন প্ৰক্ৰিয়াৰ সুবিধাবোৰৰ পৰা তেওঁলোক বঞ্চিত হৈছে। তদুপৰি আমাৰ ভাৰতীয় সংবিধানত নাৰীৰ কাৰণে সমান ব্যৱহাৰ কৰাৰ কথা সন্নিৱিষ্ট কৰা হৈছে, কিন্তু এয়া সংবিধানত সন্নিৱিষ্ট এক ভাৱধাৰাহে, ৰাস্তৱত তাৰ সুকীয়া প্ৰতিচ্ছৱিহে দেখিবলৈ পোৱা যায়। সেয়েহে নাৰীসকলৰ মাজত এক মনঃস্তাত্ত্বিক জাগৰণৰ প্ৰয়োজন আহি পৰিছে আৰু এই মনঃস্তাত্ত্বিক জাগৰণৰে অন্য এক নাম নাৰী সবলীকৰণ।

স্বামী বিবেকানন্দই কৈছিল, "There is no change for the welfare of the world unless condition of women is improved. It is not possible for a bird to fly only with one wing." সেয়েহে আমি পুৰুষৰ সমানে নাৰীক সবল কৰাৰ ক্ষেত্ৰত উৎকৃষ্ট পদক্ষেপ ল'ব লাগে। কিয়নো নাৰীৰ সবলীকৰণেহে প্ৰকৃতাৰ্থত মানৱ অধিকাৰৰ প্ৰকৃত নিৰাপত্তা দান কৰিব পাৰিব। গতিকে আমি এই আলোচনাৰ পৰা ক'ব পাৰো যে বৰ্তমান সময়ত নাৰী সবলীকৰণ অত্যন্ত প্ৰয়োজনীয় বিষয় হৈ পৰিছে।

**নাৰী সবলীকৰণৰ বাধা ঃ** বংকিম চন্দ্ৰ চট্টোপাধ্যায়ে কৈছিল, "নাৰীৰ আঠটা ভূমিকা— ঘৰত দাসী, শয্যাত অপ্সৰা, বিপদত বন্ধু, ৰোগত বৈদ্য, কাৰ্যত মন্ত্ৰী, ক্ৰীড়াত সখী, বিদ্যাত শিষ্য, ধৰ্মত গুৰু।" হয়, নাৰীয়ে সমাজত এই আটাইকেইটা ভূমিকা নিষ্ঠা সহকাৰে পালন কৰি আছে। কিন্তু সমাজৰ পৰা তেওঁলোকে পাইছে কি? তাৰ ফলস্বৰূপে তেওঁলোকে সমাজৰ পৰা পাইছে অনেক বাধা আৰু এই বাধাবোৰেই নাৰী সবলীকৰণৰ ক্ষেত্ৰত সমস্যা ৰূপে থিয় দিছে। এই সমস্যা সমূহৰ ভিতৰত অৰ্থনৈতিক সমস্যাটোৱেই নাৰী সবলীকৰণৰ ঘাই অন্তৰায়। আমাৰ দৰে কৃষিপ্ৰধান দেশত কৃষিৰ সৈতে জড়িত কাৰ্যৰ প্ৰায় ৭০%ৰ পৰা ৮০%কাৰ্য নাৰী সকলে কৰে। কিন্তু এই দেশখনতে নাৰীৰ অৰ্থনৈতিক কাম-কাজৰ হাৰ হ'ল মাত্ৰ ৪২ শতাংশ। ইয়াৰোপৰি সহস্ৰ গৰাকী নাৰী মালিক হিচাপে ক্ষুদ্ৰ ব্যৱসায়ৰ লগত জড়িত হৈছে অৰ্থনৈতিক স্বাৱলম্বীতাৰ বাবে। কিন্তু বৃহৎ পৰিসৰৰ নতুন বিপনন প্ৰতিষ্ঠানে বৰ্তমানে সেইবোৰ গ্ৰাস কৰিব ধৰিছে। ফলত তেওঁলোকৰ অৰ্থনৈতিক বিকাশ বৰ বেছি হ'ব পৰা নাই। অসংগঠিত খণ্ডত পুৰুষ শ্ৰমিকৰ তুলনাত নাৰীক কম মজুৰি দিয়া হয়। ফলত মহিলা সকল অৰ্থসংক্ৰান্তীয় বিষয়ত পুৰুষৰ তুলনাত পিছপৰি আছে। ইয়াৰোপৰি চৰকাৰী-বেচৰকাৰী যিকোনো প্ৰতিষ্ঠানতে পুৰুষৰ তুলনাত নাৰীৰ নিয়োগৰ সুবিধা কম। সেয়ে নাৰী সকলৰ অৰ্থ উপাৰ্জন কৰাৰ ক্ষেত্ৰত কিছু অসুবিধাই দেখা দিছে। এনেধৰণৰ অৰ্থনৈতিক সমস্যাই নাৰীসকলৰ সবলীকৰণত বাধাৰ সৃষ্টি কৰিছে।

মহাত্মা গান্ধীয়ে কৈছিল, "If you educate a man you educate an individual and if you educate a woman you educate the family." কিন্তু গান্ধীজীৰ এই উক্তিক এতিয়ালৈকে মানুহে বুজিবলৈ চেষ্টা কৰা নাই, যাৰ ফলত বৰ্তমানেও ভাৰতত পুৰুষৰ তুলনাত নাৰীৰ সাক্ষৰতাৰ হাৰ কম হৈ গৈয়ে আছে আৰু ইয়ে নাৰী সবলীকৰণৰ এটা সমস্যা হৈ পৰিছে। বৰ্তমানলৈকে ভাৰতত পুৰুষৰ তুলনাত নাৰীৰ সাক্ষৰতাৰ হাৰ কম হোৱাৰ নিদৰ্শন দাঙি ধৰিব তলৰ তালিকাখনে —

ইয়াত ১৯৫১—২০০১ লৈ ভাৰতত সাক্ষৰতাৰ হাৰ দেখুওৱা হ'ল —

| | ১৯৫১ | ১৯৬১ | ১৯৭১ | ১৯৮১ | ১৯৯১ | ২০০১ |
|---|---|---|---|---|---|---|
| পুৰুষ | ২৪.৯% | ৩৪.৪% | ৩৯.৫১% | ৪৬.৭৪% | ৬৩.৯% | ৭৩.৩% |
| মহিলা | ৭.৯% | ১২.৯% | ১৮.৪৪% | ২৪.৮৮% | ৩৯.৪% | ৫৩.৭% |

ওপৰৰ তালিকাখনৰ পৰা বুজা গ'ল যে দিনে দিনে শিক্ষাৰ হাৰ বাঢ়ি গৈ আছে, কিন্তু পুৰুষৰ তুলনাত নাৰীৰ শিক্ষাৰ হাৰ এতিয়াও নিম্নগামী হৈয়েই আছে। শিক্ষাই যিহেতু দেহ, মন আৰু আত্মাৰ সুসামঞ্জস্য বিকাশ সাধন কৰে সেয়েহে বৰ্তমান শিক্ষাও নাৰী সবলীকৰণৰ সমস্যা হৈছে।

সমাজত প্ৰচলিত কুসংস্কাৰ, অন্ধবিশ্বাস আদিও নাৰী সবলীকৰণৰ সমস্যা হৈ পৰিছে। নাৰীৰ সামাজিক ক্ষমতা প্ৰদান এটা সুদীৰ্ঘ আৰু কঠিন কাৰ্য; কাৰণ ইয়াৰ বাবে মানুহৰ ধ্যান-ধাৰণাৰ পৰিৱৰ্তনৰ প্ৰয়োজন। শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত গাঁৱলীয়া সমাজব্যৱস্থাত নাৰী সকলৰ প্ৰতি ধ্যান-ধাৰণা সাধাৰণতে ঠেক। কিছুমান দেশত প্ৰতিষ্ঠিত হৈছে কিছুমান নাভুত-নাশ্ৰুত আইন। উদাহৰণ স্বৰূপে পাকিস্তানৰ আইন মতে ধৰ্ষণকাৰী পুৰুষক শাস্তি বিহিবলৈ হ'লে ঘটনাটো নিজ চকুৰে দেখা চাৰিজন মুছলমান পুৰুষ সাক্ষী লাগে। এনেধৰণৰ বৈষম্য-মূলক আইনে নাৰীৰ সবলীকৰণৰ ক্ষেত্ৰত সদায়েই সমস্যাৰ সৃষ্টি কৰিব। এনেদৰে নাৰীসকল যদি অবিচাৰৰ পাত্ৰ হৈয়েই থাকে, তেতিয়াহ'লে নাৰীসবলীকৰণ সম্ভৱ হ'ব কেনেকৈ? বহুতো সমাজত এতিয়াও কন্যা সন্তানতকৈ পুত্ৰ সন্তানক অধিক গুৰুত্ব দিয়া হয়। সেইবাবেই কোনো অভিভাৱকে জন্মৰ আগতে কন্যা ভ্ৰূণ নষ্ট কৰে। নিজ কন্যাৰ প্ৰতি কৰা এনে নিষ্ঠুৰতাইয়ো নাৰী সবলীকৰণত সমস্যাৰ সৃষ্টি কৰে।

নাৰী সকলৰ অসজাগতাও নাৰী সবলীকৰণৰ এটা সমস্যা। চেণ্টাৰ ফ'ৰ চচিয়েল ৰিচাৰ্চৰ এক অধ্যয়নৰ পৰা এইটো পৰিলক্ষিত হৈছে যে আমাৰ দেশৰ প্ৰায় পাঁচ কৌটি নাৰী তেওঁলোকৰ ঘৰত অত্যাচাৰৰ বলি হয় আৰু মাত্ৰ ০.১ শতাংশ নাৰীয়ে তেওঁলোকৰ প্ৰতি কৰা দুব্যৱহাৰৰ বিষয়ে আপত্তি দৰ্শাবলৈ সাহস গোটায়। গতিকে নাৰীসকলে যদি নিজে নিজৰ সমস্যা সমাধানৰ বাবে আগবাঢ়ি নাহে তেতিয়া হ'লে নাৰী সবলীকৰণত অনেক বাধাই দেখা দিব। নাৰীৰ পৰস্পৰৰ প্ৰতি কৰা প্ৰতিহিংসাপৰায়ণতাইও নাৰী সবলীকৰণত বাধাৰ প্ৰাচীৰ হিচাপে থিয় দিয়ে।

নাৰী সবলীকৰণৰ ক্ষেত্ৰত ৰাজনৈতিক সমস্যা এটা আছে। পুৰুষৰ তুলনাত মহিলাৰ ৰাজনীতিত প্ৰৱেশৰ সুবিধা তেনেই কম। উদাহৰণস্বৰূপে ভাৰতবৰ্ষত এতিয়া শাসক আৰু পৰিচালকৰ দায়িত্বত থকা নাৰীৰ সংখ্যা শতকৰা ৮ ভাগতকৈ কম। ইয়াৰোপৰি চলন-ফুৰণৰ ক্ষেত্ৰতো নাৰীয়ে পায় অনেক বাধা। উদাহৰণস্বৰূপে অসমীয়া সংস্কৃতিৰ সম্পদস্বৰূপ সত্ৰত এতিয়াও নাৰীৰ প্ৰৱেশ নিষেধ। কিন্তু এই বাধা আঁতৰাবলৈ অমৃতা প্ৰীতম আৰু মামনি ৰয়চম গোস্বামী গৈছিল যদিও তেওঁলোক সফল হ'ব নোৱাৰিলে। তাৰ কাৰণ মানুহৰ পৰম্পৰাগতভাৱে চলি অহা কু-নীতি নিয়ম।

এনেদৰেই আমি নাৰী সবলীকৰণৰ বিভিন্ন বাধা সমূহৰ ওপৰত দৃষ্টিপাত কৰিব পাৰো।

**নাৰী সবলীকৰণৰ সম্ভাৱনা ঃ** বৰ্তমান নাৰী সবলীকৰণ সম্ভৱপৰ হ'বলৈ হ'লে নাৰী সকলে কিছুমান গুণ আয়ত্ব কৰিব লাগিব। এই গুণ সমূহক দুটা ভাগত ভগাব পাৰি। এটা হৈছে বাহ্যিক গুণ আৰু আনটো হৈছে আভ্যন্তৰীণ গুণ। বাহ্যিক গুণবোৰৰ ভিতৰত স্বাস্থ্য, শিক্ষা আৰু সজাগতা, পৰিয়ালত সামাজিক মৰ্যদা, সিদ্ধান্ত গ্ৰহণত অংশগ্ৰহণ, চলন-ফুৰণত স্বাধীনতা, জীৱন তথা সম্পত্তিৰ নিৰাপত্তা আদি পৰে আৰু আভ্যন্তৰীণ গুণবোৰৰ ভিতৰত আত্মসজাগতা আৰু আত্ম-বিশ্বাসেই প্ৰধান। অৱশ্যে ইয়াতোকৈ ডাঙৰ কথাটো হৈছে মানুহৰ ধ্যান-ধাৰণা। সমাজৰ পৰা কুসংস্কাৰ, অন্ধবিশ্বাস, অস্পৃশ্যতা, নিৰক্ষৰতা আদিকো আঁতৰাই পঠাব লাগিব। ছোৱালীবোৰক স্কুল-কলেজৰ শিক্ষাৰ উপৰিও বৃত্তিমূলক শিক্ষা দিয়াৰ ব্যৱস্থাও চৰকাৰে কৰিব লাগিব।

প্ৰত্যেক গৰাকী নাৰীয়ে উন্নত চিন্তা-চৰ্চা, শিক্ষা-দীক্ষাৰে, প্ৰথমে নিজৰ মনটোক সংকীৰ্ণতাৰ গণ্ডীৰ পৰা স্বাধীন কৰিব লাগিব আৰু তেতিয়াহে মূল অৰ্থত নাৰী সবলীকৰণ শব্দটোৱে পূৰ্ণতা লাভ কৰিব পাৰিব। নাৰী সবলীকৰণৰ সম্ভাৱনা অতি প্ৰখৰ হ'ব তেতিয়াহে যেতিয়া তেওঁলোক মনঃস্তাত্ত্বিক ভাৱে জাগৰিত হ'ব আৰু এই জাগৰণ আনিব অৰ্থনৈতিক স্বাৱলম্বীতাই আৰু ঐক্য সংগ্ৰামে। অৱশ্যে বৰ্তমান চৰকাৰে নাৰী সকলক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰিবলৈ অনেক কাৰ্যপন্থা হাতত লৈছে। নাৰীসকলক আত্মসহায়ক গোটৰ নিচিনা বিভিন্ন গোটৰ কাম-কাজ কৰিবলৈ চৰকাৰী বেংক সমূহে কম হাৰত ঋণ দিয়াৰ ব্যৱস্থা কৰিছে। বৰ্তমান কিছুমান সৰু উদ্যোগ আদিত কৰ্মীৰূপে কেৱল মহিলাক নিযুক্তি দিয়াও দেখা যায়। উদাহৰণস্বৰূপে (NRL) Energy Station Numaligarh Refinery Complex ত শতকৰা ১০০ ভাগ নাৰীয়ে সকলো কাৰ্য নিয়াৰিকৈ কৰে। এই নাৰীসকলক জুই নুমুওৱা (Fire training), বিক্ৰী (Selling) আৰু হিচাপৰক্ষণ (Accounting) ৰ প্ৰশিক্ষণ দিয়ে। চিলঙত আৰম্ভ হ'বলগীয়া তেল বিপনন কেন্দ্ৰটোও নাৰীৰদ্বাৰা পৰিচালিত হ'ব বুলি

শোধানগাৰ কৰ্তৃপক্ষই জানিবলৈ দিয়ে। এনেদৰে যদি অন্যান্য উদ্যোগ আদিতো নাৰী সকলক লগোৱা হয় তেতিয়া হ'লে হয়তো নাৰী সবলীকৰণে চৰম পৰ্যায় পাবলৈ বৰ বেছি সময় নালাগিব।

ৰাজনৈতিক ক্ষেত্ৰতো নাৰীয়ে ৰাষ্ট্ৰৰ সবাতোকৈ উচ্চ আসনখনত অধিষ্ঠিত হ'ব পাৰিছে। উদাহৰণ স্বৰূপে ভাৰতৰ ৰাষ্ট্ৰপ্ৰধান গৰাকীয়েই হৈছে বৰ্তমান নাৰী। শিক্ষা আদিৰ ক্ষেত্ৰতো নাৰীয়ে পুৰুষৰ সমানেই পাৰদৰ্শিতা দেখুৱাব পাৰিছে। কাৰিকৰী দিশতো নাৰীয়ে পুৰুষৰ সমানেই যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। বৰ্তমান সময়ত নাৰীয়ে সামাজিক বাধা সমূহ আঁতৰাই বহু উচ্চতালৈ যাব পাৰিছে। আধুনিক শিক্ষা তথা পৰিবেশে নাৰীক সমাজত স্থান আৰু মহত্বৰ পৰিচয় দিছে। বৰ্তমান ৰীতা ফাৰিয়া (১৯৬৬) নামৰ নাৰীগৰাকীয়ে ভাৰতৰ পৰা গৈয়েই মিছ ওৱাৰ্লড স্থান ল'বলৈ সক্ষম হৈছে। কুমাৰী ৰাছেন্দ্ৰী পালৰ লেখীয়া নাৰীয়ে এভাৰেষ্ট শৃংগ বিজয় কৰিবলৈও সক্ষম হৈছে। নাৰীবাদৰ সমৰ্থক নাৰীসকলে বৰ্তমান নিজক আগবঢ়াই নিবলৈ চেষ্টা চলাই আহিছে। নিজৰ উপৰি গোটেই নাৰী জাতিটোক পদে পদে আগবঢ়াই নিবলৈ তেওঁলোক সচেষ্ট হৈছে।

এনেদৰে আমাৰ সজাগ জনসাধাৰণে যদি নাৰী সবলীকৰণত থকা সমস্যা সমূহ সমাধান কৰি উৎকৃষ্ট পদক্ষেপ লয় তেতিয়াহ'লে আমাৰ সমাজত নাৰী সবলীকৰণৰ সম্ভাৱনাৰ ফলাফল অতি সুখদায়ক হ'ব।

নাৰী সবলীকৰণৰ বাবে কেৱল নাৰী সজাগ হ'লেই ন'হব, নাৰীৰ লগতে পুৰুষেও সমানে হাত উজান দিব লাগিব। চৰকাৰে নাৰী সবলীকৰণৰ বাবে বিভিন্ন কাৰ্যপন্থা হাতত ল'লেই নাৰী সবলীকৰণ নহয়, তেওঁলোকে উক্ত কাৰ্যপন্থা সমূহ সুপৰিকল্পিতভাৱে ব্যৱহাৰ হৈছে নে নাই তাৰ প্ৰতিও সজাগ দৃষ্টি ৰাখিব লাগিব। নাৰী সবলীকৰণৰ ক্ষেত্ৰত অন্তৰায়ৰ সৃষ্টি কৰা অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক, শৈক্ষিক আদি সমস্যা সমূহ আঁতৰ কৰাৰ ক্ষেত্ৰত আমাৰ সমাজে গুৰুত্ব দিব লাগে। ইয়াৰোপৰি নাৰীসকলে নিজৰ মনৰ পৰা সংশয় ভাৱ আঁতৰাই আগবাঢ়ি আহিলেহে নাৰী সবলীকৰণে চূড়ান্ত পৰ্যায় পাব। পৃথিৱীৰ প্ৰায়ভাগ দেশতে আলোড়নৰ সৃষ্টি কৰা নাৰী সবলীকৰণৰ ভাৱধাৰা সফল হ'বলৈ হ'লে পুৰুষ নাৰী উভয়ৰে ঐক্যতা অত্যন্ত প্ৰয়োজনীয়। ইয়াৰ অবিহনে নাৰী সবলীকৰণ অসম্ভৱ। ✦


**প্ৰসঙ্গ পুথি**

১। "নাৰী তুমি অন্যান্য" — উলুপী বৰুৱা।
২। "তৃতীয় বিশ্ব বাসিনীৰ দৃষ্টিত নাৰী আৰু সমাজ" — ড° অনিমা গুহ।
৩। "প্ৰয়াস" — পশ্চিম গুৱাহাটী মহাবিদ্যালয়।
৪। "পয়োভৰা" —মাৰ্চ, ২০০৯
৫। "পয়োভৰা" — অক্টোবৰ, ২০০৬


✦ UNDP ৰ সৌজন্যত নগাঁও ছোৱালী কলেজত অনুষ্ঠিত সদৌ অসম ভিত্তিত 'নাৰী সবলীকৰণ' শীৰ্ষক ৰচনা প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত। শ্ৰীনৱজিৎ মজুমদাৰ পশ্চিম গুৱাহাটী কলেজৰ ৩য় বাৰ্ষিকৰ ছাত্ৰ।

*সুখ এক অসচেতন মানসিক অৱস্থা, সচেতনভাৱে সুখী হ'ব খুজিলেই সুখ নাইকীয়া হৈ যায়।*

— জে. কৃষ্ণমূৰ্তি

*শৰীৰৰ কাৰণে ব্যায়াম যেনেকৈ দৰকাৰী, ঠিক তেনেকৈ মনৰ কাৰণে দৰকাৰী কিতাপ পঢ়াৰ অভ্যাস।*

— ছাৰ ৰিচাৰ্ড ষ্টীল



# পৌৰাণিক আৰু সংস্কৃত সাহিত্যত ৰাধাৰ চৰিত্ৰ — এটি আলোকপাত


মীৰা বৰুৱা, *প্ৰৱক্তা, সংস্কৃত বিভাগ*


ৰাসলীলাৰ ৰাধাকৃষ্ণৰ প্ৰেম কালজয়ী প্ৰেমৰূপে জগতত পৰিচিত। এই প্ৰেম হ'ল আধ্যাত্মিক প্ৰেমৰ প্ৰতীক স্বৰূপ। জীৱাত্মা আৰু পৰমাত্মাৰ মধুৰ মিলনৰ এক সুন্দৰ নিদৰ্শন হ'ল ৰাসলীলাৰ প্ৰেমিক যুগল ৰাধাক জীৱাত্মা আৰু কৃষ্ণক পৰমাত্মাৰ মূৰ্ত্তৰূপে কল্পনা কৰা হয়।

ৰাসলীলাৰ মূল নায়িকা ৰাধাৰ চৰিত্ৰত দৃষ্টিপাত কৰিলে দেখা যায় যে পৌৰাণিক সাহিত্যত এই চৰিত্ৰৰ বিষয়ে এক মননীয় তত্বপূৰ্ণ আলোচনা দাঙি ধৰিছে। এই সন্দৰ্ভত ৰাধা চৰিত্ৰৰ এক বিশ্লেষণাত্মক আলোচনা দাঙি ধৰা ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ কথা প্ৰথমেই উল্লেখ কৰিব লাগিব। এই পুৰাণত ৰাধাৰ জন্ম আৰু কৃষ্ণৰ সৈতে তেওঁৰ বিহাৰ লীলাৰ এক মনোৰম বৰ্ণনা পোৱা যায়। জন্ম বৃত্তান্ত অনুসৰি ৰাধাক পৰমাত্মা শ্ৰীকৃষ্ণৰ পৰা উৎপত্তি হোৱা এক দেৱী ৰূপত কল্পনা কৰা হৈছে। তেওঁৰ উৎপত্তি সম্বন্ধে এই পুৰাণত বৰ্ণিত আছে যে প্ৰাচীন কালত বৃন্দাবনৰ ৰাসমণ্ডলত এক শোভনীয় ৰত্নময় সিংহাসনত বিৰাজমান প্ৰভু শ্ৰীকৃষ্ণৰ ৰমণক্ৰিয়াৰ বাবে অতিশয় ইচ্ছা জাগৃত হৈছিল। সেই ইচ্ছা পূৰণাৰ্থেই জগদীশ্বৰ দুই ৰূপত বিভক্ত হৈছিল। তেওঁৰ দক্ষিণ অংগ শ্ৰীকৃষ্ণ আৰু বাম অংগই ৰাধাৰূপে প্ৰকট হ'ল। ৰাধা চৰিত্ৰৰ উৎপত্তিৰ এনে তাৎপৰ্যপূৰ্ণ কাহিনীৰ উপৰি এই পুৰাণৰেই জন্মখণ্ডত ৰাধাৰ স্বৰূপৰ বৰ্ণনাৰ লগে লগেই শ্ৰীকৃষ্ণৰ লগত এওঁৰ বিধিবৎ বিবাহ সম্পৰ্কেও বৰ্ণনা পোৱা যায়। তদুপৰি ৰাসক্ৰীড়াৰ পৰিস্ফুট বৰ্ণনা কৰাই হ'ল এই পুৰাণৰ অন্যতম বিষয়। এনেদৰেই ৰাধাৰ চৰিত্ৰক মহান আৰু অনন্য নাৰী চৰিত্ৰ ৰূপে অংকণ কৰা অন্য এখন পুৰাণ হ'ল পদ্মপুৰাণ। ইয়াত ৰাধাৰ পূৰ্ণবিকশিত ৰূপ দেখিবলৈ পোৱা যায়। এই বিষয়ৰ স্পষ্ট প্ৰমাণ হ'ল এই পুৰাণৰেই ব্ৰহ্মখণ্ডৰ সপ্তম অধ্যায়ত পালন কৰা 'ৰাধাষ্টমী' ব্ৰত। কিন্তু ৰাধাৰ জন্ম সমন্ধীয় বৰ্ণনা এই পুৰাণত ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণৰ বৰ্ণনাতকৈ কিছু পাৰ্থক্য যেন পৰিলক্ষিত হয়। এই পুৰাণৰ মতে ভাদমাহৰ শুক্লপক্ষৰ অষ্টমী তিথিত বৃষভানুৰ যজ্ঞভূমিত ৰাধা আৰ্বিভূত হৈছিল। ৰাধা উৎপত্তিৰ এনে বৰ্ণনাৰ উপৰিও এই চৰিত্ৰক মহিমামণ্ডিত ৰূপে উপস্থাপন কৰাটোও হ'ল এই পুৰাণৰ অন্যতম বৈশিষ্ট্য। এই উদেশ্যেই এই পুৰাণৰ পাতালখণ্ডৰ অনেক অধ্যায়ত বৃন্দাবনৰ অদ্ভূত মহিমা সম্পৰ্কে কিছু বৰ্ণনা দাঙি ধৰিছে। এনে এক অধ্যায়তেই ৰাধাৰ প্ৰসংগত কৈছে যে ৰাধা হ'ল আদ্যপ্ৰকৃতি আৰু কৃষ্ণ হ'ল বল্লভা। অৰ্থাৎ — 'ন তৎপ্ৰিয়া। প্ৰকৃতিস্ত্বাদ্যা ৰাধিকা কৃষ্ণবল্লভা'। পুনৰ এই পুৰাণৰেই অন্য এক অধ্যায়ত ৰাধাকৃষ্ণক জগতৰ আদৰ্শ নৰনাৰী ৰূপে চিত্ৰিত কৰি কৈছে যে — 'ন ৰাধিকা সমা নাৰী ন কৃষ্ণ সদৃশঃ পুমাণ।' ৰাধাৰ সমান কোনো নাৰী আৰু কৃষ্ণৰ সমান কোনো পুৰুষ নাই। কিন্তু দেৱী ভাগৱত পুৰাণত এই দুয়োখন পুৰাণৰ দৰেই কিছু বৰ্ণনাৰ অৱতাৰণা কৰিলেও এই পুৰাণত ৰাধাৰ উপাসনা আৰু পূজাবিধিৰ মনোৰম বৰ্ণনাৰ ওপৰতহে বেছিকৈ জোৰ প্ৰদান কৰা দেখা যায়। ৰাধাক এই পুৰাণত মহিমাপূৰ্ণ শক্তি স্বৰূপা দেৱীৰূপে উপস্থাপন কৰা হৈছে যাৰ প্ৰেৰণাত আজিও জগতত ৰাধাকৃষ্ণৰ যুগল মূৰ্ত্তিৰ গভীৰ পূজা-অৰ্চনা দেখিবলৈ পোৱা যায়। এনেদৰেই এই সন্দৰ্ভত শ্ৰীমদ্ভাগৱত পুৰাণ অধ্যয়ন কৰিলে পোৱা যায় যে, তাত যি ব্যাখ্যা দাঙি ধৰিছে সেই ব্যাখ্যা ব্যতিক্ৰম হোৱাৰ উপৰি আশ্চৰ্যৰ বিষয় যেন অনুভূত হয়। কিয়নো এই পুৰাণত ৰাধা নামাকৰণেৰে কোনো চৰিত্ৰৰ স্পষ্ট উল্লেখ নাই। যশোদা চৰিত্ৰৰ বাহিৰে অন্য কোনো

গোপীৰেই নাম নিৰ্দেশ কৰা হোৱা নাই। কেৱল কৃষ্ণৰ সৈতে কৰা অপূৰ্ব লীলাৰ বৰ্ণনাহে ইয়াত পোৱা যায়। ভাগৱত পুৰাণৰ দৰেই বিষ্ণু পুৰাণতো ৰাধাৰ চৰিত্ৰৰ পোনপটীয়া উল্লেখ পোৱা নাযায়। ইয়াত বৰ্ণিত কাহিনী মতে কোনো এক নিৰ্দিষ্ট গোপীৰ বৰ্ণনা পোৱা যায় যি গৰাকীৰ প্ৰেমে কৃষ্ণক অধিক আকৃষ্ট কৰিব পাৰিছিল যাৰ প্ৰেৰণাত শ্ৰীকৃষ্ণই অন্য গোপীসকলক উপেক্ষা কৰি তেওঁৰ সৈতে একান্ত সংগ লভিবৰ বাবে প্ৰবল ইচ্ছা কৰিছিল। এনেদৰেই ৰাসলীলাৰ অনন্য চৰিত্ৰ ৰাধাৰ স্থান পৌৰাণিক সাহিত্যত অন্যতম হোৱাৰ লগে লগেই সংস্কৃত সাহিত্য অন্বেষণ কৰিলেও এই চৰিত্ৰৰ উপস্থাপন কোনো গুণে কম হোৱা দেখা নাযায়। সংস্কৃত সাহিত্যৰ ৰচনা সম্ভাৰৰ আবিৰ্ভাৱৰ সময়ানুসৰি বিশ্লেষণ কৰিলে ৰাধাৰ চৰিত্ৰৰ বৰ্ণনা সমাবেশিত কাব্য প্ৰথম শতাব্দীৰ গাঁথা 'সপ্তশতীৰ' নাম প্ৰথমেই উল্লেখ কৰিব লাগিব। প্ৰাকৃত ভাষাত ৰচিত এই গ্ৰন্থখনৰ অনেক গাঁথাত ব্ৰজলীলাৰ মনোৰম বৰ্ণনাৰ লগত সংগতি ৰাখি ৰাধা চৰিত্ৰৰ মহিমাও অংকণ কৰা হৈছে। সংস্কৃত সাহিত্যৰ অন্য এজন মহান কবি ভাসৰ দ্বাৰা প্ৰণীত বালচৰিত নাটক সম্পূৰ্ণ কৃষ্ণবিষয়ক হ'লেও ইয়াত বৰ্ণিত কাহিনীয়ে ৰাধাৰ চৰিত্ৰক অলপ হ'লেও স্পৰ্শ কৰা দেখা যায়। এই নাটকত এক হালী নৃত্যৰ বৰ্ণনা পোৱা যায় য'ত কৃষ্ণই গোপীসকলৰ সৈতে নৃত্যৰ অৱতাৰণা কৰিছিল। এই নৃত্যত নৃত্যৰত অনেক গোপীৰ মাজত যি গৰাকীক কৃষ্ণই অধিকতম স্থান প্ৰদান কৰিছিল তেওঁকেই ৰাধা বুলি কল্পনা কৰা হৈছিল।

এই ৰাধা চৰিত্ৰৰ উপস্থাপনৰ বিষয়ত পৌৰাণিক গল্প সাহিত্যইও যে এই চৰিত্ৰক উপেক্ষিতা কৰি যোৱা নাই তাৰ স্পষ্ট প্ৰমাণ হ'ল পঞ্চতন্ত্ৰৰ সাধুকথা সম্বলিত কাহিনীসমূহ। ইয়াৰেই এক কাহিনীত বৰ্ণিত মতে তন্তুবায়ৰ পুত্ৰ কৃষ্ণই ৰাজকন্যাক কৈছিল যে গোপকূলত তোমাৰ দৰেই সৌন্দৰ্যৱতী ৰাধা নামেৰে মোৰ এগৰাকী পত্নী আছিল। সেয়েহে তোমাৰ প্ৰতি আকৃষ্ট হৈ অন্তঃপুৰত প্ৰৱেশ কৰিছো। এনে কাহিনীৰ দ্বাৰা অতীতত যে গোপকূলত লোক প্ৰসিদ্ধ ৰাধাকৃষ্ণ দম্পতী যুগল বিৰাজিত আছিল সেই কথাৰ স্পষ্ট প্ৰমাণ পোৱা যায়। প্ৰেমাভিমানিতা নায়িকা ৰূপে ৰাধিকাক অংকণ কৰাটোও হ'ল সংস্কৃত সাহিত্যৰ অন্য এক কৃতিত্ব। এই কৃতিত্বৰ মুকুট শিৰত লৈ প্ৰসিদ্ধ নাট্যকাৰ ভট্টনাৰায়ণে তেওঁৰ অন্যতম নাটক 'বেণীসংহাৰ'ৰ নান্দী শ্লোকত ৰাধাৰ চৰিত্ৰৰ এক মনোৰম বৰ্ণনা দাঙি ধৰিছে। শ্ৰীকৃষ্ণৰ প্ৰতি অভিমানত দগ্ধ হৈ ৰাসলীলাৰ হৃদয়োল্লাস কেলি ত্যাগ কৰি গুছি যোৱা ৰাধাৰ অনুসন্ধানত ৰত কৃষ্ণৰ ভৰি যমুনাৰ বালিত বৈ যোৱা ৰাধাৰ খোজৰ ওপৰত পৰিলত কলেৱৰ ৰোমাঞ্চিত হোৱা কৃষ্ণৰ বৰ্ণনা কৰাৰ জৰিয়তে ৰাধাক এক অভিমানী প্ৰেমিকা ৰূপেও অলংকৃত কৰা হৈছে। কিন্তু এই ৰাধিকাকেই ১২ শতাব্দীত ৰচিত প্ৰখ্যাত গীতিকাব্য 'গীতগোবিন্দ'ত জয়দেৱে প্ৰেমৰ উদাত্ত ভাৱনাৰে অভিভূতা এগৰাকী নাৰীৰ ৰূপত চিত্ৰিত কৰিছে। ৰাধাকৃষ্ণৰ প্ৰেমৰ আধ্যাত্মিকতা অভিব্যক্ত কৰাটোৱে আছিল এই গীতি কাব্যখনৰ মূল উদেশ্য। সেয়েহে এই প্ৰেমিক যুগলৰ মিলনক জীৱ ব্ৰহ্মাৰ মিলন ৰূপে বৰ্ণনা কৰিলেও ৰাধিকাক বাস্তৱিক জীৱনৰ লগত খাপ খোৱাকৈ এগৰাকী আৱেগ প্ৰৱণা প্ৰেমিকা ৰূপেও কল্পনা কৰিছে। ৰাধা কৃষ্ণৰ এনে মধুৰ তথা তাৎপৰ্যপূৰ্ণ প্ৰেমৰ আকৰ স্বৰূপ এই কাহিনীৰ প্ৰতি আকৃষ্ট হৈ ১৬ শতাব্দীত গৌড়ীয় বৈষ্ণৱ কবি শ্ৰীৰূপ গোস্বামীয়েও তেওঁৰ ৰচনাৰাজিৰ বেছিভাগতেই মূল বিষয় স্বৰূপে ৰাধাকৃষ্ণৰ ললিত লীলা বৰ্ণনা কৰিছিল য'ত ৰাধাৰ চৰিত্ৰই এক অন্যতম স্থান দখল কৰিছিল। ✦

*সংসাৰ ধুমুহাতে গঠিত হয় চৰিত্ৰ।*

— গ্যেটে



# সন্ত্ৰাসবাদ ঃ এক নতুন বিশ্বযুদ্ধ

মুনমী বৰা, *স্নাতক ২য় বৰ্ষ*

সম্প্ৰতি সন্ত্ৰাসবাদী কাৰ্যকলাপৰ ফলস্বৰূপে বিশ্বৰ কেতবোৰ অঞ্চলৰ স্বাভাৱিক জীৱন যাত্ৰা আৰু আইন শৃংখলা ব্যাহত হৈ পৰিছে। বিশেষকৈ পেলেষ্টাইন, লেবানন, শ্ৰীলংকা, লেটিন আমেৰিকা, পাকিস্তান আৰু ভাৰতবৰ্ষৰ কেতবোৰ অঞ্চলত সন্ত্ৰাসবাদী কাৰ্যকলাপে গা কৰি উঠা দেখা গৈছে। মাৰ্কিন যুক্তৰাষ্ট্ৰ, গ্ৰেট বৃটেইন প্ৰভৃতিতো যে সন্ত্ৰাসবাদী কাৰ্যকলাপ সংঘটিত হোৱা নাই তেনে নহয়। সকলোতে সন্ত্ৰাস বিয়পি আছে। বৰ্তমান যুগত সন্ত্ৰাস হৈ পৰিছে বিশ্ববাসীৰ ত্ৰাসৰ কাৰণ। সুদূৰ আমেৰিকাৰ পৰা আমাৰ অসমলৈকে সন্ত্ৰাস বিয়পি পৰিছে। মুঠতে ক'বলৈ গ'লে সন্ত্ৰাসবাদ এক আন্তৰ্জাতিক সমস্যাত পৰিণত হৈছে। অৰ্থাৎ সন্ত্ৰাসবাদ হৈ পৰিছে এক নতুন বিশ্বযুদ্ধ।

সন্ত্ৰাসবাদ যিহেতু এক নতুন আন্তৰ্জাতিক সমস্যাত পৰিণত হৈছে, সেয়েহে এই সন্দৰ্ভত বিশেষজ্ঞসকলে যথেষ্ট আলাপ-আলোচনা আগবঢ়াইছে। এন্‌চাইক্লোপেডিয়া অৱ ছোচিয়েল চায়েন্সৰ মতে সন্ত্ৰাসবাদ, "এটি বিপ্লৱ অথবা প্ৰতি বিপ্লৱ সংঘটিত কৰাৰ উদেশ্যে বিৰোধী শক্তি এটিয়ে চৰকাৰৰ আইন-শৃংখলা লঘু কৰিবলৈ লোৱা ব্যৱস্থা আৰু ইয়াৰ জৰিয়তে গোটেই চৰকাৰখনৰেই শক্তি হ্ৰাস কৰিবলৈ বিচৰা হয়। জনগণৰ শক্তি হিচাপে বলপূৰ্বক চৰকাৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাৰ ওপৰতে সন্ত্ৰাসবাদৰ নৈতিক আৰু ৰাজনৈতিক যুক্তিযুক্ততা প্ৰমাণ কৰা হয়।" চালমাৰ্চ জনচনৰ মতে ৰাজনৈতিক লক্ষ্যতে উপনীত হোৱাৰ বাবে সন্ত্ৰাসবাদ এবিধ উপায়। গুৰুতৰ হিংসাত্মক কাৰ্যৰ জৰিয়তে ভীতি প্ৰদৰ্শনমূলক কাৰ্যসম্পন্ন কৰা হয় আৰু মনস্তাত্বিক পৰিৱৰ্তন আনিবলৈ বহু ক্ষেত্ৰতে ধ্বংসাত্মক কাৰ্য প্ৰতীক হিচাপে সংঘটিত কৰা হয়। প্ৰকৃতপক্ষে এহাতে গণতান্ত্ৰিক আৰু আনহাতে অ-কাৰ্যকৰী স্বৈৰাচাৰী শাসনৰ বিৰুদ্ধে সন্ত্ৰাসবাদক এপাত অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা হয় বুলি ওৱাল্টাৰ লেকুৱাবে উল্লেখ কৰিছে। মুঠতে ৰাজনৈতিক উদেশ্য সাধনৰ বাবে অথবা চৰকাৰক কোনো কাম কৰিবলৈ বাধ্য কৰোৱাৰ উদেশ্যে হত্যা, অপহৰণ, বোমা বিস্ফোৰণ ইত্যাদিত লিপ্ত হোৱা কাৰ্যসমূহ সন্ত্ৰাসবাদৰ কাৰ্যসূচীৰ ভিতৰত অন্তৰ্ভূক্ত হৈ আহিছে। সাধাৰণতে সমাজত ত্ৰাসৰ সৃষ্টি কৰাটোৱেই এনেবোৰ কাৰ্যৰ প্ৰাথমিক লক্ষ্য। সন্ত্ৰাসবাদৰ কাৰ্যক্ৰণিকাত এটি গোট অথবা এজন মানুহেই এখন বৃহৎ সমাজত ত্ৰাসৰ সৃষ্টি কৰিব পাৰে। সাধাৰণতে সন্ত্ৰাসবাদীয়ে এনেবোৰ লক্ষ্যত উপনীত হ'বলৈ বিচাৰে —

১। প্ৰতিপক্ষৰ সামৰিক তথা নৈতিক বল দুৰ্বল কৰি পেলোৱা।

২। প্ৰতিপক্ষক প্ৰতিটো ক্ষেত্ৰতে হেঁচা দি ৰাখিবলৈ চেষ্টা কৰা, অৰ্থাৎ প্ৰতিপক্ষই যাতে আইন-শৃংখলা ৰক্ষাৰ বাহিৰে আন কামত মনোনিবেশ কৰিবলৈ সুযোগ নাপায় তাৰবাবে সঘনাই হিংসাত্মক কাৰ্য সংঘটিত কৰাত সন্ত্ৰাসবাদীসকল সাজু থাকে।

৩। যিকোনো প্ৰকাৰেই নহওঁক সন্ত্ৰাসবাদীসকলক মানি চলিবলৈ জনসাধাৰণক বাধ্য কৰা।

৪। সন্ত্ৰাসবাদীসকলে হিংসাত্মক কাৰ্য সংঘটিত কৰাৰ বেলিকা ন্যায় আৰু অন্যায়ৰ মাজত কোনো ধৰণৰ পাৰ্থক্য বিচৰা প্ৰয়োজন অনুভৱ নকৰে। তেওঁলোকে নৈতিক-অনৈতিক ইত্যাদিও বিবেচনা নকৰে।

৫। সন্ত্ৰাসবাদৰ নীতি অনুসৰিয়েই তেওঁলোকে লোৱা কাৰ্যৰ অন্তৰালত কোনো দৰ্শন জড়িত থকাৰ কথা প্ৰচাৰ কৰে।

৬। সন্ত্ৰাসবাদী কাৰ্য এটি ক্ষুদ্ৰ গোটৰ দ্বাৰা যিদৰে সংঘটিত হ'ব পাৰে, তেনেদৰেই একোখন সমাজৰ আটাইবোৰ লোকেই তেনে কাৰ্যত ব্ৰতী হ'ব পাৰে। সমগ্ৰ সমাজখনেই জড়িত হোৱাৰ ক্ষেত্ৰত

সন্ত্ৰাসবাদৰ প্ৰতি সমৰ্থন আগবঢ়োৱা পেলেষ্টাইনী সমাজৰ কথাকে আঙুলিয়াব পাৰি। লিবিয়া, ইৰাণ প্ৰভৃতিয়েও সামগ্ৰিকভাৱে সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত হৈ পৰা দেখা গৈছিল।

৭। ধৰ্ম, গোষ্ঠী আৰু স্বৈৰাচাৰী শাসন-শোষণৰ বিৰুদ্ধে গণতান্ত্ৰিক শাসন প্ৰতিষ্ঠাৰ উদেশ্যে সন্ত্ৰাসবাদী কাৰ্য সংঘটিত হোৱা বিভিন্ন দেশত দেখিবলৈ পোৱা যায়।

৮। কোনো এটা বিষয়ে যথোচিত প্ৰচাৰ কাৰ্য চলোৱাৰ উদেশ্যেও সন্ত্ৰাসবাদী কাৰ্যত ব্ৰতী হ'বলৈ লোৱা দেখা যায়। শেহতীয়াকৈ প্ৰমাণ পোৱা গৈছে যে ধ্বংসাত্মক কাৰ্যই ততালিকে প্ৰচাৰ মাধ্যমত গুৰুত্বপূৰ্ণ স্থান দখল কৰিবলৈ সমৰ্থ হয়। নতুন নতুন সংগঠন সমূহেও সেই হেতুকে সন্ত্ৰাসবাদী কাৰ্যকেই কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণৰ উদেশ্যে লোৱা দেখা গৈছে।

প্ৰকৃতপক্ষে ওপৰত উল্লেখিত কাৰণ আৰু বৈশিষ্ট্যসমূহ সন্ত্ৰাসবাদৰ বাহ্যিক স্বৰূপহে। ইয়াৰ অন্তৰালত থকা কাৰণ মানসিক আৰু সেই কাৰণসমূহ অনুধাৱন কৰিবলৈ হ'লে নিম্নলিখিত বিষয়সমূহ বিশ্লেষণ কৰাটো উচিত বুলি বিশেষজ্ঞসকলে অভিমত ব্যক্ত কৰিছে। সেইকেইটা হ'ল —

(ক) ৰাষ্ট্ৰৰ প্ৰশাসনৰ চৰিত্ৰ, ৰাষ্ট্ৰৰ সৈতে ব্যক্তিৰ ৰাজনৈতিক সম্পৰ্ক আৰু ব্যৱহাৰিক দিশসমূহ।
(খ) সামাজিক অগ্ৰগতিৰ ধাৰা, অৰ্থনৈতিক বিকাশ আৰু জনসাধাৰণৰ মাজত সম্পদ বিতৰণৰ প্ৰক্ৰিয়া।
(গ) ইয়াৰোপৰি দেশখনৰ ভৌগোলিক স্থিতি, চাৰিওফালৰ দেশসমূহৰ ৰাজনৈতিক আদৰ্শত শাসন ব্যৱস্থা আৰু দৃষ্টিভঙ্গী ইয়ো হৈ পৰে কোনো কোনো সময়ত সন্ত্ৰাসৰ কাৰণ।

সাম্প্ৰতিক সময়ত সন্ত্ৰাসবাদী কাৰ্যকলাপে গোটেই বিশ্ব কঁপাইছে। ইয়াৰ উদাহৰণ অসমতো বিৰাজমান। অসমখন আন্তঃৰাষ্ট্ৰীয় ইছলামিক সন্ত্ৰাসবাদীৰ এটা প্ৰধান আশ্ৰয়স্থলত পৰিণত হৈছে আৰু সেই সংগঠনবোৰে যে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যত সন্ত্ৰাসৰ জাল বিস্তাৰ কৰিবলৈ অসমখন কৰিড'ৰ হিচাপে ব্যৱহাৰ কৰি আহিছে। যোৱা ৩০ (২০০৮) অক্টোবৰৰ ভয়ানক হত্যাবোৰ অসমৰ কাৰণে নতুন নাছিল। অসম হত্যাৰ দেশ যেন হৈ পৰিছে বৰ্তমানত, হত্যা আমাৰ ভাত-মাছ খোৱাৰ কথা। হত্যা কৰাটো হত্যাকাৰীসকলে এটা গৌৰৱৰ কাম বুলি ভাবি আহিছে, প্ৰকৃত শোক বা অনুতাপ তেওঁলোকে কেতিয়াও প্ৰকাশ নকৰে। হত্যা কৰাটো তেওঁলোকৰ কাৰণে এক যুক্তিসংগত গণতান্ত্ৰিক অধিকাৰ, সেই কাৰণে তেওঁলোকে ৰাইজৰ আদালতত বিচাৰৰ বাবে আত্মসমৰ্পণ কৰাটোৰ কথা কল্পনাও কৰিব নোৱাৰে। তেওঁলোকৰ দ্বাৰা সংঘটিত হত্যাৰ সন্মুখত আমি সদায় সামূহিকভাৱে অসহায় হৈয়েই আহিছো। আপাততঃ আজিৰ দিনত ইয়াৰ ব্যতিক্ৰম হৈছে। ধেমাজি হত্যাকাণ্ডৰ সময়তো এবাৰ তেনে ব্যতিক্ৰম হৈছিল এতিয়াও হৈছে। ব্যতিক্ৰম ইমানেই যে লাখ লাখ জনগণে জ্বলি থকা চাকি আৰু প্ৰাৰ্থনাৰ যোগে এক মতেৰে আনুষ্ঠানিকভাৱে এটা কথাই ব্যক্ত কৰিছিল, সেইটো হৈছে সন্ত্ৰাসবাদৰ দুটা চেহেৰা নাই। ভাল আৰু বেয়া সন্ত্ৰাসবাদ নাই। সকলো সন্ত্ৰাস বন্ধ হ'ব লাগে আৰু সন্ত্ৰাসবাদ দমন কৰিবৰ উদেশ্যে কঠোৰতকৈয়ো কঠোৰ চৰকাৰী ব্যৱস্থা ল'ব লাগে। আমাক শান্তি লাগে, সন্ত্ৰাস নালাগে। কিন্তু ইয়াৰ মাজতেই আকৌ সন্ত্ৰাসে কঁপালে মহানগৰী মুম্বাইক। ২৬ (২০০৮) নৱেম্বৰত এক অভাৱনীয়, অবিশ্বাস্য নৃশংসতা প্ৰদৰ্শন কৰিলে, সন্ত্ৰাসবাদীসকলে মুম্বাইত। সন্ত্ৰাসবাদীয়ে চলোৱা এই ভয়ানক আক্ৰমণে অকল বাণিজ্যিক মহানগৰীখনকে নহয়, দেশৰ হৃদস্পন্দন কাৰ্যতঃ স্তব্ধ কৰি তুলিলে। বিগত ১৫ বছৰত মুম্বাইত ভয়াবহ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাক্ৰম ঃ

১২ মাৰ্চ, ১৯৯৩ ঃ বিভিন্ন প্ৰান্তত সংঘটিত ধাৰাবাহিক বোমা বিস্ফোৰণত কমেও ২৫৭ জন লোক নিহত হোৱাৰ উপৰি আহত হৈছিল প্ৰায় ৭০০ জন। বম্বে ষ্টক একচেঞ্জ, বহুকেইখন হোটেল, বিমান বন্দৰ, পাছপ'ৰ্ট কাৰ্যালয়কে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ কেন্দ্ৰত সংঘটিত হৈছিল বিস্ফোৰণ।

২৫ আগষ্ট, ২০০৩ ঃ গেট ৱে অব ইণ্ডিয়াৰ সমীপকে ধৰি দুই ঠাইত সংঘটিত দুটা বিস্ফোৰণত নিহত হৈছিল ৪৬ জন লোক।

১১ জুলাই, ২০০৬ ঃ উপ-মহানগৰীয় ৰেল



আৰু ষ্টেচনত সংঘটিত সাতটাকৈ বিস্ফোৰণত নিহত হৈছিল দুই শতাধিক।

২৬ নৱেম্বৰ, ২০০৮ ঃ সাতটাকৈ সন্ত্ৰাসবাদী আক্ৰমণত নিহত হৈছিল ভালেসংখ্যক লোক।

ঠিক এইদৰেই সন্ত্ৰাসবাদী কাৰ্যকলাপত কোঙা হৈছিল ৩০ অক্টোবৰত অসমখন। সেইদিনা যিটো পৰিস্থিতিৰ সৃষ্টি হ'ল তাৰফলত নিঃস্ব হৈ গ'ল বহু পৰিয়াল, কোঙা হ'ল বহুতৰ জীৱন। মুঠৰ ওপৰত সন্ত্ৰাসবাদীহঁত হৈছে মানৱ জাতিৰ শত্ৰু। কিয়নো কোনো ধৰ্মগ্ৰন্থই মৌলবাদী কাৰ্যক কেতিয়াও সমৰ্থন কৰা নাই। এই মৌলবাদীসকল কিন্তু শান্তিৰ এক বৃহৎ শত্ৰুৰূপে পৰিগণিত হৈছে, লাগে সেয়া যি ধৰ্মৰেই মৌলবাদী নহওক কিয়। সন্ত্ৰাসবাদৰ ঐতিহাসিক ধাৰা নিয়ন্ত্ৰণৰ ব্যৱস্থা চলি আহিছে যদিও ই সম্পূৰ্ণৰূপে নিয়ন্ত্ৰণাধীন হোৱা নাই। বিশ্বৰ প্ৰতিখন দেশতেই সন্ত্ৰাসবাদ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত লোৱা ব্যৱস্থাও ভিন ভিন ধৰণৰ হোৱা দেখা গৈছে। ভাৰতীয় আৰক্ষী সেৱাৰ জ্যেষ্ঠ বিষয়া কে, এম, মাথুৰে 'Law and Order : Admministration with special reference to Terrorism.' নামৰ ৰচনাত উল্লেখ কৰিছে যে দ্ৰুত গতিত জনসংখ্যা বৃদ্ধি, হতাশা, সাৰ্বজনীন শিক্ষা, শিক্ষিত নিবনুৱাৰ সংখ্যা বৃদ্ধি, অৰ্থনৈতিক বিকাশ আৰু ক্ৰমবৰ্দ্ধমান ৰাজনৈতিক চেতনাই আইন-শৃংখলাৰ সমস্যাটো ক্ৰমাৎ জটিল কৰি তুলিছে। আনহাতে সমাজৰ বিভিন্ন অংশৰ দুৰ্নীতি, সন্ত্ৰাস দমনত ৰাজনৈতিক হস্তক্ষেপ, অভিযুক্ত লোকৰ বিৰুদ্ধে যথোচিত আইনগত ব্যৱস্থা লোৱাত হেমাহী ইত্যাদিৰ বাবেও সন্ত্ৰাসবাদী কাৰ্যকলাপ বৃদ্ধি পাইছে বুলি তেওঁ উল্লেখ কৰিছে। "পুঁজিবাদী সমাজত ব্যাপক জনসাধাৰণৰ ৰাজনৈতিক আৰু সামাজিক ক্ৰিয়া কলাপৰ ক্ৰমাগত বৃদ্ধিয়ে অতি স্পষ্টৰূপে দেখুৱাই দিছে যে এই ব্যৱস্থাৰ মাজত ব্যাপক জনসাধাৰণৰ সংহতি কিছু পৰিমাণে সহজ কৰি তুলিব পৰা আত্মিক সামাজিক নিয়ন্ত্ৰণৰ সেই প্ৰতিষ্ঠানবোৰৰ মুঠেও সাৰ্থক নহয় বুলি প্ৰমাণ দিয়ে।" — Political Terrorism : an Indictment of Imperialism. এই গ্ৰন্থখনিত আকৌ উল্লেখ কৰা হৈছে পুঁজিবাদৰ অধীনত সামাজিক নিয়ন্ত্ৰণৰ সেই লক্ষ্যবোৰে ইতিহাসৰ বস্তুনিষ্ঠ নিয়মবোৰ অস্বীকাৰ কৰে" আৰু ব্যাপক জনসাধাৰণৰ মৌলিক স্বাৰ্থৰ বিপৰীতে যায়। নিজৰ আধিপত্য অটুট ৰখাৰ কাৰণে বুৰ্জোৱা শ্ৰেণীটোৱে দমনমূলক সামাজিক নিয়ন্ত্ৰণৰ আশ্ৰয় ল'বলৈ বাধ্য হয়, ইয়াৰ লগতে সন্ত্ৰাসবাদে ক্ৰমবৰ্দ্ধমান ভূমিকা গ্ৰহণ কৰে।'

সন্ত্ৰাসক নিৰ্মূল কৰাৰ উদেশ্যে প্ৰশাসন জাগি উঠিছে যদিও সম্পূৰ্ণ সফলতা লাভ কৰাৰ পৰা তেওঁলোক বঞ্চিত হৈ আছে। তেওঁলোক চেষ্টাত ব্ৰতী হৈ থাকে। সন্ত্ৰাসক নিৰ্মূল কৰাৰ কৰ্তব্য প্ৰকৃততে দেশৰ সকলো নাগৰিকৰে। আমি সকলো নাগৰিক এতিয়া নিজ নিজ কৰ্তব্যৰ প্ৰতি সচেতন হ'বৰ হ'ল। এতিয়া আমি আমাৰ কৰ্তব্যলৈ আহো। আমাৰ হাতত এতিয়া দুটা কাম আছে। এটা কাম হৈছে আত্মৰক্ষা। ৩০ অক্টোবৰ দৰে ঘাতক বিস্ফোৰণ আৰু হত্যা-হিংসাৰ পৰা ভৱিষ্যতে আত্মৰক্ষা কৰিবৰ বাবে মন-কাণ দিয়াৰ, এয়া বাঢ়ি যোৱা সময় আৰু বাঢ়ি নাযাওঁতেই চিন্তা কৰাৰ সময় সমাগত। প্ৰত্যেক নাগৰিকে যদি নিজে এজন পুলিচ হয় তেন্তে এনে ধৰণৰ ঘটনা বোধ কৰাত বহুখিনি সহায় হ'ব। নাগৰিকে এটা চকু সজাই ল'ব লাগিব সেয়া হৈছে সন্দেহৰ চকু, নতুন মুখ, সেই মুখৰ সন্দেহজনক খোজ-কাটল, চাৱনি তেওঁৰ কৰ্মৰ প্ৰতি সদায়ে সন্দেহৰ চকুৰে চাব লাগিব। প্ৰয়োজন সাপেক্ষে সংগঠিতভাৱে সন্দেহ আৱৰ্তিত ব্যক্তিক সোধ-পোছ কৰিবও লাগিব, তাৰ পাছতহে পুলিচ। যদি প্ৰত্যেক নাগৰিকৰ ষষ্ঠ ইন্দ্ৰিয় সজাগ হয় তেন্তে জেহাদীয়েই হওক বা আন কোনো সন্ত্ৰাসবাদীয়েই কোনো দুষ্কাৰ্য সহজে সাধিব নোৱাৰিব। দ্বিতীয়তে আহিল ৰাজনৈতিক আশ্ৰয়। ৰাজনৈতিক দলৰ হাতত যেতিয়া শাসনভাৰ থাকে আৰু শান্তি ৰক্ষাৰ গুৰুভাৰ অৰ্পিত হয় তেনেস্থলত মানুহেও তেওঁলোকৰ পিনে আশাৰে চাবই। সেয়েহে আমি ৰাজনৈতিক দিশৰ ওপৰতো নজৰ দিব লাগিব। ৰাজনৈতিক নেতাসকলক আমাৰ বিবেকৰ ওপৰত ভিত্তি কৰি নিৰ্বাচিত কৰিব লাগিব। তেনেহ'লেহে আমি সকলোৱে এক হৈ সন্ত্ৰাসবাদ নিৰ্মূল কৰিব পাৰিম। মুঠৰ ওপৰত সন্ত্ৰাসবাদৰ সকলো বাট আমি বন্ধ কৰিব লাগিব। তেওঁলোকক আমাৰ কৰ্মৰ দ্বাৰা শিকাব লাগিব যে আমি শান্তি বিচাৰো, কেৱল শান্তি, সন্ত্ৰাস নহয়। ✦

# লোকনাট্য আৰু হবিব তনবীৰ

ড° বিপুল মালাকাৰ, *প্ৰৱক্তা, অসমীয়া বিভাগ*

ভাৰতীয় লোকনাট্যৰ আধাৰ হৈছে কথকতা পৰম্পৰা। লোকৰঞ্জনৰ বিশিষ্ট মাধ্যমৰূপে লোকনাট্যই গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছিছে। লোক সংস্কৃতিৰ সৈতে জড়িত নাট্যধৰ্মী অনুষ্ঠানেই লোকনাট্যৰূপে অভিহিত। লোকনাট্যত অভিনয়, সংগীত আৰু নৃত্যৰ সুসমন্বয় ঘটে। লোকনাট্যত কোনো ধৰণৰ মঞ্চৰ প্ৰয়োজন নাই। পোহৰ, কাৰিকৰী কৌশল তথা চমকৰ দৰকাৰ নাই; প্ৰয়োজন মাথোঁ অভিনেতাসকলৰ অফুৰন্ত প্ৰাণশক্তিৰ আৰু দৰ্শকৰ সৈতে সংযোগ স্থাপনৰ সৰল পোনপটীয়া ভাষাৰ।

লোকনাট্য নৃত্য-গীতৰ সমষ্টি। গীত আৰু নৃত্যৰ আধিক্য এইবিধ নাটৰ অন্যতম বৈশিষ্ট্য। ধৰ্মীকৃত আৰু উৎসৱ অনুষ্ঠানৰ লগত লোকনাট্যৰ কাহিনী ধৰ্মনিৰপেক্ষ আৰু ধৰ্মীয়ভাব প্ৰধান হ'ব পাৰে। লোকনাট্যৰ কাহিনী মুখ্যতঃ তলত দিয়া ধৰণে ভাগ কৰি দেখুৱাব পাৰি —




ভাৰতীয় লোকনাট্য জগতত হবিব তনবীৰ এটি পৰিচিত নাম। নিজ দেশৰ মাটিৰ গোন্ধ হবিব তনবীৰৰ ৰন্ধ্ৰে ৰন্ধ্ৰে সোমাই আছে। তেওঁৰ হৃদয়ত আছে ভাৰতীয় চৈতন্যবোধ। জনজীৱনৰ সৈতে ঘনিষ্ঠতা আৰু লোকনাট্যৰ সৈতে প্ৰত্যক্ষ যোগাযোগৰ ফলস্বৰূপে হবিব তনবীৰে ভাৰতীয় নাটকক বহুদূৰ আগবঢ়াই লৈ যাবলৈ সক্ষম হৈছে।

অসাধাৰণ সৃষ্টিৰে লোক জীৱনৰ সমল বিচাৰি ফুৰা বৰ্ণিল ব্যক্তিত্বৰ অধিকাৰী হবিব তনবীৰৰ জন্ম হয় ১৯২৩ চনৰ ১ ছেপ্তেম্বৰত বৰ্তমান ছত্তীশগড়ৰ ৰাজধানী মধ্যপ্ৰদেশৰ ৰায়পুৰত। ১৯৬৯ চনত 'সংগীত নাটক অকাডেমী' পুৰস্কাৰ, ১৯৮২ চনত 'পদ্মশ্ৰী',



১৯৯৬ চনত 'সংগীত-নাটক অকাডেমী ফেল'শ্বিপ', ২০০২ চনত 'পদ্মভূষণ' সন্মান লাভ কৰে হবিব তনবীৰে। ইয়াৰ উপৰি ১৯৭২-৭৮ চনলৈ তনবীৰ আছিল ৰাজ্য সভাৰ সদস্য। ভাৰতীয় লোক নাটকৰ মহীৰূহ হবিব তনবীৰে ২০০৮ চনৰ ৮ জুন তাৰিখে ভূপালত শেষ নিশ্বাস ত্যাগ কৰে। তনবীৰ আছিল একেধাৰে কবি, নাট্যকাৰ, পৰিচালক আৰু দক্ষ অভিনেতা।

তনবীৰৰ জীৱন আছিল নাটকতকৈও নাটকীয়। ১৯৪৫ চনত তেওঁ ভাৰতীয় গণনাট্য সংঘৰ যোগ দিয়ে। ১৯৫৪ চনত তেওঁ দিল্লীত 'হিন্দুস্তানী থিয়েটাৰ' প্ৰতিষ্ঠা কৰে। হিন্দুস্তানী থিয়েটাৰ প্ৰযোজিত 'আগ্ৰা বজাৰ' আৰু শূদ্ৰকৰ 'মৃচ্ছকটিক'ৰ অনুবাদ 'মিট্টি কা গাড়ী' যথেষ্ট জনপ্ৰিয় নাটক। ১৯৫৫ চনত নাট্য মাধ্যমৰ লগত চিনাকি হ'বলৈ তেওঁ বিলাতলৈ যায়। ইয়াৰ পিছত তেওঁ বাৰ্লিন, ৰুছিয়া, আমেৰিকা আৰু ইউৰোপৰ বিভিন্ন দেশ ভ্ৰমণ কৰি যথেষ্ট পৰিমাণে নাট্য অভিজ্ঞতা অৰ্জন কৰে। ব্ৰেখটৰ সৃষ্টিৰ পৰা প্ৰেৰণা পাই ১৯৫৯ চনত তনবীৰে 'নয়া থিয়েটাৰ' গোষ্ঠী গঠন কৰে। ১৯৭০ চনত ই পেশাদাৰী থিয়েটাৰ ৰূপে আত্মপ্ৰকাশ কৰে। 'নয়া থিয়েটাৰ'ৰ শিল্পীবৃন্দ সমাজৰ সাধাৰণ শ্ৰেণীৰ মানুহ। হোজা, গঞা মানুহ। ১৯৭৩ চনত নাটকৰ এটি কৰ্মশালা পৰিচালনাৰ সময়ত ছত্তীশগড়ী লোকনাট্য 'নাচা'ৰ মাজত তনবীৰে প্ৰাণস্পন্দন বিচাৰি পায়। তনবীৰৰ প্ৰচেষ্টাত প্ৰথমবাৰৰ বাবে ছত্তীশগড়ী লোক ভাষাৰ অপূৰ্ব সমন্বয় ঘটিছিল 'গাঁও কা নাম শশুৰাল', 'মোৰ নাম দামাদ' (১৯৭৩-৭৪) নাটকত। নাটখন ছত্তীশগড়ী উপভাষাত ৰচিত। ছত্তীশগড় অঞ্চলৰ অন্যতম উৎসৱ 'ছেৰছেৰা'। শাৰদীয় পূৰ্ণিমাৰ ৰাতি গাঁৱৰ ল'ৰাবোৰে গৃহস্থৰপৰা খুজি-মাগি পোৱা খাদ্য বস্তুৰে বনভোজ পাতে। উল্লেখনীয় যে ছত্তীশগড় অঞ্চলৰ ছেৰছেৰা উৎসৱৰ লগত নামনি অসমৰ 'মহৌহো' উৎসৱৰ কিছু মিল আছে। নাটকখনত ঝাংলু আৰু মাংলুৱে ছেৰছেৰা সংগ্ৰহ কৰিবলৈ যাওঁতে মান্তি আৰু শান্তিক লগ পায় আৰু চুপতি আৰম্ভ কৰে। পিছলৈ 'দাদুৰিয়া' অৰ্থাৎ প্ৰেম সংগীতৰ প্ৰতিযোগিতা আৰম্ভ হয়। ঘটনাক্ৰমে মান্তিৰ পিতাক খণ্ডাল মূৰ্তি ধৰি উপস্থিত হয় আৰু ঝাংলুৱে মান্তিক বিয়া কৰাব বুলি কৈ তেওঁক জোকায়। মান্তিৰ পিতাকক টকাৰ লোভ দেখুৱাই এজন বৃদ্ধই বিয়া কৰায়। ঝাংলুৱে বন্ধুবোৰৰ সৈতে 'দিৱাৰ'ৰ ছদ্মবেশ লৈ মান্তিৰ শহুৰেকৰ ঘৰলৈ যায় আৰু গালি-শপনি পাৰিবলৈ ধৰে। কিছু সময়ৰ পিছত নাচ-গানেৰে মচগুল মেহফিলৰ পৰা ঝাংলুৱে মান্তিক লৈ মনে মনে গুছি যায়। ছেৰছেৰা উৎসৱৰ আধাৰত প্ৰযোজিত নাটখন নাচ-গান তথা ৰসিকতাৰে ভৰপুৰ।

ভাৰতীয় লোক নাট্যৰ ইতিহাসত হবিব তনবীৰৰ 'চৰণ দাস চোৰ' অন্যতম কৃতি। প্ৰথম অৱস্থাত নাটখনিৰ নাম আছিল 'চোৰ চোৰ'। ১৯৭৫ চনত ৰচিত 'চৰণদাস চোৰ' নাটকৰ বিষয়বস্তু ৰাজস্থানী লোক-কাহিনীৰ ওপৰত আধাৰিত। সৰ্বাধিক সফল আৰু চৰ্চিত নাটক চৰণ দাস চোৰৰ মূল উপপাদ্য বিষয় সত্যৰ সন্ধান। নাটকৰ আৰম্ভণিতে কোৱাছৰ জৰিয়তে সত্যৰ গুণ-গৰিমা প্ৰচাৰ কৰিছে — সকলোৱে যে সঁচা ক'ব নোৱাৰে। চোৰ চৰণ দাসে এদিন গুৰু ভজি তেওঁৰ ওচৰত প্ৰতিজ্ঞা কৰিলে — তেওঁ কেতিয়াও সোণৰ থালত ভাত নাখায়, হাতীত উঠি শোভাযাত্ৰাত যোগ নিদিয়ে, ৰাণীৰ লগত বিয়াত নবহে, ৰজা হৈ ৰাজ্য শাসন নকৰে আৰু মিছা কথা নকয়। অথচ তেওঁ চোৰ কৰিবলৈ নেৰে। সত্যবাদী চোৰ চৰণ দাসে ঘটনাক্ৰমে ৰাজভঁৰালত চুৰি কৰি ধৰা পৰিল। তেওঁৰ সত্যবাদিতাত ৰাণী মুগ্ধ হৈ চৰণদাসক সোণৰ থালত ভাল খাবলৈ, হাতীত উঠি শোভাযাত্ৰাত যোগ দিবলৈ, তেওঁৰ (ৰাণীৰ) লগত বিয়াত বহিবলৈ আৰু ৰজা হৈ ৰাজ্যশাসন কৰিবলৈ আমন্ত্ৰণ জনালে। সত্য ৰক্ষাৰ স্বাৰ্থত চৰণদাসে এই আটাইকেইটা প্ৰস্তাৱ এটা এটাকৈ প্ৰত্যাখ্যান কৰিলে। ৰাণীয়ে তেতিয়া খঙত একো নাই হৈ চৰণদাসক মৃত্যুদণ্ড দিয়ে। শেষত কোৱাছে ঘোষণা কৰিছে সত্যৰ পক্ষত অটল হৈ ৰোৱা বাবে চৰণ দাস সাধাৰণ চোৰ হৈও বিখ্যাত হ'ব পাৰিছে।

নাচ-গান হাস্য-ব্যঙ্গ-বিদ্ৰূপেৰে ভৰপুৰ নাটখনৰ পৰিণতি দুখদায়ক। নাটখনৰ মঞ্চ সজ্জাও সাধাৰণ। পোছাকো তথৈবচ। সত্যৰ কাৰণেই নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰা সাধাৰণ লোকৰ কথাকে নাটখনত দাঙি ধৰা হৈছে।

'হিৰমা কী অমৰ কহানী' (১৯৮৫) নাটকত নিপীড়িত মানুহৰ জীৱনৰ প্ৰতিফলন ঘটিছে। নাটখনত হিৰ্মা এজন জনজাতিয় নেতা। তেওঁ জংঘলৰ অধিকাৰ আৰু জনজাতী সংস্কৃতি অক্ষুন্ন ৰাখিবলৈ প্ৰয়াস কৰে। ৰাষ্ট্ৰীয় ব্যৱস্থাৰ বিৰুদ্ধে প্ৰত্যক্ষ সংঘাতত নামি পৰে আৰু শেষলৈ মৃত্যুবৰণ কৰে। জনজাতীয় জীৱন ধাৰাক সম্পূৰ্ণ ৰূপত দাঙি ধৰিবলৈ নাট্যকাৰ তনবীৰে প্ৰয়াস কৰিছিল। নাচ-গানৰ মাজেৰে কাহিনীক আগবঢ়াই নিয়াত তথা জনজাতীয় সংস্কৃতি ফুটাই তোলাত নাট্যকাৰ সফল হৈছে।

ভাৰতীয় লোকনাট্যৰ অন্যতম সফল নাট্যকাৰ হবিব তনবীৰৰ আন কেইখনমান নাটক হ'ল — 'বাহাদুৰ কলাৰিন' (১৯৭৭-৭৮), 'সোণে সাগৰ' (১৯৭৯), 'মঙ্গল দিদি' (১৯৮৩), 'সড়ক' (১৯৯৪), 'সুন বাহৰী' (২০০০) আৰু 'ৰাজৰক্ত' (২০০৬, আধাৰ ঃ ৰবীন্দ্ৰনাথ ঠাকুৰৰ উপন্যাস ৰাজৰ্ষি আৰু নাটক বিসৰ্জন)। ইয়াৰ উপৰি হবিব তনবীৰৰ পৰিচালনাত কেইবাখনো উল্লেখযোগ্য নাট সফল ভাৱে মঞ্চস্থ হৈছে।

হবিব তনবীৰৰ নাটকত লোকনাট্য জীৱন্ত আৰু প্ৰৱাহমান। দৰ্শকৰ বাবে তেওঁ নাটকত একো উপসংহাৰ নিৰ্দিষ্ট কৰি নিদিয়ে। তেওঁ ঘটনাৰ বিবৃতিকাৰহে মাথোন। ভাল-বেয়া বিচাৰৰ দায়িত্ব তেওঁ সদায় দৰ্শকৰ ওপৰত এৰি দিয়ে। ইয়াৰ উপৰি তেওঁ দৰ্শকৰ সক্ৰিয় সহযোগিতা কামনা কৰে। তনবীৰৰ নাটকত বহুত বেছি চৰিত্ৰৰ সমাৱেশ ঘটিলেও লোকনাট্যৰ পৰম্পৰাগত ৰীতিৰ সৈতে তেওঁ ক্লাছিক বা আধুনিক থিয়েটাৰৰ সামঞ্জস্য স্থাপন কৰে। লোকনাট্যৰ শিথিল কাহিনীক ন-কৈ সজাই পৰাই মঞ্চ উপযোগী কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত হবিব তনবীৰ ভাৰতীয় লোকনাট্যৰ ইতিহাসত চিৰদিন অমৰ হৈ থাকিব। ◆


সমল সংগ্ৰহ ঃ

১। ড° অজিৎ শইকীয়া (সম্পা.) ঃ ছশ বছৰৰ অসমীয়া নাটক পৰম্পৰা আৰু পৰিবৰ্তন; ড° নবীন চন্দ্ৰ শৰ্মা; পৰম্পৰাগত ভাৰতীয় লোকনাট্য আৰু অসম; (২০০৮)

২। ড° তড়িৎ চৌধুৰী ঃ দেশে দেশে নাট্যকলা (১৯৯৪)

৩। ড° নীৰাজনা মহন্ত বেজবৰা ঃ পটভূমিকাত তুলনামূলক সাহিত্য (২০০২)

৪। যোগেন চেতিয়া ঃ আধুনিক নাট্যকলা ; (১৯৯৩)

৫। ড° শৈলেন ভঁৰালী ঃ অসমীয়া লোকনাট্য পৰম্পৰা; (১৯৮৪)

৬। হৰেকৃষ্ণ ডেকা (সম্পা.) ঃ গৰীয়সী ; চতুৰ্দশ বছৰ, অষ্টম সংখ্যা, মে' ২০০৭

৭। ড° লক্ষ্মীনন্দন বৰা (সম্পা.) ঃ গৰীয়সী, যোড়শ বছৰ, নৱম সংখ্যা, জুন, ২০০৯।


## ভাৰতৰ দীৰ্ঘতম

| | নাম | দৈৰ্ঘ্য |
|---|---|---|
| দীৰ্ঘতম নদী | গঙ্গানদী | ২,৪৬৪ কিঃ মিঃ |
| দীৰ্ঘতম সুৰঙ্গপথ | জৱাহৰ টানেল | ৩ কিঃ মিঃ |
| দীৰ্ঘতম ৰাজপথ | গ্ৰেণ্ড ট্ৰাঙ্ক ৰোড | ২,৪০০ কিঃ মিঃ |
| দীৰ্ঘতম বান্ধ | হীৰাকুন্দ | ৭৫,৭৪৮ ফুট |
| দীৰ্ঘতম ৰেল দলং | শোন ব্ৰীজ | ১০,০৪৪ ফুট |
| দীৰ্ঘতম খাল | বিকানীৰ খাল | ১২৮ ফুট |
| দীৰ্ঘতম প্লেটফৰ্ম | খড়্গপুৰ | ২,৭৩৩ ফুট |
| দীৰ্ঘতম বাৰান্দা | ৰামেশ্বৰম মন্দিৰ | ৪,০০০ ফুট |



# বৰ্তমানৰ শিক্ষানীতি ঃ সমস্যা আৰু সম্ভাৱনা

বনশ্ৰী বৰা, *স্নাতক তৃতীয় বৰ্ষ*

আৰম্ভণি ঃ

শিক্ষাই হৈছে প্ৰকৃত নাগৰিকৰে এখন সুস্থ দেশ আৰু এখন সুস্থ সমাজ গঢ়ি তোলাৰ মৌলিক উপাদান। এখন দেশৰ নৱপ্ৰজন্মক প্ৰয়োজনীয় সকলো দিশৰে পৰা উপযুক্ত কৰি তুলিব পাৰে কেৱল শিক্ষাই। আৰু দেশখনৰ ভৱিষ্যত নিৰ্ভৰ কৰিব নৱপ্ৰজন্মৰ কৰ্মদক্ষতা আৰু যোগ্যতাৰ ওপৰত আৰু সেই যোগ্যতা প্ৰতিপন্ন কৰিব দেশৰ শিক্ষা নীতিয়ে। এইক্ষেত্ৰত আমি দেখা পাওঁ যে এখন সমাজ সুপৰিকল্পিতভাৱে আৰু শৃংখলাবদ্ধভাৱে পৰিচালনা কৰাত শিক্ষানীতিৰ গুৰুত্ব বহুত বেছি। শিক্ষা নীতিৰ ওপৰতেই ভিত্তি কৰিব নৱপ্ৰজন্মৰ মানসিক তথা সামগ্ৰিক বিকাশ আৰু সেইয়া ভৱিষ্যতে প্ৰতিফলিত হ'ব তেওঁলোকৰ কৰ্মত, তেওঁলোকৰ চিন্তাধাৰাত, তেওঁলোকৰ আচাৰ-ব্যৱহাৰত। এনেস্থলত এই শিক্ষানীতিত থাকি যোৱা সামান্য ত্ৰুটিবোৰেই ভৱিষ্যতে ভয়াবহ সমস্যা হৈ দেখা দিয়াটো নিশ্চিত। আমাৰ দেশ বা ৰাজ্যও এই ব্যাধিৰ পৰা হাত সাৰিব পৰা নাই। বৰ্তমান আমাৰ শিক্ষানীতিত থকা একাধিক আঁসোৱাহ বা ত্ৰুটিৰ বাবেই আমি প্ৰতি পদে পদে নিজৰ বিপদৰ সন্মুখীন হ'ব লগা হৈছে। যি সময়ত সমগ্ৰ বিশ্বই 'গোলকীকৰণ' ব্যৱস্থাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি তালত তাল মিলাই খোজ পেলাইছে সেই সময়ত আমি বহুগুণে পিচ পৰি থাকিবলগীয়া হৈছে। পৰিবৰ্তনশীল সময়ৰ লগত নিজকে খাপ খুৱাই আগবঢ়াই নিয়াত ব্যৰ্থ হৈছো কেৰোণযুক্ত শিক্ষানীতিৰ বাবে। ইয়াৰ অন্তৰ্নিহিত কাৰণবোৰ আমি ফঁহিয়াই চালে দেখা পাম।

আমাৰ বৰ্তমান শিক্ষা ব্যৱস্থাত প্ৰচলিত পাঠ্যক্ৰমত বহু ত্ৰুটি ৰৈ গৈছে। শিক্ষাৰ মুখ্য উপাদান পাঠ্যক্ৰমত দেখা পোৱা এই ত্ৰুটিসমূহ তলত দিয়া ধৰণৰ—

পুথিত মানৱ জাতিয়ে কষ্টেৰে অৰ্জন কৰা আটাইখিনি জ্ঞান সঞ্চিত হৈ আছে। সেইবাবে পুথি অধ্যয়ন জ্ঞান আহৰণৰ এটা উপযুক্ত পদ্ধতি। কিন্তু পুথি অধ্যয়নৰ বাহিৰেও জীৱনত নিজ অভিজ্ঞতাৰে শিকিবলগীয়া অপাৰ কথা আছে। বৰ্তমান আমাৰ দেশৰ বহুতো ঠাইৰ বিদ্যালয়ৰ পাঠ্যক্ৰমত পুথিগত বিদ্যাৰ ওপৰত বেছি প্ৰাধান্য দিয়াৰ ফলত শিক্ষাৰ্থীৰ অভিজ্ঞতা বহু সংকীৰ্ণ হৈ থাকে আৰু তাৰ ফলত তেওঁলোকৰ ব্যক্তিত্বৰ আটাইবিলাক দিশ সমানে বিকশিত নহয় আৰু দ্বিতীয়তে, জীৱন সংগ্ৰামৰ বাবে তেওঁলোকক পাঠ্যক্ৰমে প্ৰস্তুত কৰি তুলিব নোৱাৰে।

বিভিন্ন জীৱ-জন্তুক একেবিধ আহাৰ খুৱাই সন্তুষ্ট কৰিবলৈ যোৱাৰ দৰে বৰ্তমান আমাৰ বিদ্যালয়সমূহৰ পাঠ্যক্ৰমে শিক্ষাৰ্থীৰ পাৰস্পৰিক পাৰ্থক্যৰ কথা চিন্তা নকৰি সকলোৰে ওপৰত একেধৰণৰ অভিজ্ঞতা সপি দিবলৈ চেষ্টা কৰিছে। ইয়াৰ ফলত সকলো শিক্ষাৰ্থী পাঠ্যক্ৰমৰ পৰা সমানে উপকৃত হ'ব পৰা নাই।

জীৱনৰ লগত প্ৰচলিত পাঠ্যক্ৰমৰ সংযোগ নিচেই কম। সাধাৰণ শিক্ষাৰ কথাই নকওঁ আনকি কৃষি, চিকিৎসা বিজ্ঞান, প্ৰযুক্তি বিজ্ঞান আদি বৃত্তিমূলক শিক্ষাৰ পাঠ্যক্ৰমো জীৱনৰ পৰা বহু আঁতৰত। ইয়াৰ ফলত এইবিলাক পাঠ্যক্ৰম কৃতকাৰ্যতাৰে শেষ কৰাৰ পাছতো ছাত্ৰ-ছাত্ৰীহঁত জীৱনত সমস্যা সমাধানৰ কাৰণে প্ৰস্তুত হৈ নুঠে।

শিক্ষাৰ জখলাত বগাওঁতে কিছুমানৰ উৰ্ধগামী গতি প্ৰাথমিক পৰ্যায়ত, কিছুমানৰ মাধ্যমিক পৰ্যায়ত আৰু আন কিছুমানৰ মহাবিদ্যালয় পৰ্যায়ত শেষ হয়। শিক্ষা জখলাৰ প্ৰতিটো বিন্দুৰ ব্যক্তিয়েই কৰ্ম জগতত জীৱিকাৰ এটা উপযুক্ত অৱলম্বন বিচাৰি পাব লাগিব। প্ৰত্যেকে শিক্ষাৰ্থীৰ বাবে কৰ্ম সংস্থানৰ কথা চিন্তা কৰা

পাঠ্যক্ৰম নিৰ্মাতাসকলৰ কাৰণে এটা নৈতিক দায়িত্ব। বৰ্তমান প্ৰচলিত পাঠ্যক্ৰম এই দায়িত্বৰ প্ৰতি যথেষ্ট উদাসীন।

পাঠ্যক্ৰম, পাঠদান আৰু মূল্যাংকণ এই তিনিওটা পৰস্পৰ নিৰ্ভৰশীল বস্তু। কিন্তু বৰ্তমান শিক্ষা ব্যৱস্থাত পৰীক্ষাৰ ওপৰত ইমান বেছি প্ৰাধান্য দিয়া হৈছে যে ই শিক্ষাৰ বাকী দুটা উপাদানক তেনেই বিকৃত কৰি পেলাইছে। অভিজ্ঞতা অৰ্জন নকৰাকৈয়ে শিক্ষাৰ্থী পৰীক্ষাৰ দেওনা পাৰ হৈছে। সেইদৰে পাঠ আহৰণৰ প্ৰয়োজনীয়তা অনুভৱ নকৰি অন্যান্য শিক্ষাৰ্থী পৰীক্ষাত কৃতকাৰ্য হৈছে। পাঠ্যক্ৰমত উপযুক্ত মূল্যাংকণ পদ্ধতি সন্নিবিষ্ট কৰিব নোৱাৰাৰ ফলতেই এনেবিলাক সমস্যাই দেখা দিছে।

বিদ্যালয়ত পাঠ্যক্ৰমৰ জৰিয়তে শিক্ষাৰ্থীক কোনো এটা বিষয়ত বিশেষজ্ঞ কৰি তোলাটো উদেশ্য নহয়। পাঠ্যক্ৰমে শিক্ষাক কিছুমান বহল বিষয়ত এটা সাধাৰণধৰ্মী জ্ঞান দিবলৈহে চেষ্টা কৰা উচিত। কিন্তু বৰ্তমান প্ৰচলিত পাঠ্যক্ৰমত বিজ্ঞান আদি কিছুমান বিষয় বিভক্ত কৰাৰ ফলত শিক্ষাৰ্থীৰ ধাৰণা বিকৃত আৰু অসম্পূৰ্ণ হৈ ৰয়।

বিভিন্ন বিষয়ৰ উপযোগী কাৰ্যসূচী সন্নিবিষ্ট নোহোৱাৰ কাৰণে প্ৰচলিত পাঠ্যক্ৰম শিক্ষাৰ্থী বাবে নিৰস আৰু আকৰ্ষণহীন হৈ উঠিছে। হেঁপাহেৰে ঢাপলি মেলাৰ পৰিবৰ্তে বিদ্যালয়ৰ নাম শুনিলে বহু ল'ৰা-ছোৱালী আতংকিত হৈ উঠে। পাঠ্যক্ৰমে বিদ্যালয়ত এনে নিৰানন্দ পৰিবেশ সৃষ্টি কৰিলে শিক্ষাৰ্থীৰ সাম্ভাব্যতাসমূহৰ বিকাশ যথেষ্ট পৰিমাণে বাধাগ্ৰস্ত হয়।

দেশৰ বেছিভাগ বিদ্যালয়ৰে পাঠ্যক্ৰম বিষয়কেন্দ্ৰিক, শিশুকেন্দ্ৰিক তথা শিক্ষাৰ্থীকেন্দ্ৰিক নহয়। ইয়াৰ ফলত শিক্ষক-শিক্ষয়ত্ৰীয়ে বিষয়বস্তুৰ ওপৰতহে গুৰুত্ব দিয়ে, শিক্ষাৰ্থীৰ ওপৰত গুৰুত্ব নিদিয়ে।

পাঠ্যক্ৰমে জ্ঞান আহৰণ, কৌশল আয়ত্বকৰণ, মনোভাৱ গঠন আদি শিক্ষাৰ প্ৰয়োজনীয় দিশসমূহতকৈ স্মৰণ শক্তিৰ ওপৰত, অৰ্থাৎ শিক্ষণীয় সামগ্ৰী মুখস্থ কৰি পৰীক্ষাঘৰত শুদ্ধকৈ লিখাৰ ওপৰত বেছি গুৰুত্ব দিয়ে। ইয়াৰ ফলত পৰীক্ষাৰ কেইদিনমান আগৰে পৰা ধুমধাম মুখস্থ কৰি পৰীক্ষাত সৰহ নম্বৰ পোৱাটোৱেই বেছিভাগ ছাত্ৰ-ছাত্ৰীৰ একমাত্ৰ লক্ষ্য হৈ পৰে। এনে পাঠ্যক্ৰমে পৰীক্ষা ভাল কৰা ছাত্ৰ-ছাত্ৰী সৃষ্টি কৰিব, কিন্তু প্ৰকৃতাৰ্থত শিক্ষিত, দক্ষ ব্যক্তি সৃষ্টি কৰিব নোৱাৰে।

বৰ্তমান পৰিস্থিতিত বাতৰিকাকত, আলোচনী, ৰেডিঅ', টেলিভিশ্যন আদি কিছুমান জনসংযোগ মাধ্যমেৰে শিক্ষাৰ্থীৰ ওপৰত পৰা অশুভ প্ৰভাৱ আঁতৰ কৰাৰ পন্থা উদ্ভাৱন কৰা আৰু বৃদ্ধি কৰাৰ উপায় উলিওৱা পাঠ্যক্ৰমৰ আগত ডাঙৰ প্ৰত্যাহ্বান স্বৰূপে দেখা দিছে। এই প্ৰত্যাহ্বানক এতিয়ালৈকে পাঠ্যক্ৰমে উপযুক্তভাৱে আদৰণি জনোৱা দেখা পোৱা নাযায়।

পাঠ্যক্ৰমত ভাৰতীয় ভাষাসমূহৰ অধ্যয়ণে উপযুক্ত স্থান লাভ কৰিব পৰা নাই। বিদ্যালয়ৰ ইংৰাজী ভাষাৰ অধ্যয়নত যিমান গুৰুত্ব দিয়া হয় মাতৃভাষাৰ অধ্যয়নত সিমান গুৰুত্ব দিয়া নহয়।

উপৰোক্ত আঁসোৱাহ সমূহৰ উপৰি আমাৰ শিক্ষানীতি অন্যান্য কিছুমান কাৰকৰ প্ৰভাৱতো ত্ৰুটিমুক্ত হ'ব পৰা নাই। সেইবোৰৰ ভিতৰত ৰাজনৈতিক কাৰক, অৰ্থনৈতিক কাৰক, অভিভাৱকৰ অমনোযোগিতা আৰু ছাত্ৰ-ছাত্ৰীৰ মৌনতা, শিক্ষকৰ অৱহেলা আদি।

কিছুমান ৰাজনৈতিক স্বাৰ্থ চৰিতাৰ্থ কৰিবৰ বাবে শিক্ষাকো এক মাধ্যম হিচাবে গ্ৰহণ কৰিছে এচাম ৰাজনৈতিক নেতাই। শিক্ষানীতি পৰিচালনা কৰিবৰ বাবে গঠন কৰা ব'ৰ্ড বা সমিতি আদিত কুটনীতিৰে পূৰ্ণ সদস্য ৰখা যিসকল লোক শিক্ষা ব্যৱস্থাৰ বিষয়ত একেবাৰে অনভিজ্ঞ। বিদ্যালয়, মহাবিদ্যালয় আদিত অযোগ্য ব্যক্তিক নিযুক্তি, নিযুক্তিৰ নতুন নতুন নীতি, দৰমহা প্ৰদান আদি সকলোতে ৰাজনীতি জড়িত হৈ পৰিছে আৰু এই ৰাজনৈতিক শক্তিক অতিক্ৰম কৰিবলৈ আমাৰ শক্তি, বুদ্ধিৰ অভাৱ। ঠিক সেইদৰে, এইবিলাকৰ প্ৰতিবাদ কৰিবলৈ অভিভাৱকৰ অমনোযোগিতাৰ বাবে ৰাজনীতি শক্তি অধিক সক্ৰিয় হৈ ৰ'ব পাৰিছে।

অন্যহাতে, শিক্ষকৰ অপূৰণীয় দাবী, প্ৰাপ্তি আদি চৰকাৰৰ পৰা আদায় কৰিব নোৱাৰা বাবে শাস্তি ভোগ কৰিছে ছাত্ৰ-ছাত্ৰীয়ে। একোখন স্কুল এজন মাত্ৰ শিক্ষকে দহ-বাৰ বছৰ চলোৱাৰ পিছতো কোনো চৰকাৰী স্বীকৃতি আৰু অনুদান নাপালে কোনো শিক্ষকৰে



শিক্ষাদান কৰাৰ উৎসাহ নাথাকে। গতিকে য'ত শিক্ষকৰ নিজৰ প্ৰয়োজনখিনিয়েই কষ্টৰ মূৰত আহৰণ কৰিব নোৱাৰে তেনেস্থলত ছাত্ৰ-ছাত্ৰীৰ হ'কে বা শিক্ষানীতিৰ সংশোধনীৰ কথা কেনেকৈ চিন্তা কৰিব?

এয়ে হ'ল আমাৰ শিক্ষানীতিৰ প্ৰকৃত ৰূপ। কিন্তু এই সমস্যা সমূহকে আলোচনা কৰি বহি থাকিলেই আমাৰ দায়িত্ব শেষ নহ'ব। গতিকে সমস্যা সমূহ সমাধান কৰিবলৈ হ'লে আমি কিছুমান কথালৈ লক্ষ্য ৰাখিব লাগিব। সেইয়া তলত ব্যাখ্যা কৰা হ'ল —

**সমস্যা সমূহৰ সমাধান ঃ**

দাৰ্শনিক ভেটি নাথাকিলে পাঠ্যক্ৰম দিশহাৰা হয়। পাঠ্যক্ৰম প্ৰতিষ্ঠিত হোৱা দাৰ্শনিক ভিত্তিৰ জৰিয়তেহে আমি পাঠ্যক্ৰমত অন্তৰ্ভুক্ত হোৱা প্ৰত্যেকবিধ কাৰ্যসূচীৰ অৰ্থ, লক্ষ্য আৰু তাৎপৰ্য উপলব্ধি কৰিব পাৰো। লক্ষ্য সম্বন্ধে সম্যক জ্ঞান নাথাকিলে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী কোনেও সেই পাঠ্যক্ৰম কাৰ্যকৰীভাৱে অনুসৰণ কৰিব নোৱাৰিব।

ব্যক্তিক বৰ্তমান আৰু ভৱিষ্যত জীৱনৰ বাবে প্ৰস্তুত কৰাটোৱেই হ'ল বহল অৰ্থত শিক্ষাৰ উদেশ্য। সেয়েহে জীৱন নিৰ্বাহ প্ৰণালীৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন এক পাঠ্যক্ৰম কাবোবাবে আকৰ্ষণীয় আৰু ফলপ্ৰসু নহয়। বিদ্যালয়ৰ বাহিৰৰ সমাজখনৰ চাহিদা, আশা-আকাংক্ষা, আচাৰ-ব্যৱহাৰ, জ্ঞান কৌশল আদিৰ লগত পাঠ্যক্ৰমৰ মিল নাথাকিলে সেই পাঠ্যক্ৰম কৃতকাৰ্যতাৰে শেষ কৰি শিক্ষানুষ্ঠানৰ পৰা ওলাই অহা ছাত্ৰ-ছাত্ৰী নিজৰ সমাজখনতে আচহুৱাৰ দৰে হ'ব, সমাজত প্ৰয়োজনীয় জ্ঞান, কৌশল আৰু মনোভাৱ তেওঁলোকে শিক্ষানুষ্ঠানত আহৰণ কৰি অহা নাই। সেয়েহে পাৰিবাৰিক আৰু সামাজিক জীৱনৰ লগত পাঠ্যক্ৰমৰ কিছু পোনপটীয়া সম্বন্ধ থকা একান্ত প্ৰয়োজন।

মানুহ এবিধ সামাজিক জীৱ, সমাজ অবিহনে মানুহ জীয়াই থাকিব নোৱাৰে। সামাজিক গুণ আয়ত্ব কৰা প্ৰত্যেক ব্যক্তিৰ বাবেই অতি প্ৰয়োজন। সেয়েহে সমাজবিদসকলে মানুহক সামাজিক কৰি তোলাটো শিক্ষাৰ এক প্ৰধান লক্ষ্য বুলি গণ্য কৰে। পাঠ্যক্ৰম ৰচনা কৰোতে সেইবাবে চাব লাগে যাতে তাত ছাত্ৰ-ছাত্ৰীক সামাজিক গুণ আয়ত্ব কৰোৱাব পৰা উপাদান উপযুক্ত পৰিমাণত সন্নিবিষ্ট হয়।

পাঠ্যক্ৰম তৈয়াৰ কৰোতে শিক্ষাদান পদ্ধতি, মূল্যাংকণ পদ্ধতি, অনুশাসন পদ্ধতি, আদি সকলো দিশ মনোবিজ্ঞান সন্মত হৈছে নে নাই হোৱা তাৰ প্ৰতি চকু ৰখা প্ৰয়োজন। দ্বিতীয়তে, সকলো স্তৰতে পাঠ্যক্ৰম সন্নিবিষ্ট কৰা সকলোবিলাক অভিজ্ঞতাৰ প্ৰকৃতি সেই সেই স্তৰৰ ল'ৰা-ছোৱালীৰ বুদ্ধি, ৰূপ, আগ্ৰহ আৰু সাধাৰণ প্ৰকৃতিৰ লগত খাপ খোৱা ধৰণৰ হ'ব লাগে।

পাঠ্যক্ৰমৰ বিভিন্ন উপাদানবিলাকৰ মাজত অৰ্থপূৰ্ণ সংযোগ থাকিব লাগে যাতে আটাইবিলাক উপাদান কিছুমান বহল লক্ষ্যত উপনীত হোৱাত ছাত্ৰ-ছাত্ৰীক সহায় কৰে।

শিক্ষাৰ্থীৰ ৰূপ, ৰুচি, বুদ্ধি, আৰ্থ-সাংস্কৃতিক স্তৰ, আৰ্থ-সামাজিক অৱস্থা, ভৌগোলিক অৱস্থান, আকাংক্ষাৰ স্তৰ আদিৰ প্ৰতি লক্ষ্য ৰাখি একে স্তৰতে একাধিক পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা দৰকাৰ। এখন সাধাৰণ পাঠ্যক্ৰম প্ৰচলন কৰিলে মাত্ৰ সমাজৰ বিশেষ এবিধ ছাত্ৰ-ছাত্ৰীয়ে উপকৃত হ'ব পাৰে, বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়েই ইয়াৰ পৰা উপকাৰ আদায় কৰিবলৈ অপৰাগ হ'ব।

পোন্ধৰ-ষোল বছৰ পূৰ্ণ হোৱাৰ পিছত সৰহ সংখ্যক শিক্ষাৰ্থীৰ শিক্ষা সমাপ্ত হয় আৰু তেওঁলোক কৰ্ম জগতত প্ৰৱেশ কৰে বা কৰা উচিত। সেইবাবে বিদ্যালয়ৰ পাঠ্যক্ৰমত বৃত্তিমূলক দিশ সন্নিবিষ্ট হ'ব লাগে যাতে শিক্ষাৰ্থীয়ে নিজৰ দক্ষতাৰ লগত সামঞ্জস্য ৰাখি বিভিন্ন বৃত্তিৰ ব্যক্তিত্ব গঠন আদি শিক্ষাৰ আদৰ্শমূলক অনেক লক্ষ্য আছে যদিও প্ৰত্যেক ব্যক্তিকে জীৱনত সজ উপায়েৰে ধন ঘটি আৰ্থিকভাৱে স্বাৱলম্বী কৰি তুলিবলৈ চেষ্টা কৰাটো শিক্ষা ব্যৱস্থাৰ এক নৈতিক দায়িত্ব, কাৰণ আৰ্থিকভাৱে নিজৰ ওপৰত থিয় হ'বলৈ অপৰাগ হোৱা ব্যক্তিৰ জীৱনত শিক্ষাই প্ৰদান কৰা অন্যান্য সূক্ষ্ম গুণসমূহো সহজে বিকশিত হৈ নুঠে। সেইবাবে পাঠ্যক্ৰম প্ৰস্তুত কৰোতে এইটো দিশলৈ বিশেষভাৱে লক্ষ্য কৰা উচিত।

সময়ৰ লগে লগে প্ৰত্যেক সমাজত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আদি দিশত পৰিবৰ্তন ঘটে। ইয়াৰ উপৰি বৰ্তমান জগতত জ্ঞানৰ ভঁৰাল ইমান দ্ৰুত গতিত বৃদ্ধি পাইছে যে ইয়াক বহুতে জ্ঞানৰ বিস্ফোৰণ

বুলি আখ্যা দিছে। এনে পৰিবৰ্তনৰ পৰিপ্ৰেক্ষিতত বিদ্যালয়ৰ পাঠ্যক্ৰম যে সদায় একে হৈ থাকিব নোৱাৰে সেই কথা সহজেই উপলব্ধি কৰিব পাৰি। সেইবাবে পাঠ্যক্ৰমৰ সঘনে পুনঃ নিৰীক্ষণ হৈ থাকিব লাগে আৰু পাঠ্যক্ৰম ৰচনা কৰোতে তাত সময়ে সময়ে পৰিবৰ্তন আনিব পৰাৰ অৱকাশ ৰাখি যাব লাগে।

এই সমগ্ৰ দিশ কাৰ্যকৰী হ'বলৈ ছাত্ৰ-ছাত্ৰী, ছাত্ৰনেতা, অভিভাৱক, শিক্ষক, চৰকাৰ প্ৰতিটো গোটেই সজাগ আৰু সচেতন হোৱাটো অতি প্ৰয়োজনীয়।

ওপৰৰ আলোচ্য দিশবোৰে বৰ্তমান অসমৰ শিক্ষানীতিয়ে এতিয়াও বহু পৰিমাণে সংশোধিত হ'বলৈ বাকী আছে তাকেই প্ৰতিপন্ন কৰে। এইক্ষেত্ৰত আমি সকলোৱে গুৰুত্ব প্ৰদান কৰা উচিত যিহেতু শিক্ষানীতিয়েই হ'ল আমাৰ প্ৰগতিৰ মাপকাঠি। আনৰ লগত ফেৰ মাৰিবলৈ নহ'লেও অন্ততঃ নিজস্ব স্বকীয়তা বজাই ৰাখি পৰিবৰ্তনশীল সময়ৰ লগত সমানে খোজ মিলাবলৈও আমাৰ বৰ্তমান শিক্ষানীতিৰ সংশোধন কৰিব লাগিব আৰু তেতিয়াহে শিক্ষাৰ প্ৰকৃত লক্ষ্য আৰু উদ্দেশ্যৰে অসম সাৰ্থক হ'ব। ✦

## পৃথিৱীৰ দীৰ্ঘতম আৰু উচ্চতম

| | | |
|---|---|---|
| দীৰ্ঘতম ৰেললাইন | — | ৰাছিয়াৰ চাইবেৰিয়ান ৰেলওৱে (৫৪,০০ মাইল) |
| সৰ্ববৃহৎ জাহাজ | — | কুইন এলিজাবেথ (ইংলণ্ড) |
| দীৰ্ঘতম প্ৰাচীৰ | — | চীনৰ প্ৰাচীৰ (১৫০০ মাইল) |
| বৃহত্তম মছজিদ | — | জুম্মা মছজিদ (দিল্লী, ভাৰত) |
| দীৰ্ঘতম সুৰঙ্গ পথ | — | চিমপ্লন (৭ মাইলৰো অধিক) |
| দীৰ্ঘতম দলং | — | চানফ্ৰান্সিচকো অকলেণ্ড ব্ৰীজ (আমেৰিকা) (১৮ কিঃ মিঃ দৈৰ্ঘ্য, বহন ক্ষমতা ১৭,৫০,০০০ কুইন্টল) |
| বৃহত্তম চহৰ | — | টোকিঅ' (জাপান) |
| বৃহত্তম গ্ৰন্থাগাৰ | — | লেনিন লাইব্ৰেৰী (ৰাছিয়া) (১ কোটি ৫০ লাখ গ্ৰন্থ আছে) |
| সৰ্বাধিক দ্ৰুতগামী নদী | — | ৰেন নদী (ফ্ৰান্স) (ঘণ্টাত ৪০ মাইল গতিৰে প্ৰবাহিত) |
| সৰ্বাধিক দ্ৰুতগামী প্ৰাণী | — | চিতাবাঘ (ঘণ্টাত ৭০ মাইলকৈ দৌৰিব পাৰে) |
| বৃহত্তম প্ৰাণী | — | নীলা ৰঙৰ তিমি মাছ (দীঘল ১০৬ ফুট, ওজন- ১৯৫ টন) |
| বৃহত্তম মিউজিয়াম | — | বৃটিছ মিউজিয়াম (লণ্ডন) |
| বৃহত্তম চিনেমা হল | — | ৰক্সি (নিউইয়ৰ্ক) (৬০০০ আসন আছে) |
| বৃহত্তম ৰেল ষ্টেচন | — | গ্ৰেণ্ড চেণ্ট্ৰেল টাৰমিনাল (নিউইয়ৰ্ক) (৪৭টা প্লেটফৰ্ম আছে) |
| বৃহত্তম ৰাজপথ | — | ব্ৰডওৱে (নিউইয়ৰ্ক) |
| বৃহত্তম গীৰ্জা | — | চেণ্ট পিটাৰ (ৰোম) |
| বৃহত্তম মাটিৰ বান্ধ | — | মঙ্গল বান্ধ (পাকিস্তান) |
| বৃহত্তম হোটেল | — | ষ্টিফেন হোটেল (চিকাগো) (৭০০টা ঘৰ আছে) |
| বৃহত্তম ফল | — | কোক দে মাৰ (সামুদ্ৰিক, নাৰিকল জাতীয় ফল) |
| বৃহত্তম পাৰ্ক | — | উড্ বাফালো নেশ্যনেল পাৰ্ক (কানাডা) |
| দীৰ্ঘতম নদী | — | মিচিচিপি (আমেৰিকা) |



# নাৰী শিক্ষা আৰু সমাজৰ প্ৰগতি

অমিয়া পাটৰ, *প্ৰৱক্তা, অসমীয়া বিভাগ*

সমাজৰ উন্নতিৰ মূল জীৱনী শক্তি হৈছে শিক্ষা। শিক্ষাৰ অবিহনে এখন দেশ, এটা জাতি অথবা এখন সমাজৰ উন্নতি বা প্ৰগতি কল্পনা কৰাটো অলীক সপোন মাথোন। সেয়ে সমাজত বাস কৰা লিঙ্গ, জাতি, বৰ্ণ, ধৰ্ম বৈষম্যভেদে সকলোৱে শিক্ষাৰ পোহৰত উমলিব লাগিব। কেৱল যিকোনো শিক্ষাৰে শিক্ষিত হ'লেই নহ'ব। সেই শিক্ষা হ'ব লাগিব গুণগত। কাৰণ বাস্তৱ ক্ষেত্ৰত দেখা যায় বহুতে উচ্চ শিক্ষাৰে শিক্ষিত হৈয়ো শিষ্টাচাৰ গুণটোকে আহৰণ কৰিব নোৱাৰে। সেইবাবে গুণগত শিক্ষাৰ প্ৰয়োজন আৰু চৰকাৰেও বৰ্তমানে প্ৰাথমিক পৰ্য্যায়ৰ পৰাই যাতে ল'ৰা-ছোৱালীয়ে গুণগত শিক্ষা আহৰণ কৰে তাৰ প্ৰতি ব্যৱস্থা গ্ৰহণ কৰিছে।

শিক্ষা বুলি কওঁতে ইয়াৰ বিভিন্ন বিষয়বস্তু আছে। গতিকে শিক্ষা বিভিন্ন প্ৰকাৰৰ বুলি ক'ব পাৰি। ধৰ্মীয় শিক্ষা, ৰাজনৈতিক শিক্ষা, আধ্যাত্মিক জ্ঞান লাভৰ শিক্ষা, কাৰিকৰী শিক্ষা, চিকিৎসা বিষয়ক শিক্ষা, জ্ঞান-বিজ্ঞান বিষয়ক শিক্ষা ইত্যাদি বিভিন্ন বিষয়ক শিক্ষা পোৱা যায়। এই আটাইবোৰ শিক্ষা আহৰণ কৰাৰ কঠিয়াতলী হৈছে শিশুৰ নিজৰ ঘৰখন। কাৰণ উল্লিখিত শিক্ষাসমূহ গ্ৰহণ কৰিবৰ বাবে প্ৰস্তুত কৰিবলৈ শিশুসকলৰ প্ৰাৰম্ভিক শিক্ষাৰ আৰম্ভণি ঘটে ঘৰখনতে আৰু এই শিক্ষাৰ শিক্ষয়িত্ৰী গৰাকী হ'ল শিশুটোৰ মাকগৰাকী। পৃথিৱীৰ প্ৰতিখন দেশৰ শিশুৰেই শিশু অৱস্থাত মাক অথবা আইতাকৰ কোলাত সোমাই প্ৰকৃতিৰ বিচিত্ৰ জগতখনৰ কল্পনা ৰাজ্যত ৰহস্যৰ অনুসন্ধান কৰি এটা সময়ত বাস্তৱ জগতখনৰ লগত পৰিচিত হয়। আটাইতকৈ ডাঙৰ কথা হ'ল শিশুৱে কথা ক'বলৈ শিকে প্ৰথম অৱস্থাত মাকৰ পৰাই। প্ৰতি জাতিৰ শিশুৰেই আৰম্ভণিতে মাকৰ পৰা নিজৰ নিজৰ মাতৃভাষা আহৰণ কৰে। গতিকে ভৱিষ্যতৰ দেশৰ নাগৰিক সকলৰ আদি গুৰু মাতৃগৰাকী অৰ্থাৎ মহিলাসকল সুশিক্ষাৰে শিক্ষিতা হ'লেহে সমাজৰ উন্নতি আশা কৰিব পাৰি। কিন্তু দুখৰ বিষয় মানৱ সভ্যতা প্ৰতিষ্ঠিত হোৱা সময়ৰ পৰাই প্ৰতিখন দেশতে পুৰুষৰ শিক্ষাৰ প্ৰতি যি গুৰুত্ব দিয়া হ'ল, নাৰী শিক্ষাৰ প্ৰতি তেনে কোনো গুৰুত্ব দিয়া দেখা নগৈছিল।

পৃথিৱীৰ অতি প্ৰাচীন সভ্য দেশ আৰ্যৱৰ্ত বা ভাৰতবৰ্ষত অতীত কালত যেতিয়া পঢ়াশালি গঢ়ি উঠা নাছিল, সেই সময়ত ল'ৰাৰ শিক্ষাৰ বাবে টোলসমূহত সমূহীয়া শিক্ষানুষ্ঠান গঢ়ি উঠিছিল। কিন্তু কন্যা শিশুৰ বাবে তেনে কোনো শিক্ষানুষ্ঠান গঢ়ি উঠা নাছিল। কন্যা সন্তানসকলে মাকক ঘৰুৱা কামত সহায় কৰিছিল আৰু জীৱন সম্পৰ্কে বুজি উঠাৰ আগতেই কাৰোবাৰ পত্নী হ'ব লগা হৈছিল। কোনো কোনো শিশুকন্যাই নিজৰ স্বামীৰ মুখ নেদেখাকৈয়ে বৈধব্যৰ যন্ত্ৰণাৰ মাজত দিন অতিবাহিত কৰিবলগা হৈছিল। গতিকে দেশৰ ভৱিষ্যতৰ নাগৰিকসকলৰ আৰম্ভণিৰ শিক্ষয়িত্ৰী গৰাকীক অজ্ঞানতাৰ অন্ধকাৰত এনেদৰে পুতি থোৱাৰ ফলত তেওঁলোকে সন্তানসকলক সুশিক্ষা দিয়াৰ পৰা বঞ্চিত হৈছিল।

কোনো এটা শক্তিক যিমানেই দমন কৰি নাৰাখক কিয় সেই দমনৰ পৰাই এক অদম্য শক্তিৰ জন্ম হয়। সমাজ ব্যৱস্থাই নাৰীক চাৰিবেৰৰ মাজত বান্ধি ৰাখিলেও কিছুসংখ্যক নাৰীয়ে নিজৰ আশাশুধীয়া প্ৰচেষ্টাক বাস্তৱ ৰূপ দি সমাজ আৰু জাতিৰ উন্নতিত অৰিহণা যোগোৱাৰ উদাহৰণ পোৱা যায়। এইসকলৰ ভিতৰত বৈদিক যুগত ভাৰতবৰ্ষত জন্মগ্ৰহণ কৰা গাৰ্গী নামৰ এগৰাকী বিদ্যাৱতীৰ নাম সৰ্বপ্ৰথমে ল'ব লাগিব। যি গৰাকী বিদুষী নাৰীয়ে নিজৰ পাণ্ডিত্যৰ বাবে সেই সময়ৰ সৰ্বশ্ৰেষ্ঠ শাস্ত্ৰজ্ঞ পণ্ডিত যাজ্ঞবল্ক্যৰো অন্তৰ কঁপাই তুলিছিল। বিদেহ ৰাজ্যৰ ৰজা জনকে অনুষ্ঠিত কৰা যজ্ঞস্থলীত গাৰ্গীয়ে যাজ্ঞবল্ক্যক পাণ্ডিত্যপূৰ্ণ প্ৰশ্নৰে

থকা-সৰকা কৰিছিল। লীলাৱতী নামৰ এগৰাকী বিদগ্ধা নাৰীয়ে নিজৰ পাণ্ডিত্যৰে গণিত আৰু জ্যোতিৰ্বিজ্ঞানৰ ক্ষেত্ৰত এক উল্লেখনীয় অৱদান আগবঢ়াই থৈ গৈছে। সেইদৰে ঋষি যাজ্ঞবল্ক্যৰ দুগৰাকী পত্নী মৈত্ৰেয়ী আৰু কাত্যায়নীৰ ভিতৰত মৈত্ৰেয়ীয়ে স্বামীৰ পৰা সা-সম্পদৰ পৰিবৰ্তে ব্ৰহ্মজ্ঞান বিচাৰিছিল। বিপুল সা-সম্পত্তিৰ গৰাকিনী হৈও তেওঁ জ্ঞানচৰ্চা আৰু অধ্যয়নত নিজকে ব্যস্ত ৰাখিছিল। সেয়ে আজিও বিজ্ঞ সমাজে মৈত্ৰেয়ীক শ্ৰদ্ধাৰে সোঁৱৰে।

আগতেই উল্লেখ কৰা হৈছে যে নাৰীয়ে পুৰুষৰ সমানে শিক্ষা লাভ কৰাৰ কোনো সুবিধা পোৱা নাছিল। অতি প্ৰাচীন কালত শৈশৱ কালছোৱাত পুত্ৰ সন্তানসকলে গুৰু গৃহত থাকি বিভিন্ন দিশত শিক্ষা লাভ কৰাৰ যি সুবিধা আছিল, কন্যা সন্তানৰ কাৰণে সেই সুবিধা নাছিল। তৎসত্বেও আত্ৰেয়ী নামৰ এগৰাকী বালিকাই তমসা নদীৰ পাৰত বাল্মিকী মুনিৰ আশ্ৰমত থাকি বেদৰ জ্ঞান আয়ত্ব কৰিছিল। কেৱল সেয়ে নহয়। বাল্মীকি মুনিৰ আশ্ৰমত থাকি ঋক, যজুৰ, অথৰ্ব এই আটাই কেইখন বেদ অধ্যয়ন কৰাৰ পাছত তেওঁ সুউচ্চ বিন্ধ্য পৰ্বত পাৰ হৈ অগস্ত্য মুনিৰ আশ্ৰমলৈ গৈ শাস্ত্ৰ অধ্যয়ন কৰিছিল। শিক্ষা লাভৰ বাবে এগৰাকী নাৰীয়েও ত্যাগ স্বীকাৰ কৰিব পাৰে আৰু সমাজৰ প্ৰগতিতযে অৰিহণা যোগাব পাৰে এই কথা আত্ৰেয়ীৰ আদৰ্শই সমাজক দেখুৱাই থৈ গৈছে।

মাতৃৰ পৰা শিক্ষা সন্তানসকলে অতি সহজে গ্ৰহণ কৰে। মাতৃৰ পৰা পোৱা শিক্ষাত উদ্বুদ্ধ হৈয়ে ৰজাৰ সন্তান হৈয়ো ৰাজ সিংহাসনৰ মোহ ত্যাগ কৰাৰ উদাহৰণো অলেখ আছে। এইখিনিতে এটি উদাহৰণ দাঙি ধৰাৰ মোহ সামৰিব পৰা নাই। মদালসা নামৰ এগৰাকী ৰাজমহিষীয়ে পুতেকহঁতক সদায় আধ্যাত্মিক জ্ঞান চৰ্চাৰ বাবে অনুপ্ৰাণিত কৰিছিল। ফলত ৰজাৰ সন্তানসকলে পিতাকৰ ৰাজ সিংহাসনত বহাৰ পৰা বিৰত থাকিল। ইফালে ৰজাইও বানপ্ৰস্থ গ্ৰহণ কৰিবৰ হ'ল। উপায়হীন হৈ মদালসাই ৰজাৰ নিৰ্দেশক্ৰমে কণিষ্ঠ পুত্ৰক ৰাজধৰ্ম পালনৰ শিক্ষা দিয়ে। যথাসময়ত সেই পুত্ৰক ৰাজধৰ্মৰ শিক্ষা সমাপ্ত কৰি ৰাজ্যভাৰ গতাই দিয়ে যদিও মদালসাই পুত্ৰক বিপদৰ সময়ত ব্ৰহ্মক সাৰোগত কৰি মন স্থিৰ কৰিবৰ বাবে উপদেশ দিয়ে। বৰ্তমান উচ্চ শিক্ষাৰে শিক্ষিত সমাজত বৈষয়িক সা-সম্পদক লৈ যি হিংসাত্মক ঘটনাৰ উদ্ৰেক হ'ব লাগিছে, সেই সময়ত এনে এগৰাকী মহিয়সী নাৰীৰ আদৰ্শ বিচাৰ কৰা সঁচাকৈয়ে প্ৰাসঙ্গিক হৈ পৰিছে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে প্ৰাচীন কালৰে পৰা দুই-এগৰাকী নাৰীয়ে শিক্ষা গ্ৰহণৰ সুবিধা পাইছিল বা নিজৰ আশাশুধীয়া চেষ্টাৰ বলত সেই সুবিধা আদায় কৰিছিল, সেই নাৰীসকলে সমাজৰ উন্নতিত যথেষ্ট অৰিহণা আগবঢ়াই থৈ গৈছে। তদুপৰি তাম্ৰপালী, সংঘমিত্ৰা, মীৰাবাঈ আদিয়ে সমাজত চলি থকা হিংসা অসূয়া দূৰ কৰি এখন সুন্দৰ সমাজ গঢ়িবলৈ ধৰ্মৰ বাণী অথবা ভগৱানৰ বাণী প্ৰচাৰ কৰা কাৰ্যত নিজৰ জীৱন উচৰ্গা কৰিছিল। কেৱল ধৰ্মীয় দিশতে নহয় যথেষ্ট সংখ্যক নাৰীয়ে সামাজিক, আধ্যাত্মিক আদি বিভিন্ন দিশত সমাজখনলৈ বৰঙণি আগবঢ়াইছে। ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ, ৰাণী দুৰ্গাৱতী, চুলতানা বেজিয়া, ধাত্ৰীপান্না, মূলাগাভৰু, সৰোজিনী নাইডু, মাদাৰ টেৰেচা, কনকলতা, ভোগেশ্বৰী ফুকননী আৰু চন্দ্ৰপ্ৰভা শইকীয়ানীৰ ত্যাগৰ কথা কোনে নাজানে?

যি কি নহওক সময়ৰ পৰিবৰ্তনৰ লগে লগে মানুহৰ মনলৈ চেতনা আহিল। সমাজে চিন্তা কৰিলে যে পুৰুষসকলৰ লগতে নাৰীসকলেও শিক্ষাৰ পোহৰ পাব লাগে। এইছাটি বতাহ আমাৰ পূবৰ দেশবোৰৰ তুলনাত পশ্চিমৰ দেশবোৰলৈ আগতীয়াকৈ আহিল। আমাৰ ভাৰতবৰ্ষৰ ভিতৰত এই সভ্যতা প্ৰথমে কলিকতাবাসী সকললৈ আহিল। উনবিংশ শতিকাত যেতিয়া কলিকতীয়া শিক্ষিত ডেকাসকলৰ পশ্চিমীয়া জ্ঞান-বিজ্ঞানৰ সৈতে পৰিচয় ঘটিল, তেতিয়া তেওঁলোকৰ মনত জ্ঞানৰ উদয় হ'ল যে জ্ঞান-বিজ্ঞানৰ মধু পান কৰিবলৈ তেওঁলোকৰ সঙ্গিনীসকলো শিক্ষিতা হোৱা উচিত। গতিকে নাৰীশিক্ষাৰ বাবে এক জনমত গঢ়ি উঠিল।

অসমত নাৰী শিক্ষাৰ ক্ষেত্ৰত আগভাগ লয় খ্ৰীষ্টান মিচনেৰীসকলে। তেওঁলোকৰ যত্নতে ল'ৰাৰ শিক্ষাৰ বাবে পঢ়াশালি গঢ়ি উঠাৰ লগতে ছোৱালীসকলে পঢ়িবৰ বাবেও পঢ়াশালি গঢ়ি উঠিল। প্ৰথম অৱস্থাত আঢ্যৱন্ত অসমীয়া পৰিয়ালৰ কন্যাসকলে এই বিদ্যালয়সমূহত শিক্ষা গ্ৰহণ কৰিছিল। পিছত ই সম্প্ৰসাৰিত হয়। অসমৰ এগৰাকী স্বনামধন্যা নাৰী চন্দ্ৰপ্ৰভা শইকীয়া আৰু তেওঁৰ ভগ্নী ৰজনীপ্ৰভাই বহুত দূৰ পথ অতিক্ৰম কৰিও শিক্ষা গ্ৰহণ কৰিছিল। এইগৰাকী নাৰীয়ে এসময়ত অসমত প্ৰদেশ কংগ্ৰেছ মহিলা সমিতি গঠন কৰিছিল। এই অনুষ্ঠানে এতিয়াও অসমত এটি জাকত জিলিকা সামাজিক অনুষ্ঠানৰূপে সমাজৰ উন্নতিত অৰিহ্ণা যোগাই আহিছে।

সমাজৰ সকলো উন্নয়নমূলক কামৰ গুৰিতে একোখন অদৃশ্য হাতে ক্ৰিয়া কৰি আছে। সি বিদেশতে হওক, দেশতে হওক অথবা ৰাজ্যতে হওক। সেই অদৃশ্য হাতখন হৈছে একোগৰাকী নাৰীৰ। নাৰীৰ ত্যাগ আৰু আদৰ্শই জাতীয় নেতাসকলক জাতীয় প্ৰেমত উদ্বুদ্ধ হ'বলৈ কেনেদৰে অনুপ্ৰেৰণা যোগাইছিল, তাৰ উদাহৰণ অন্য দেশলৈ যাব নালাগে, আমাৰ ভাৰতবৰ্ষতে আছে। গান্ধীজীৰ নেতৃত্বত গঢ়ি উঠা ভাৰতৰ স্বাধীনতা আন্দোলনত নাৰীসকলে যি ত্যাগ দেখুৱাইছিল, সেই ত্যাগে গান্ধীজীৰ দৰে নেতা সকলক অধিক উৎসাহ দিছিল। সেইদৰে গান্ধীজীৰ পত্নী কস্তুৰীবাঈৰ যি ত্যাগ সি সঁচাকৈয়ে অতুলনীয়। গতিকে এনে ত্যাগ আৰু সমাজ সচেতন মন্ত্ৰৰে উদ্বুদ্ধ নাৰীসকলক নিৰক্ষৰতাৰ অন্ধকাৰৰ পৰা উলিয়াই আনি শিক্ষাৰ পোহৰত যদি অৱগাহন কৰাব পৰা যায়, তেন্তে সমাজৰ প্ৰগতি আশা কৰিব পাৰি। সেইবাবেই বোধকৰো ভাৰতৰ পঞ্চবাৰ্ষিক পৰিকল্পনাসমূহত নাৰী শিক্ষাৰ বাবে অধিক গুৰুত্ব দিয়া দেখা গৈছে। ৰাষ্ট্ৰীয় সাক্ষৰতা মিচনে সাক্ষৰতা অভিযানত নাৰী শিক্ষাৰ বাবে আচুতীয়া ব্যৱস্থা গ্ৰহণ কৰিছে। বৰ্তমান সমগ্ৰ ভাৰতবৰ্ষ জুৰি চলি থকা সৰ্বশিক্ষা অভিযান মিচনে ছোৱালী শিক্ষাৰ বাবে সুকীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰিছে। যিহেতু বৰ্তমান সময়ত দেখা গৈছে যে নাৰীসকলে জ্ঞান-বিজ্ঞানৰ সকলো দিশতে নিজৰ স্থিতি সবল কৰি পুৰুষৰ সমানে আগবাঢ়ি গৈছে। এইবোৰ আলোচনা বাদ দিলেও কেৱল দেশৰ ভৱিষ্যতৰ নাগৰিকসকলক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰিবলৈ ভৱিষ্যতৰ মাতৃসকলৰ শিক্ষাৰ অতি প্ৰয়োজন হৈ পৰিছে। তেতিয়াহে এখন সুস্থ আৰু প্ৰগতিশীল সমাজ আশা কৰিব পাৰি। ✦

সত্যৰ দ্বাৰাই সত্য লাভ কৰিব পাৰি। হিয়া দান কৰিলেহে হিয়া পাব পাৰি।

– মাৰ্চ্চল

আমি বন্ধু অবিহনে থাকিব পাৰোঁ কিন্তু চুবুৰীয়া অবিহনে থাকিব নোৱাৰো।

– থমাচ ফুলাৰ

শিক্ষাৰ এটা প্ৰকৃত উদ্দেশ্য হ'ল আন কিছুমান মানুহ সৃষ্টি কৰা, যিবোৰ মানুহে অনবৰত প্ৰশ্ন কৰি থাকে আৰু প্ৰশ্ন নকৰাকৈ থাকিব নোৱাৰে।

– বিছপ মোণ্ডল ক্ৰিটন

# জীৱন যাপনৰ কলা — এক অনুভৱ

ৰ'জী ডেকা, *প্ৰৱক্তা, ৰাজনীতি বিজ্ঞান বিভাগ*

অৱশেষত দীঘলীয়া প্ৰতীক্ষাৰ অন্তত সেই বিশেষ দিনটো সমাগত হৈছিল আৰু যোৱা ২০০৬ চনৰ ১৪ ফেব্ৰুৱাৰীত আমাৰ বাংগালোৰ যাত্ৰা আৰম্ভ হৈছিল। উদেশ্যে "আৰ্ট অৱ লিভিং ফাউণ্ডেচন"ৰ ৰূপালী জয়ন্তী অধিবেশনত অংশ গ্ৰহণ কৰা! "আৰ্ট অৱ লিভিং" নামৰ আন্তৰ্জাতিক অনুষ্ঠানটিৰ প্ৰতিষ্ঠাতা গুৰু শ্ৰীশ্ৰীৰবি শঙ্কৰ। সমগ্ৰ বিশ্বত আধ্যাত্মিকতা আৰু যোগাত্মক চিন্তাৰ জৰিয়তে শান্তি সম্প্ৰীতি স্থাপন আৰু সফল জীৱন যাপনৰ লক্ষ্য আগত ৰাখি এই সংস্থাৰ প্ৰতিষ্ঠা কৰা হৈছিল। এই সংস্থাত বিজ্ঞানসন্মত পদ্ধতিৰ দ্বাৰা জীৱনৰ প্ৰাণশক্তিক পুৰামাত্ৰাই জাগৃত কৰাত, মনৰ চাপ আঁতৰ কৰাত আৰু সজাগতা বৃদ্ধি কৰাৰ ক্ষেত্ৰত প্ৰশিক্ষণ দিয়া হয়। এই আত্ম বিকাশ পদ্ধতিৰ জৰিয়তে হেজাৰ হেজাৰ লোকে দৈনন্দিন জীৱনত বহু বাধাৰ সন্মুখীন হৈও সফলতাৰ মুখ দেখিবলৈ সক্ষম হৈছে। জাতি, ধৰ্ম, বৰ্ণ, স্থান, পাত্ৰ নিৰ্বিশেষে বিশ্বৰ বিভিন্ন প্ৰান্তৰ সহস্ৰাধিক লোক এই সংস্থাৰ প্ৰতি আৰ্কষিত আৰু ইয়াৰ সদস্যভুক্ত।

১৬ ফেব্ৰুৱাৰীৰ নিশা প্ৰায় ১২ বজাত আমি বাংগালোৰ চহৰত গৈ উপস্থিত হৈছিলো। সমগ্ৰ বিশ্বৰ ১৫১ খন দেশৰ প্ৰতিনিধিৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা হাজাৰ হাজাৰ লোকে উক্ত অনুষ্ঠানত যোগ দিছিলহি। আমাৰ অসমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ প্ৰায় ৮০০ প্ৰতিনিধিয়ে উক্ত অনুষ্ঠানত অংশ গ্ৰহণ কৰিছিল। নিশাটো হোটেলতে কটাই পিছদিনা পুৱা ৭ বজাতেই আমি নিৰ্দিষ্ট কৰি দিয়া বাছত উঠি জাকোৰ এৰ'ড্ৰম য'ত মূল অনুষ্ঠান অনুষ্ঠিত হৈছিল তালৈ ঢাপলি মেলিছিলো।

সমাবেশ থলী এক বিশাল এলেকা আগুৰি আছিল। আগবেলাৰ অনুষ্ঠানসমূহ যেনে - যজ্ঞ, ধৰ্মালোচনী সভা আদি এক বিশাল সভাগৃহত অনুষ্ঠিত কৰা হৈছিল য'ত সমগ্ৰ ভাৰতৰ বিভিন্ন ধৰ্মৰ প্ৰতিষ্ঠিত ধৰ্মগুৰুসকলে ভাগ লৈছিল আৰু তেওঁলোকৰ বহুমূলীয়া বাণীৰে অধিবেশনথলীৰ সমগ্ৰ পৰিবেশ আধ্যাত্মিকতা আৰু পবিত্ৰতাৰে ভৰাই তুলিছিল।

অধিবেশনৰ আয়োজকসকলে সমগ্ৰ অনুষ্ঠানটো সুপৰিকল্পিত আৰু সুশৃংখলিতভাৱে পৰিচালনা কৰিছিল আৰু ইয়াত হাজাৰৰো অধিক স্বেচ্ছাসেৱী নিয়োজিত কৰা হৈছিল। বিশ্বৰ বিভিন্ন প্ৰান্তৰ আঢ়ৈ লাখ লোক সমাগত হোৱা অনুষ্ঠানটিত ক'তো কোনো বেমেজালিৰ সৃষ্টি হোৱা পৰিলক্ষিত হোৱা নাছিল। দৰ্শনাৰ্থীসকলৰ খোৱা-বোৱাৰ সুব্যৱস্থা কৰা হৈছিল আৰু কুপন যোগে শৃংখলিতভাৱে এক মূল্যৰ বিনিময়ত সকলোকে খাদ্যৰ যোগান ধৰা হৈছিল। অংশগ্ৰহণকাৰীসকলৰ জিৰণি লোৱাৰ বাবেও ঠায়ে ঠায়ে জিৰণি চৰা পাতি দিয়া হৈছিল। সমাবেশৰ লগত সংগতি ৰাখি এক বিশাল বাণিজ্য মেলাৰো আয়োজন কৰা হৈছিল।

নিশাৰ ভাগলৈ মূল অনুষ্ঠান অনুষ্ঠিত হৈছিল আৰু ইয়াৰ বাবে এক বিশাল এলেকা আগুৰি সুবৃহৎ মঞ্চ আৰু অংশগ্ৰহণকাৰীসকল বহাৰ বাবে সু-ব্যৱস্থা কৰা হৈছিল। যিহেতু, সমবেত হোৱা বিশাল জনসমুদ্ৰৰ বাবে অনুষ্ঠানটো নিচেই ওচৰৰ পৰা প্ৰত্যক্ষ কৰাটো সম্ভৱ নাছিল সেয়েহে ২০/২৫ খন বৃহৎ স্ক্ৰীন এৰ'ড্ৰমৰ বিভিন্ন স্থানত সংস্থাপিত কৰি দিয়া হৈছিল যাতে দৰ্শকে সুন্দৰকৈ অনুষ্ঠানটি উপভোগ কৰিব পাৰে।

ৰূপালী জয়ন্তী সমাৰোহ চাৰিদিনীয়া আছিল আৰু প্ৰত্যেক দিনাই বিভিন্ন দেশৰ সংস্কৃতিক অনুষ্ঠানসমূহ সেই দেশৰ প্ৰতিনিধি সকলে পৰিবেশন কৰিছিল। ইয়াৰোপৰি বিভিন্ন দেশৰ বিশিষ্ট ব্যক্তি সকলৰ অংশগ্ৰহণো আছিল ইয়াৰ এটা মন কৰিবলগীয়া দিশ। ভাৰতবৰ্ষৰো বিশিষ্ট ব্যক্তি সকল যেনে — ৰাষ্ট্ৰপতি আব্দুল কালাম, লালকৃষ্ণ আদৱানি, বিভিন্ন ৰাজ্যৰ ৰাজ্যপাল সকল, মুখ্যমন্ত্ৰীসকলে অংশগ্ৰহণ কৰি বিশ্বশান্তিৰ দিশটোৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু আৰ্ট অৱ লিভিং ফাউণ্ডেচনৰ এই দিশত অৱদানৰ বিষয়ে উল্লেখ কৰিছিল। শিল্প কলাক্ষেত্ৰৰ পৰাও বহুতো গণ্য-মান্য ব্যক্তি যেনে - হেমামালিনী, বিনোদ খান্না, এচ্.পি. বালাসুব্ৰমণিয়ম আদিয়ে অংশগ্ৰহণ কৰিছিল। সাংস্কৃতিক অনুষ্ঠানৰ অন্য এটি উল্লেখযোগ্য দিশ আছিল তিনিহাজাৰ আঠশ বাদ্যযন্ত্ৰীৰ দ্বাৰা পৰিবেশিত সঙ্গীতানুষ্ঠান।

ৰূপালী জয়ন্তী সমাবোহৰ আন এটি গুৰুত্বপূৰ্ণ অনুষ্ঠান আছিল শ্ৰীশ্ৰী ৰবিশংকৰৰ দ্বাৰা পৰিচালিত 'সুদৰ্শন ক্ৰিয়া'। সুদৰ্শন ক্ৰিয়া হৈছে প্ৰাচীন যোগ পদ্ধতিৰ আধাৰত উশাহ-নিশাহৰ বৈজ্ঞানিক নিয়ন্ত্ৰণৰ এক বিশেষ প্ৰণালী, যিয়ে আমাৰ সমগ্ৰ দেহ-মন আৰু আত্মাক এক জীৱনী শক্তিৰ দ্বাৰা প্লাৱিত কৰি দিয়ে আৰু আমাৰ সমগ্ৰ সত্বাতে সন্তুলন আৰু সমতা আনি দিয়ে। সুদৰ্শন ক্ৰিয়াৰ জৰিয়তে ব্যক্তিয়ে তেওঁৰ অসীম অন্তৰাত্মাৰ বিষয়ে উপলব্ধি কৰে, যাৰ দ্বাৰা ব্যক্তিয়ে তেওঁৰ জীৱনক সম্পূৰ্ণভাৱে সমৃদ্ধ কৰি নিজৰ লগতে বৃহৎ মানৱ সমাজৰ কল্যাণৰ বাবে উপযুক্ত কৰি তোলে।

এনেদৰেই আধ্যাত্মিকতা আৰু পবিত্ৰতাৰ বাতাবৰণৰ মাজত চাৰিদিনীয়া অনুষ্ঠানটি সম্পন্ন হৈছিল। মুঠৰ ওপৰত সমগ্ৰ অনুষ্ঠানটিয়ে আছিল সংগীত, ধ্যান আৰু প্ৰাৰ্থনাৰে মুখৰিত হোৱা এক বিৰল মহাসমাৰোহ। ✦

## ভাৰতবৰ্ষৰ বিচিত্ৰ তথ্য

? ভাৰতৰ কোন ঠাইত প্ৰথমে ক্ৰিকেট খেলৰ আৰম্ভ হয়?

➪ ১৮৪৮ চনত, মুম্বাইত।

? ভাৰতত দূৰদৰ্শন কেন্দ্ৰ প্ৰথমে ক'ত আৰু কেতিয়া প্ৰতিষ্ঠা কৰা হয়?

➪ ১৯৫৯ চনত, নতুন দিল্লীত।

? ভাৰতত প্ৰথম দুমহলীয়া ৰেল কেতিয়া চলোৱা হয়?

➪ সিংহগড় এক্সপ্ৰেছ (মুম্বাইৰ পৰা পুনালৈ) ১৯৭৮ চনৰ ১২ এপ্ৰিলত।

? ভাৰতৰ কোন ঠাইত আৰু কেতিয়াৰে পৰা বেকাৰ ভাত্তা দিয়াৰ প্ৰথা প্ৰচলন কৰা হয়?

➪ ১৯৭৮ চনৰ ১ এপ্ৰিলৰ পৰা, পশ্চিমবঙ্গত।

? ভাৰতে কোন চনত প্ৰথমে অলিম্পিক খেলত যোগদান কৰে?

➪ ১৯২৪ চনত।

? আগ্ৰাৰ তাজমহল কেতিয়া নিৰ্মাণ কৰা হৈছিল?

➪ ১৭৫৪ চনত।

? ভাৰতত কেতিয়াৰেপৰা দশমিক মুদ্ৰা আৰু মেট্ৰিক পদ্ধতিৰ ওজন প্ৰচলন কৰা হয়?

➪ ১৯৫৭ চনৰ ১ এপ্ৰিলৰ পৰা।

# এব্ছাৰ্ড নাটক

মৌচুমী শইকীয়া, *স্নাতক তৃতীয় বাৰ্ষিক, অসমীয়া বিভাগ*

এব্ছাৰ্ড নাটকত প্ৰচলিত নাটকীয় নীতি-নিয়মক উপেক্ষা কৰি অসংলগ্ন আৰু আপাত দৃষ্টিত অবাস্তৱ বিষয়-বস্তুৰ অৱতাৰণা কৰা হয়। বিভিন্ন সময়ত মানৱ সমাজৰ বিভিন্ন কাৰ্যৰ মাজত যুক্তি, সংগতি আৰু সামঞ্জস্য বিচাৰি নাপায় লেখক-সাহিত্যিক নাট্যকাৰ অবাক হয়। গোটেই জগতখনেই যেন তেওঁলোকৰ মনত অদ্ভুত আৰু উদ্ভট যেন লাগিবলৈ ধৰে আৰু এনে এখন জগতৰ প্ৰতিফলনৰ বাবে নাট্যকাৰ সকলে গতানুগতিক নাটকীয় ৰীতি বিসৰ্জন দিবলগীয়া হয়। প্ৰচলিত নাইবা সুগঠিত নাটকত সাধাৰণতে অৰ্থপূৰ্ণ আৰু সংগতিপূৰ্ণ সংলাপৰ সহায়ত কোনো কাহিনী নাইবা কোনো সমস্যা ৰূপায়িত কৰা হয়। ইবোৰত কাহিনীৰ আৰম্ভণি, বিকাশ আৰু পৰিণতি দেখুওৱা হয় আৰু ঘটনাৰ ঐক্য বজাই ৰখা হয়। এব্ছাৰ্ড নাটকত তেনে কোনো কাহিনী বা সমস্যাৰ ওপৰত গুৰুত্ব আৰোপ কৰা নহয়। কাহিনী বা ঘটনা বুলিবলৈ বিশেষ একো নাই আৰু থাকিলেও সি বিচ্ছিন্ন, ঐক্যহীন আৰু উদেশ্যহীন। ইয়াৰ কাৰণ সংলাপ প্ৰায়েই অৰ্থহীন, সংগতি, শৃংখলা আৰু যুক্তি তৰ্ক বৰ্জিত আৰু চৰিত্ৰসমূহো উৎকেন্দ্ৰিক, আপাতদৃষ্টিত দৈনন্দিন জীৱনৰ সৈতে খাপ নোখোৱা। প্ৰকৃততে কাব্যিক অনুভূতি একোটাকহে এই সকল নাট্যকাৰে নাটকীয় ৰূপ দিবলৈ বিচাৰে আৰু সেইবাবে তেওঁলোকে দৃষ্টি নিবদ্ধ কৰে কিছুমান কাব্যিক চিত্ৰকল্পৰ ওপৰত। আয়নাস্কোৰ 'এমিদি', 'ৰাইনোচেষ্ট', 'দি ছেয়াৰ্চ, চেমুৱেল বেকেটৰ 'ওৱেটিং ফৰ গোডো' আদি কেইখনমান উৎকৃষ্ট এব্ছাৰ্ড নাটক হিচাপে বিশ্বজোৰা খ্যাতি আৰু জনপ্ৰিয়তা লাভ কৰিছে। সেইদৰে এই প্ৰসংগত অৰুণ শৰ্মাৰ 'শ্ৰীনিবাৰণ ভট্টাচাৰ্য', 'আহাৰ' নাটক দুখনৰ কথা উল্লেখ কৰিব পাৰি।

জীৱনৰ শূন্যতা, ক্লান্তি, হতাশা আদি এব্ছাৰ্ড নাটকত প্ৰকাশ পালেও ইয়াক লেখকৰ তেনেই নিৰাশবাদী মনৰ অভিব্যক্তি বুলি ক'ব নোৱাৰি। ৰূঢ় বাস্তৱৰ সন্মুখীন হোৱাৰ বাবে ই এক প্ৰত্যাহ্বান স্বৰূপ। এই জগতত মানুহ অকলশৰীয়া। সেইবাবে মানুহে নিজৰ সমস্যা সমাধানৰ পথ নিজেই বিচাৰি উলিয়াব লাগিব। এব্ছাৰ্ড নাটকে সমস্যা সমাধানৰ উপায় নিদিয়ে কিন্তু বাস্তৱ জগতৰ নিষ্ঠুৰতাৰ প্ৰতি ই মানুহক সচেতন কৰি তোলে। ইয়াত বন্ধনৰ ভয় নাই, মুক্তিৰ আনন্দ আছে। মাৰ্টিন এছলিনে ক'বৰ দৰে — 'In the last resort the theatre of the Absurd does not provoke tears of despair but the laughter of liberation.' ✦

এটা কুৎচিত মনতকৈ এখন কুৎচিত মুখমণ্ডল অনেক গুণে উত্তম।

– টামাছ ইলিচ

বহুত আৰু বিৰাট ভুলৰ মাজেদি নহাকৈ কোনো মানুহেই মহান আৰু ভাল হ'ব নোৱাৰে।

– শ্বেইক্সপিয়েৰ



# প্ৰসংগ ঃ মুছলমান যুগৰ শিক্ষাত নাৰীৰ স্থান

সংগীতা বৰা, *স্নাতক ২য় বৰ্ষ, শিক্ষা বিভাগ*

বৈদিক তথা বুদ্ধ যুগৰ দৰে মুছলমান যুগতো নাৰী শিক্ষা বিশেষ উৎসাহজনক নাছিল। সম্ভ্ৰান্ত পৰিয়ালৰ মহিলাৰ বাহিৰে সৰ্বসাধাৰণ পৰিয়ালৰ মহিলাসকলে শিক্ষা লাভৰ সুবিধা পোৱা নাছিল। মুছলমান সমাজত ধৰ্মীয় কাৰণত 'পৰ্দাপ্ৰথা' বা 'বোৰ্খা' পৰিধান নাৰীৰ কাৰণে বাধ্যতামূলক আছিল। পুৰুষসকলে পৰিয়ালৰ মহিলাসকলক ঘৰৰ বাহিৰলৈ গৈ শিক্ষা লাভ কৰাটো নিবিচাৰিছিল। ফলস্বৰূপে স্ত্ৰী শিক্ষা সাধাৰণভাৱে ক্ষতিগ্ৰস্ত হৈছিল।

অৱশ্যে মুক্তাৱত ল'ৰা-ছোৱালী উভয়কে শিক্ষা লাভ কৰিবলৈ দিয়া হৈছিল। কিন্তু নিৰ্দিষ্ট বয়সত অৰ্থাৎ যৌৱন প্ৰাপ্তিৰ লগে লগে ছোৱালীৰ শিক্ষা বন্ধ কৰি দিয়া হৈছিল। ফলত উচ্চ পৰ্যায়ৰ শিক্ষানুষ্ঠান মাদ্ৰাছাৰপৰা শিক্ষা লাভ কৰাত বঞ্চিত হৈছিল। কিন্তু সম্ভ্ৰান্ত বা ৰজাঘৰীয়া পৰিয়ালৰ মহিলাসকলে নিজাববীয়াকৈ নিজ গৃহৰ ভিতৰত সেই শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছিল। উদাহৰণস্বৰূপে, মুছলমান যুগৰ কেইগৰাকী মান শিক্ষিত মহিলাৰ নাম এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি। তেওঁলোক হ'ল — চুলতানা ৰেজিয়া, গুলবদন বেগম, চালিমা চুলতানা, শোহন আনাগা, নুৰজাহান, মমতাজ মহল, জাহানাৰা, জিবুন্নিছা, বদৰুন্নিছা আদি।

উল্লেখযোগ্য যে সেইসময়ত 'নাৰী শিক্ষা' নগৰমুখী আৰু আভিজাত্য পৰিয়াল কেন্দ্ৰিক শিক্ষা বুলি ক'লেও ভুল নহ'ব। এই ক্ষেত্ৰত চুলতানসকলৰ ৰাজত্বকালত ৰেজিয়া চুলতানাৰ দৃষ্টান্তকে দাঙি ধৰিব পাৰি। তেওঁ গৃহ শিক্ষাত কেৱল লিখা পঢ়াই নহয়, বৰং যুদ্ধৰ কৌশল, অস্ত্ৰ চালনা আৰু ৰাজ্য প্ৰশাসন সম্বন্ধীয় শিক্ষাও লাভ কৰিছিল।

দ্বিতীয়তে, মোগলসকলৰ ৰাজত্ব কালত আভিজাত্য শ্ৰেণীৰ মহিলাৰ শিক্ষা অধিক উন্নত পৰ্যায়লৈ উঠিছিল। ৰজা বাবৰৰ জীয়েক গুলবদনে শিক্ষিতা হৈ উঠি 'হুমায়ুন নামা' গ্ৰন্থ ৰচনা কৰি খ্যাতি লাভ কৰিছিল।

তৃতীয়তে, ঔৰংগজেৱৰ জীয়ৰী জেবুন্নিছা শৈশৱ কালৰেপৰাই কবি আছিল বুলি জনা যায়। তেওঁ আৰবী আৰু পাৰ্চী ভাষাত কবিতা লিখিছিল। 'দেৱান-ই-মাকফি' জেবুন্নিছাৰ বিখ্যাত কাব্য গ্ৰন্থ।

সেইদৰে জাহানাৰাৰ কবিতাই জনসমাজত যথেষ্ট সমাদৰ লাভ কৰিছিল। চেলিনা চুলতানা, নুৰজাহান, মমতাজ মহল, বদৰুন্নিছা আদি শিক্ষিতা মহিলাই কলা-সাহিত্য চৰ্চা আদিত উচ্চ স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। ✦

যাৰ দুই চকু নাই তেওঁ অন্ধ নহয়,
যিজনে নিজৰ দোষ ঢাকি আনৰ দোষ খুচৰি খুচৰি ফুৰে তেওঁহে প্ৰকৃত অন্ধ।

– মহাত্মা গান্ধী

# জেহাদ, জেহাদী আৰু জেহাদৰ প্ৰকৃত অৰ্থ

আইমণি হাজৰিকা, *স্নাতক তৃতীয় বৰ্ষ*

বৰ্তমান সময়ৰ এটা বহু চৰ্চিত শব্দ বা নাম হ'ল 'জেহাদী'। দিল্লী, আহমেদাবাদকে ধৰি অলপতে দেশৰ বিভিন্ন ঠাইত বিভিন্ন সময়ত হৈ থকা বোমা বিস্ফোৰণ কিছুমানত জড়িত বুলি সততে প্ৰচাৰ হোৱা নামটো হৈছে 'জেহাদী সংগঠন'।

কিন্তু প্ৰকৃততে,'জেহাদী' শব্দৰ অৰ্থ এনে নহয়। 'জেহাদী' শব্দটো আহিছে মূল আৰবী শব্দ 'জিহাদ' বা জেহাদ' ৰ পৰা। ই এটা অতি পৱিত্ৰ শব্দ, কিন্তু বৰ্তমান সময়ত এনে এটা পৱিত্ৰ শব্দ কিছুমান অপৱিত্ৰ লোকৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা পৰিলক্ষিত হৈছে। সেয়ে এই লেখাটিত ইছলাম ধৰ্মত 'জেহাদ' বা 'জেহাদী' শব্দ মানে কি, ক'ত কেনে ধৰণে ইয়াৰ প্ৰয়োগ হয় ইত্যাদি বিষয়ে এক থুলমূল আলোচনা কৰাৰ প্ৰয়াস কৰিলো।

ইছলাম ধৰ্মত এনেদৰে কোৱা হৈছে যে জেহাদ হ'ল ইছলাম ধৰ্ম প্ৰচাৰ, ৰক্ষা আৰু উন্নতিৰ ক্ষেত্ৰত কিছুমান নিয়মৰ মাজেদি কৰা দলবদ্ধ প্ৰচেষ্টা। উক্ত নিয়মসমূহৰ ভিতৰত প্ৰধানকৈ শত্ৰু পক্ষৰ বৃদ্ধ, ৰুগীয়া, মহিলা আৰু ল'ৰা ছোৱালীক কোনো অনিষ্ট নকৰা, তেওঁলোকক খাদ্য বস্তু তথা পানীৰপৰা বঞ্চিত নকৰা ইত্যাদি। বহুতো লোকে 'জেহাদ' শব্দৰ অৰ্থ হিচাপে 'ধৰ্মযুদ্ধ' বা 'হলি ৱাৰ' বুলি ক'ব খেজে কিন্তু এয়া সত্য নহয়। 'জেহাদ প্ৰকৃততে চাৰি প্ৰকাৰৰ — 'জেহাদ-ই-আকবৰ', 'জেহাদ-বিল-ইলম', জেহাদ-বিল-মায়দা' আৰু 'জেহাদ-বিল-চাফ'। ইয়াৰ ভিতৰত আটাইতকৈ উত্তম জেহাদ হ'ল জেহাদ -ই-আকবৰ' ইয়াৰ অৰ্থ হ'ল নিজে নিজক সকলো বেয়া কামৰপৰা সংশোধন কৰা। জেহাদ-বিল-ইলম'ৰ অৰ্থ হ'ল জ্ঞানৰ পোহৰ বিলোৱা। জেহাদ-বিল-মায়দাৰ অৰ্থ হ'ল যিসকল লোকে, 'জেহাদ-বিল-চাফ'ত অংশ গ্ৰহণ কৰিব নোৱাৰে, তেনেলোকে নিজৰ টকা-পইচাৰ দ্বাৰা 'জেহাদ-বিল-চাফ'ত অংশ লোৱা জেহাদিসকলক সহায় কৰিব লাগে। চতুৰ্থ প্ৰকাৰ জেহাদ হ'ল 'জেহাদ-বিল-চাফ' অৰ্থাৎ ধৰ্ম ৰক্ষাৰ বাবে কৰা যুদ্ধ। এই জেহাদৰ আৰম্ভণি হয় শত্ৰু পক্ষৰ আক্ৰমণতহে। তেতিয়াও কিন্তু ওপৰত উল্লেখিত জেহাদৰ নিয়মসমূহ মানি চলিব লাগিব। জেহাদৰ মূল লক্ষ্যই হৈছে পৃথিৱীত শান্তি স্থাপন কৰা, জেহাদৰ নামত অশান্তি সৃষ্টি কৰাটো নহয়।

বৰ্তমান সময়ত পৃথিৱীৰ চৌদিশে বিয়পি পৰা ইছলামিক সংগঠন কিছুমানৰ ধ্বংসাত্মক কাৰ্যকলাপক কেতিয়াও 'জেহাদ' আখ্যা দিব নোৱাৰি। উক্ত সংগঠনবোৰে যদি, 'জেহাদ' শব্দটোৰ গইনা লৈ এনে অপকৰ্মবোৰ কৰিছে, তেন্তে সেয়া তেওঁলোকৰ এক ভ্ৰান্ত ধাৰণাহে। গতিকে সেই সংগঠনবোৰক বিনম্ৰ অনুৰোধ কৰা হ'ল যে তেওঁলোকে প্ৰকৃত 'জেহাদ'ৰ অৰ্থ উপলব্ধি কৰি নিজৰ ধৰ্মৰ মহত্ব অক্ষুন্ন ৰখাৰ চেষ্টা কৰে। ✦

প্ৰথমে নিজক বুজি লোৱা, তেতিয়াহে আনক বুজিব পাৰিবা।

—চক্ৰেটিছ



# মোৰ অনুভৱত নাৰী

মন্দিতা কলিতা, *স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ*

নাৰী হ'ল জন্মদাত্ৰী। নাৰী নহ'লে জনম সম্ভৱ নহয়। ঠিক সেইদৰে নাৰী আনহাতে বিনাশকাৰী। কাৰণ নাৰীৰ হাততেই জীৱৰ সৃষ্টি আৰু নাৰীৰ হাততেই তাৰ বিনাশ। কাৰণ মাতৃ বসুমতীয়ে নৰকাসুৰৰ দৰে অসুৰক নিজ উদৰত ধাৰণ কৰি জন্ম দিছে আৰু সময়ত আন ৰূপত সেই পুত্ৰকে নিজ হাতেৰে মষিমূৰ কৰিছে।

নাৰী কাৰোবাৰ জন্মদাত্ৰী মাতৃ, আন কাৰোবাৰ চেনেহময়ী ভগ্নী, প্ৰেৰণাময়ী প্ৰেমিকা তথা ভাৰ্যা বা মৰমীয়াল বান্ধৱী নাইবা কাৰোবাৰ কৈশোৰৰ লগৰী। যি গৰাকীয়ে বিভিন্ন সময়ত কাৰোবাক মৰম, চেনেহ, ভালপোৱা দিব পাৰে, আৰু নানাজনক নিজৰ কামত সফলতা লাভ কৰিবলৈ যোগাব পাৰে অফুৰন্ত প্ৰেৰণা, সাহস আৰু ধৈৰ্য শক্তি। কাৰণ নাৰীয়েইতো হৈছে ধৈৰ্য, সাহস আৰু ত্যাগৰ প্ৰতীক। নহ'লেনো সীতা, জয়মতী আদিৰ দৰে সতীৰ কথা জানিব পাৰোনে? নাইবা মূলাগাভৰু, ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ, সুনীতা উইলিয়ামছৰ লগতে মহাকাশচাৰী কল্পনা চাওলা আৰু বৰ্তমানৰ ৰাষ্ট্ৰপতি প্ৰতিভা পাটিলৰ দৰে নাৰীয়ে সুখ্যাতি অৰ্জন কৰিব পাৰেনে? ইয়াৰ গুৰিতে একাগ্ৰতা আৰু কৰ্তব্যনিষ্ঠা।

প্ৰকৃততে, নাৰী এগৰাকী গৃহিনী। নাৰীয়ে ঘৰ এখন সুন্দৰকৈ পৰিচালনা কৰে। ঘৰখন সুকলমে সুৰুচিভাৱে, সৌন্দৰ্যৰে সৌষ্ঠৱপূৰ্ণ কৰি তোলে। সময়ৰ লগে লগে দেশকো পৰিচালনা কৰি আহিছে নাৰীয়ে। ভাৰতবৰ্ষৰ ক্ষেত্ৰতে এই কথা প্ৰযোজ্য। গতিকে, নাৰী হ'ল অতুলনীয় আৰু পৃথিৱীৰ সৌন্দৰ্যৰ প্ৰতীক, কাৰণ নাৰীয়েই পৃথিৱীক শাসন কৰাৰ লগতে সৌন্দৰ্যও দান কৰিছে।

বৰ্তমান নাৰীয়ে যদিও উচ্চ পৰ্যায়ত আৰোহণ কৰিছে তথাপিও এগৰাকী নাৰী এখন সমাজত সুকলমে, সম্পূৰ্ণ স্বাধীনভাৱে থাকিব পৰা নাই। কাৰণ নাৰীক সমাজৰ লোকসকলে অবলা-দুৰ্বলাৰূপেই জ্ঞান কৰি থকা দেখা গৈছে। যদিও সকলো নাৰীয়ে নিজৰ ভৱিষ্যতৰ চিন্তা নিজেই কৰিব পৰাকৈ বিভিন্ন আঁচনি, নাৰী সবলীকৰণ আদিৰ ব্যৱস্থা গ্ৰহণ কৰিছে, তথাপিও বৰ্তমান সকলো নাৰীয়ে এইক্ষেত্ৰসমূহত সুবিধা গ্ৰহণ কৰিব পৰা নাই।

আজি বিশ্বায়ণৰ যুগতো নাৰী বলি হৈছে হত্যা, লুণ্ঠন, ধৰ্ষণ আৰু নানান অত্যাচাৰৰ। সেয়ে এই দুৰ্যোগপূৰ্ণ অৱস্থাৰপৰা নাৰীয়ে মুক্তি লাভ কৰিবলৈ হ'লে নাৰী নিজেই সচেতন হোৱাৰ লগতে বৰ্তমান সমাজখনো এইক্ষেত্ৰত সচেতন হ'ব লাগিব। কিয়নো, যেনেকৈ নাৰী জন্ম, মৃত্যু, প্ৰেৰণা, সাহস, সৌন্দৰ্য, ধৈৰ্য আদিৰ প্ৰতীক, তেনেকৈ কলুষিত, নিষ্পেষিত, অৱহেলিত, পীড়িত, অবলা, দুৰ্বলা, আৰু বিপৰ্যস্ত। ✦

তোমাৰ বিষয়ে যদি আনে ভাল কোৱাটো বিচৰা তেন্তে নিজৰ বিষয়ে কেতিয়াও নক'বা।

—পাস্কেল

# উচ্চাকাংক্ষা

কল্পনা দাস, *স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ*

মণি.. মই কুৱাঁৰপৰা পানী আনিবলৈ আহিছো। জোনে চোতালত মেলি দিয়া ধানখিনি চপাই থকা ভনীয়েকক উদেশ্যি কৈ হাতত কলহটো আৰু পানী তোলা বাল্টিটো লৈ যাব ধৰিলে। বাট পাওতেই ভনীয়েকে চিঞৰিলে, 'জোনবা, তই অমৰদাহঁতৰ ঘৰলৈ নাযাব হ'বলা।' 'পানী আনি লওঁ, যাম। তাৰপৰাই উত্তৰ দিলে জোনে। মণিয়ে লাহেকৈ বায়েকে নুশুনাকৈয়ে ক'লে, 'সাজ লাগিলে মায়ে যাবলৈ নিদিব ৰহ্।'

হাত-মুখ ধুই আহি আকাশী ৰঙৰ চুৰিদাৰযোৰ পিন্ধি আইনাখনৰ আগত নিজকে এবাৰ চালে। প্ৰায় কুৰিৰ ডেওনা পাৰ হোৱা জোনৰ মনত বহুত আশা। তাই এইটো ভালকৈ উপলব্ধি কৰিব পাৰিছে যে তাইৰ আশাৰ এই কাপোৰযোৰে কিবা নহয় কিবা আশা পূৰণৰ বাট পোহৰাই তোলে। ক্ষন্তেক সময় বৈ পুনৰ খৰখেদাকৈ সাজি-কাচি যাবলৈ ওলাল।

প্ৰায় ডেৰ কিলোমিটাৰ বাট অমৰহঁতৰ ঘৰলৈ। গাঁৱলীয়া কেঁচা ধূলিয়ৰী বাটেদি জোনে খোজ ল'লে অমৰহঁতৰ ঘৰৰ ফালে। সময়ে সময়ে বাছ আৰু ফ'ৰ জিৰ' চেভেনকেইখনৰ বাহিৰে যান-বাহনৰ কোনো সমাগম নথকা বাটেৰে নীৰৱ হৈ আপোনমনেৰে জোন আগবাঢ়িছে। সেই নীৰৱতা ভংগ কৰি মাজে মাজে একোখনকৈ চাইকেল আহি তাইক আমনি কৰেহি। জোন এতিয়া স্নাতক মহলাৰ ছাত্ৰী। ঘৰৰ সকলো কাম-কাজ কৰিও প্ৰায় আঠ-ন কিলোমিটাৰ বাট গাড়ীৰে কলেজ কৰি বহু কষ্টেৰে পঢ়া-শুনা কৰিছে। সেইদেখি অমৰে তাইক লগ পালেই কিতাপকেইখনমান আনিবলৈ মাতি থাকে। অমৰ বেছিকৈ পঢ়া-শুনা কৰা ল'ৰা নহ'লেও অমায়িক আৰু সংস্কাৰপ্ৰেমী। তাই নিজৰ আৰু অমৰৰদৰে গাঁওখনৰ ল'ৰা ছোৱালীবোৰৰ কথা ভাবিয়েই অমৰহঁতৰ চোতাল পালেহি। প্ৰকাণ্ড লিচু গছজোপাৰ তলেদি অমৰহঁতৰ ঘৰলৈ সোমাই বৰষা বুলি মাতিলে। অমৰে ভিতৰৰপৰা মাত লগালে, 'জোন মই ভিতৰতে আছো আহ। অমৰে প্ৰথমেই খবৰ সোধাত তাই সৰু ছোৱালীৰ দৰে একপ্ৰকাৰ ডাঠিয়েই ক'লে, 'মই খবৰো নকঁও আৰু নবহোও। সি হাঁহি হাঁহি তাইক সুধিলে, 'গাৱঁৰ সকলোবোৰ ল'ৰা-ছোৱালীয়ে মোক অলপ সমীহ কৰি চলে, কিন্তু তই .... লগে লগেই তাই জোৰেৰেই কৈ উঠিল 'মই সেইবোৰ নাজানো, মোক আগতে কিতাপ দেখুৱাই লওক। 'সি' হাঁহিয়েই তাইৰ আগত তাৰ কিতাপৰ আলমাৰিটো খুলি দিলে। তাই উৎফুল্লিত হৈ ক'লে, আপুনি কিতাপবোৰ ইমান ধুনীয়াকৈ সযতনে ৰাখিছে। তাই পুনৰ তাক ক'লে, 'এটা কথা কওঁ, 'আমাৰ গাঁৱৰ পুথিভঁৰালটোৰ অৱস্থাটো এনেকুৱা যে হৈ আছে, আমি ল'ৰা-ছোৱালীবোৰ একগোট হৈ আটকধুনীয়াকৈ সজাই তুলিব নোৱাৰো জানো?' কথাষাৰ শুনি তাৰ মনটো ক'লা পৰি গ'ল আৰু হুমুনিয়াহ কাঢ়ি কৈ পেলালে, 'কি কৰিবি, গাঁৱৰ মানুহবোৰ একগোট হৈ ল'ৰা-ছোৱালীখিনিক উৎসাহ দিলে নিশ্চয় পাৰিলোহেঁতেন, কিন্তু কেইজনমানৰ বাহিৰে প্ৰায় সকলোবোৰেই নিজৰ ঘৰখনৰ কথাহে চিন্তা কৰে। গাঁওখনৰ উন্নতি হ'লে যে আমাৰ ল'ৰা-ছোৱালীবোৰৰো উন্নতি হ'ব সেইটো নাভাবে। তাই অমৰৰ কথাবোৰ একান্ত মনে শুনিছিল যদিও হতাশাত যে তাৰ মন ভাগি পৰিছে তাক ভালকৈ উপলব্ধি কৰিব পাৰিছিল। সেইবাবেই তৎক্ষণাত মনটো পাতল কৰি হাঁহি মাৰি ক'লে, 'বাৰু আমি চেষ্টা কৰিব লাগিব, কিন্তু মই এই কেইখন কিতাপ গোটালো। এতিয়া মোক দিব নে নিদিব কওঁক। মই কিন্তু লৈহে যাম।' অমৰৰ মুখত অলপ হাঁহি বিৰিঙিলে। তাইৰ হেঁপাহ দেখি নিবলৈ দিলে আৰু ক'লে সোনকালে ওভতাই দিবা কিন্তু, অমৰৰপৰা বিদায় লৈ কিতাপৰ টোপোলাটোৰ সৈতে জোন ঘৰমুৱা হ'ল। উভতি অহাৰ পথত তাইৰ মনটো উচ্চাকাংক্ষাৰে ভৰি পৰিল। ✦



# বিজ্ঞানৰ যুগত দৰ্শনৰ প্ৰয়োজনীয়তা

জয়শ্ৰী কলিতা, *স্নাতক প্ৰথম বৰ্ষ*

বিজ্ঞানৰ যুগত দৰ্শনৰ প্ৰয়োজনীয়তা বা আৱশ্যকতা আছেনে? এই প্ৰশ্নৰ প্ৰকৃত সত্যতা নিৰূপন কৰিবলৈ আমি দৰ্শননো কি —তাক ভালদৰে অনুধাৱন কৰিব পাৰিব লাগিব। দৰ্শনৰ বিশাল পৰিধিৰ মাজত সোমাই দৰ্শনৰ গূঢ়তত্ব হৃদয়ঙ্গম কৰি বিজ্ঞানৰ সত্যতাক ভালদৰে নিৰূপন কৰিব পাৰি। বিজ্ঞানে মানুহৰ দৈনন্দিন জীৱনৰ আবেগ, অনুভূতি, সুখ-দুখ, আশা-আকাংক্ষা, যিবোৰ নেকি মানৱ জীৱনৰ লগত অৰ্থাৎ দৰ্শনৰ লগত অতি নিবিড় ভাবে জড়িত, তাক অধ্যয়ন কৰিব নোৱাৰে। সেইদৰে ধৰ্ম, আধ্যাত্মিকতা, আত্মা, ঈশ্বৰ, যুক্তি, অমৰত্ব আদি জীৱনৰ অপৰিহাৰ্য বিষয়সমূহ অৱশ্যে বিজ্ঞানৰ আলোচ্য বিষয়ৰ বাহিৰত। কেৱল দৰ্শনেহে এনেবোৰ বিষয়ৰ অনুসন্ধান আৰু বিচাৰ বিশ্লেষণ অবিৰতভবে কৰিব পাৰে। তথাপি বৈজ্ঞানিক অনুসন্ধান কাৰ্যত দৰ্শনে যথেষ্ট প্ৰভাৱ পেলায়। আধুনিক কালৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভূতপূৰ্ব সাফল্যই মানৱ জীৱনলৈ প্ৰচুৰ পৰিমাণে সুখ-সমৃদ্ধি আমোদ-প্ৰমোদ কঢ়িয়াই আনিছে আৰু ইয়াৰ মূলতে হৈছে দাৰ্শনিক চিন্তা-চৰ্চা আৰু বিশ্লেষণাত্মক দৃষ্টিভঙ্গী। একেদৰে মানৱ সভ্যতাৰ ক্ষিপ্ৰ উৰ্দ্ধমুখী পৰিৱৰ্তনৰ মূলতে আছে কাৰ্য-কৰণ নীতিৰ আৱিষ্কাৰ আৰু এই কাৰ্যকৰণ নীতি নিঃসন্দেহে এক দাৰ্শনিক অনুসন্ধানৰ ফল। তদুপৰি মানৱ জাতিৰ মাজত ক্ৰমবৰ্দ্ধিত ৰূপত দেখা দিয়া বৈজ্ঞানিক দৃষ্টিভংগী দাৰ্শনিক অনুসন্ধানৰ ফলশ্ৰুতি।

উল্লেখযোগ্য যে গ্ৰীক দৰ্শনৰ উৎপত্তিৰ মূলতে আছিল মানুহৰ বিস্ময়ানুভূতি। বৈচিত্ৰময় বিশ্বব্ৰহ্মাণ্ডৰ চন্দ্ৰ, সূৰ্য, আকাশ, বতাহ, ৰ'দ-বৰষুণ, ধুমুহা, খৰাং আদিৰ সৃষ্টি বা পৰিঘটনা আৰু সেইবোৰৰপৰা লাভ কৰা অভিজ্ঞতা, মানুহৰ জন্ম-মৃত্যুৰ ৰহস্যই জগতৰ সৃষ্টিকৰ্তা সম্বন্ধে গ্ৰীকসকলৰ মনত চিন্তাৰ উদ্ৰেক জন্মাইছিল। তেওঁলোকে এই ৰহস্যৰ আঁৰত কোনো দেৱ-দেৱী অথবা কোনো এক যাদুকৰী শক্তিৰ প্ৰভাৱ আছে বুলি বিশ্বাস কৰিছিল। এনেধৰণৰ চিন্তা, প্ৰতিক্ৰিয়া আৰু বিশ্বাসৰ ফলস্বৰূপেই সময়ত দৰ্শন বিজ্ঞান আৰু ধৰ্মৰ সৃষ্টি হৈছিল বুলি ভবাৰ থল আছে।

বাহ্যিক দৃষ্টিত বিজ্ঞান আৰু দৰ্শনৰ মাজত কোনো দিশতে মিল থকা যেন নালাগে। কিন্তু অন্তৰ্দৃষ্টিৰে, সুক্ষ্মভাৱে বিশ্লেষণ কৰিলে অনুমান কৰিব পাৰি বিজ্ঞানৰ কোনো এটা বস্তুৰ আৱিষ্কাৰৰ মূলতে হৈছে —দাৰ্শনিক চিন্তা চৰ্চাৰ ফলশ্ৰুতি। এভাগ অক্সিজেন আৰু দুভাগ হাইড্ৰজেন মিহলি কৰি পানী উৎপন্ন কৰিব পাৰি। ই বিজ্ঞানৰ এটা বাস্তৱ সত্য। কিন্তু দৰ্শনৰ তেনে কোনো বাস্তৱ সন্মত তথ্য নাই। তথাপি বৈজ্ঞানিক তথ্যসমূহ বা দৃষ্টিভংগীসমূহ দাৰ্শনিক চিন্তা-চৰ্চা তথা কৰ্মৰ ৰাজিৰে ফলশ্ৰুতি বুলিব পাৰি। গ্ৰীক দাৰ্শনিক এৰিষ্টলে জ্যোতিৰ্বিদ্যা, পদাৰ্থবিদ্যা আদি সকলো প্ৰকাৰৰ জ্ঞান-বিজ্ঞানকে দৰ্শন বুলি ধৰিছিল। অৱশ্যে মানুহৰ বৌদ্ধিক বিকাশ আৰু জ্ঞান-বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে যিবোৰ বিষয়ৰ সৰ্বসন্মত আৰু প্ৰামাণিক তথ্য আৱিষ্কৃত হ'ল সেইবোৰেই বিজ্ঞানৰূপে স্বীকৃতি লাভ কৰিলে। এইদৰে দৰ্শনৰপৰা ওলাই বিজ্ঞানৰূপে পৰিগণিত হোৱা বিষয়সমূহ হ'ল সমাজ বিজ্ঞান, জ্যোতিৰ্বিজ্ঞান, মনোবিজ্ঞান ইত্যাদি। মানৱ সভ্যতাৰ বিকাশৰ লগে লগে সৃষ্টি হোৱা জ্ঞান-বিজ্ঞানৰ বিভিন্ন বিষয়ৰ পিতৃ-মাতৃ স্বৰূপ হ'ল দৰ্শন।

প্ৰকৃতাৰ্থত দৰ্শন হৈছে মনঃ চক্ষু বা জ্ঞানচেক্ষু বা অন্তৰ্দৃষ্টিৰে দেখা। বিশ্বচৰাচৰৰ অন্তৰালত কি সত্য, কি চিৰন্তন অস্তিত্ব বিৰাজ কৰিছে, তাক অন্তৰ্দৃষ্টিৰে দেখা বা উপলব্ধি কৰাটোৱেই দৰ্শনৰ মূল লক্ষ্য। গতিকে দৰ্শন মানে সত্য উপলব্ধি কৰা। "Philosophy is the realization of truth." অৰ্থাৎ সত্য উপলব্ধিয়েই দৰ্শন। গতিকে ৰাইট ভ্ৰাতৃদ্বয়ে নাইবা জেৰ্ক, মাকনিয়ে

উৰাজাহাজ বা ৰেডিঅ' আৱিষ্কাৰৰ ক্ষেত্ৰত যি বৈজ্ঞানিক সত্যতা উপলব্ধি কৰিলে, সিয়েই হ'ল দৰ্শন। দৰাচলতে বৌদ্ধিক জ্ঞান আৰু সত্য উপলব্ধিৰ মাজত পাৰ্থক্য নাই। সেইদৰে সত্য বা অস্তিত্বসমূহৰ মানসিক উপলব্ধিকে জ্ঞান বোলা হয়। গতিকে বৈজ্ঞানিক তথ্যসমূহ আৱিষ্কাৰ কৰিবলৈ হ'লে প্ৰকৃত সত্য অন্বেষণ কৰিবই লাগিব। শক্তিশালী মানসিক উপলব্ধি অবিহনে বিজ্ঞানৰ তথ্য আৱিষ্কাৰ হোৱা সম্ভৱ নহয়। বিজ্ঞানৰ তথ্যসমূহ আৱিষ্কাৰৰ ক্ষেত্ৰত যি সত্যতা বা মানসিক উপলব্ধিৰ প্ৰয়োজন সিয়েই দৰ্শন। গতিকে আমি ক'ব পাৰো যে বাস্তৱ তথা সত্য উপলব্ধিয়েই হ'ল দৰ্শন। দৰ্শনৰ উৎপত্তি হৈছে মানৱ মনৰ অনুসন্ধিৎসু আৰু বিস্ময়ৰ অনুভূতিৰপৰা। প্ৰাচীন কালৰপৰা বৰ্তমানলৈকে বিজ্ঞানৰ যি ন ন আৱিষ্কাৰ হৈছে তাৰ মূলতে হৈছে —মানৱ মনৰ অনুসন্ধিৎসু আৰু বিস্ময়কৰ অনুভূতি। যিহেতু প্ৰাচীন কালৰেপৰা জাগতিক ঘটনাসমূহৰ ৰহস্য উদ্‌ঘাটন কৰিবৰ বাবে মানুহৰ মনত তীব্ৰভাৱে অনুসন্ধিৎসু বা তীব্ৰ আকাংক্ষা জাগিছিল আৰু ইয়াৰ ফলতেই দৰ্শনৰ সৃষ্টি হ'ল। যেতিয়া মানুহে অলৌকিক শক্তিৰ ওপৰত ভিত্তি নকৰাকৈ নিজস্ব বৌদ্ধিক শক্তিৰে জাগতিক ঘটনা প্ৰবাহৰ ব্যাখ্যা দিবলৈ চেষ্টা কৰিলে, তেতিয়াৰপৰাই প্ৰকৃত দৰ্শন আৰম্ভ হ'ল। প্ৰাচীন কালত আদিম মানৱে বিশ্বৰ প্ৰাকৃতিক ঘটনাসমূহ কোনো অলৌকিক শক্তিৰ প্ৰভাৱতে হৈছিল বুলি ঠাৱৰ কৰিছিল। কিন্তু সভ্যতা বিকাশৰ লগে লগে তেওঁলোকৰ প্ৰকৃত সত্যতা আৰু জ্ঞানৰ উন্মেষ ঘটিল। মানসিক বিকাশ আৰু সময়ৰ অগ্ৰগতিৰ ফলশ্ৰুতিত তেওঁলোকে ক্ৰমান্বয়ে জুইৰ আৱিষ্কাৰে কৃষি কাৰ্যৰ বাবে চকা আৱিষ্কাৰ, কৃষি সঁজুলি আৰু স্থায়ীভাৱে বসবাস কৰিবলৈ শিকিলে। ক্ৰমশঃ জ্ঞান আৰু বৌদ্ধিক বিকাশে তেওঁলোকৰ মনত দৈনন্দিন জীৱনৰ প্ৰয়োজনীয়তাৰ বিষয়ে গভীৰভাৱে উপলব্ধি কৰিবলৈ শিকালে। এইদৰেই তেওঁলোকে ন ন বস্তু আৱিষ্কাৰ কৰিবলৈ ধৰিলে। প্লেটোৰ ভাষাত ক'বলৈ গ'লে, "দৃশ্যমান জগতৰ পৰ্যবেক্ষণৰ ভিত্তিত বিশ্ব জগতৰ স্বৰূপ সম্বন্ধে যথাৰ্থ আৰু সামগ্ৰিক জ্ঞান লাভৰ বাবে কৰা এক যুক্তিসংগত প্ৰচেষ্টাই হ'ল দৰ্শন।" গতিকে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ অভুতপূৰ্ব সাফল্যৰ গুৰিতে হ'ল মানুহৰ অনুসন্ধিৎসু মন আৰু গভীৰ সত্যতা উপলব্ধি। সেয়েহে আমি দৃঢ়তাৰে ক'ব পাৰো যে বৰ্তমান বিজ্ঞানৰ যুগত দৰ্শনৰ প্ৰয়োজনীয়তা একেবাৰে নুই কৰিব নোৱাৰি। ✦

## বাৰৰ জন্মকথা

সপ্তাহটোৰ Sunday ৰ পৰা Saturday লৈকে কেনেকৈ নামকৰণ কৰা হ'ল জানানে?

**Sunday :** সপ্তাহৰ প্ৰথম দিনটো সূৰ্যৰ নামেৰে নামকৰণ কৰা হৈছে। সূৰ্যই যিহেতু দিনটো আৰম্ভ কৰে। সেয়ে সপ্তাহৰ আৰম্ভণিও সূৰ্যৰ নামেৰে কৰা হৈছে।

**Monday :** লেটিন শব্দ luna, পুৰণি ইংৰাজী mona ৰ পৰা লোৱা হৈছে। পুৰণি ধাৰণা মতে মুন ছানৰ পত্নী। গতিকে ছানৰ পিছত মুনক লোৱা হৈছে।

**Tuesday :** যুদ্ধৰ দেৱতাক পুৰণি ইংৰাজীত Tiw কোৱা হয়। Tiw ৰ পৰা Tiwesday বা Tuesday লোৱা হৈছে।

**Wednesday :** Tiw ৰ পিতৃ হ'ল Woden। প্ৰাচীন জাৰ্মান সকলৰ প্ৰধান দেৱতা। Woden নাম অনুসৰি Wednesday হৈছে।

**Thursday :** নৰবেৰ দেৱতা থৰ (Thor) ৰ পৰা Thursday ৰখা হৈছে।

**Friday :** নৰছসকলৰ প্ৰেম আৰু বিবাহৰ দেৱতা ফ্ৰিগ (Frigg)। ফ্ৰিগ থৰৰ মাতৃ আৰু অ'ডেনৰ পত্নী। ফ্ৰিগৰ পৰা Friday ৰখা হৈছে।

**Saturday :** ৰোমানসকলৰ কৃষিৰ দেৱতা স্যাটাৰ্ন (Saturn) ৰ পৰা Saturday লোৱা হৈছে।



# কৌটিলীয় অৰ্থশাস্ত্ৰ

জুমলী শৰ্মা, *সংস্কৃত বিভাগ, স্নাতক তৃতীয় বৰ্ষ*

কৌটিল্যৰ অৰ্থশাস্ত্ৰ হ'ল সম্পত্তিৰ সংৰক্ষণ আৰু শাসন প্ৰণালী সম্বন্ধীয় জ্ঞানৰ ভাণ্ডাৰ স্বৰূপ। কৌটিল্যৰ অৰ্থশাস্ত্ৰ চতুৰ্থ শতিকাৰ শেষৰফালে ৰচিত বুলি ক'ব পাৰি। এই গ্ৰন্থখন আন্তঃৰাষ্ট্ৰীয় আৰু বিদেশী শাসন-ব্যৱস্থা, সামাজিক, আৰু অপৰাধী আইন, যুদ্ধ-কলাদি গুৰুত্বপূৰ্ণ শাখাৰ সৈতে জড়িত। অৰ্থশাস্ত্ৰ সম্পূৰ্ণ মৌলিকগ্ৰন্থ নহয়। পূৰ্বাচাৰ্যসকলে ৰাজ্যলাভ কৰিবলৈ আৰু ৰক্ষা কৰিবলৈ যিমানবোৰ অৰ্থশাস্ত্ৰ ৰচনা কৰিছিল প্ৰায় সেই আটাইবোৰকে সংকলন কৰি এই অৰ্থশাস্ত্ৰখন প্ৰণয়ন কৰা হৈছে। কৌটিল্যই সৰ্বকালৰ সকলো ৰজাৰ উপযোগী কৰি গ্ৰন্থখন ৰচনা কৰিছিল। তেওঁৰ এই কাৰ্য ভাৰতীয় পৰম্পৰাসন্মত, অৰ্থশাস্ত্ৰৰ স্বৰূপ কি এই সম্পৰ্কে কৌটিল্যই গ্ৰন্থৰ শেষ অধিকৰণত কৈছে যে অৰ্থ হৈছে মানুহৰ বৃত্তি বা জীৱিকা অথবা মানৱ বসতিপূৰ্ণ পৃথিৱীয়ে অৰ্থ। সেই পৃথিৱীৰ লাভ আৰু পালনৰ উপয়েই হৈছে অৰ্থশাস্ত্ৰ। অৰ্থশাস্ত্ৰৰ মূল বিষয় হ'ল দুটা —পৃথিৱীৰ লাভ আৰু পালন সম্পৰ্কীয় উপায়। গোটেই গ্ৰন্থখন সূত্ৰদ্বাৰা নিবদ্ধ। কৌটিল্যৰ অৰ্থশাস্ত্ৰ পোন্ধৰটা অধিকৰণত বিভক্ত। এই পোন্ধৰটা অধিকৰণৰ ভিতৰত এশ পঞ্চাছটা অধ্যায় আৰু এশ আশীটা প্ৰকৰণ আছে, প্ৰথম অধিকৰণৰ নাম বিনয়াধিকাৰিকম্। ইয়াত একৈশটা অধ্যায় আৰু ওঠৰটা প্ৰকৰণ আছে। কৌটিল্যৰ মতে বিদ্যা চাৰিপ্ৰকাৰৰ। ত্ৰয়ী, বাৰ্তা, আন্বীক্ষিকী আৰু দণ্ড। দ্বিতীয় অধিকৰণৰ নাম অধ্যক্ষপ্ৰচাৰ। ইয়াত বিভাগীয় বৰমূৱীয়াসকলৰ কাৰ্য-কলাপ বৰ্ণিত আছে। কোষাগাৰ, সন্নিধাতা, সমাহৰ্তা, লেখক আদিসকলক ৰজাই কেনেদৰে পৰিচালনা কৰিব লাগে তাৰ বহুল বৰ্ণনা পোৱা যায়। এই অধিকৰণত ছয়ত্ৰিশটা অধ্যায় আৰু আঠত্ৰিশটা প্ৰকৰণ আছে। তৃতীয় অধিকৰণৰ নাম বিচাৰক সম্পৰ্কীয়। ইয়াত সৰ্বমুঠ কুৰিটা অধ্যায় আৰু ঊনৈশটা প্ৰকৰণ আছে। কৌটিল্যৰ মতে বিচাৰকক ধৰ্মস্থ বোলা হয়। এই অধিকৰণত বিচাৰকৰ কৰ্তব্য আৰু দায়িত্ব আলোচনা প্ৰসংগত ৰাষ্ট্ৰত বলবৎ কৰিবলগীয়া সকলো প্ৰকাৰ আইনৰ বিষয়ে বহুল আলোচনা কৰা হৈছে। চতুৰ্থ অধিকৰণৰ নাম হ'ল কণ্টক-সূধন। যিটোত বিবিধ প্ৰকাৰৰ বিষয়ৰ ওপৰত আলোচনা দাঙি ধৰা হৈছে। সেইবিলাক হ'ল ৰক্ষা কৱচ, বেপাৰ-বাণিজ্য, বানপানী, সমস্যা আৰু অসৎ কাৰ্যৰপৰা জনগণক ৰক্ষণাবেক্ষণ দিয়া ইত্যাদি। পঞ্চম অধিকৰণৰ নাম হ'ল যোগবৃত্ত। ইয়াত ছটা অধ্যায় আৰু সাতটা প্ৰকৰণ আছে। ৰজাৰ মন্ত্ৰীসকলৰ মাজত গঢ় লৈ উঠা বিভিন্ন ৰাজদ্ৰোহিতাৰ বিষয়ে আলোচনা কৰা হৈছে। ষষ্ঠ অধিকৰণৰ নাম মণ্ডল যোনি। এই অধিকৰত দুটা অধ্যায় আৰু দুটা প্ৰকৰণ বিদ্যমান। ইয়াত অতি আৱশ্যকীয় সাতপ্ৰকাৰ সাংবিধানিক উপাদানৰ বিষয়ে বৰ্ণনা আছে। অৰ্থশাস্ত্ৰৰ সপ্তম অধিকৰণৰ নাম ষাড়্‌গুণ্য। ইয়াত ওঠৰটা অধ্যায় আৰু ঊনত্ৰিশটা প্ৰকৰণ আছে। কৌটিল্যৰ মতে এজন ৰজাই সদায় শান্তিৰ ওপৰত মনোনিৱেশ কৰিব লাগে। ঠিক সেইদৰে অষ্টম অধিকৰণৰ নাম ব্যসনাধিকাৰ। এই অধিকৰণত এজন ৰজাই ৰাজ্যত তেওঁৰ উপস্থিতি বা অনুপস্থিতিত বিভিন্নপ্ৰকাৰৰ ব্যসনৰ বিষয়ে সুন্দৰ বৰ্ণনা আছে। ইয়াৰোপৰি এজন বিজয়ী ৰজাই কেনেদৰে তেওঁৰ ৰাজ্য আৰু শত্ৰুৰ ৰাজ্যক সন্মান দেখুৱাব লাগে তাৰ বৰ্ণনাও আছে। নৱম অধিকৰণৰ নাম হ'ল অভিযাসৎকৰ্ম। এজন বিজয়ী বা দেশজয় কৰিবলৈ ইচ্ছা কৰা ৰজাৰ শাসনপ্ৰণালী কেনে হোৱা উচিত সেইবিষয়ে এই অধিকৰণত উল্লেখ আছে। দশম অধিকৰণ সাংগ্ৰামিক নামেৰে খ্যাত। এই অধিকৰণত ছটা অধ্যায় আৰু তেৰটা প্ৰকৰণ আছে। ইয়াত যুদ্ধসম্বন্ধীয় কথাৰ প্ৰতি সজাগতা কেনে হোৱা উচিত তাৰ বৰ্ণনা আছে। একাদশ অধিকৰণ সংঘবৃত্ত নামে পৰিচিত। ইয়াত দুটা

প্ৰকৰণ আৰু এটা অধ্যায় আছে। ইংৰাজীত oligarchy যি কৌটিল্যৰ পৰিভাষাত সংঘ সেই। দ্বাদশ অধিকৰণৰ নাম আবলীয়সম্। দুৰ্বলী ৰজাই সবলীৰজাৰ অধীনৰপৰা কেনেকৈ মুক্তি পাব পাৰে তাৰ বৰ্ণনা আছে। ত্ৰয়োদশ অধিকৰণৰ নাম দুৰ্গালম্ভোপায়। ৰাজ্য জয় কৰিবলৈ কেনেকৈ জনগণৰ মাজত প্ৰথমে মতভেদ সৃষ্টি কৰিব লাগে তাৰ বৰ্ণনা আছে। চতুৰ্দশ অধিকৰণ ঔপনিষদিক। ইয়াত কৌটিল্যই, ৰজাই তেওঁৰ শত্ৰুক কেনেদৰে ধ্বংস কৰিব পাৰে তাৰ বিষয়ে উল্লেখ কৰিছে। পঞ্চদশ অধিকৰণত অৰ্থশাস্ত্ৰৰ উপপত্তিৰ বিষয়ে আলোচনা কৰা হৈছে।

গ্ৰন্থৰ অন্তত কোৱা হৈছে —

ধৰ্মমৰ্থ চ কামং চ প্ৰবৰ্তযতি পাতি চ।
অধৰ্মানৰ্থবিদ্বেষানিদং শাস্ত্ৰং নিহন্তি চ ।।

অৰ্থাৎ, এই শাস্ত্ৰৰ অভিপ্ৰায় হৈছে ধৰ্ম, অৰ্থ আৰু কামৰ প্ৰৱৰ্তন আৰু সংৰক্ষণ কৰা আৰু অধৰ্ম, অৰ্থহানি আৰু বিদ্বেষ নিৰ্মূল কৰা। ✦

## ভাৰতবৰ্ষৰ বিচিত্ৰ তথ্য

? ভাৰতবৰ্ষৰ নাম ইণ্ডিয়া কিয় হ'ল?

➡ প্ৰাচীন কালত গ্ৰীক বণিকসকলে আমাৰ দেশৰ সিন্ধু নদীৰ পাৰত ব্যৱসায় কৰিবলৈ আহিছিল। তেওঁলোকে সিন্ধুক ইণ্ডাচ বুলি কৈছিল। এই ইণ্ডাচ শব্দৰ পৰাই কালক্ৰমত ইণ্ডিয়া নামটো আহিছে।

? ভাৰতৰ নাম হিন্দুস্থান কেনেকৈ হ'ল?

➡ অতীতত ইৰাণ দেশৰ লোকসকলে আমাৰ দেশৰ সিন্ধু নদীক হিন্দু নদী বুলি উচ্চাৰণ কৰিছিল। সেয়ে, সিন্ধু নদীৰ আশে পাশে থকা অঞ্চল হিন্দুস্থান নামেৰেই পৰিচিত হয়।

? আমাৰ দেশৰ নাম ভাৰতবৰ্ষ কেনেকৈ হ'ল?

➡ প্ৰাচীনকালত আমাৰ দেশৰ নাম আছিল জম্বু দ্বীপ। পুৰণিকালত এই দেশত ৰাজত্ব কৰা ভৰত নামৰ ৰজাজনৰ নামেৰেই এই দেশৰ নাম হয় ভাৰতবৰ্ষ।

? ভাৰতৰ কোনটো মন্দিৰৰ মূৰ্তি প্ৰতিবছৰে বজ্ৰপাতত নষ্ট হৈ যায় আৰু প্ৰতি বছৰেই নতুনকৈ নিৰ্মাণ কৰা হয়?

➡ কুলু উপত্যকাৰ মহাদেৱ মন্দিৰ। এই মন্দিৰৰ সন্মুখত ৰঙা ৰঙৰ এটি ৬০ ফুট ওখ মাস্তুল আছে। যি মাস্তুলটোৱে প্ৰতি বছৰেই বজ্ৰ আকৰ্ষণ কৰে আৰু মন্দিৰৰ ভিতৰৰ মহাদেৱৰ মূৰ্তিটো ভাঙি চূৰ্ণ-বিচূৰ্ণ হৈ যায়। পিচে প্ৰতি বছৰেই মহাদেৱৰ মূৰ্তি পুনৰ নিৰ্মাণ কৰি লোৱা হয়।

? কোনজন ইংৰাজ প্ৰথমে ভাৰতলৈ আহিছিল?

➡ টমাচ ষ্টিফেনচন।



কবিতা

## ক'লাজ

**নমী গগৈ**
*স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ*

জোনাক ঃ
জোনাকৰ একা-বেঁকা আৰু
চেঁচা বতাহৰ গধূলিবোৰত
জোনাকবোৰ নামি আহিছিল
কলংখনেদি ...............

বিষণ্ণ বৰষুণ ঃ
এজাক বিষণ্ণ বৰষুণে
সেউজীয়াবোৰ ধুই নিয়াৰ পিছৰেপৰা
'স্নেহালয়'ৰ ৰাধাচূড়া জোপাই
নতুনকৈ হাঁহিবলৈ শিকিছিল...
কুঁৱলি ঃ
ধোঁৱাবৰণীয়া কুঁৱলিৰ মাজত
বিৱৰ্ণ হৈ পৰি আছে
শীতৰ মসৃণ ৰাতিটো .. ..
.. .. ..
উৰঁলি যোৱা নিশাটোত
ঠিক মৰাশটোৰ দৰেই লাগিছিল
সেই চিনাকি মুহূৰ্তবোৰ.. ..
.. .. ..
ঘোপমৰা আকাশৰ তলত
হৃদয়বোৰ যেন হৈ পৰিছিল সমাধি ...
সেউজীয়া ঃ
আজি পাহাৰৰ সেউজীয়া চূড়াত
নাঙঠ হৈ উচুপি বহি থকা নাই
জোনাক ...
শৰতৰ মৃদু বতাহজাকত
বৈ অহা শীতলতাই
শেৱালিজোপা চুই যোৱাৰেপৰা
পথাৰখন সেউজীয়া হ'ল . . . ।●

## অনুভৱ

**মৰমী গায়ন**
*অধ্যাপিকা, অসমীয়া বিভাগ*

হিংসাৰ ডাবানলে দহিছে হৃদয়
পাষাণ হৃদয়ে দিলে পৰিচয়
নিষ্ঠুৰ বৰ্বৰতা আৰু হত্যালুণ্ঠনৰ
ৰূপ বিভীষিকাময়।

চৌদিশে জ্বলিছে জুই
নুমুৱাব নোৱাৰা
অসূয়া-অপ্ৰীতি বিষাদ কাৰুণ্যৰে ভৰা
অসহায় বসুন্ধৰা
ৰুধিব নোৱাৰা।
বোমা বাৰুদৰ
দূষিত বায়ুৰে
পূৰ্ণ হ'ল সমগ্ৰ ধৰণী
নিৰীহ জনতাই
আঁকোৱালি ল'লে
অজান বলুকাত
নিজ নিজ সমাধি।
হে জীৱশ্ৰেষ্ঠ মানৱ
মুক্ত হ'বনে মানৱ মন
কুৎসিত-কলুষিত
স্বাৰ্থপৰ হিংসাৰ
কবলৰপৰা;
বিৰাজ হ'বনে
এই পৃথিৱীত
সুখ-শান্তি আৰু প্ৰেমৰ নিজৰা।●

# এটা কবিতাৰ কাৰণেই

চন্দ্ৰানী পাল
*স্নাতক তৃতীয় বৰ্ষ*

এটা কবিতাৰ কাৰণেই ইমান কাতৰ হৈ দৌৰি ফুৰিছো
পাৰ কৰিছো অনিদ্ৰাৰ কত উজাগৰি ৰাতি
ভালপোৱাৰ বিষাদ, শোকৰ দাৰুণ নৈঃসৰ্গ।

গচকি আহিছো বিদ্ৰোহে ঘেৰা সেউজ বনভূমি
শংকুল গিৰিপথ, যুদ্ধক্ষেত্ৰৰ করুণ স্মৃতি

এটি কবিতাৰ কাৰণেই আঘোনৰ সোণোৱালী টৌত ওপঙি আছো
সোণাৰু ফুলৰ ডাঠ উপত্যকাত ভ্ৰমি ফুৰিছো।

কুঁৰলি সৰা ঋতুত উচুপি উঠিছো
বিদায়ৰ শোকতো দুহাত দাঙি আকাশ চাইছো

এটা কবিতাৰ কাৰণেই বৰষুণক সঁপি দিছো হৃদয়
বিদ্ৰোহীসকলক জনাইছো অভিবাদন

জোনাকত তিতি-বুৰি জিৰাইছো জলফাই বাগিছাৰ তলত

নদীক সুধিছো প্ৰিয় নাৰীৰ খবৰ
প্ৰতিজন অৰণ্যগামী যুৱকক বিচাৰিছো বেলিৰ ঠিকনা

এটা কবিতাই মোক মাটি আৰু মানুহৰ প্ৰেমিক কৰি তুলিছে
পৃথিৱীয়ে আঁকি দিছে সম্ভাৱনাৰ বিশাল আকাশ।●



# ধৰ্ষিতা সংস্কৃতিৰ মনোবেদনা

হিমাক্ষী বৰা
স্নাতক প্ৰথম বৰ্ষ

মই হেৰাই গ'লো
নিজে নিজতে
অপ-সংস্কৃতিৰ অনুকৰণৰ
অহংকাৰে পুতি পেলালে
মোৰ সমস্ত
সাংস্কৃতিক গৌৰৱ।
এদিন হয়তো
বিস্মৃতিৰ কৰাল গ্ৰাসত
ধূলিস্যাৎ হ'ব মোৰ
সমস্ত সত্তা।
এনে মৃত্যু মোৰ কাম্য নহয়,
কু-সংস্কৃতিৰ পাহাৰ খান্দি?
মোক মুক্ত কৰিব কোনে?
আপোনৰ হাতত বাৰে বাৰে
ধৰ্ষিতা হোৱাৰপৰা
ৰক্ষা কৰিব কোনে?
মই সংস্কৃতি
ইয়েই মোৰ মনোবেদনা;
মই হ'ব বিচাৰো
বৰ্তমান আৰু ভৱিষ্যৎ।
অতীতত বিলীন হোৱাৰপৰা
মোক ৰক্ষা কৰিব কোনে?●



# বন্ধুত্ব

তৰালী বৰা
*স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ*

'বন্ধুত্ব'
যাক স্বৰ্গৰপৰা সৰিপৰা
পাৰিজাত ফুল বুলি ক'ব পাৰি,
যাক মণি-মুকুতাৰ লগত
তুলনা কৰিব নোৱাৰি
পাৰি মাথোঁ প্ৰকৃত 'বিশ্বাসত'।

কিন্তু মোৰ ক্ষেত্ৰত কিয় এনে হয়
মই ভাবিব নোৱাৰো,
যাক মই প্ৰকৃত বন্ধু হিচাপে ভাবো
সেইজনে মোক প্ৰতাৰণা কৰে।
আকৌ,
যাক বিশ্বাস কৰো
সিয়ে মোক বিশ্বাস ঘাটকতা কৰে।
হে বন্ধুসকল,
মই তোমালোকক সুধিব বিচাৰিছো
মোক এনে কি বেয়া পোৱা?
কি মই এজনী অসুন্দৰী আৰু
দুখীয়া ছোৱালী বাবে।

বন্ধুসকল, মই তোমালোকক
বিশ্বাস কৰো, ভালপাঁও,
কিন্তু তোমালোকে মোক ঘৃণা কৰা
কিয়? কিয় বাৰু .....
তোমালোকক বন্ধুত্ব পাতিবলৈ
মই এইবাবে কোৱা নাই
যাৰ বাবে ভয় কৰিছা।
তোমালোকে মোক টকা-পইচা দি
সহায় কৰিব নালাগে
নালাগে মোৰ দুখত দুখী হ'বলৈ,
মাথোঁ তোমালোকে মোক
তোমালোকৰ বন্ধু বুলি
চিনাকি দিলেই হ'ব।
তেতিয়াই মই ক'ব পাৰিম
মোৰ জীৱনৰ প্ৰতিটো আশা
পূৰ্ণ হ'ল আৰু মোৰ
জীয়াই থকা জীৱনটো ধন্য হ'ল।।●



# সুদীৰ্ঘ যাত্ৰা

পাপৰি গোস্বামী
*স্নাতক তৃতীয় বৰ্ষ*

মৰুভূমিৰ তপত বালিচৰত
ভৰি থ'লো যিদিনা
পাহৰি গ'লো জীৱনৰ
সকলো আশা-ভৰষা
সুখৰ পম খেদি খেদি
পালোহি যে এই সু-বিশাল মৰুভূমি
এতিয়াতো পিছলৈ উভতি চোৱাৰ সময় নাই
মৃত্যু পৰ্যন্ত যাব লাগিব আনি আগুৱাই
কেতিয়া আমাৰ এই যাত্ৰাৰ অন্ত পৰে
তাৰ যে কোনো ঠিকনা নাই।●

# ভগ্ন স্বপ্নৰ বিননি !!!

ফাহমিন আখতাৰ
*উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ*

তাই সাৰ পাইছিল,
বিহঙ্গৰ কলকলনিত
বোকা মাটিৰ মনপৰশা শীতল স্পৰ্শত
তাই বাঢ়ি আহিছিল
বাঢ়নী পানীৰ দৰে
হৃদয়ত ঠাই লৈছিল সেউজ বিশালতাই
সেউজীয়াখিনি হালধীয়া হোৱাৰ পৰলৈকে
এটি দীঘলীয়া পৰিক্ৰমা
সেই পৰিক্ৰমাত তাই ধৰ্ষিতা হৈছিল
বোকা মাটিৰ মিলনৰ ফলত সৃষ্টি হোৱা
পথাৰখনক বিষাক্ত কৰা কিছুমান পোকৰ আঘাতত।
তাই পাহৰি পেলাইছিল
সূৰ্যোদয়ৰ মনোমোহা দৃশ্য
তাইৰ ঠিকনা
ঃ এটি ভগ্ন স্বপ্নৰ বিননি।
ঃ এটি সেউজ উপত্যকাক ক'লা কৰাৰ
কৰুণ দৃশ্য, কৰুণ চানেকি।





# সপোন

কাকলি বৰা
*স্নাতক প্ৰথম বৰ্ষ*

সপোন দেখিছানে কেতিয়াবা
সপোনত কোনোবাই ভূমুকি মাৰেনে?
হয়তো নাই বা নহয় ...
মই কিন্তু সপোন নেদেখো
জানানে বাৰু কিয়?
কাৰণ হৃদয় কোণত অধিষ্ঠিতা তুমি
মোৰ নীলাঞ্জনা।
জোনাকত তিতিছানে বাৰু কেতিয়াবা ?
সন্ধ্যা তৰাটোৰ লগত কথা পাতিছানে বাৰু কেতিয়াবা?
হয়তো নাই ।।
মই কিন্তু পাতো,
জানানে বাৰু কিয়?
কাৰণ তেওঁয়েই যে একমাত্ৰ লগৰী
মোৰ সুখৰ প্ৰতিটো পলৰ
দুখৰ প্ৰতিটো ক্ষণৰ
হয়তো তোমাৰ অবিহনে
সিয়েই মোৰ নিসংগতাৰ সাৰথি।।





# এটি সভ্যতাৰ চিহ্নত যুগৰ নাম

মানালী কাশ্যপ
*স্নাতক প্ৰথম বৰ্ষ*

ঠায়ে ঠায়ে সিঁচৰতি
সভ্যতাৰ চিহ্ন বিচাৰি
পাহাৰ ভৈয়াম বিদাৰি
অহৰ্নিশে চলিছে অন্বেষণ
খননত দুষ্প্ৰাপ্য মূৰ্ত্তি মোহৰ
ফলকত দুৰ্গ নিৰ্মাণৰ দলিল
ধৰণীৰ বক্ষত সমাহিত
প্ৰতিভূ পূৰ্বজৰ শাণিত অস্ত্ৰ
এটি যুগে লভিলে স্বীকৃতিৰ মন্ত্ৰ
সভ্যতাই দিলে যুগৰ প্ৰতীক্ষাত!
বৰ্তমান প্ৰযুক্তি বিজ্ঞান সন্ত্ৰাস
অগ্ৰজৰ পদানুকৰণেৰে
ধাৱমান অনুজৰ যুগাগ্ৰগামী দৃষ্টিত প্ৰখৰতা
অনাদৃত ধ্বংসাৱশেষৰ স'তে কোঠালিত অংকিত
তপত ৰুধিৰৰ নৈ খনি ক্ষণ পৰিবৰ্ত্তনত কঢ়াল লাগিল
সংৰক্ষিত যাদুঘৰত স্বাক্ষৰ বহণ কৰিব এটা নতুন যুগৰ
কি নাম দিম
সন্ত্ৰাসৰ নে সভ্যতাৰ?

# তেজীমলা

চাহনাজ পাৰবিন

তেজীমলা
সাৰে আছানে?
নাই সাৰে থকা নাই তুমি।
তোমাৰ যৌৱনৰ চঞ্চলতা আবদ্ধ
ঢেঁকীশালৰ কোঠাত
বন্ধ হৈ গ'ল।
শেষ হৈ গ'ল তোমাৰ,
যৌৱন-জীৱনৰ ছন্দ।
বণিক পিতাইৰ
হিয়াৰ আমঠু হৈও কিয়
মাহী আইৰ ঢেঁকীৰ চাবত
মূৰ পাতি দিলা?
বেলি লহিয়ালেই
নঙলা মুখত ৰৈ
পিতায়ে মাতিব —
'আই-তেজীমলা'
কিন্তু তুমি অসাৰ হৈ পৰি আছা
পিতাইৰ পিছফালৰ বাৰীৰ চুকত
তেজীমলা,
আকাশে-বতাহে বিয়পি পৰিছে
তোমাৰ কেঁচা তেজৰ গোন্ধ ...।



# তোলৈ একলম

**শিখামণি দেৱী**
*স্নাতক দ্বিতীয় বৰ্ষ*

মৰমৰ,
কেনে আছ, কুশলে আছ ছাগে?
বহু দিন হ'ল তোলৈ নিলিখা...
তোৰ বাৰু মনত পৰেনে..
কাতিৰ নিয়ঁৰ সনা সেমেকা পুৱা শেৱালি বুটলা?
হিম চেঁচা বতাহৰ মাজেৰে মই বাৰুকৈ চাঁও,
শান্ত তোৰ দুচকু, এখন নিকা স্বচ্ছ হৃদয়
শোৱালিৰ সুবাসত মোৰ প্ৰত্যাশিত আত্মা।
ভালপোৱাৰ কীটটোৱে কলিজাৰ এফাল কুটিব লাগিছে।
সেয়ে ছাগে মই,
    তোৰ কুঞ্জকুটীৰৰ আঁৰে আঁৰে পলায়ন কৰিছো,
    ৰাখিছ নেকি মায়াৰ মৌ বাহ
    আগুৰি আগুৰি ধৰিছে অ'
তোৰ বাবে সাঁজিছো মৰমৰ ওখ দালান
    গগণ বিহাৰী তোৰ মনটো জিৰাব দে।
দুচকুত তোৰ অলেখ সপোন
    চাব খোজো সৃষ্টিৰ অনল শিখা,
সপোনবোৰ জানো দেই পুৰি নিবি?

বুকুৱেদি এসুঁতি আবেগৰ নৈ উটি যাব খোজে
কোনো আটলাণ্টিক নাইবা প্ৰশান্তলৈ
এচামুচ নীলা জানো মোক দিবি?
দুভৰি আৰু মাটিৰ শীতল যুঁজ
পৃথিৱীৰ স'তে জানো যুঁজিব পাৰিবি?
মোৰ চকুলৈ নাচাবি..
    হৃদয়ৰ কোনোবা কোণত গলিব ধ
    এণ্টাৰ্কটিকাৰ সমস্ত বৰফৰ স্তুল
নামটো ছাগে তোৰ ঠিকেই দিলে "...."
আস। কি শান্ত।।
আমনি আৰু নকৰো দে
    পুনৰ মৰমেৰে
        প্ৰান্তত
        "মই" ।

# কলং

**বনশ্ৰী বৰা**
*স্নাতক তৃতীয় বৰ্ষ*

নিৰ্মল গতিৰে যাব খোজা এখন নদী
পৃথিৱীৰ খলা-বমাই তাইক বাধা দিয়ে,
তথাপিও আগবাঢ়ে তাই একাঁ-বেকাঁ হৈ
নগাৰ বুকুৰ আবেশতে বৈ আছে তাই
কলং নামেৰে
কলঙৰ বুকুৰে বাগৰে কত সপোন।
কৃষকৰো ভৰষা তাইৰ মাজতে।
বণিকৰো আশা বুকুত সাৱটি
কলকলাই বৈ যায় কলং
কিবা হেতু আনন্দত উথলি
ঢৌ তুলি নাচে তাই শিলে শিলে জপিয়াই
বুকুত জিলিকাই সৌৱা হেঙুলীয়া আভা
বাগৰি আহে কলং।
তাই কলং!
আমাৰ চিৰ পৰিচিত কলং।
বানে বাউলী কৰা কলং।
দুকুল উপচায় কৰে তাই পাৰভঙা নৃত্য,
মোহাৰি লৈ যায় সকলো,
তীক্ষ্ণ আঁচোৰ বহি ৰয় কৃষকৰ বুকুত।
শতজনৰ চকুলোৱেও তিয়াব নোৱাৰে
কলঙৰ কলিজা।
কলং সেউজীয়া
সেউজীয়া কলং।

# শান্তিৰ বিপ্লৱ

**কাকলি ডেকা**
*স্নাতক প্ৰথম বৰ্ষ*

মোৰ উচ্ছাসিত বুকুত
ছুনামিৰ অশান্ত ঢৌ,
নিষ্ঠুৰ কালৰ  উপহাসত
সিঁচিব নোখোজে সন্ত্ৰাসৰ দিগ্বিজয় হৰ্ষত
প্লাৱিত হোৱা ৰক্তাক্ত ধৰণীত
বিশ্ব শান্তিৰ বীজ।

আঁকিব নোখোজো বোমা-বাৰুদত
বিবৰ্ণ হোৱা নীল আকাশত
প্ৰিয় মানৱ প্ৰীতিৰ ছবি।
ৰচিব নোখোজো নিৰ্দয় অতীতক
সোঁৱৰাই অন্বেষণ কৰা কবিতাৰ কুকি।

তথাপি, মোৰ ক্ষোভিত কণ্ঠত
অনুচ্ছাৰিত স্বপ্নৰ শিল্প শব্দ
শান্তিৰ  বিপ্লৱ....
কেতিয়ালৈ ব'ব শান্তিৰ নিজৰা?
হৃদয়ৰ অটলত নিঃশেষ হ'ব খোজা স্বপ্ন
কেতিয়ালৈ উজ্বলি উঠিব?
দিঠকৰ আশা ৰেঙণিত।।

# সপোনৰ অসম

**মুনমী বৰা**
*স্নাতক দ্বিতীয় বৰ্ষ*

নিবিচাৰো এনে এখন অসম
য'ত সদায় প্ৰতিফলিত হয়,
    হত্যা-হিংসা-বিদ্বেষ।
বিচাৰো এখন শান্তিৰ অসম
    যি সদায় সাৰ-পাই উঠে,
এজাক নিষ্পাপ শিশুৰ হাঁহিৰ কল্‌ৰোলত
    য'ত সদায় পৰিলক্ষিত হয়
    এমুঠি শান্তিৰ মিঠা ৰ'দ।
দশোদিশে পৰিষ্ফুত হৈ ৰয় য'ত
    স্নিগ্ধ ন-পোহৰৰ জিলমিলনি।
গুলি-বোমা-বাৰুদৰ শব্দই
    ঢুকি নোপোৱা দূৰত্বত
    যাৰ অৱস্থান,
আৰু শান্তিৰ কপৌযুৰিক কৰিম আহ্বান
    সদায় বিলাই থাকে যেন
    শান্তিৰ দীঘ ছাঁ ..... ।

# লিমাৰিক

**নীহাৰিকা গোস্বামী**
*স্নাতক দ্বিতীয় বৰ্ষ*

খগেনে ভাবিলে খুৰখনেদি চুলি খিনিকে কাটো
সন্মুখৰ ঘৰৰ মাজনীকে মনে-মনে মাতো
বয়স মোৰ ভাটি পায়
ৰৈ থাকিলে সময় যায়
কোৰ্টলৈ গৈ আজি বিয়াখনকে পাতো।

বিয়াৰ কথা ভাবি খগেনে চুলি খুৰাই থাকে
হাত-বাউল দি সন্মুখৰ ঘৰৰ মাজনীক মাতে
মাজনী আহি উচপ খাই
খগেনে মূৰত হাত দি চাই
মূৰত চুলি এডালো নাপায় খঙত কঁপি থাকে।

কি কৰিলো, কি কৰিলো, খুৰেৰে মই চুলি কাটিলো
তকলা মূৰেৰে মাজনীক মাতিলো
তায়ো পলাল ভয় খাই
মোৰো লাজৰ সীমা নাই
নিজৰ মূৰত নিজে মই মাধমাৰ মাৰিলো।●



গল্প

# সংকল্প

ত্ৰিবেণী বৰা, *স্নাতক দ্বিতীয় বৰ্ষ, দৰ্শন বিভাগ*

ৰিক্সা!
ৰিক্সা যাবা?

কাৰৈমাৰী গাঁও, ধিং গেটৰ আগত চেকগেট যে সেইফালেদি সোমাই গৈ নামঘৰটোৰ অলপ আগত,"যাবা? অ' যাম, কিন্তু আপুনি কাৰৈমাৰী বুলি ক'লেই হ'ল ইমানবোৰ মিছাতে। নিজৰ সংৰক্ষিত আসনত বহি বগা গুটখাজাতীয় পেকেট এটা একে কামোৰতে চিঙি বিশেষ এটা ষ্টাইলত মুখত লৈ দুবাৰমান পাউদাৰজাতীয় কিবা এটা মুখেৰে উলিয়াই দি আমেজ লৈ সি ক'লে। ৰিক্সাৱালাটোৰ কথা শুনি আচৰিত নহৈ নোৱাৰিলো। সেইয়ে তাক নিৰীক্ষণ কৰি ধাৰণা এটা হ'ল যে — খুউব বেছি ১৬/১৭ বছৰৰ ল'ৰাটোৰ চেলাউৰি কোছা সৰুকালত টি.ভি.ত দেখা জনপ্ৰিয় ধাৰাবাহিক "চন্দ্ৰকান্তাৰ" "ক্ৰুৰসিং"ৰ সৈতে একেই। চকু দুটা নিচা খোৱা মানুহৰ দৰে লাল (অৱশ্যে কিছুমান নিচা নোখোৱা মানুহৰো চকু ৰঙা হয়) ফপৰীয়া ছালখন তথা কাণখনত (নিৰ্দিষ্ট সোঁকাণত) তিনিপাতকৈ ৰিং। পিন্ধনত কাৰ্গো পেণ্ট বুজিবলৈ বাকী নাথাকিল সি, "লোকেল" ল'ৰাই হ'ব। কি বাইদেউ যাবনে? কি যে ভাবি থাকে, — এইবাৰ তাৰ প্ৰশ্নত মোৰ নিৰীক্ষণ প্ৰক্ৰিয়াত যতি পৰিল আৰু লগে লগে চকা দুটাৰ লগত থকা লোহাপাতত ভৰিটো দি উঠিব ধৰোতেই — "১৫ টকা লাগিব কিন্তু, ৰেট ভাড়া, যালে যাব নাযালে নাই।" খংটো টিঙিচ্‌কৈ উঠি আহিছিলেই যদিও ৯ বছৰৰ মূৰত ঘৰলৈ অহাৰ উত্তেজনাৰ ভৰতকৈ কম আছিল, নহ'লে তাক আজি মুখেৰে একো উচ্চাৰণ নকৰি উঠি দিলো।

ৰিক্সাৰ চকা ঘূৰিব ধৰিলে, ময়ো ৰিক্সাৱালাটোৰ প্ৰসংগৰপৰা ওলাই পৰিলো আৰু বহুতদিনৰ মূৰত নিজৰ ঠাইখন দেখি চঞ্চল হৈ পৰিলো। Fast track ৰ Dark coffee colour ৰ চানগ্লাছখন সৰু-সুৰা মুকুটটোৰ দৰেই শিৰত ৰাখি উপভোগ কৰো বুলি আমেজেৰে বহি ল'লো। এসময়ৰ আমাৰ "লোকেল এৰিয়া"ৰ বৰ্তমানৰ প্ৰতিচ্ছবি। ৰেহ-ৰূপ বদলি হ'ল। কিবা এটা ভাল লাগি গ'ল। লাহে লাহে আগবঢ়াৰ লগে লগে ৰোমাঞ্চিত হৈ পৰিছো মই। বেচ ব্যস্ততা বাঢ়িল। এপাৰ্টমেণ্ট, কাপোৰৰ দোকান, Fast Food ৰ দোকান, কিতাপৰ দোকান, ম'বাইলৰ Customer care office মেডিচিনৰ দোকান, ফটোষ্টেটৰ দোকান, মুঠতে ঠাই টুকুৰাই ভৰ যৌৱন প্ৰাপ্ত গাভৰুজনীৰ দৰেই চঞ্চল, আকষৰ্ণীয় হৈ পৰিছে। তিনিখনকৈ নতুন প্ৰাইভেট কলেজ, আগৰ তিনিখন স্কুলৰ উপৰি নতুনকৈ দুখন স্কুল, পাঁচটা-ছটা Tutorial centre সঁচা কথা ক'বলৈ গ'লে ঠাইখনে সঁচাকৈয়ে এতিয়াহে পূৰ্ণতা পাইছে। কিবা এটাই কামুৰিছে, হঠাতে বহুতদিনৰ মূৰত পুৰণি বিষটোৱে আকৌ আজি ধৰিছে। চিনাকি, অতি চিনাকি এই বিষটোৰ উৎস বিচাৰি পাবলৈ বেছি দেৰি নালাগিল। চিনাকি, কিন্তু তথাপিও চিনাকিক বাধ্যত পৰি কেতিয়াবা অচিনাকিৰ দৰে আচৰণ কৰিব লগাত পৰে। কিন্তু আজি? চকুৰে নেদেখিলে কোনো বস্তুক অৱজ্ঞা কৰিব পাৰি কিন্তু তেতিয়া সেই নিৰ্দিষ্ট উৎসটোক চকুৰে দেখা যায়। তেতিয়া আৰু অৱজ্ঞা কৰা সম্ভৱপৰ নহয়গৈ। বান্ধি ৰখা মনটোৰো বান্ধ সুলকি পৰে।

ঠিকেই যদিওৱা দোকানবোৰে অঞ্চলটোক এগৰাকী মনোমোহা চঞ্চল গাভৰুলৈ ৰূপান্তৰিত কৰিলে তথাপিও মোৰ বাবে সেই নিৰ্দিষ্ট ঠাইটুকুৰাৰ নিৰ্দিষ্ট চুকটোৰ গুৰুত্ব আজিও অটুট আছে। আনৰ বাবে হয়তো ৰিক্সা ষ্টেণ্ডটো আৰু দুটা মুচী বহা ঠাই টুকুৰাৰ বিশেষত্ব বিশেষ একো নহ'ব কিন্তু মোৰ বাবে সেই ঠাই, সেই চকু আৰু সময় ৭ বাজি ৪৫ মিনিট, এক বুজাব নোৱাৰা অনুভূতি। হাজাৰ ব্যস্ততাইও মোৰ সেই নিৰ্দিষ্ট ঠাইডোখৰক সলনি কৰিব পৰা নাই। ভাল লাগি গ'ল

কিবা এটা তাৰমানে তেওঁও সলনি হোৱা নাই আশাৰ ৰেঙনি আছে। বৰ্তমানৰ পৰিস্থিতিৰপৰা উদ্ধাৰ কৰিব পাৰিম মই, কিয়নো ঠাইটুকুৰা, এই ঠাইটুকুৰা দৰকাৰ হ'লে তেওঁক আকৌ এই ঠাইটুকুৰাৰপৰাই জীৱনটো আৰম্ভণি কৰিবলৈ শিকাম। য'ৰপৰা আৰম্ভ হৈছিল — মোৰ জীৱনৰ এক নতুন অধ্যায়।

যোৱা ৯ বছৰে বান্ধি ৰখা মনটো আজি মই মুকলি কৰি দিছো। কিয়নো, মইও আজি বিচাৰো বিগত ৯ বছৰৰ বিশ্লেষণ, প্ৰতিটো মুহূৰ্তৰ বিশ্লেষণ। আজি মই অস্বস্তিত নুভুগো-শিক্ষক দিৱসত ডিপাৰ্টমেণ্টৰ মেডামে কোৱা সেই কথাষাৰ — ভাবিবাচোন, অকলশৰে থকাৰ মুহূৰ্তত তোমালোকে, বিশ্লেষণ কৰিবা নিজকে, সেই মুহূৰ্ততলৈকে জীৱনত কি পালা আৰু কি হেৰুৱালা, বিচৰা সফলতাৰ গ্ৰাফডাল নিম্নগামী হৈছেনে, উৰ্ধ্বগামী'। প্ৰকৃততে তুমি বিচৰা কি?" সেই কথাষাৰে সেইদিনা যদিও মনত দ'কৈ ৰেখাপাত কৰিছিল তথাপিও মই অস্বস্তিত ভুগিছিলো কাৰণ বিচাৰিলেও মই নিজকে বিশ্লেষণ কৰাৰ সাহসকণ গোটাব পৰা নাছিলো। কাৰণ সেই মুহূৰ্তলৈকে মই কিছুমান মোৰ আদৰ্শৰ বাহিৰত কাম কৰি পেলাইছিলো। সেয়েহে, নিজৰ স্বৰূপটো নিজে প্ৰথমবাৰলৈ স্বচক্ষে দেখাৰ কথা ভাবি আতংকিত হৈ পৰিছিলো। কিন্তু, আজি অ'তবোৰ সাহস ক'ৰপৰা গোটখালে ক'ব নোৱাৰো। হয়তোৱা সেইসময়ত মোৰ জীৱনৰ গতিক লক্ষ্য প্ৰদান, নহয়, ঠিক তেনে নহয় প্ৰকৃততে নিজৰ জীৱনটোক প্ৰকৃত গতি দিব পৰা নোৱাৰাৰ অনিশ্চয়তাত ভোগাৰ কাৰণে সাহস নাছিল কিন্তু আজি? আজি মই এক সফলনাৰী, আন দহগৰাকী নাৰীৰ ঈৰ্ষাৰ কাৰণ, এটি জনপ্ৰিয় নিউজ চেনেলৰ চিফ্ এডিটৰ মই। গতিকে, বিশ্লেষণ কৰিব পাৰি।

কৈশোৰৰপৰা যৌৱনপ্ৰাপ্ত অৱস্থাত সকলো ল'ৰা-ছোৱালীয়ে কম-বেছি পৰিমাণে চঞ্চল হয়। বিপৰীত লিংগৰ প্ৰতি আকৰ্ষিত হয়। কিন্তু সেই সময়ত মই আন লগৰীয়াবোৰতকৈ ব্যতিক্ৰম আছিলো। নগাঁও ছোৱালী স্কুলৰ শিক্ষান্ত পৰীক্ষাত ভাল ৰিজাল্ট হ'ব লগা ছাত্ৰীৰ ১০০% নিশ্চয়তাৰ তালিকাত মোৰ নমো সন্নিবিষ্ট হৈ পৰিছিল। মোৰ সকলোতকৈ বেছিকৈ মৰম কৰা প্ৰদীপ বৰা ছাৰে কোৱা কথাষাৰ আজিও ৰিণিকি-ৰিণিকি কাণত বাজি থকে। "মণি, Nine is very fine, so be careful মই ছাৰৰ কথাষাৰ নুবুজাত ছাৰে মূৰত হাত ফুৰাই কৈছিল —চোৱা মণি, যৌৱনৰ পচোৱা বতাহ বলা এই সময়ত যদি নিজকে বচাই চলিব পাৰা, তেনেহ'লে You will be the winner. গতিকে গাত বতাহ লাগিব নিদি এই জপনাখন একেজাপে সুন্দৰকৈ জাপ মাৰি যাব চেষ্টা কৰিবা"। প্ৰতিশ্ৰুতি দিয়া মতেই ছাৰৰ কথা ৰাখিছিলো। কিন্তু ছাৰৰ কথা সান্নিধ্যৰপৰা আঁতৰি অহাৰ পাচতে কথাবোৰ কিবা অস্পষ্ট হৈ পৰিছিল। তাৰফলত সকলোৰে ব্যতিক্ৰম ছোৱালীজনী বিদ্ৰোহী স্বাধীনমনা (যিটো-যোগাত্মক দিশত নহয়) হৈ পৰিছিলো কিন্তু বাকী পৰীক্ষাবোৰতো ভাল ৰিজাল্টে মোৰ বিদ্ৰোহীতাক ইন্ধন যোগাইছিল। হায়াৰ ছেকেণ্ডাৰী সুখ্যাতিৰে পাচ কৰাৰ পিচতেই মই over confident হৈ পৰিছিলো। ভাবিছিলো সকলোৰে মন্তব্য ভুল প্ৰমাণিত কৰি মই মোৰ Personal life আৰু মোৰ কেৰিয়াৰ ঠিকেই বজাই ৰখাব পাৰিছো। সেয়েহে নিজৰ ইচ্ছাৰ গৰাকী হৈ পৰিলো। নিজে যিটো ভাল বুলি ভাবিছিলো সেইটোৱে কৰিছিলো। মই নিজৰ জীৱনো নিজে বিচৰাধৰণে উপভোগ কৰিব বিচাৰিছিলো। যাতে পাচত মোৰ জীৱনত ঘটা যিকোনো ঘটনাৰ বাবে বেলেগক দোষ দিব লগাত নপৰে। মই যাতে মোৰ ভুল ক'ত কেনেকৈ হ'ল গম পাঁও। এইটো আছিল মোৰ জীৱনৰ নীতি। যাৰবাবে জীৱনত কোনো কোনো ক্ষেত্ৰত উজুটিও নোখোৱা নহয়।

B.A. 2nd yr. পূৰ্ণগতিত ক্লাচ চলি আছিল। তেতিয়াই মোৰ চিনাকি হৈছিল জ্যোতি ৰাজ কাশ্যপ নামৰ ল'ৰাজনৰ লগত। ম'বাইলৰ ৰিচাৰ্জ এখন আনিব গৈ ভাদমহীয়া গৰমতো ফেন off কৰি ৰখা বিষয়টো লৈ ঠাট্টা কৰিছিলো মই। তেতিয়া তেওঁ লাহেকৈ কৈছিল —'মই এইমাত্ৰ গা ধুই আহিছো যে, সেয়েহে। তুমি চুইচটো অন কৰি লোৱা। তিনি নম্বৰ চুইচটো, সোঁফালৰপৰা।' —কথাখিনিয়ে চুই গৈছিল মোক। অচিনাকি ছোৱালী এজনীৰ ঠাট্টাতো যিজন ল'ৰাই ইমান নম্ৰভাৱে কথাখিনি ক'লে সেই ল'ৰাজনক আৰু এবাৰ চাবৰ ইচ্ছাৰে দুদিন পাচতে আকৌ ওলাইছিলোগৈ এদিন তেওঁৰ দোকানত। অসচেতনতা নে ভগৱানৰ ইচ্ছা নাজানো মই মোৰ মাণিবেগটো তেওঁৰ দোকানত এৰি গুচি আহিছিলো। পাচত তেওঁৰ সচেতনতাৰ কাৰণেই মাণিবেগটো ঘূৰাই পালো আৰু সুকলমে ঘৰ পালোহি। ল'ৰাজনৰ প্ৰতি অদ্ভুত মৰম এটা জাগিছিল। কিন্তু মই দেখুওৱাবলৈ অপাৰগ। লাহে লাহে আমি কথা পাতিছিলো ফোনতে। কিন্তু সীমাৰ ভিতৰত, কেৱল বন্ধুত্বৰ হিচাবত। কিন্তু এদিন যেতিয়া তেওঁ প্ৰস্তাৱটো দিলে মই তেওঁক কমখন গালি পাৰিছিলোনে? সশব্দে হাঁহি দিলো। মোৰ হাঁহিত নিজৰ ভাৱত-বিভোৰ ৰিক্সাৱালাটোৱো ফপৰীয়া মুখখনত পোনপ্ৰথমবাৰলৈ হাঁহি বিৰিঙিল। মোৰ মুখলৈ চাই সি কি বুজিছে, কিয় হাঁহিলে গম নাপালো। কিন্তু, তেওঁ মোক ষষ্ঠ ইন্দ্ৰিয়ক পোনপ্ৰথমবাৰলৈ ভুল প্ৰমাণিত কৰি নিজকে পৰিচয় দিছিল। এজন দায়িত্বশীল প্ৰেমিক হিচাপে। এগৰাকী প্ৰেমিকাই নিজৰ প্ৰেমিকৰপৰা বিচৰা সকলো মৰম, গুৰুত্ব সন্মান দিয়াত তেওঁ কেতিয়াও কৃপণালি কৰা নাছিল। মোৰ মেজৰৰ অংকৰ একো আও ভাও নোপোৱা স্বত্বেও দৈনিক দহটাকৈ অংক মেমক দেখুৱাই চাইন কৰি তেওঁক দেখুওৱা, ভাল marks পালে Gift কৰা মুঠতে He is the complete package of Inspiratation তেওঁ মোৰ লাকী চাৰ্ম আছিল। তেনেহ'লে দোষ কাৰ আছিল তেওঁৰতো নাছিল। B.A 3rd yr. পৰীক্ষাৰ পাচতে এক দুৰ্বল মুহূৰ্তত নিজকে তেওঁক সমৰ্পণ কৰিছিলো কিন্তু ভবাধৰণে তেওঁৰ মৰম, গুৰুত্ব কমা নাছিল, বৰঞ্চ বাঢ়িছিলহে। জীৱনত প্ৰথমবাৰলৈ নিজৰ এনে নিকৃষ্ট কৰ্মই মোক দুৰ্বল কৰি পেলাইছিল। প্ৰকৃত উত্তৰ পোৱাৰ আগতেই মই কাকোকে নজনোৱাকৈ এদিন বান্ধবীৰ ঘৰলৈ আহো বুলি গুৱাহাটী মুখী ট্ৰেইনত উঠি আহি দুদিনৰ পাচত ক'লকতা পাইছিলোগৈ। হাতত থকা সাঁচতীয়া টকাকেইটাও কম হোৱাত পিন্ধি থকা সোণৰ চেইন ডাল আৰু আঙুঠিটো বিক্ৰী কৰি এবছৰীয়া মাছ কমিউনিকেচনৰ ডিগ্ৰী সমাপ্ত কৰি প্ৰায় দুমাহ ঘূৰা-ফিৰা কৰি ব্যক্তিগত নিউজ চেনেল এটাত যোগদান কৰিলো আৰু মোৰ অধ্যাৱসায়ৰ বলত তথা ভগৱানৰ কৃপাত সেই চেনেলৰ জনপ্ৰিয়তা সকলেৰে শীৰ্ষত আৰু মই সেই চেনেলৰ চীফ্ এডিটৰ। মাত্ৰ ওলাই আহোতে বাক সবিশেষ জনাই লিখা চিঠিখনৰ পিচত মা-দেউতা ক'লকাকতালৈ ঢপলিয়াই আহিছিল মোক ঘূৰাই নিবলৈ কিন্তু মই নগ'লো। সেইটো বিষয়ৰ কথা (মা-দেউতাহঁতে উলিওৱা নাছিল যদিও ঘৰলৈ, ঘূৰি সদায়হৈ সকলো পাহৰি নতুনকৈ জীৱনটো আৰম্ভ কৰিবলৈ জোৰ দিছিল।) বাৰ পৰা গম পাইছিলো, তেওঁ বৰ্তমান প্ৰকৃতিস্থ নহয়। দুবাৰমান বোলে বলিয়াৰ দৰে ঘৰলৈও বিচাৰি আহিছিল। কিন্তু, এতিয়া সকলো ঠিক হৈ গৈছে। মই উভতি আহিছো। তেওঁক আৰু এই যন্ত্ৰণা ভোগ কৰি থাকিব দিব নোৱাৰি। এইবাৰ তেওঁক সুস্থ কৰি লগত লৈহে উভতিম। মই সংকল্পবদ্ধ। হয়তো কষ্ট হ'ব, কিন্তু অসম্ভৱটো নহ'ব।

হঠাৎ, ৰিক্সাৰ টিলিঙাৰ শব্দত বাস্তৱলৈ ঘূৰি আহিলো। সন্মুখত গৰু পোৱালী এটি দেখি একেলেথাৰিয়ে বজোৱা টিলিঙাৰ শব্দত উভতি আহিলো বাস্তৱলৈ অ' আমাৰ বাট পাৰ হৈছিলেই তেন্তে ভাগ্যেহে, বাৰান্দালৈ চালো, বা বহি আছে। তাই গম পাইছিল নেকি বাৰু, মই আহিম বুলি, যোৱা কালি কথা পাতোতেওতো মই একা কোৱা নাছিলো। তেনেহ'লে ক'লেজৰপৰা অহাৰ সময়ত বাৰান্দাত বহি মোলৈ বৈ থকা বাজনী আজি ৯ বছৰৰ মূৰত আকৌ সেই ৰূপত বিশ্লেষণটোৰ সৈতে বাৰ বহি থকা মুহূৰ্তটো অজানিতে খাপ খাই গ'ল। ✦

মুখৰ সৌন্দৰ্যৰ লগত অন্তৰৰ সৌন্দৰ্যৰ মিল নাথাকিলে কোনো নাৰীয়েই সুন্দৰ হ'ব নোৱাৰে।

—জৰ্জ বাৰ্নাৰ্ড শ্ব'

# বাস্তৱত অতীতৰ কল্পনা

জ্যোতি মণি তামুলী, *স্নাতক প্ৰথম বৰ্ষ*



দুখন হৃদয়ৰ গুপুত কথাবোৰ ইজনে-সিজনক ক'বলৈ নাপালে প্ৰেমিক-প্ৰেমিকাৰ অন্তৰ দুখেৰে ভৰি পৰে। প্ৰেম শব্দটো আজি-কালি বৰ জটিল হৈ পৰিছে। কোনো প্ৰেমিক-প্ৰেমিকাই প্ৰেমক টকা দি, কোনোৱে বাইক দেখুৱাই প্ৰেমৰ মৰ্যদা হানি কৰে। কিন্তু প্ৰকৃত প্ৰেমে গাড়ী-টকা নিবিচাৰে, প্ৰেমৰ আচল অৰ্থ বুজি পোৱাজনেহে প্ৰেমক মূল্য দিব পাৰে।

টলষ্টয়ে কৈছিল, "য'তেই প্ৰেম ত'তেই ভগৱান"। সচাঁই প্ৰেম মানৱ জীৱনৰ মহানতা স্বৰূপ। ই দুখন হৃদয়ৰ বুজাব নোৱাৰা এক মিঠা শিহৰণ।

হীৰেণ ভট্টাচাৰ্যৰ মতে,

"প্ৰেমৰ কথাটো আৰু আনক ক'ব নোৱাৰি, নিশ্বাসৰ দৰে নিঃশব্দে যেন বিচৰি ফুৰে, শব্দ, বৰ্ণ আৰু পোহৰৰ উৎস।"

নিৰ্মল গতিৰে বৈ যোৱা জুৰিৰ কুলু কুলু শব্দই চৰাই মৌ সনা গীতে গোটেই পৰিবেশ পৱিত্ৰ কৰি তুলিছে। জুৰিৰ পাৰৰ ওখ টিলাটোত কৃষ্ণ চূড়াজোপা আতঁৰৰ পৰা মন্দিৰ সদৃশ হৈ পৰিছে। গছজোপাৰ তলখন ইমান চাফা হৈ আছে যেন কোনোৱাই তলখন মছিহে থৈছে। প্ৰতিদিনে অৰিন্দম আৰু বিজ্ঞানে কৃষ্ণ চূড়াৰ তলত আবেলি বহি ঘণ্টাৰ পাছত ঘণ্টা ধৰি কথাৰ মহলা মাৰে। অৰিন্দম সচাঁয়ে বৰ ভাল ল'ৰা। সহজ-সৰল লগতে উচ্চশিক্ষাৰ লক্ষ্য আগত ৰাখি অধ্যয়নত বৰ্তি থকা অৰিন্দম এইবাৰ ডাক্টৰ পঢ়াৰ মানসৰে হায়াৰ চেকেণ্ডৰী বিজ্ঞান বিভাগৰ পৰীক্ষা দিছে। বিজ্ঞানে অধ্যয়নত বিশেষ পাৰদৰ্শিতা দেখুৱাব নোৱাৰিলেও ভালদৰেই কৃতকাৰ্য হৈ গৈছে।

কিছুদিন পাছত সিহঁতৰ ৰিজাল্ট দিলে। অৰিন্দমে ষ্টাৰ মাৰ্কসহ হায়াৰ চেকেণ্ডৰী পাছ কৰিলে। কিন্তু ডাক্তৰ পঢ়াটো তাৰ কাৰণে কঠিন হৈ পৰিল। তাৰ ৰিজাল্টৰ দুদিনৰ পিছতে দেউতাকে কেঞ্চাৰ ৰোগত আক্ৰান্ত হৈ পৃথিৱীৰপৰা বিদায় মাগিলে। দুখৰ-বোজাক সাবটি লৈ মাকৰ কপালত জিলিকি থকা ৰঙা বেলিটো আবেলি নহওঁতেই কলীয়া ডাৱৰে ঢাকি পেলালে। নিভাঁজ বগা সাজ যোৰ পিন্ধি যেতিয়া উকা কপালখন আগত লৈ ওলাই আহে তেতিয়া অৰিন্দমে মাকক দেখি নীৰৱে চকুলো টুকে। জীৱনটো কেনেকুৱা, আহিল আৰু সংসাৰৰ মায়া-মোহ এৰি থৈ দূৰ-দূৰণিলৈ ঢাপলি মেলিলে। অজান আশংকাত অৰিন্দমৰ দুচকু সেমেকি উঠে, যেতিয়া দেউতাকৰ প্ৰতিচ্ছবি............ মাকৰ উকা কপালখনলৈ মনত পৰে। সি তাৰ বন্ধু বিজ্ঞানক প্ৰশ্ন কৰে, দেউতাকেতো তাক যোৱাৰ আগত কিবা এটা ক'ব পাৰিলেহেঁতেন?

দিনৰ পাছত দিনবোৰ কেনেকৈ যেন পাৰ হৈ যায় মাকে ভাবি আচৰিত হয়। সময়ৰ কাম সময়তে শেষ কৰা অৰিন্দমে আজি-কালি আমন-জিমনকৈ বহি থাকি সময় অতিবাহিত কৰে। মাকেও ইতিমধ্যে তাক ডাক্তৰ পঢ়োৱাৰ আশা বাদ দিছে। কাৰণ ডাক্তৰ পঢ়োৱাটো দূৰৰে কথা সিহঁতে দুবেলা-দুমুঠি যোগাৰ কৰিবলৈ বহুত চিন্তা কৰিবলগীয়া হয়। তেনেস্থলত ডাক্তৰ পঢ়ুৱাটো .....।

দিনে দিনে মাকৰ অৱস্থাটোও বেয়া হৈছে। চকুৰেও কমকৈ দেখিবলৈ লৈছে, কাণেৰে কম শুনা হৈছে, বিজ্ঞানে সিহঁতৰ অভাৱ দেখি কিছু খাদ্য সামগ্ৰী আগবঢ়ায়।

ঃ অৰিন্দম তই ইমান চিন্তা নকৰিবি। যদি তোৰ ভাগ্যত আছে তেন্তে তোৰ আশা সফল হ'বই।

বিজ্ঞানৰ সান্ত্বনা পাই অৰিন্দমে কাষতে থকা শিৱৰ ফটোখনলৈ চাই সেৱা জনালে। ভাগ্যক আগত লৈ আগবাঢ়িব পাৰি, কিন্তু টকা নহ'লে আজি-কালি একো আশা কৰিব নোৱাৰি। বিজ্ঞানে হয়তো সেই কথা বুজিব পাৰিছিল। সেয়ে সি আজি কালি অৰিন্দমক বেছি আমনি নিদিয়ে। সময়বোৰ বাগৰি তিনিটা মাহ কেনেদৰে পাৰ হ'ল সিহঁতে গমকে নাপালে। অৰিন্দমে ডাক্তৰ পঢ়া আশা সিমানতে জলাঞ্জলি দি চাকৰি বিচৰাত লাগিল। কিন্তু তাৰ ভাগ্যত চাকৰি ক'ত আছে। তথাপিও সি চাকৰি বিচাৰি ওলাল। বহুটো মন্ত্ৰী, বিধায়কৰ ঘৰত গৈ চাকৰিৰ ভিক্ষা মাগিলে। অৰিন্দমে চাকৰি নাপাই বুলি জানিও মন্ত্ৰী-বিধায়কৰ ওচৰত যোৱাৰ বাবে মাকে সদায় দুখ কৰে। টকা থকা হ'লে চাকৰিৰ বাবে ইমান তেল মাৰিব নালাগে। বহু আশাৰে ওলাই যোৱা অৰিন্দম ওভটি আহোতে মুখখন শুকাই আহে, মাজে মাজে অৰিন্দমে ঘৰত বলিয়াৰ দৰে চিঞৰি উঠে।

পুৱাৰ সূৰ্যৰ পোহৰ ক্ৰমান্বয়ে উজ্জ্বল হৈ পৰিছে। অৰিন্দমে ভিতৰৰপৰা ওলাই আহি মুক্ত আকাশৰ তলত ঠিয় হ'ল আৰু শূন্যলৈ চাই মিচিকিয়াই হাঁহিলে। এইখনেই পৃথিৱী, য'ত মানুহে জীয়াই থাকিবলৈ অকনো সাহস কৰিব নোৱাৰে। ঘড়ীৰ সময়ৰ লগত সি খোজ মিলাব পৰা নাই, তাকে ভাবি সি আকৌ বিছনাখনত শুই পৰিল।

কিছুদিন পাৰহৈ গ'ল, হঠাৎ এদিন পুৱা ঠিক ৮.০০ মান বজাত সেই অঞ্চলৰে অগাধ সম্পত্তিৰ মালিক, অভিজাত্যৰ চাপ পৰা নিৰঞ্জন বৰা সিহঁতৰ ঘৰ ওলালহি। প্ৰায় ২০ খনৰো অধিক চাহ বাগানৰ মালিক নিৰঞ্জন বৰাৰ ঘৰত পৰিয়ালৰ নামত মাত্ৰ তিনিটা প্ৰাণী। অজন্তা, নিৰঞ্জনৰ পত্নী এগৰাকী বিশিষ্ট লেখিকা।

তেওঁলোকৰ একমাত্ৰ কন্যা তৰালীয়ে এইবাৰ মেট্ৰিক দিব। নৃত্য, গীত অধ্যয়ন কোনো ফালৰ পৰাই তলত ৰাখিব নোৱাৰা তৰালীয়ে এইবাৰ সদৌ অসম ভিত্তিত আয়োজন কৰা সত্ৰীয়া নৃত্য প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰিছে। নিৰঞ্জন বৰাই অৰিন্দমক লগ পাই পাছদিনা ঘৰলৈ মাতি পঠালে। তেখেতে নতুনকৈ আৰম্ভ কৰা পদুমণি চাহ বাগানখনত এটা কেৰাণীৰ পদ আছে। কথাষাৰ মাকক কৈ তেখেত গুছি গ'ল।

পাছদিনা ১০ মান বজাত অৰিন্দম নিৰঞ্জন বৰাৰ ঘৰ ওলালগৈ। বিৰাট অট্টালিকা সদৃশ ঘৰটোৰ টাইল্‌চ লগোৱা বাৰান্দাত থিয় হৈ কলিং বেলৰ চুইচত আঙুলি বুলালে। এগৰাকী মহিলা ভিতৰৰপৰা ওলাই আহিল। সি মহিলা গৰাকীক নমস্কাৰ জনালে। সিহঁত একে অঞ্চলৰে যদিও কোনেও কাকো চিনি নাপায়। মহিলা গৰাকীয়ে তাক নাম সুধিলে আৰু ভিতৰলৈ মাতি নিলে, হয়তো নিৰঞ্জনে অৰিন্দমৰ কথা কৈছিল। অলপ পাছতে নিৰঞ্জন বৰাই অৰিন্দমক লগ পালে আৰু ঘৰৰ সকলোৰে সৈতে অৰিন্দমক চিনাকি কৰি দিলে । বহু কম দিনৰ ভিতৰতে অৰিন্দম সিহঁতৰ মৰমৰ হৈ পৰিল। সকলোৰে তাক অৰি বুলি মাতিবলৈ ল'লে।

অৰি এতিয়া বৰ ব্যস্ত। কিন্তু চাহবাগানৰ কেৰাণীৰ কামত নহয়। সি নিৰঞ্জন বৰাৰ ঘৰৰ সকলো কামেই কৰিব লাগে। পুত্ৰহীনা অজন্তাই অৰিক নিজৰ ল'ৰাৰ দৰেই জ্ঞান কৰে। তৰালীয়েও তাৰ পিছে পিছ অৰিদা অৰিদা বুলি চিঞৰি থাকে। এদিন বাৰাণ্ডাত অৰি বহি আছিল। সি ওপৰলৈ চাই কিবা এটা ভাবি যে আছিল, সেইটো তৰালীয়ে বুজি পাইছিল, তৰালীয়ে হয়তো তাৰ দুখৰ কথা বুজিব পাৰিছিল। কাৰণ অৰিৰ মাকে সিহঁতৰ ঘৰত তাৰ বিষয়ে সকলো কথাই কৈছে। তৰালীও এখোজ দুখোজকৈ আহি তাৰ নিচেই কাষ পালেহি।

ঃ অৰিদা, কথা এটা সুধো বেয়া পাব নেকি —?

তৰালীৰ মাততহে যেন সি সম্বিত ঘূৰাই পালে, আৰু একেথৰে তৰালীলৈ চাই থাকিল। তৰালী অৰিতকৈ কেইবাবছৰো সৰু যদিও দুয়োৰে বাৰ্তালাপ ঠিক বন্ধুত্ব সদৃশ। তৰালীয়ে গম পাইছিল হঠাৎ দেউতাক ঢুকুৱাৰ বাবেই সিহঁতৰ ঘৰখন ধূলিসাৎ হৈ পৰিছিল। কথাবোৰ ক'বলৈ ধৰিও তাই থমকি ৰৈছিল।

সম্পূৰ্ণ এটা বছৰ পাৰ হোৱাৰ পাছত যেতিয়া তৰালীয়ে গম পাইছিল যে সি ডাক্তৰ হোৱাৰ বহুটো আশা মনত পুহি ৰাখিছে। তাই অৰিক বৰকৈ ডাক্তৰ পঢ়াৰ বাবে জোৰ দিলে। তৰালীয়ে অৰিক বাৰে বাৰে ক'লে, "টকাৰ কাৰণে মানুহৰ আশা জলাঞ্জলি নিদিব যদিহে একাগ্ৰতা আৰু ধৈৰ্য্য আছে অতীতৰ কল্পনা বাস্তৱত ৰূপায়িত কৰিবই লাগিব।" তৰালীৰ কথা শুনি অৰিৰ দুচকু সেমেকি উঠিল।"

ঃ"তুমি পঢ়িবই লাগিব অৰিদা আৰু ডাক্তৰ হ'বই লাগিব।"

হাইস্কুলৰ দেওনা পাৰ হোৱা মাত্ৰ এটা বছৰহে হৈছে, অৰ্দ্ধপ্ৰস্ফুটিত ছোৱালীজনীৰ কথাত অৰি খন্তেক সময় থমকি ৰৈ তাইলৈকে চাই থাকিল। সি বিজ্ঞানে কোৱা কথাষাৰ মনতে এবাৰ সুঁৱৰিছিল।

"ভাগ্যত থাকিলে এদিন ডাক্তৰ হ'বিয়েই"

পাচদিনা পুৱা তৰালীয়ে দেউতাকক অৰিৰ কথা কৈ তাক ডাক্তৰ পঢ়াবলৈ ক'লে। দেউতাকে আপত্তি কৰিছিল যদিও তৰালীৰ কথা লগতে পুত্ৰহীন অজন্তাৰ তীব্ৰ প্ৰতিবাদত ডাক্তৰ পঢ়ুৱাৰ সিদ্ধান্ত ল'লে।

পুৱাৰ কিৰণ পৃথিৱীত পৰি দুৱৰি বনত চিকমিকাই থকা নিয়ৰৰ টোপালবোৰ ক্ৰমান্বয়ে শুকাই গৈছে। সুগন্ধি ফুলৰ সুবাসেৰে তাক যেন আদৰি নিবলৈ ৰৈ আছে। মাত্ৰ দুঘণ্টাৰ পাছতেই সি দিল্লীলৈ উৰা মাৰিব। পুৱাৰ নিত্যকৰ্ম কৰি সি খুড়াক আৰু খুড়ীয়েকক সেৱা জনালে তাৰ পাছত তৰালীলৈ চাই মিচিকিয়াই হাঁহিলে। তৰালী অলপ আগবাঢ়ি আহি দুগালত চুমা খালে আৰু ভগৱানে ভালে ৰখাৰ কামনা কৰি তাক বিদায় দিলে।

অৰি ভালে ভালেই দিল্লী পালেগৈ। দিল্লী পাই সি এটা ফোন কৰিবলৈ নাপাহৰিলে। প্ৰায় এমাহ মানৰ পাছত অৰিৰ এখন চিঠি পালে। তৰালীয়ে বহু মৰমেৰে অৰিৰ চিঠিখন গোটেই ৰাতি বুকুৰ মাজতে সুমুৱাই ৰাখিলে। খুড়াকেও তালৈ চিঠি দিয়া আৰম্ভ কৰিলে। দুমাহৰ মূৰে মূৰে চিঠিৰ লগতে তালৈ টকাও পঠিয়ায়। তাৰ যাতে অলপো অসুবিধা নহয় সেই বিষয়ত খুড়াক সদায় সতৰ্ক হৈ থাকে। চিঠিৰ জৰিয়তে মাকলৈ পঠোৱা এধানি মৰম খুড়াকে আগ্ৰহৰে মাকক দিয়ে। গোটেই চিঠিখন মাকৰ সন্মুখত পঢ়ি শুনায়। মাকে আনন্দত চকুলো টুকে। প্ৰত্যেক বিহুতে খুড়ীয়েকে তালৈ পিঠা, লাড়ু, চিৰা আদি সকলো বস্তু দি পঠায় আৰু খুড়াকেও বিহুটোয়ে প্ৰতি দুইহাজাৰ টকা বেছিকৈ দিবলৈ নাপাহৰিছিল।

অৰি নিৰঞ্জন বৰাৰ ঘৰলৈ অহাৰ পাছৰ পৰাই মাকক তেখেতে ভালদৰেই চোৱা-চিতা কৰি থাকে আজি-কালি তৰালীও অৰিৰ প্ৰতি বৰ সজাগ। সি ভালপোৱা নাৰিকলৰ লাডু আৰু সান্দহ গুৰি প্ৰতি চাৰি মাহৰ মূৰে মূৰে তালৈ দি পঠায়। কেতিয়াবা তৰালী টোপনি নগ'লে অৰিৰ ফটোখন বুকুতে বান্ধি টোপনি যায়। তাই আজি কেইদিন মানৰপৰা লগৰ বান্ধবীবোৰকো অৰিৰ বিষয়ে বৰকৈ ক'বলৈ লৈছে। সেয়ে প্ৰিয়ংকা, অঞ্জলিহঁতে তাইক বৰকৈ জোকাই থাকে। যদিও অৰিৰ প্ৰতি তাইৰ দুৰ্বলতা আছিল সেইয়া কিন্তু আনৰ আগত উদঙাই দিয়া নাছিল। কাৰণ তাই অৰিতকৈ বয়সত বহুত সৰু। কিন্তু প্ৰেমে সৰু-বৰ কিয় নামানে তাই বুজিব নোৱাৰে। কেতিয়াবা কাৰোবাক অজানিতেই ভাল লাগি যায়। তৰালীয়ো তেনেকুৱাই, অৰিক লগ পোৱা তিনিবছৰ মানলৈকে তাক নিজৰ ককায়েক হিচাপে ব্যৱহাৰ কৰিছিল কিন্তু এতিয়া তাইৰ কি হৈছে তাই নাজানে।

চাওঁতেই পাঁচটা বছৰ পাৰ হ'ল। কালিলৈ অৰি আহিব। অজন্তা খুড়ীয়েকৰ ঘৰত উদ্‌লি-মুদ্‌লি। অৰি যেন সিহঁতৰ নিজৰহে সন্তান। অৰিয়ে ভালপোৱা বস্তুবোৰ বনাই সজায় থৈছে ৰাংঢালী তৰালীয়ে। পুৱা সোনকালে গা-ধুই তৰালীয়ে মণিকাঞ্চন ফুলৰ থোপা এটা দুৱাৰ মুখত ওলোমাই ৰাখিছে। কাৰণ মণিকাঞ্চন অৰিৰ বৰ প্ৰিয়। তাৰ পিছত টিভি ষ্টেণ্ডত লাগি থকা ধূলিবোৰ কোবাই থাকোতেই কলিং বেলৰ শব্দত গোটেই ঘৰ ৰজন-জনাই উঠিল। বেলৰ শব্দত উধাতু খাই যাওতেই চেণ্টাৰ টেবুলখনত উজুটি খাই তিনি লুটি খালে। ঠন ঠন শব্দ কৰি টেবুলৰ গ্লাছখন পকাত চেদেলি ভেদেলি হৈ পৰিল। আশাৰে বাহিৰলৈ ওলাই গৈ হ'কাৰটোক বাহিৰত দেখা পাই তাইৰ খং চুলিৰ আগ পালে। হ'কাৰটোৱে খবৰ কাগজৰ বিলখন তাইৰফালে আগবঢ়াই দি গুছি গ'ল। বিলখন লৈ ভিতৰ সোমাব ধৰোতেই গেটৰ সন্মুখত গাড়ী এখন ৰখোৱাৰ শব্দ শুনি ঘূৰি চালে। শকত চেহেৰা, চুটিকৈ কটা চুলি এদিনীয়া মানুহৰ দৃষ্টিৰে নিৰীক্ষণ কৰিলে হিৰ'যেন লগা মানুহজন আহি তাইৰ নিচেই কাষ পালে। প্ৰায় দুইমিনিট সময় দুয়ো সন্মুখা-সন্মুখীকৈ ৰৈ থাকি হঠাৎ অৰিদা বুলি চিঞৰি তাক সাৱটি ধৰিলে। তৰালীৰ চিঞৰ শুনি ভিতৰৰপৰা খুড়াক আৰু খুড়ীয়েক ওলাই আহিল। সি দুয়োকে সেৱা জনাই ভিতৰলৈ সোমাই যাওঁতেই দুৰ্ভগীয়া মাকক দেখা পাই সাৱটি ধৰিলে। সি ঘৰলৈ অহাৰ আগত পোৱা চিঠিখনতে গম পাইছিল মাকে পৰি সোঁ ভৰিখন ভগা কথাটো। সেয়ে মাকক দেখি তাৰ বেছি দুখ লাগিছিল। মাকে তাৰ মুখখন ওচৰলৈ টানি নি কপালতে এটা চুমা খালে, " ভগৱানে তোক সহায় কৰক"। তাৰ একাগ্ৰতা আৰু ধৈৰ্য্যৰ অভাৱ নাছিল, কিন্তু আছিল টকাৰহে। সকলোৱে তাক ভিতৰলৈ লৈ গ'ল। তৰালীয়ে তাৰ বাবে খোৱা বস্তুৰ যোগাৰ কৰিলে।

তৰালীৰ প্ৰতি অৰিৰ দুবৰ্লতা নাছিল কিন্তু কেইদিনমানৰপৰা তাইৰ চলন-ফুৰণত অৰি বলিয়া হৈ পৰিছে। হয়টো শৰতৰ পথাৰত প্ৰেমৰ আগমণ ঘটিছে। শেৱালিৰ গোন্ধ মাৰ নৌযাওঁতেই প্ৰেমৰ গোন্ধ দুয়োৰে গাত ভালদৰেই লাগিল। কথাবোৰ অৰিৰ মাকে গম পাইছিল, কিন্তু অৰিৰ মাকে তৰালীক বোৱাৰী কৰি ল'বলৈ ইচ্ছা কৰা নাছিল। কাৰণ তাই বৰ ধনী মানুহৰ ছোৱালী। তৰালীৰ ঘৰত কথাটো গম পাইছিল যদিও মাক-দেউতাকে তৰালীক বাধা দিয়া নাছিল। কম দিনৰ ভিতৰতেই সিহঁতৰ বিয়া হৈ গ'ল।

প্ৰত্যেক মুহূৰ্ততেই মৰম লগা দৃষ্টিৰে চাই থকা মাকে বোৱাৰীয়েক তৰালীক এৰি কোনো ক্ষেত্ৰতে আগনাবাঢ়ে। এতিয়া সিহঁতৰ পৰিয়ালটো বহুত সুখী।

পশ্চিম আকাশৰ ৰঙা বেলিটো যেন ক্ৰমান্বয়ে সাগৰৰ গভীৰ পানীৰ মাজত ডুব যাব ধৰিছে। হঠাৎ গোটেই পৰিৱেশটো আন্ধাৰ হৈ পৰিছে। দুয়ো মুক্ত আকাশৰ তলত থিয় হৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিলে। সিহঁতৰ ভৱিষ্যত যেন সুমধুৰ হয়। ভগৱানে যেন প্ৰকৃত প্ৰেমৰ মূল্য বুজি পায়। ✦

# ডাৰৰ ভৰা আকাশ

ছায়াময়ী দেৱী, *স্নাতক প্ৰথম বৰ্ষ*

কুৰি বছৰতকৈও পুৰণি এটি আহল-বহল আলিবাট। বাটটোৰ অৱস্থা একেবাৰে জৰাজীৰ্ণ। কত যে চৰকাৰ আহিছে, কতে যে গৈছে কিন্তু অৱস্থা সেই একেই, গাড়ী-মটৰ নচলা হৈ গৈছে। পথটোৰ দুয়োকাষে দীঘল দীঘল জাৰ্মান লতাবোৰ, তাৰ মাজেদি আহল-বহল বাটটো এজোপা প্ৰকাণ্ড আঁহত গছৰ ওচৰেদি গৈ সিফালৰ হাবিত নেদেখা হৈ গৈছে। মোৰ নিচেই কাষে কাষে খোজ কাঢ়িছে বাচাপিয়ে। আগে আগে কেতিয়াবা লৰ দি, কেতিয়াবা খৰকৈ খোজ দি, চিঞৰ-বাখৰ কৰি গৈছে, বাচাপিৰ ভায়েকটো, ভনীয়েক দুজনী আৰু ওচৰৰে বান্ধৱী বিনীতা।

চ'তৰ দুপৰীয়া, বেলিটো ঠিক আমাৰ মূৰৰ ওপৰত। বাচাপি ঘাঁমিছে, কপাল আৰু নাকৰ তলৰ ঘামবোৰ তাইৰ পেককৰ (কাৰ্বি পোচাক) এটা চুকেৰে মচিছে। হয়তো কেতিয়াও ইমান বাট খাজকাঢ়ি পোৱা নাই, মোৰ পুতৌ উপজিছে। "খৰচিং ককাই এইখিনিতেই খৰিৰ ভাৰ লৈ লুটি খাই পৰিছিল" কথাটো বাচাপিৰ ভায়েকৰ মনত পৰাত সি প্ৰায়ে চিঞৰিয়েই কৈছিল, "এইখিনিতেই" আৰু চিঞৰত সকলো আচৰিত হৈ শেষত হাঁহিৰ ৰগৰ উঠিছিল। বাচাপিৰ ভায়েক মোতকৈ কেইবাবছৰৰ সৰু যদিও আমি প্ৰায় একেলগেই থাকো।

আমি আগবাঢ়ো। বাচাপিয়ে মাজে মাজে মোলৈ চাই আগবাঢ়ে। আগদিনাৰ বাবে বাটটোৰ কিছু কিছু ঠাই বোকা। পাহাৰৰ আলতীয়া মাটি সহজে নেৰায়, সেয়ে ঘৰৰপৰা অহা ঘোঁৰা গাড়ীখন আধা বাটটেই এৰি থৈ আহিছিলো। অৱশ্যে গাড়োৱান বলোৰামক ৰৈ থাকিবলৈ কৈ অহা হৈছে, "সমৰ দা, যদি বলোৰাম যায়গৈ", নাই নাই নাযায়, গ'লে কিন্তু এই ৰ'দত ইমান বাট খোজ কাঢ়ি মৰিব লাগিব" — কৈ বাচাপিয়ে সূৰ্যটোৰ ফালে চাই নাকটো কোচাই পেলালে। ময়ো বাচাপিৰ লগে লগে আকাশলৈ চাই কও মোৰ বোধেৰে আজি বৰষুণ আহিব। বাচাপি চোৱাচোন, ৰাতিৰ ডাৱৰবোৰ এতিয়াও আঁতৰা নাই। পশ্চিমত সৌৱা ক'লা মেঘ। বাচাপিয়ে ক'লে, —"আকাশৰপৰা ডাৱৰ জানো কেতিয়াবা আঁতৰে?"

মই তাইৰ চকুলৈ চাওঁ তায়ো মোৰ চকুলৈ চায়। তাই চকু ঘূৰাই দিয়ে। আমি আগবাঢ়ো।

আমি মন্দিৰ গৈ পাওঁগৈ। "যা হওঁক তেওঁ আহি পালোহি" — বাচাপিৰ মুখৰপৰা ওলাই আহিল। সকলোৰে মনত আনন্দ। সকলোৰে কপালৰ ঘাম মচিলে। বাচাপিৰ ভায়েক বনচিং মন্দিৰৰ বগৰী পাৰিবলৈ ধৰাত তাৰ ওচৰলৈ ভনীয়েক দুজনী আৰু বিনীতা লৰ দিলে। সিহঁতৰ উদ্দেশ্য মন্দিৰ ভক্তিৰ সেৱা নহয়। হেঁপাহৰ বগৰী জোপাহে।

বাচাপিয়ে চিঞৰিলে তহঁতে এতিয়া বগৰী নাখাবি দেই, নাপায় তহঁত গুচি আহ। হাত-ভৰি ধুই লহি, মন্দিৰত সেৱা জনাইহে মুখত কিবা দিবি।

বাচাপিৰ আদেশ পালন কৰি সিহঁতবোৰ সেপ ঢুকি উভটি আহিল। বাচাপিৰ আদেশ মৰ্মে আমি সকলোৱে হাত-ভৰি ধুলো। তায়ো মাহ-চাউল ধুবলৈ ধৰাত মই কুমলীয়া কলপাত এখন কাটি দিলোহি। তাই তেলৰ চাকিটো সজাই ল'লে। মই তাইৰ ফালে একেথিৰে চাই আছিলো আৰু দেখিছিলো যে, তাইৰ নিপুন হাতেৰে এই সকলোবোৰ যা-যোগাৰ অতি সহজেই কৰি নিলে। আচৰিত হ'বলগীয়া একো নাই, তাই ঘৰত কাম-বন কৰা মই আগেয়েও বহুবাৰ দেখিছো। তাই সুন্দৰ ভাবেই ঘৰৰ কামবোৰ কৰি গৈছিল। মাজে মাজে আমাৰ কোৱাৰ্টাৰলৈ আহি দুই এপদ কাম কৰি দিছিল। মাকৰ সৈতে লগ-লাগি দেউতাকৰ ঘৰ-সংসাৰখনৰ প্ৰায়বোৰ কামকে কৰিছিল, তদুপৰি নিজে স্কুলৰপৰা আহি .......... যাহ, কিবোৰ যে ভাবিছো মই।

বাচাপিৰ ভনীয়েক চিংকিয়ে সকলোকে সাৱধান কৰি দিলে — মন্দিৰৰ সীমাৰ ভিতৰত কোনেও বেয়া কথা নকবি আৰু নাভাবিবিও....।

বিনীতাই আচৰিত হৈ সুধিলে—"কিয় কিবা হয় নেকি" ?

চিংকিয়ে ক'লে —'মৰিবি ৰাতি পিশাচে ধৰিব। আমি মন্দিৰৰ ভিতৰলৈ আগবাঢ়িলো।

অকণমান এটি টিঙৰ ঘৰ, ইটাৰে গথা বেৰ, ঘৰটোৰ ভিতৰ ভাগত ডম্বৰু-ত্ৰিশূলে থাহ খাই আছে। সেইবোৰ অসংখ্য মানুহৰ ভক্তিৰ চিন। মন্দিৰটিৰ চৌপাশে ডাঠ হাবি, ওখ ওখ গছ। নিজনজাল, চৰাই চিৰিকতিৰ মাত কমকৈ শুনা যায়। এই মন্দিৰটিৰ কাৰ্বি আংলং জিলাৰ ডিফু চহৰৰ হিন্দুসকলৰ লগতে অন্যান্য লোকৰ ওপৰতো প্ৰভাৱ পৰিছে বুলি বিশ্বাস অতীজৰে পৰা ডেকা-গাভৰুৰ বিয়া-বাৰু, মাক-বাপেকৰ অসুখীয়া সন্তানৰ আৰোগ্য কামনা, স্কুলৰ ছাত্ৰই গোটেই বছৰ নপঢ়ি বছেৰেকীয়া পৰীক্ষাৰ দুদিন মানৰ আগতে পাছ কৰাৰ কামনা কৰি মন্দিৰত সকলোৱে চাকি দিয়ে। পূজাৰীয়ে সকলোৰে মনৰ কামনা পূৰ্ণ হোৱাৰ মন্ত্ৰ মাতে। নানা আশা বুকুত বান্ধি মানুহবোৰ ঘৰমুৱা হয়। আমাৰ যাৰ যি কামনা মনৰ ভিতৰতে কৰা হ'ল। বাচাপিয়ে হয়তো তাইৰ অনাগত ভৱিষ্যৎ সুখময় হোৱাৰ কামনা কৰিছে। ভায়েক-ভনীয়েকেও পৰীক্ষাত পাছৰ কামনা কৰিছিল। বিনীতাই কামনা কৰিছিল তাইক যাতে ৰাতি পিশাচে নধৰক, কাৰণ তাই বেয়া কথা ভবা নাই। মই কামনা কৰিছিলো বাচাপিৰ যেন মনৰ কামনা সিদ্ধি হয়। পূজাৰ বাবে আগবঢ়োৱা মাহ, প্ৰসাদ পাই সকলোৱে আনন্দ মনেৰে আহিলো।

প্ৰসাদ খোৱাৰ পাছত চাহৰ দিহা কৰা হ'ল। চিংকি, পিংকি আৰু বিনীতাহঁতে বগৰী বিচাৰি গ'ল। পৰি থকা দুছটামান ইটা, কেইডালমান খৰি বাচাপিক দিলো, তাই কামত লাগি গ'ল। তাই জুই ফুৱাব ধৰিছিল, ৰঙা মুখখনেৰে থোকা-থুকিকৈ ক'লে —সমৰ দা, আপুনি সিহঁত কেইটাক বিচাৰি যাওঁক নহ'লে সিহঁত কেনিবা পাবগৈ। তাইৰ কথা মতে মই সিহঁতক মন্দিৰত বগৰী পাৰি থকা দেখি একো নকৈ লাহে লাহে খোজকাঢ়ি মন্দিৰৰ বাবে পেলাই থোৱা বালিৰ দ'মটোত থিয় দিলোগৈ। পাহাৰৰ দাঁতিৰ ওপৰত মন্দিৰটি, তাৰপৰা পাহাৰৰ সেউজীয়া সৌন্দৰ্য চাই মোৰ ভাল লাগিছিল (এটি হুমুনিয়াহ)। বাচাপি, মোৰ মৰমৰ বাচাপি।

এদিন অজ্ঞাতে তাইক ভাল পাইছিলো। কিন্তু, সেই ভালপোৱা অজ্ঞাতেই থাকি গ'ল। সেই বেদনা, বেদনা হৈয়ে থাকিল মধুৰ হৈ নুঠিল। বি.এ. পাছ কৰি দুই এটা টিউছন কৰি ৰংকিমী গাঁৱতে আছো। তেতিয়া বাচাপি একাদশ মানত। মই প্ৰায়ে সিহঁতৰ ঘৰলৈ যাওঁ, দেউতা নগাঁৱলৈ আহিলে সিহঁতৰ ঘৰখনেই মোৰ অকলশৰীয়া অনুভৱ দূৰ কৰে। বাচাপি ওপৰ শ্ৰেণীৰ, তাইক পঢ়া সুধিব নালাগে কিন্তু ভায়েক-ভনীয়েকহঁতক পঢ়াও।

বাচাপিয়ে সোধে "আপুনি চৰকাৰী চাকৰি এটা নিবিচাৰে কিয়?"

"চাকৰি"? আজিৰ দিনত চাকৰি পোৱাটো সহজ কথা নহয়। ও বাচাপি, মই মোৰ এই মাষ্টৰী (প্ৰাইভেট) চাকৰিটোতে সন্তুষ্ট।

"মাষ্টৰী চাকৰি কি বেয়া?"

"ওঁহ বৰ ভাল"।

"কি বেয়ানো?"

"মাষ্টৰ যাৰ ভৱিষ্যৎ বুলিবলৈ একো নাই, তাতে আকৌ প্ৰাইভেট।"

"কোনে ক'লে আমাৰ ভৱিষ্যৎ নাই বুলি?"

"কিটো আছে? কওঁকচোন।"

"এন্ধাৰ।"

"এন্ধাৰ হ'বলা বৰ ভাল?"

এন্ধাৰ বেয়া, নিশ্চয়। তাতে পোহৰ দিব পাৰিলে সি জানো বেয়া হৈ থাকিব বাচাপি।

আমি পঢ়াই-শুনাই এনে এজন ছাত্ৰ গঢ়ি তুলিম যি এদিন দেশৰ শাসন ভাৰ লৈ এন্ধাৰত পৰি থকা অভিশপ্ত সমাজক উদ্ধাৰ কৰিব। আমাৰ যি কৰ্ম, তাৰ পবিত্ৰতা আন কোনো কৰ্মতে নাই, কিন্তু তাৰ উচিত মান দিব পৰা নাই বাবে আজি আমাৰ অৱস্থা এনে হৈছে।

তাই একো নামাতে।

পঢ়া শেষ কৰি ডেৰ বছৰ ৰংকিমী গাঁৱত থকাৰ

পাছত এদিন দেউতাই মোক নগাঁৱৰ নিজৰ ঘৰলৈ বুলি লৈ অনাৰ ঠিৰাং কৰিলে। আমি থকা কোৱাৰ্টাৰটো হেনো জন-জাতিসকলৰ দখলী মাটিত, সিহঁতক লাগে। সহজে নিদিলে, জোৰকৈ হ'লেও ল'বই। গতিকে, আমি তেওঁলোকক ঘৰ এৰি দিবলৈকে ঠিৰাং কৰিলো। সেই হেতুকে আমি তাৰপৰা গুচি অহাটো খাটাং কৰি পেলালো। দেউতা মাহেকৰ মূৰত নগাঁৱৰপৰা অফিচলৈ অহা-যোৱা কৰিব। মই আহিব দিনা সকলোৱে বেজাৰ কৰিলে।

"আপুনি যায়গৈ সমৰ দা?" অকণমানি পিংকিয়ে ক'লে — চকুপানী ওলাই আহিছিল। জোৰেৰে হাঁহি এটা মাৰিবলৈ চেষ্টা কৰি তাইক চুমা এটা খাই ক'লো — এৰা পিংকি, যাওঁগৈ মাজে মাজে আহি থাকিম।

বাকীবোৰেও মুখেৰে একো মাতিব পৰা নছিল যদিও সিহঁতৰ মুখ কেইখনেই ক'ব পাৰিছিল সিহঁতে বেজাৰ পাইছে।

বাচাপিৰ মাকক মাত লগালো। মাকে ক'লে, যোৱা আহি থাকিবা।

"যাওঁ দেই বাচাপি" ।

তাই যেন কান্দিহে পেলাব, মুখৰ অৱস্থা এনে হ'ল। কোনোমতে ক'লে যাওঁক, খালি নাপাহৰিব।

তাইৰ কথাৰ সুৰত চক্ খাই উঠিছিলো। কি কৰিম মই এতিয়া? পাছত দেখা যাব, ক'লো। তোমালোকক জানো মই পাহৰিব পাৰিম, বাচাপি? তোমালোকৰ মৰমবোৰ জানো পাহৰা সহজ হ'ব। পাহৰিবলৈ চেষ্টা কৰিলেও নোৱাৰিম, যাও।

ঘৰৰ বয়-বস্তুবোৰ চাবা হে বাবুৰাম। দেউতাই বাচাপিৰ দেউতাকক উদ্দেশ্য কৰি ক'লে, মই ঘূৰি আহি থান-থিত্ লগাম, হয়তো অহা মাহত প্ৰায়বোৰ বস্তু নিবই লাগিব। মোৰ মনটো দুখত ভাগি পৰিছিল।

মই নগাঁও আহি পালোহি, ৰংকিমী গাঁৱৰ মধুৰ স্মৃতি লৈ ................।

বাচাপিহতঁৰ গাঁও এৰি অহা আজি দুবছৰ হ'ল। এই দুবছৰে বাচাপিৰপৰা বহুত চিঠি পাইছিলো। তাই প্ৰায়ে মোক মাতি পঠাইছিল.............. সমৰ দা, আপুনি এবাৰ আহিবচোন। আপুনি যোৱাৰেপৰা মোৰ ইমান অকলশৰীয়া লাগিছে। মোৰ ইমান বেয়া লাগে। ...................... কিন্তু, মোৰ যাবৰ কেনো উপায় নাছিল। মই আদৰ্শবাদী, গাঁও সংগঠক। পেটৰ ভাত মুঠিৰ বাহিৰে আনৰ বিষয়ে ভাবিব নোৱাৰা, বাস্তৱবাদী। তথাপি ভুৱা দি নো কিমান দিন আত্মগোপন কৰিব পাৰি? ৰোমান্সৰ যুগ গ'ল বুলি কোৱা হ'লেও, প্ৰগতিবাদী কবিয়ে অকল কৃষক-মজদুৰকে কবিতাৰ বিষয় বস্তু কৰি ল'লেও, "হাতুৰিৰ কোঁৱে কোঁবে, নাঙলৰ খোঁচে খোঁচে, তৃষা মোৰ জাগিছে প্ৰাণত" বুলি কবিতা গালেও, মানুহৰ অন্তৰৰপৰা ৰোমাঞ্চ কাহানিবা শুকাই যাব জানো? "এযুৰি ধুনীয়া চকুক" সাগৰৰ এচামুচ নীলা বুলি নভৱাকৈ থাকিব পাৰে জানো?

তথাপি মই যাব নোৱাৰো, বাচাপিৰ আহ্বানক ভুৱা দি হ'লেও নেওচিবলৈ বাধ্য হৈছিলো। দুখ জনাই উত্তৰ দিছিলো, তোমালোকৰ ওচৰলৈ যাবলৈ মোৰ খুব ইচ্ছা বাচাপি, কিন্তু কামৰ হেঁচাত যাব নোৱাৰো। চেষ্টা কৰিছো, কাহানিবা যাম নিশ্চয়।

এদিন দুখন চিঠি পালো। এখন বাচাপিৰ বিয়াৰ নিমন্ত্ৰণী পত্ৰ, বাবু খুৰাই দিছে। আৰু আনখন বাচাপিয়ে দিছে। তাই দহোকুৰিকৈ লিখিছে তাইৰ বিয়া পাতিছে, তাই অমত, তাইক ৰক্ষা কৰিব লাগে। চিঠিৰ তাৰিখ চাও, সিও বহুত পলম হৈ গ'ল। তাইক ৰক্ষা কৰাটো দূৰৰ কথা, ইতিমধ্যে তাইৰ বিয়া হৈ গ'ল। ইচ্ছা হৈছিল যেন গাৱঁৰ ডাক অনা ডাকঘৰটোক পুৰি পেলাম।

যি সময়ত বাচাপিৰ বিয়া সেই সময়ত মই নিজকে প্ৰতিষ্ঠিত কৰাত ব্যস্ত আছিলো। চাকৰি এটাৰ যোগাৰ কৰি ৰংকিমী গাৱলৈ যাম বুলি গুণাগথা কৰি থাকোতেই সেই চিঠিখন ........

মই নিৰুপায়, মাথোঁ ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনালো। বাচাপি যেন সদায় সুখত থাকক আৰু মোক যেন তাই এটি দুঃস্বপ্ন বুলি পাহৰি যায়।

ৰাতি বহু হ'ল। সকলো পাহৰি নিদ্ৰাদেৱীক আহ্বান জনালো। পশ্চিম আকাশত তেতিয়া ক'লীয়া মেঘ। মোৰ মনত পৰে — "আকাশৰপৰা ডাৱৰ জানো কেতিয়াবা আতঁৰে?" ✦



# আশাৰ বালিঘৰ...

## মহাবিদ্যালয় সপ্তাহত থিতাতে লিখা গল্প প্ৰতিযোগিতাত দ্বিতীয় স্থান প্ৰাপ্ত

ভাস্বতী গোস্বামী, *স্নাতক ১ম বৰ্ষ (অসমীয়া বিভাগ)*



...৩০ অক্টোবৰৰ ৰাতিপুৱা। নিৰিবিলিয়ে সোনকালে শুই উঠি ভনীয়েক নিমিষাৰ সৈতে শাকখিনি বুটলি বান্ধি ল'লে। দুয়ো বহুত কষ্ট কৰে, আন্ধাৰে-পোহৰে শুই উঠি শাক বুটলে। বৰষুণ দিয়াৰ বাবে শাকবোৰ ঠন ধৰি উঠিছে। নিৰিবিলিয়ে গা-পা ধুই খাবৰ বাবে কিবা এটা যোগাৰ কৰি দেউতাকক মুখ ধুবলৈ পানী এঘটি নি দিলে। বায়েকে তৈয়াৰ কৰি দিয়া ফিকা চাহৰ গিলাচটো দেউতাকৰ হাতত তুলি দিলে। নিৰিবিলিয়ে ততাতৈয়াকৈ কিবা এটা খায় শুকান ৰুটি এখন খাবৰ বাবে বান্ধি লৈ শাকৰ পাচিটো ককালত লৈ দেউতাকক মাত দি ঘৰৰপৰা ওলাই গ'ল।

নিৰিবিলিৰ বহুত আশা আছে। তাইৰ আশাবোৰ বাৰু পূৰণ হ'বনে? তাই ভাবি ভাবি নিজৰ গন্তব্য স্থান পালেগৈ। প্ৰত্যেক দিনাৰ দৰে আজিও তাই ভগৱানৰ নাম লৈ শাকবোৰত পানী চটিয়াই মুঠি মুঠিকৈ সজাই লয়। তাই ভাবে আজি বাৰু তাইৰ শাকবোৰ বিক্ৰী হ'বনে? তাইক টকাৰ প্ৰয়োজন, দেউতাকৰ ঔষধ নিবলৈ, ঘৰত লোণ, তেলৰো প্ৰয়োজন। মাক থকা হ'লে তাই আজি ইমান কষ্ট কৰিবলগীয়া নহ'ল হয়। তাইৰ চাৰি বছৰ আৰু ভনীয়েক নিমিষাৰ দুবছৰ হওঁতেই জহনী ৰোগত মাকৰ মৃত্যু হয়। দেউতাক তেতিয়াই ভাগি পৰিছিল যদিও আনৰ ঘৰত দিন হাজিৰা কৰি সিহঁতক পোহ-পাল দিছিল। কিন্তু যক্ষ্মা ৰোগে দেউতাকক আক্ৰমণ কৰাৰেপৰা সিহঁতে দেউতাকক কাম কৰিবলৈ যাবলৈ নিদিয়া হ'ল। চিকিৎসা কৰিলে ভাল হ'ব কিন্তু টকা পায় ক'ত? তেতিয়াৰপৰা তাই শাক বেচিবলৈ আৰম্ভ কৰে। দিনক দিনে দেউতাকৰ অসুখটো বাঢ়ি আহিছে, ঔষধ খালে কমি থাকে। কিন্তু আজিতো ঔষধো নাই। তাই চক খাই উঠে। এজন গ্ৰাহকে তাইক মাতি আছে, তাই অতীতৰ জগতখনৰপৰা হঠাৎ বাস্তৱলৈ ঘূৰি আহিল। গ্ৰাহকজনক দিবলগীয়া শাকখিনি দি ভগৱানৰ নাম লৈ যাত্ৰা আৰম্ভ কৰিলে।

সেইদিনা তাই খুব কান্দিছিল যেতিয়া তাই মাকৰ মৰমৰপৰা বঞ্চিত হৈছিল। এতিয়া তাইৰ এটাই আশা... তাই সদায় শাক বিক্ৰী কৰি পোৱা টকা অলপ-অলপ কৰি সাঁচি দেউতাকক ভাল কৰিব লাগে। আজি তাই বিচৰা ধৰণেই শাকবোৰ বিক্ৰী হৈছে। তাই ভগৱানৰ নাম স্মৰণ কৰিলে। তাই আজি কেইটামান টকা পাইছে। হওকতেও। দেউতাকৰ বাবে ঔষধ আৰু ঘৰলৈ লোণ, তেল নিব পাৰিব।

তাই ঘৰৰপৰা খাবলৈ অনা শুকান ৰুটিখন পানীৰে সৈতে গিলি ল'লে। ওচৰৰ টেপটোৰপৰা পানী আনিবলৈ গ'ল শাকখিনিত চটিয়াবৰ বাবে। তাই পানী লৈ ঘূৰি আহোতেই হৈছিল বিকট শব্দটো...।

দেউতাক আৰু ভনীয়েকক ওচৰৰ কোনোবাই দিলে সেই মাৰাত্মক খবৰটো। দেউতাকে কেনেবাকৈ আহি সেই ঠাই পাইছিলহি আৰু চাৰিওফালে ছাইহে দেখিলে। ইফালে-সিফালে চাই দেখিলে নিৰিবিলিয়ে লৈ অনা শাকৰ পাচিটো।

বেচেৰি নিৰিবিলি... তাই সজা আশাৰ বালিঘৰটো সাগৰৰ ঢৌৱে ভাঙি দিলে।

এনেকৈয়ে সেইদিনাযে কিমানজনৰ আশাৰ বালিঘৰ সাগৰৰ ঢৌৱে উটাই নিলে...। ✦

# ১০ জন জ্ঞানী-গুণীলোকৰ প্ৰথম জীৱনধাৰা

১। **ষ্টেলিন ঃ** তেওঁ প্ৰথমতে জোতা চিলাই কৰি জীৱিকা নিৰ্বাহ কৰিছিল। পৰৱৰ্তী কালত তেওঁ ৰাছিয়াৰ সৰ্বময় কৰ্তা হৈছিল।

২। **মুছোলিনী ঃ** প্ৰথমতে তেওঁ কাম কৰিছিল এজন মোদীৰ দোকানত। পাছৰ জীৱনত তেওঁ হৈ পৰিছিল ইটালীৰ হৰ্তাকৰ্তা।

৩। **হিটলাৰ ঃ** প্ৰথমতে তেওঁ ঠেলাগাড়ী এখন লৈ ৰাস্তাৰ আৱৰ্জনা পৰিষ্কাৰ কৰি জীৱিকা অৰ্জন কৰিছিল। পাছৰ জীৱনত তেৱেঁই হৈ পৰিছিল জাৰ্মানীৰ হৰ্তাকৰ্তা।

৪। **মেকডোনাল্ড ঃ** প্ৰথম অৱস্থাত তেওঁ খেতিৰ পথাৰত মজুৰি কৰিছিল। পাছৰ কালত তেৱেঁই ইংলণ্ডত তিনিবাৰকৈ প্ৰধান মন্ত্ৰীৰ পদ শুৱনি কৰিছিল।

৫। **আলৰেভিং ঃ** তেওঁ প্ৰথমতে বৃটিছৰ এক জাহাজ কোম্পানীত চাকৰি কৰিছিল। পৰৱৰ্তী কালত তেৱেঁই লাভ কৰিছিল ভাৰতৰ বৰলাটৰ পদ।

৬। **ফেৰাডে ঃ** তেওঁ আছিল এখন কলেজৰ ভৃত্য। পাছত তেওঁ হৈছিল 'ডায়নামো' আৱিস্কাৰক এক প্ৰখ্যাত বিজ্ঞানী।

৭। **টমাচ আলভা এডিচন ঃ** প্ৰথমতে তেওঁ বাতৰি কাকতৰ ফেৰী কৰি জীৱন নিৰ্বাহ কৰিছিল। পাছৰ কালত তেৱেঁই হয়গৈ এজন ডাঙৰ বৈজ্ঞানিক।

৮। **শ্যেক্সপীয়েৰ ঃ** প্ৰথম জীৱনত তেওঁ লণ্ডনৰ গ্লোব থিয়েটাৰত দৰ্শকৰ গাড়ী আৰু ঘোঁৰা ৰখীয়া হৈ জীৱিকা নিৰ্বাহ কৰিছিল। পৰৱৰ্তী কালত তেৱেঁই হয়গৈ ইংৰাজী সাহিত্যৰ এক অমৰ সাহিত্যিক, কবি আৰু নাট্যকাৰ।

৯। **নলিনীৰঞ্জন সৰকাৰ ঃ** প্ৰথমে তেওঁ কলকাতা চহৰত পুৰণা ফটা কাগজ বুটলি বিক্ৰী কৰিছিল। খাবলৈ নেপাই ফুটপাথতেই থাকিবলগা হৈছিল। পাছত তেৱেঁই এদিন কলকাতা কৰ্পৰেছনৰ মেয়ৰৰ পদ লাভ কৰাৰ উপৰি, পশ্চিমবঙ্গৰ মন্ত্ৰীত্বও লাভ কৰিছিল।

১০। **ডা° আৰ, আমেদ ঃ** প্ৰথম জীৱনত তেওঁ আছিল এখন হোটেলৰ বয় আৰু ভৃত্য। পাছৰ জীৱনত তেওঁ লাভ কৰিছিল মন্ত্ৰীৰ পদ। আনহাতে তেওঁ আছিল প্ৰখ্যাত দন্ত চিকিৎসক।



# English Section

# Empowerment of Women: Prospects and Hindrances

**Hiran Chetry,** *Department of Chemistry,*
*TDC 3rd Year, Biswanath College*

***"When women are the advisors, the Lords of creation do not take the advice till they have persuaded themselves that it is just what they intended to do; then they act upon it and if it succeeds, they give the weaker vessel half the credit of it; if it fails, they generously give herself the whole."***

***– Lousia May Alcolt.***

God created man and provided with Him all the wealth he had with him. However, He soon realized that there should be somebody other than 'man' to really take care of things at the latter's disposal so that they could be conserved and safely handed over to the future generations. To bring His thought into reality, He created women, bestowing on her all the qualities required to groom the personality of a man and make him successful in all walks of life. She plays the role of a mother and take care of him as a child and teaches him good habits. She gives shape to his raw imagination and also hones his intellectual skills to make him a successful, responsible and well-behaved individual so as to be able to contribute significantly to the progress of society.

Nature has carved woman and blessed her with distinct power. She is a source of strength and energy always adding something new to the society, enriching it and providing colours to otherwise dull, black and white motion picture called LIFE.

Poets, painters, writers and sculptors have tried to entrap, define or narrate her. Nonetheless, it is a matter of endless debate as to how one could portray her in 2-dimensional picture or painting or 3- dimensional sculptures. Can you think of describing her in a handful of stories or fictions? I am sure that nobody can ever do that, and that is because she has multi-dimensional potential – a blend of special power, wisdom and charisma within which there is a driving force that keeps her going on and on. Today, the woman power is being held in high esteem in recognition of great feats and distinction women have achieved in every field. And the ideal woman of our times is completely different from her classical archetypes of bygone ages. She is not satisfied with her 'male-supportive' and 'male-rearing' roles. Instead, she is fired with a great passion for carving out an independent place in the society. That's why today's women have dared to outclass men on the latter's own turf and enter the so called 'traditional male bastions' with a bang.

I would like to peep into the past when the stature of women was destroyed. They were treated as chattel in the early Roman society. In France, they were termed as half-soul creatures

responsible for the destruction of society. The Chinese considered them as 'Devil's soul'. Japanese men preferred to live unmarried lives. Before the advent of Islam, Arabs buried their daughters alive considering them as a sign of disgrace. The country of the Vedas and the Upanishad, India, was also in the same queue of the countries where women were always ill-treated. Before the arrival of British, the condition of women in India was really miserable. They were deprived of all their rights. Their limits were bounded by the men and it was within the four walls of a house. They were exploited morally, physically, mentally and sexually. They were considered as 'item' or 'inanimate objects'. The 'purdah pratha', 'sati-system' and 'dowry system' were anchored very deep in society. Education of a girl child was considered 'sin' in that society the male-gominds society In this way deprived women of their due place. Most men view themselves as being the superior life form in society. They justify this belief by saying that they are stronger and more capable; thus, making them more qualified for the more important role in society. They place themselves on the pedestals and force women to believe in their own inferiority to men and their incapability to excel educationally, politically, economically and domestically. But the truth is that women have advanced in all those there were many great pioneers like Raja Ram Mohan Roy, Ramakrishna and Lord Bentick. Who have fought against these evil systems of society and paramhansa rescued women.

If we peep into the Vedic and pre-Vedic period we can see an 'opposite scenaro. In these eras women were comparatively free to decide what they wanted to do. Who among us could deny the fact that it was by virtue of strong will-power, presence of mind and courage that Sati Savitri was able to bring Satyavan back to life by her clever argument with Yamaraj? Similarly, it was by virtue of her self sacrifice that Sati Ansuya made herself immortal. Even epics like the Ramayana and the Mahabharata have praised women for their self-sacrifice. When we talk about the Ramayana, we just talk of Sita who, no doubt, holds a highly respectful position in our society. Similarly, Kunti faced many problems alone but always taught her sons to follow the path of truth and honesty.

Our history bears evidence to the fact that women in the past demonstrated unique leadership ability. Razia Sultana, Rani Lakshmibai, Sarojini Naidu and Indira Gandhi are motivating examples of women's power. Earlier, many women were able to demonstrate the leadership qualities only on their home fronts, God has gifted women with compassion, tender-heartedness, caring nature and concern for others. These are very positive signs which imply that women can be leaders. Though some women have shown their mettle, a large number of them have to sharpen their leadership qualities in various ways. In order to help women to be in limelight, they need to be empowered. Therefore, empowerment of women is a prerequisite to transform a developing country into a developed country.

In Shakespear,s works, many female characters are portrayed as being manipulated, if not controlled outright, by the men in their lives as fathers, uncles, suitors, husbands. Therefore, Shakespeare's works appear to send mixed signals regarding the notion of female empowerment. Empowerment has multiple, interrelated and interdependent dimensions – economic, social, cultural and political. It can be understood in relation to resources, perceptions, relationship and power. But what does women empowerment mean? Women empowerment generally has five components : firstly, women's sense of self worth; secondly, their right to have and determine choices; thirdly, their right to have access to opportunities and resources; fourthly, their right to have the power to control their own lives, both within and outside home; and lastly, their ability to influence the direction of social change to create a just social and economic order– nationally,



internationally and universally.

Educational attainment and economic participation are the key constituents in ensuring the empowerment of women. Educational attainment is essential for empowering women in all spheres of society, for without education of comparable quality and content given to boys and men, updated with existing knowledge and relevant to current needs, women will not be able to have access to well paid formal sector jobs and advance with men. The economic empowerment of women is a vital element of strong economic growth in any country. Empowering women enhances their ability to influence changes and to create a better society.

In additionto educational and economic empowerment, changes in women's mobility and social interaction and changes in intra-household decisionmaking are necessary. Slight improvement in women's involvement in household decisionmaking in male headed household, on such issues as credit, the disposal of household assets, children's, education and family healthcare can work wonders. Traditionally, gender-based divisions persisted in intra-household decision–making. Women basically decide on food preparation and men make the financial decision. Women are one of the greatest assets in our society. They are equal to men in all respects. 'A woman is the full circle within her is the power to create, nurture and transform'. Today, women are emerging as leaders in a growing range of fields. Be it aeronautics, space, medicine, engineering, law, politics, education, business – you just name the profession and they are there, All that is needed in today's world is their empowerment.

In India, the empowerment process has already begun. We are now witnessing a steady improvement in the enrolment of women in schools, colleges and even in professional institutes. Their health status is better as compared with that in the previous decades. In this decade, women are entering into the job market in increasing numbers. They are showing their skill even in non-traditional sectors like police, defence, media, administration and research fields. Twenty-six laws have been enacted so far to protect women from various crimes. The recent law on the protection of women against domestic violence satisfies the long pending demand of the women activists. In the political field, reservation for women is a significant move put forward towards their political empowerment. When the thirty-three per cent reservation for women in Parliament becomes a reality, women's voice will be heard in the highest forum of democracy. That day, women of India are expected to reach the zenith on their power.

Let us see how women have succeeded in realising their strength in every field across the globe.

The very apt example we can cite is from the field of politics. The names those come to our mind as pioneers in this regard are : the former Prime Minister of India Indira Gandhi; the President of Congress Parliamentary Party as also the chairperson of the rulling UPA Alliance at the centre, Mrs. Sonia Gandhi; The speaker of the Lok Sabha Mrs Meira Kumar, the pre-Democratic leader of Pakistan, Benazir Bhutto; Dr. Condaluzza Rice, the US National Security Advisor, the first woman to ever occupy such sensitive position in US politics and also first African-American woman in the US. politics; Dr. Angela Drathea Merkel, first woman chancellar in German history since it became a new nation state in 1871; Aung son Suu kyi, the pre-democracy leader of Myanmar; Chandrika Kumaratunga, Begum Khaleda Zia, Sheikh Hasina a wazed Mrs. Christina Fernandez de Kirchner etc. are a few among those women who are occupying dignified position in the field of politics. Women today have turned out to be successful entrepreneurs. The recent example is Ms. Kiran Mazumdar who has taken up biotechnology and efficiently in running her business successfully. Two other striking names in this regard are those of Ms. Indra Noagi and

# The Silent Valley Movement

**Sangeeta Choudhuri**
*First Semester student of PG Diploma in Natural Resource Management*
*Nowgong Girls' College*

***1st prize, All Assam Essay competition, organised by Nowgong Girls' College in collaboration with UNDP***

**INTRODUCTION :**
During the 1970s and 1980s, various environmental movements were launched in India to protect the natural resources of the country. The movements were mainly started by the people living in the surrounding areas, because their whole livelihoods depend on those natural resources. These livelihoods are primarily responsible for cropping up of some of the famous environmental movements like Chipko, NBA of India and Green Belt Movement in Kenya. The Silent Valley Movement is a similar kind of movement started in the year 1973 to save Silent Valley forest and its resources.

**PHYSIOGRAPHICAL BACKGROUND OF SILENT VALLEY :**
The rock formation is of Archaean age and consists predominatly of Nilgiri Gneiss and its metamorphic variations. The gneiss is finely foliated and is composed of quartz, feldspar and mica.

**TERRAIN :**
The terrain is generally undulating with steep escarpments and many hillocks. The elevation ranges from 900 m to 2300 m above the mean sea level with the highest peak at 2383m (Anginda peak).

**WATER SOURCES :**
A perennial river named Kunthipuzha passes though the western side of the Silent Valley, from north to south direction finally merging into Bharathapuzha. The main tributaries of this river are Kunthancholapuzha, Karingathodu, Madrimaranthode, Valiaparathodu and Kummathanthode. All the major tributaries of Kunthipuzha originate from the upper slopes of the eastern side of the Valley.

**FOREST TYPES :**
Based on champions and Seth's classification, 12 forest types are found in the Silent Valley National Park. They are as follows :

1. Southern Hill Top Tropical Evergree forest
2. West Coast Tropical Evergreen Forest
3. Cane Brakes
4. Wet Bamboo Brakes
5. West Coast Semi Evergreen Forests
6. West Coast Secondary Evergreen Dipterocarpus Forests
7. Nilgiri Sub Tropical Hill Forests
8. Reed Brakes
9. South Indian Tropical Hill Savannah Woodland
10. Southern Montane Wet Temperate Forests
11. Soputhern Montane Wet Shrub
12. Southern Montane Wet Grassland

**BIODIVERSITY :**
The recorded biodiversity in Silent Valley National Park includes 1000 species of flowering plants, 34 species of mammals, 292 species of birds, 31 species of reptiles, 22 species of amphibians, 13 species of fishes, 500 species of butterflies and moths.

**BACKGROUND OF THE MOVEMENT :**
The Silent Valley Movement, the movement to save the natural resources of the regions, was divided into two phases; in the first phase, the Movement began to protect the Silent Valley (area under the National Park) and on the second phase the Movement began to protect the buffer zones of the Valley.

It was the remote little Valley about which even the people in Kerela were hardly aware, though it triggered off the fiercest environmental dispute that the country has ever known. It all began with the proposal first mooted by the British in 1928 to build a dam across the Kunthi River and create a reservoir behind it in the Silent Valley and then use the trapped water to generate electricity. The dam which would be 130 metres high was ..... to be built between two hillocks in a natural gorge through which the river runs. That, however, was dropped by the British.

In independent India the Kerala State Electricity Board (KSEB) started work in 1958. A study and survey of the area was conducted and a hydroelectric project of 120 MV costing Rs. 17 crore was proposed by the Kerala State Electricity Board. In 1973, the Board decided to implement the Silent Valley Hydro-Electric Project (SVHEP) centered on a dam across the Kunthipuzha River. The resulting reservoir would flood 8.3 km² of virgin rain forest.

But, owing to shortage of funds the proposal was delayed till 1976. By then, a large number of big trees had already been felled. It was the practice of the dam builders to remove the big trees in the area, which would be submerged once the natural flow of the river was trapped. In 1976, the Kerala State Electricity Board announced plans to begin dam construction.

**BEGININGS OF THE MOVEMENTS :**
After the announcement of imminent dam construction the Valley became the focal point of 'Save Silent Valley', India's fiercest environmental movement of the decade. Because of concern about the endangered lion-tailed macaque, the issue was brought to public attention. Romulus Whitaker, founder of the Madras Snake Park and the Madras Crocodile Bank, was probably the first person to draw public attention to the small and remote area. The Save Silent Valley Movement was initiated with a missionary zeal by non-government organizations, the scientific community and conservation activists in the 1970s.

In 1977 the Kerala Forest Research Institute carried out an Ecological Impact study of the Silent Valley area and proposed that the area be declared a Biosphere Reserve. In 1978, Smt. Indira Gandhi, the then Prime Minister of India, approved the project, with the condition that the State Government should take necessary safeguards.

Also in that year the IUCN (Ashkhabad, USSR, 1978) passed a resolution recommending protection of Lion-tailed Macaques in Silent Valley and Kalakkad and the controversy heated up.

The poet actist Sugathakumari played a big role in the Silent Valley protest and her poem 'Marathinu Stuthi' (Ode to a Tree) was the opening song/prayer of most of the 'Save the Silent Valley' campaign meetings. Dr. Salim Ali, eminent ornithologist of the Bombay Natural History Society, visited the Valley and appealed for cancellation of the Hydroelectric Project.

Dr. M.S. Swaminathan, the renowned Agricultural Scientist and the then Secretary to the Department of Agriculture, visited the Silent Valley area and suggested that 389.52 km² including the Silent Valley (89.52 km²), New Amarambalam (80 km²), Attappadi (120 km²)

in Kerala and Kunda in Tamil Nadu (100 $km^2$) reserve forests, should be developed into a National Rainforest Biosphere Reserve, with the aim of 'Preventing erosion of valuable genes from the area.'

Dr. V. S. Vijayan, now Director of the Coimbatore-based Salim Ali Centre for Ornithology and Natural History (SACON), Dr. M. Balakrishnan and Ms. Dilnavaz Variava who was the coordinator of the Mumbai-based Save Silent Valley Committee, all have contributed in saving the Silent Valley.

Mr. J.C. Daniell, Honorary Secretary of the Bombay Natural Society (BNHS), which led the upcountry campaign against the project through its members including Dr. Salim Ali and Mr. Zafar Futehally had also contributed in this direction.

**ACTION :**

In January 1980 the Hon. High Court of Kerala lifted the ban on clear cutting, but the then Prime Minister of India requested the Government of Kerala to stop further works in the project area until all aspects were fully discussed. In December, the Government of Kerala declared the Silent Valley area, excluding the Hydroelectric Project area, as a National Park.

In 1982 a multidisciplinary committee with Prof M. G. K. Menon as chairman, was created to decide if the Hydroelectric Project was feasible without any significant ecological damage. Early in 1983, Prof. Menon's Committee submitted its report. After a careful study of the Menon report, the Hon. Prime Minister of India Mrs. Indira Gandhi, decided to abandon the Project. On October 31, 1984 Indira Gandhi was assassinated and on November 15, the Silent Valley forests were declared as a National Park, without creating any buffer zone as was recommended by expert committees and scientists.

The Silent Valley National Park was achieved after a decade-long fight by environmenalists and the people of Kerala against the Silent Valley hydel project. Because of their high level of education and awareness Keralites were ahead of the rest of India in grasping the issue who realized that electricity can be generated in many ways, but if a species is once destroyed its potential for benefitting mankind is lost forever.

**SCENARIO OF THE MOVEMENT :**

The Silent Valley, declared a National Park in 1984, comprises only 89.52 square k.m. of reserved forest land. Ten months later, on September 7, 1985 the Silent Valley National Park was formally inaugurated and a memorial at Sairandhri to Indira Gandhi was unveiled by Shri Rajiv Gandhi the then Prime Minister of India. On September 1, 1986 Silent Valley National Park was designed as the core area of the Nilgiri Biosphere Reserve. Since then, a long-term conservation effort has been undertaken to preserve the Silent Valley ecosystem.

The boundaries of the Silent Valley National Park were fixed in 1914 on the basis of administrative and legal considerations while the natural habitat of the variety of flora and fauna in the region extends much beyond the area earmarked as the Park.

If human encroachment and development activities were allowed in the surrounding region it would spell doom for the National Park, as pointed out by the environmental activists and government agencies.

By realizing the importance of the buffer zone, the government declared the 148 sq.km. of forest land from Manarkkad and Nilambur South Divisions as Buffer zone. Though the buffer zone was under the control of the National Park, its present status of reserve and vested forest remains. This means that the rules of the National Park do not apply here. Therefore, the Kerala State Electricity Board decided to develop



another hydel power station known as Pathrakadavu hydel project at the buffer zone.

But the project failed to get the EIA clearance. During January to May 2003 a rapid Environmental Impact Assessment (EIA) was carried on by the Thiruvananthapuram-based Environmental Resources Research Centre and its report was released in December, stating that the forest loss due to the project would be just .2216 $km^2$, apart from the 7.4 km approach road and land to be acquired for the powerhouse in Karapadam.

*(ক) নগাঁও ছোৱালী কলেজক মধ্য অসমৰ নাৰী শিক্ষাৰ উৎকৰ্ষ সাধনৰ কেন্দ্ৰৰূপে গঢ় দিবলৈ কি কি পদক্ষেপৰ প্ৰয়োজন বুলি আপুনি ভাবে?*

*(খ) নগাঁও ছোৱালী কলেজত সাহিত্য চৰ্চাৰ উপযুক্ত পৰিৱেশ থকা সত্বেও ছাত্ৰীসকল এইক্ষেত্ৰত আশা কৰা ধৰণে আগবঢ়া নহয় কিয়?*

*(গ) নগাঁও ছোৱালী কলেজত ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাৰ মাজত কিমান দূৰ মধুৰ সম্পৰ্ক আছে বুলি আপুনি ভাবে?*

## উত্তৰসমূহ

মঞ্জু জয়ছোৱাল, উপাধ্যক্ষ

(ক) পঠিত অধ্যায়সমূহৰ সম্ভাৱিত প্ৰশ্নসমূহৰ ওপৰত আলোচনা কৰি মাহিলি এটাকৈ পৰীক্ষা পতাৰ আয়োজনৰ ব্যৱস্থা কৰিব লাগে। পৰীক্ষাৰ উক্ত প্ৰগতি প্ৰতিবেদনত অধ্যক্ষাৰ মন্তব্য আৱশ্যক। ইয়াৰ ফলত ছাত্ৰীসকলৰো অনুভৱ হ'ব যে, অধ্যক্ষাও ছাত্ৰীসকলৰ ফলাফলৰ প্ৰতি চিন্তিত আৰু সচেতক।

(খ) ছাত্ৰীসকলৰ সাহিত্যৰ প্ৰতি অনুৰাগ কম পৰিলক্ষিত হোৱাটো এটা প্ৰধান কাৰণ। উপযুক্ত পৰিৱেশ থকা স্বত্বেও ছাত্ৰীসকল এই ক্ষেত্ৰত আগুৱাই যাব পৰা নাই। অৱশ্যে ইয়াৰ বাবে আমাৰ বৰ্তমানৰ শিক্ষা পদ্ধতিও কম জগৰীয়া নহয়। কাৰণ য'ত সংক্ষিপ্ত প্ৰশ্নসমূহ কেৱল 'হয়' বা 'নহয়' ৰ যোগেদি উত্তৰ দিয়া হয়, বাক্য সংৰচনাৰ বাবে পৰ্যাপ্ত সময় পোৱা নাযায়। সেয়ে সাহিত্যৰ প্ৰতি অনুৰাগ ক্ষীণ পৰিলক্ষিত হয়। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগত সৃজনশীলতাৰ গতি হ্ৰাস হোৱাটো পৰিলক্ষিত হয়।

(গ) এই মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকল ছাত্ৰীসকলৰ প্ৰতি সহৃদয়। ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলৰ মাজত মধুৰ সম্বন্ধ বিৰাজমান। তেখেতসকলে ছাত্ৰীসকলক নিজৰ সন্তানৰ দৰে মৰম তথা অনুশাসনত ৰাখি পথ প্ৰদৰ্শনৰ ভূমিকা পালন কৰে।

✦✦

**বিজয় প্ৰসাদ সিংহ,** মুৰব্বী অধ্যাপক, হিন্দী বিভাগ

(ক) (১) গুণগত শিক্ষা পদ্ধতিৰ যোগেদি ছাত্ৰীসকলৰ বৌদ্ধিক, মানসিক আৰু শাৰীৰিক জ্ঞানৰ প্ৰসাৰ।
(২) মাহিলি ১টাকৈ পৰীক্ষা পাতি মূল্যায়ণৰ ব্যৱস্থা।
(৩) ছাত্ৰীসকলৰ বাবে বৰ্তমান যুগৰ সৈতে ফেৰ মাৰিব পৰাকৈ বাণিজ্য শিক্ষাৰ ব্যৱস্থা কৰা।
(৪) বৃত্তিমুখী শিক্ষাৰ দিশত ছাত্ৰীসকলক অনুপ্ৰাণিত কৰা।

(খ) কেৱল পৰীক্ষাত উত্তীৰ্ণ হোৱাটোৱেই ছাত্ৰীসকলৰ লক্ষ্য হোৱাটো দুৰ্ভাগ্যজনক। Text Book ৰ জ্ঞানতকৈ Note Book ৰ জ্ঞানৰ যোগেদি ছাত্ৰীসকলে নিজৰ প্ৰতিভা বিকাশৰ পথ বাছি লোৱাটো হতাশাৰ আন এটা কাৰণ। ভাষা ও সাহিত্যৰ সীমিত জ্ঞান ছাত্ৰীসকলৰ জীৱনৰ চানেকি হ'ব নোৱাৰে।

(গ) ছাত্ৰী আৰু অধ্যাপক - অধ্যাপিকাৰ মাজত মধুৰ সম্বন্ধ যে সুদূৰ প্ৰসাৰী ইয়াত কোনো দ্বিমত নাই।

✦✦

**ত্ৰিবেণী বৰা,** স্নাতক তৃতীয় বৰ্ষ (দৰ্শন বিভাগ)

(ক) পদক্ষেপ আটাইবোৰেই গ্ৰহণ কৰা হৈছে বুলি মই ভাবো। অধ্যক্ষা মহোদয়া, উপাধ্যক্ষা মহোদয়া, অধ্যাপক-অধ্যাপিকা তথা কৰ্মচাৰীসকলে উক্ত উদ্দেশ্যত সফল হ'বলৈ অলপো ত্ৰুটি কৰা পৰিলক্ষিত নহয়। কিন্তু, মই ব্যক্তিগতভাৱে এইটো অনুভৱ কৰো যে — প্ৰাইভেট কলেজত যিদৰে উপস্থিতিৰ হাৰ কমিলে, পৰীক্ষাত মাৰ্কছ কমিলে, তথা ফাইনেলৰ কাৰণে বাচনি কৰা হয়, তেনেধৰণৰ কিবা এটা কৰিলে ভাল হ'ব যেন বোধ হয়। কিন্তু উক্ত বিষয় কেইটাৰ ক্ষেত্ৰত কলেজ কৰ্তৃপক্ষই পদক্ষেপ লৈছে যদিও আৰু অলপ কঠোৰতাৰ প্ৰয়োজন বুলি মই ভাবো। গাৰ্জেন মিটিং তথা প্ৰতিযোগিতাবোৰত অংশগ্ৰহণ কৰাটো বাধ্যতামূলক কৰিলে আৰু বেছি ভাল হ'ব যেন লাগে।

(খ) মই ভাবো, তেওঁলোকে হয়তো এতিয়াও নিজকে উপলব্ধি কৰিব পৰা নাই। তেওঁলোকৰ ভিতৰত সুপ্ত হৈ থকা অদম্য প্ৰতিভাক এতিয়াও চিনিব পৰা নাই। তেওঁলোকে সচেতনভাৱে লক্ষ্য কৰিলে বুজিব পাৰিব যে — অলপমান চেষ্টা, অধ্যৱসায়ৰ বিনিময়ত তিনি বছৰৰ অন্ততঃ এইখন মঞ্চই তেওঁলোকক এক সুস্থ, উন্নত, নৈতিক জীৱন উপহাৰ হিচাপে প্ৰদান কৰিব।

(গ) প্ৰশ্নটো সুধিলা বাৰু, কিন্তু অৰ্থহীন নহয়নে ? আমি এটা পৰিয়াল, নহয় জানো? য'ত সকলোৱে এজনে আনজনৰ লগত আবেগেৰে, মৰমেৰে, ঐক্যৰে বান্ধ খাই আছো। ইয়াতকৈ বেছি একো ক'ব নোৱাৰিম, তথা এই বিষয়ে ভবাৰ ধৃষ্ঠতা মই কৰিবও নোৱাৰো অন্ততঃ নিজৰ ক্ষেত্ৰতে, এইবিষয়টোৱেই মোক বেছিকৈ আকৃষ্ট কৰে। গতিকে মই অনুভৱ কৰো যে, এই পৰিয়ালে সকলোকে কেৱল দিবলৈহে বিচাৰে বিনিময়ত প্ৰতিদান কিন্তু একো নিবিচাৰে।

✦✦

**বিনোদ গোস্বামী,** প্ৰবক্তা, অৰ্থনীতি বিভাগ

(ক) নগাঁও ছোৱালী মহাবিদ্যালয়ে ইয়াৰ প্ৰতিষ্ঠা বছৰ ১৯৬২ চনৰপৰা এতিয়ালৈ মধ্য অসমৰ নাৰী শিক্ষাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিছে। ইয়াৰ প্ৰাক্তন ছাত্ৰীসকলে বিভিন্ন দিশত পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে, শতাধিক শিক্ষাৰ লগত জড়িত হৈ, এই মহাবিদ্যালয়ৰ আদৰ্শ পৰৱৰ্তী প্ৰজন্মলৈ কঢ়িয়াই



নিছে। পৃথিৱীখন দ্ৰুতগতিত পৰিৱৰ্তন হৈছে। বিভিন্ন বিষয়ত শিক্ষাৰ চাহিদাৰ সৃষ্টি হৈছে। নৈতিক উৎকৰ্ষ সাধনাৰ লগতে ছাত্ৰ-ছাত্ৰীক ভৱিষ্যত জীৱনত স্বাৱলম্বী কৰি তোলাটোও শিক্ষাৰ উদ্দেশ্য হ'ব লাগে আৰু সমসাময়িক শিক্ষানুষ্ঠানসমূহে তেনে শিক্ষাৰ সুবিধা শিকাৰুসকলক দিয়াটো জৰুৰী। এইক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ে পদক্ষেপ লৈছে —কম্পিউটাৰ শিক্ষা, আৰ্ট এন্ড কাৰ্ফটৰ শিক্ষা আৰু POST GRADUATE DIPLOMA COURSE IN NATURAL MANAGMENT (PGNRM) দৰে পাঠ্যক্ৰম সন্নিৱিষ্ট কৰি। এইখিনি যথেষ্ট নহয়। বিভিন্ন ধৰণৰ আধুনিক শিক্ষা, যেনে — BBA, MASS COMMUNICATION, TOURISM, MANAGEMENT ইত্যাদি পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে। আমাৰ ছাত্ৰীসকলৰ বিভিন্ন দিশত ৰুচি আছে, কিন্তু সঠিক দিক্ নিৰ্ণয়ৰ অভাৱত তেনে ৰুচিবোধ পেছাদাৰী ৰূপান্তৰ নহয়। আমি ছাত্ৰীসকলৰ ৰুচিসমূহ চিনাক্ত কৰি, উক্ত দিশত আগবাঢ়ি যাবলৈ প্ৰেৰণা আৰু সমল যোগান ধৰিব লাগিব। খেলাৰ প্ৰতি আগ্ৰহী ছাত্ৰীৰ বাবে সু-উপযোগী stadium, নৃত্য গীতত আগ্ৰহী ছাত্ৰীৰ বাবে নৃত্যৰ গীতৰ প্ৰশিক্ষণৰ ব্যৱস্থা, সাহিত্য বিষয়ত আগ্ৰহী ছাত্ৰীৰ বাবে সাহিত্য সংগঠন ইত্যাদি থাকিব লাগে।

(খ) অতি পৰিতাপৰ বিষয় এই যে এই মহাবিদ্যালয়খনি অসমৰ সাহিত্য জগতত সুখ্যাতি অৰ্জন কৰা বহুকেইগৰাকী পণ্ডিত প্ৰবৰ যেনে — মহেশ চন্দ্ৰ দেৱ গোস্বামী, যোগেন্দ্ৰ নাথ ভূঞা, ইদ্ৰিছ আলী, অপূৰ্ব শৰ্মা, প্ৰভাত বৰা, ৰাজেন শইকীয়া, আদিৰ কৰ্মভূমি স্বত্তেও ছাত্ৰীসকল সাহিত্য চৰ্চাত আশা কৰা ধৰণে আগবঢ়া নহয়। (অৱশ্যে দুই-একে এই ক্ষেত্ৰত যথেষ্ট সুনাম কাঢ়িয়াই আনিছে।) ইয়াৰ কাৰণ হিচাপে উল্লেখ কৰিব পাৰি—
ক) ছাত্ৰীসকলৰ মাজত আধুনিক লাহ-বিলাহৰ জীৱন জাপনৰ মানসিকতা গঢ় লৈ উঠা,
খ) দ্বিতীয় আৰু প্ৰধান কাৰণ হৈছে ভ্ৰাম্যমান দূৰভাষ যন্ত্ৰৰ লগত একমিয়তা গঢ়ি উঠা। গল্প, কবিতা পঢ়ি আনন্দ অনুভৱ কৰাতকৈ বাৰ্তালাপত সময় খৰচ কৰি অধিক আনন্দ অনুভৱ কৰে।

(গ) আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰীৰ মাজত সুসম্পৰ্ক আছে। অৱশ্যে দুই এক ছাত্ৰী শিক্ষক-শিক্ষয়ত্ৰীৰ আঁৰে আঁৰে থাকিব বিচাৰে, তেওঁলোকৰ শ্ৰেণী কোঠাতো মন নব'হে, উপস্থিতো নাথাকে। তেনে ছাত্ৰীৰ প্ৰতি শিক্ষক-শিক্ষয়ত্ৰীৰ স্বাভাৱিকতে আগ্ৰহ নোহোৱা হয়। অৱশ্যে কিছুমান আমাৰ তৰফৰ পৰাও অসোঁৱাহ থাকিব পাৰে। ছাত্ৰীসকলে নিজৰ শিক্ষাগুৰুসকললৈ ভয় কৰা বা সংকোচ কৰা উচিত নহয়। পাঠ্যক্ৰমৰ কিবা বিষয় বুজাত অসুবিধা হ'লে বিনা সংকোচে তেওঁলোকৰ ওচৰ চাপিব লাগে। লগতে ভৱিষ্যত জীৱনত সংস্থাপন লাভ কৰিবলৈ তেওঁলোকে কি কি পদক্ষেপ বৰ্তমান অৱস্থাত ল'ব লাগিব এই বিষয়ে শিক্ষাগুৰুসকলৰ অভিজ্ঞতাৰ সহায় ল'ব লাগে।

✦✦

**শ্ৰীহিমাক্ষী বৰা,** স্নাতক দ্বিতীয় বৰ্ষ (শিক্ষা বিভাগ)

(ক) নগাঁও ছোৱালী কলেজ মধ্য অসমৰ এখন উন্নত নাৰী শিক্ষাৰ কেন্দ্ৰ। এই মহাবিদ্যালয়ত শিক্ষালাভৰ বাবে এটা সুন্দৰ পৰিৱেশ থকা স্বত্তেও ইয়াৰ ফলাফল অন্য মহাবিদ্যালয়ৰ তুলনাত কিছু পৰিমাণে পিছপৰি ৰৈছে। দেখা যায় যে, উচ্চতৰ মাধ্যমিক পৰীক্ষাত ভাল নম্বৰ পাই বিভিন্ন বিষয়ত মেজৰ সহকাৰে অধ্যয়ন কৰা ছাত্ৰীসকলৰ ফলাফল স্নাতক পৰীক্ষাত আশানুৰূপ নহয়, স্নাতক পৰীক্ষাত লাভ কৰা নম্বৰৰ হাৰো খুৱেই কম। ইয়াৰ বাবে দায়ী ছাত্ৰী, বিশ্ববিদ্যালয়ৰ মূল্যাংকণ পদ্ধতি নে কলেজৰ পৰিৱেশ, এইটো চিন্তনীয় বিষয়। ছাত্ৰীৰ অধ্যয়নৰ প্ৰতি আগ্ৰহীনতা কি কাৰণে গঢ় লৈ উঠিছে এই বিষয়ত কলেজৰ অধ্যাপকসকলে ছাত্ৰীৰ সহযোগত প্ৰয়োজন অনুসৰি বিশেষজ্ঞৰ পৰামৰ্শ লৈ এক পৰিৱেশ গঢ়ি তোলাটো প্ৰয়োজন। যি পৰিৱেশত কলেজৰ ছাত্ৰীৰ প্ৰতিভা কেৱল পৰীক্ষাত উত্তীৰ্ণৰ বাবে ব্যৱহৃত

নহে ভাল আৰু উন্নত ফলাফলৰ বাবে ব্যৱহৃত হ'ব। ইয়াৰ উপৰি দেখা যায় যে বহুমুখী প্ৰতিভাৰ বিকাশে ছাত্ৰীৰ মাজত উপযুক্ত গুৰুত্ব নাপায়। মহাবিদ্যালয় সপ্তাহ সমাৰোহত বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰীসকলৰ যোগদান অতিকৈ সেৰেঙা হয়। খেল-ধেমালিয়েই হওক বা সাংস্কৃতিক প্ৰতিযোগিতাই হওক, যোগদানকাৰী নগণ্য অংশটোৰো প্ৰদৰ্শন মুঠেই আশাব্যঞ্জক নহয়। আজিৰ নিবনুৱা সমস্যাৰ দিনত অকল পঢ়া-শুনাই কোনো সংস্থাপন দিব নোৱাৰে। গতিকে পঢ়া-শুনাৰ উপৰি বিভিন্ন দিশত নিজৰ নিজৰ ৰুচি অনুযায়ী গুৰুত্ব দি চৰ্চা কৰিব পৰা পৰিৱেশ এটা কলেজত গঢ়ি তোলাটো অতি প্ৰয়োজনীয়। বৰ্তমান সময়ত কলেজৰ ল'ব লগীয়া আন এটা পদক্ষেপ হৈছে ছাত্ৰী জিৰণি কোঠাৰ মেৰামতি। ছাত্ৰী জিৰণি কোঠাটো আছে যদিও ইয়াত আসনৰ অভাৱত ছাত্ৰীসকল বিভিন্ন ঠাইত ঘূৰি ফুৰা দেখা যায়। যিয়ে পাঠদানৰ লগতে অন্য কিছুমান দিশতো ক্ষতি কৰিছে। আনকি অন্য মানুহৰ চকুটো ই দৃষ্টিকটুভাৱে দেখা দিছে। গতিকে এই দিশসমূহত কলেজ কৰ্তৃপক্ষই দৃষ্টি নিক্ষেপ কৰাৰ অতি প্ৰয়োজন। আনহাতে মহাবিদ্যালয়ৰ পুথিভঁৰালটো উন্নতমানৰ যদিও ইয়াৰ আৰু উন্নত কৰাৰ থল আছে। মুঠৰ ওপৰত আমাৰ মহাবিদ্যালয়ত বহুখিনি সুবিধা থকা সত্বেও সামগ্ৰিক উন্নয়নৰ বাবে বহু অভাৱ পূৰাব লগা আছে।

(খ) নগাঁও ছোৱালী কলেজত সাহিত্য চৰ্চাৰ উপযুক্ত পৰিৱেশ থকা স্বত্তেও ছাত্ৰীসকল এই ক্ষেত্ৰত আশাকৰা ধৰণে আগবঢ়া নহয়। ইয়াৰ প্ৰধান কাৰণ হিচপে ক'ব পাৰি ছাত্ৰীসকলৰ মাজত সাহিত্য-চৰ্চাৰ অভাৱ। আজিৰ এই প্ৰযুক্তি বিদ্যাৰ যুগত যুৱ-মানসিকতাৰ ওপৰত এক ছাপ পৰিছে যিয়ে ভাবিবলৈ বাধ্য কৰাইছে সাহিত্য চৰ্চা কৰিনো কাৰ কি লাভ হ'ব? আজিৰ যুৱ প্ৰজন্মই ভৱিষ্যতৰ সংস্থাপনৰ আশাত বিভিন্ন বৃত্তিমুখী শিক্ষালাভ কৰিবলৈ তৎপৰ হোৱাৰ বাবে সাহিত্য চৰ্চা পিচপৰি ৰৈছে। গতিকে কলেজ কৰ্তৃপক্ষইও সাহিত্য চৰ্চাৰ বাবে এনে এটা পৰিৱেশ গঢ় দি তুলিবলৈ চেষ্টা কৰিব লাগে, যিয়ে ছাত্ৰীসকলক শিকাব পাৰে যে সাহিত্য চৰ্চাকো এক সংস্থাপনৰ দৰে ব্যৱহাৰ কৰিব পৰা যায়।

(গ) নগাঁও ছোৱালী কলেজত ছাত্ৰী আৰু অধ্যাপক অধ্যাপিকাৰ মাজৰ সম্পৰ্ক অতি মধুৰ বুলি মই ভাবো। কাৰণ কলেজত প্ৰথম ভৰি দিয়েই মই যিকেইগৰাকী অধ্যাপক-অধ্যাপিকাক লগ পাইছিলো তেওঁলোক প্ৰত্যেকেই অতি মৰমেৰে কলেজৰ নীতি-নিয়মবোৰ শিকাই দিছিল। কোনো বিষয় নুবুজিলে তেওঁলোকে অতি সুন্দৰকৈ বুজাই দিয়ে। মুঠৰ ওপৰত আমাৰ কলেজত ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাৰ সম্পৰ্ক নিজ সন্তান আৰু পিতৃ-মাতৃৰ সম্পৰ্কৰ দৰে অতি নিবিড়। ইয়াৰ উপযুক্ত উদাহৰণ স্বৰূপে মই ক'ব খোজো যে, এই মহাবিদ্যালয়ত নাম ভৰ্তি কৰাৰ দুসপ্তাহ পাছতেই মোৰ দেউতাৰ বিয়োগ ঘটিছিল। তেতিয়া মই অধ্যাপক-অধ্যাপিকাসকলৰ লগত ভালদৰে চিনাকিয়েই হোৱা নাছিলো। কিন্তু সেই সময়ত তেওঁলোকক মই মোৰ ঘৰত দেখা পোৱাটো মোৰ বাবে আছিল কল্পনাৰো অগোচৰ। ইয়াৰ পৰাই মই ক'ব বিচাৰো যে এই সম্পৰ্ক, পিতৃ-মাতৃৰ লগত নিজৰ কন্যাৰ দৰেই ই এক মধুৰ সম্পৰ্ক।

✦✦

**কল্পনা দাস**, স্নাতক তৃতীয় বৰ্ষ (অসমীয়া বিভাগ)

(ক) প্ৰকৃত নাৰী শিক্ষা প্ৰদানত সাফল্যমণ্ডিত এই মহাবিদ্যালয়ত নাৰী শিক্ষাৰ উৎকৰ্ষ সাধনৰ উদ্দেশ্যেই বিভিন্ন ধৰণৰ পাঠ্যক্ৰম বহিৰ্ভূত আন কিছুমান প্ৰশিক্ষণৰো ব্যৱস্থা কৰা পৰিলক্ষিত হয়। মন কৰিবলগীয়া এই সমূহ পাঠ্যক্ৰমৰ অৱস্থিতি যিমান উৎসাহজনক এইবোৰৰ পৰিচালনা প্ৰক্ৰিয়া কিন্তু সিমানে নিৰুৎসাহজনক। ফলত অধিকসংখ্যক ছাত্ৰীয়ে বিষয়সমূহৰ প্ৰতি অনিহা প্ৰদৰ্শন কৰে। গতিকে মই এই



পাঠ্যক্ৰমৰ প্ৰতি আকৰ্ষিত হোৱাকৈ ছাত্ৰীসকলক উৎসাহিত কৰাটোহে প্ৰয়োজন অনুভৱ কৰিছো আৰু সময় সাপেক্ষে পৰিসীমা প্ৰসাৰ কৰাটো বাঞ্ছনীয়।

(খ) সঁচাই, নগাঁও ছোৱালী কলেজৰ প্ৰাকৃতিক পৰিৱেশক অতিৰঞ্জিত কৰি প্ৰকাশ কৰিবৰ প্ৰয়োজন নাই। চিৰসেউজীয়া, শান্তিময়, আৰু ছাৰ-বাইদেউসকলৰ অকুণ্ঠ স্নেহ, উৎসাহৰ এই পৰিৱেশৰ মাজতো ছাত্ৰীসকলৰ সাহিত্যনুৰাগ আশা কৰা যেন নালাগে। অধিকসংখ্যক ছাত্ৰীয়েই হয়তো কেৱল আনুষ্ঠানিক শিক্ষাৰ ডিগ্ৰীধাৰী হোৱাতেই সন্তুষ্ট, তেওঁলোকে নিজৰ প্ৰতিভাক বিকশিত হোৱাৰ সুযোগ দিব নোখোজে। এইটোৱেই একমাত্ৰ কাৰণ হিচাপে ল'ব নোৱাৰিলেও, অন্যতম এটা কাৰণ হিচাপে গণ্য কৰিব পাৰি।

(গ) আপোনাৰ তৃতীয় প্ৰশ্নৰ উত্তৰ মোৰ ফালৰপৰা সঠিক নহ'ব নেকি? কাৰণ কিছুমান ছাত্ৰীৰ মাজত অধ্যাপক-অধ্যাপিকাৰ দূৰত্ব ইমান বেছি যে কল্পনা কৰিব নোৱাৰি আৰু আন কিছুমান ছাত্ৰীৰ ক্ষেত্ৰত সেই সম্পৰ্কৰ গাঢ়ত্ব অনুভৱেৰে ঢুকি নোপোৱাৰ নিচিনা। তথাপি স্বীকাৰ কৰিব লাগিব আমাৰ মহাবিদ্যালয়ৰ প্ৰতিগৰাকী অধ্যাপক-অধ্যাপিকাই ছাত্ৰীসকলে বিচৰা ধৰণে সহায় কৰিবলৈ বন্ধুত্ব সুলভ আচৰণেৰে সুপ্ৰস্তুত হৈ থাকে।

✦✦

**মনোজ কুমাৰ চুতীয়া**, প্ৰবক্তা, শিক্ষা বিভাগ

(ক) নগাঁও ছোৱালী কলেজক মধ্য অসমৰ নাৰী শিক্ষাৰ উৎকৰ্ষ সাধনৰ কেন্দ্ৰৰূপে গঢ়ি তুলিবলৈ কেতবোৰ গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা দৰকাৰ। ইয়াৰ ভিতৰত —

(১) উপযুক্ত, বাস্তৱিক তথা ভৱিষ্যতদৰ্শী পৰিকল্পনা গ্ৰহণ আৰু ইয়াৰ যথোপযুক্ত ৰূপায়ণ।

(২) স্বচ্ছ, নিকা আৰু পাৰস্পৰিক বিশ্বাসযোগ্য প্ৰশাসনীয় ব্যৱস্থা গ্ৰহণ।

(৩) মহাবিদ্যালয় কৰ্তৃপক্ষ, শিক্ষক-কৰ্মচাৰী, অভিভাৱক, স্থানীয় সমাজ তথা শিক্ষাৰ্থীসকলৰ মাজত সু-সমন্বয় সাধন।

(৪) বৰ্তমান চাহিদা পূৰণ কৰিব পৰাকৈ সময়োপযোগী আধুনিক বিষয়ৰ নৱসংযোজন।

(খ) সাহিত্যকৰ্ম সকলোৰে চৰ্চাৰ বিষয় নহয়। ইয়াৰ বাবে প্ৰচুৰ অন্তৰ্দৃষ্টি, বিশ্লেষণাত্মক ক্ষমতা, বিস্তৃত আৰু সামগ্ৰিক দৃষ্টিভঙ্গী, সুক্ষ্ম পৰ্যবেক্ষণ, কঠোৰ শ্ৰম আৰু একান্ত সাধনাৰ প্ৰয়োজন। আমাৰ মহাবিদ্যালয়ত সাহিত্য চৰ্চাৰ উপযুক্ত পৰিৱেশ থাকিলেও মুষ্টিমেয় দুই-একেহে ইয়াৰ সাধনা অব্যাহত ৰাখিছে। গৰিষ্ঠসংখ্যক শিক্ষাৰ্থীয়েই সাহিত্য চৰ্চাৰ প্ৰতি অনুৰাগী নহয়। ইয়াৰ কাৰণ হয়তো সাহিত্য চৰ্চাৰ বাবে থাকিব লগা মেধাৰ অভাৱ বা উক্ত কৰ্মৰ প্ৰতি তেওঁলোকৰ অনিহা।

(গ) নগাঁও ছোৱালী কলেজত শিক্ষক-সম্প্ৰদায় আৰু শিক্ষাৰ্থীসকলৰ মাজত যথেষ্ট সুসম্পৰ্ক আছে। অৱশ্যে ইয়াত শিক্ষাৰ্থীসকল যেন কিছু সংকোচবোধত থাকে তেনে অনুভৱ হয়। তেওঁলোকে তেওঁলোকৰ মনৰ ভাৱ-অনুভূতি বা সমস্যাসমূহ মুকলিকৈ ব্যক্ত নকৰে বা সংকোচ কৰে। মই ভাবো শিক্ষাৰ্থীসকলে সংকোচ আৰু হীনমন্যতা পৰিহাৰ কৰি মুকলি মনেৰে তেওঁলোকৰ সমস্যাসমূহ ব্যক্ত কৰিবলৈ আগবাঢ়ি আহিব লাগে। তেনে ক্ষেত্ৰত শিক্ষক-শিক্ষয়ত্ৰীসকলেও তেওঁলোকক নিশ্চয়কৈ সহায়ৰ হাত আগবঢ়াব।

✦✦

**গীতাশ্ৰী বৰা, স্নাতক তৃতীয় বৰ্ষ (অসমীয়া বিভাগ)**

(ক) নগাঁও ছোৱালী কলেজক মধ্য অসমৰ নাৰী শিক্ষাৰ উৎকৰ্ষ সাধনৰ কেন্দ্ৰ ৰূপে গঢ় দিবলৈ হ'লে কলেজৰ ছাত্ৰীসকলক আদি কৰি শিক্ষক-শিক্ষয়িত্ৰীসকলে কিছু নতুন পদক্ষেপ গ্ৰহণ কৰাতো বাঞ্চনীয়। নগাঁও ছোৱালী কলেজত শিক্ষাৰ পাঠ্যক্ৰমৰ লগতে, বাধ্যতামূলক কম্পিউটাৰ শিক্ষা, পৰিৱেশ অধ্যয়ন, কথিত ইংৰাজী শিক্ষা আদিৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহে নগাঁও ছোৱালী কলেজৰ ছাত্ৰীসকলে বৰ্তমান সময়ৰ লগত খোজ মিলাই যাব পৰিব আৰু ভৱিষ্যতে দেশৰ সু-নাগৰিক হিচাপে নিজকে প্ৰতিষ্ঠা কৰিব পাৰিব।

(খ) নগাঁও ছোৱালী কলেজত সাহিত্য চৰ্চাৰ উপযুক্ত পৰিৱেশ থকা স্বত্তেও ছাত্ৰীসকল এইক্ষেত্ৰত আশা কৰা ধৰণে আগবঢ়া নহয়। ইয়াৰ কাৰণ হিচাপে ক'ব পাৰি যে ছাত্ৰীসকলে সময়ৰ শৰ সময়ত মাৰিব পৰা নাই। স্নাতক বৰ্ষৰ ছাত্ৰীসকলে প্ৰথম বৰ্ষ বা দ্বিতীয় বৰ্ষৰ পৰীক্ষাৰ ৰিজাল্ট দিয়াৰ পাছতহে দ্বিতীয় বৰ্ষ বা তৃতীয় বৰ্ষৰ অধ্যয়ন আৰম্ভ কৰে বা শ্ৰেণী কক্ষলৈ আহে। কিন্তু তেতিয়া তেওঁলোকে বাৰ্ষিক পৰীক্ষাৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈ অতি কম সময়হে পায়। ইয়াৰ উপৰিও শিক্ষক-শিক্ষয়িত্ৰীসকলে তেওঁলোকৰ বহুমূলীয়া সময় খৰচ কৰি শ্ৰেণীত পাঠদান কৰে। কিন্তু আমাৰ ছাত্ৰীসকলে তাৰ মূল্য বুজি নাপাই শ্ৰেণী কক্ষত উপস্থিত নাথাকে।

সেয়ে নগাঁও ছোৱালী কলেজৰ ছাত্ৰীসকল আশা কৰা ধৰণে আগবঢ়া নহয়।

(গ) নগাঁও ছোৱালী কলেজত ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাৰ মাজত এক নিবিড় সম্পৰ্ক আছে বুলি ক'ব পাৰি। তেওঁলোকে ছাত্ৰীসকলক নিজৰ সন্তানৰ দৰে সকলো সময়তে মৰম-চেনেহ কৰাৰ লগতে উপযুক্ত দিহা-পৰামৰ্শ প্ৰদান কৰি আহিছে। কলেজত অনুষ্ঠিত হোৱা বিভিন্ন ধৰণৰ প্ৰতিযোগিতাসমূহ, বাৰ্ষিক খেল-ধেমালি, নাটক, আলোচনী, বক্তৃতা প্ৰতিযোগিতা আদিয়ে এই সম্পৰ্ক দৃঢ় কৰাত সহায় কৰিছে।

**নগাঁও ছোৱালী কলেজ সম্পৰ্কে চলোৱা এক সমীক্ষাত ভিন্নজনৰ অভিমত ঃ**

'নগাঁও ছোৱালী কলেজ' নাৰী শিক্ষাৰ এক সুন্দৰ প্ৰতিষ্ঠান। এই প্ৰতিষ্ঠানটোক 'মধ্য অসমৰ নাৰী শিক্ষাৰ উৎকৰ্ষ সাধনৰ কেন্দ্ৰ'ৰূপে গঢ় দিবলৈ প্ৰয়োজন হোৱা পদক্ষেপ, সাহিত চৰ্চাত নগাঁও ছোৱালী কলেজ আৰু কলেজৰ শৈক্ষিক পৰিৱেশ আদি প্ৰাসংগিক কিছুমান প্ৰশ্ন লৈয়ে আমি লগ কৰিছিলো কলেজৰ উপাধ্যক্ষ, প্ৰবক্তা আৰু ছাত্ৰীসকলক। তেখেতসকলৰ অভিমতসমূহ সম্পাদিত ৰূপত প্ৰকাশ কৰা হ'ল।

— সম্পাদিকা

✦✦



# প্ৰাচীৰৰ সেউজীয়া সুবাস

**২০০৮-০৯ বৰ্ষৰ প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাত**
**প্ৰতিটো বিভাগৰ শ্ৰেষ্ঠবুলি বিবেচিত হোৱা লেখাসমূহ —**

## প্ৰাকৃতিক অমংগল আৰু নৈতিক অমংগল
## ( Natural Evil and Moral Evil )

ত্ৰিবেণী বৰা, *দৰ্শন বিভাগ, স্নাতক দ্বিতীয় বৰ্ষ*

যিবিলাক প্ৰাকৃতিক ঘটনাই মানুহৰ অহিত সাধন কৰে, সেইবিলাকক প্ৰাকৃতিক অমংগল বোলা হয়। এইবিলাক অমংগল মানুহৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত নিৰ্ভৰ নকৰে। এই প্ৰকাৰ অমংগল প্ৰাকৃতিক নিয়মৰ ওপৰত নিৰ্ভৰশীল। ভূমিকম্প, ঘূৰ্ণিবতাহ, বিধ্বংসী বানপানী, দুৰ্ভিক্ষ ইত্যাদি প্ৰাকৃতিক অমংগল মানুহৰ দুখদুৰ্দশাৰ অন্যতম কাৰণ। এই অমংগলবিলাক মানুহৰ সুখ-শান্তিৰ বিহস্বৰূপ। আমি প্ৰাকৃতিক অমংগলক আংশিকভাৱে নিয়ন্ত্ৰণ কৰিব পাৰো, কিন্তু সম্পূৰ্ণ নিয়ন্ত্ৰণ কৰিব নোৱাৰো কাৰণে আমি এইবোৰ অমংগলৰ কাষত সদায় নিজকে অসহায়বোধ কৰো।

নৈতিক নিয়ম ইচ্ছাকৃতভাৱে লংঘন কৰিলে যি অমংগল হয়, তাকে নৈতিক অমংগল বোলা হয়। নৈতিক অমংগল বুলি ক'লে কৰ্মকতাৰ ভাল-বেয়াৰ জ্ঞানও ইচ্ছাৰ স্বাধীনতাৰ কথা মানি ল'ব লাগে। চোৰ কৰা, মিছা কথা কোৱা আনৰ অনিষ্ট কৰা, মানুহক হত্যা কৰা ইত্যাদি নৈতিক অমংগল।

প্ৰাকৃতিক আৰু নৈতিক অমংগলৰ পাৰ্থক্য হ'ল প্ৰাকৃতিক অমংগল মানুহৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ নকৰে আৰু সেইকাৰণে প্ৰাকৃতিক অমংগলৰ কাৰণে কাকো দায়ী কৰা নাযায়। কিন্তু নৈতিক অমংগল ব্যক্তিৰ স্বেচ্ছাকৃত। সেইকাৰণে নৈতিক অন্যায়ৰ কাৰণে কৰ্মকৰ্তাক দায়ী কৰিব পাৰি।

দ্বিতীয়তে, প্ৰাকৃতিক অমংগল অনৈচ্ছিক কাম, আমাৰ কামনা প্ৰসূত নহয়। সেইকাৰণে প্ৰাকৃতিক অমংগলক আমি ন্যায় বা অন্যায় বুলি ক'ব নোৱাৰো — ইয়াৰ কোনো নৈতিক বিচাৰ নচলে। আনহাতে, নৈতিক অমংগল মানুহৰ ইচ্ছা নিৰ্ভৰ কাৰণে ইয়াৰ নৈতিক বিচাৰ কৰি ইয়াক বেয়া কামৰ অন্তৰ্ভুক্ত কৰা হয়।

তৃতীয়তে, প্ৰাকৃতিক অমংগল প্ৰাকৃতিক নিয়মত ঘটে। সেইকাৰণে এই অমংগলক আমি ইচ্ছা কৰিলেই ৰোধ বা নিয়ন্ত্ৰণ কৰিব পাৰো।

প্ৰাকৃতিক অনিষ্ট মানে ভৌতিক অনিষ্ট। এই অনিষ্ট মানৱ ইচ্ছাৰ পৰিৱৰ্ধিতৰ বাহিৰত। এই অনিষ্ট প্ৰাকৃতিক নিয়মৰ ক্ৰিয়াৰ ওপৰত নিৰ্ভৰশীল। এনে

অনিষ্টই মানৱৰ অমংগল ঘটায়। ই সমাজৰ শান্তি আৰু সুখ ভংগ কৰে। এইবোৰে মানুহৰ অভাৱ পূৰণত ব্যাঘাত জন্মায়। এইবোৰে মানুহৰ জীৱনলৈ দুখ কঢ়িয়াই আনে।

নৈতিক অমংগল সৃষ্টি হয় নৈতিক নিয়মৰ ইচ্ছাকৃত লংঘনৰ ফলত। ই প্ৰাকৃতিক অনিষ্ট বা ভুল নামৰ অমংগলতকৈ বেলেগ। প্ৰাকৃতিক অনিষ্ট অনৈচ্ছিক, নৈতিক অমংগল ঐচ্ছিক। প্ৰাকৃতিক বা বৌদ্ধিক অমংগলৰ বাবে মানুহ দায়বদ্ধ নহয়। কিন্তু নৈতিক অমংগলৰ কাৰণে মানুহ দায়বদ্ধ। ভুল বা বৌদ্ধিক অমংগল যিহেতু শুদ্ধ বৌদ্ধিক জ্ঞানৰ অভাৱৰ বাবে সংঘটিত হয় সেয়ে ই দণ্ডনীয় বা নিন্দনীয় নহয়।

যেতিয়া ইচ্ছাকৃতভাৱেই অশুদ্ধ কৰ্ম হয় তেতিয়াই অমংগল সংঘটিত হয়। অতিশয় স্বাৰ্থপৰভাৱে এনে অমংগল ঘটায়। মানুহে যেতিয়া নিজৰ ব্যক্তিগত মংগলৰ কথা ভাৱে, সামূহিক মংগলৰ কথা নাভাৱে তেতিয়াই মানুহ নৈতিক অমংগলত জড়িত হয়।

মানুহে সভ্যতাৰ জখলাত আৰোহণ কৰা বুলি যিমানেই দাবী কৰিছে, সিমানেই হত্যা-হিংসা বৃদ্ধি পোৱা হেতুকে সেইবোৰ নিয়ন্ত্ৰণ কৰাৰ বাবে তেওঁলোকৰ প্ৰচেষ্টাবিলাকো সমানেই নিন্দনীয় হৈ পৰিছে।

৩০ অক্টোবৰ ২০০৮ । এই অভিশপ্ত দিনটোতে মহানগৰীৰপৰা একে সময়তে নিৰুদ্দিষ্ট হ'ল বহু লোক। দৰাচলতে দাউ-দাউকৈ জ্বলি ছাইত পৰিণত হ'ল তেওঁলোক। এই অভিশপ্ত দিনটোৰ পৰিকল্পনাৰ আঁৰত কোন ব্যক্তি জড়িত আছিল, কাৰ হিংসাত্মক মনোভাৱৰ বাবে একে সময়তে বহু লোক নিঠৰুৱা হ'ল — এই বিষয়ে যদিও শীৰ্ষ নেতৃবৰ্গই প্ৰথমে জোৰ তদন্তৰ ঘোষণা কৰিছিল পাচত সকলোবোৰ ফুটুকাৰ ফেনত পৰিণত হ'ল। গতিকে সেই দিনটোৰ বাবে আমি শীৰ্ষ নেতৃবৰ্গক পোনপটীয়াকৈ দায়ী নকৰিলেও পৰোক্ষভাৱে বা আওপকীয়াকৈ তেওঁলোক বিস্ফোৰণ সংঘটিত কৰা ব্যক্তিজনৰ সমানেই দোষী নহয়নে? বিস্ফোৰণৰ আঁৰত যি ব্যক্তি বা যি সংগঠনেই জড়িত নাথাকক কিয় সকলো জানি বুজিও ভয়াবহ দৃশ্যসমূহ নিজ চকুৰে প্ৰত্যক্ষ কৰাৰ পাচতো তেওঁলোকে ইয়াৰ উচিত ব্যৱস্থা গ্ৰহণ নকৰিলে কিয়? প্ৰত্যেকবাৰেই দুৰ্ঘটনা এটি হৈ যোৱাৰ পাচত দুদিনমানলৈ ধৰ্ণা, সমদল, বন্ধ, প্ৰতিবাদ ইত্যাদি এক গতানুগতিক ঘটনা। কিন্তু এইবিলাক নকৰি নেতৃবৰ্গই নিজৰ বিচাৰ বুদ্ধিৰে তেওঁলোকৰ নৈতিকতাৰ পৰিচয় দিবলৈ অপাৰগ কিয়? এনেক্ষেত্ৰত সেই ঘটনাৰ বাবে নৈতিক দায়িত্ব কোনে স্বীকাৰ কৰিব? প্ৰত্যেক বাৰেই শাসন ব্যৱস্থাৰ নিয়ন্ত্ৰক বুলি বাচি যাব নেকি?

আলোচ্য বিষয়টোলৈ যদি আমি লক্ষ্য কৰো, তেনেহ'লে ৩০ অক্টোবৰৰ ঘটনাৰ বাবে বিস্ফোৰণকাৰীজন তথা আমাৰ নেতৃবৰ্গৰ দ্বাৰা নৈতিক অমংগল সাধিত হৈছে। কিয়নো দুয়োজন কৰ্তাই ইচ্ছা কৰা হ'লে এই অমংগল বোধ কৰিব পাৰিলেহেঁতেন। কিন্তু তেওঁলোকে তেনে নকৰিলে আৰু নৈতিক নিয়মসমূহক ইচ্ছাকৃতভাৱে লংঘন কৰিলে। দুয়োজনেই নিজৰ ব্যক্তিগত, ঘৃণনীয় স্বাৰ্থৰ বাবে সামূহিক স্বাৰ্থক (কল্যাণমূলক) জলাঞ্জলি দিলে।

বানপানী অসমৰ এটি জ্বলন্ত সমস্যা। এই সমস্যা সমাধানৰ যিমানেই চেষ্টা কৰা হৈছে সিমানেই ইয়াৰ ভয়াবহতা বৃদ্ধি পাইছে। আবতৰীয়া দিনতো বানপানীয়ে মানুহক জুৰুলা কৰাৰ দৃষ্টান্ত দুৰ্লভ নহয়। বানপানী যিহেতু প্ৰাকৃতিক ভাবে সৃষ্ট গতিকে ই মানুহৰ দুখ-দুৰ্দশাৰো অন্যতম কাৰণ হিচাপে পৰিগণিত হৈ আহিছে। ইয়াক আমি আংশিকভাৱে নিয়ন্ত্ৰণ কৰিব পাৰো কিন্তু সম্পূৰ্ণ ৰূপে নিয়ন্ত্ৰণ কৰিব নোৱাৰো বাবে এই অমংগলৰ ওচৰত আমি অসহায়বোধ কৰো।

We have been mainly occupied with the consideration of the moral life in its positive aspects as a development towards goodness and perfection of character and social activity. We must now dwell for a little on its morel shady aspects. Man's life is not a simple struggle towards virtue and holiness : it is quite as often a lapsing into vice and sin. This aspect we have on the whole neglected ; and we must now give a little consideration to it.

Each man's moral life may, as we have



sun be regarded as a universe in itself. This universe may be a broad one or a narrow one. In the case of the majority of men it is sufficiently narrow to exclude many human interests. This narrowness is a source of confliet. It cause the individual good to appear to be in opposition to the general good of humanity. It implies that moral evil arose from man's discovery of his own 'power' of self control and self assertion in opposition to the universal.

But there is such a thing as natural evil i-e, evil that is independent of human volition and results form the uniform operation of natural laws. Though, we condemn moral wickedness or evil, we never pass moral judgement upon physical phenomena like earthquakes, volcanic eruption, hurricans, excessive rain, draught etc. Which cause so much suffering to man. "Such phenomena have no doubt often been regarded as visitations on men for their moral experiences; but by themselves they are wholly characterless. "Natural evil, therefore, is non-moral.

(সহায়ক গ্ৰন্থ)

1. ˚গিৰীশ বৰুৱা, নীতিশাস্ত্ৰ
2. ড° জ্যোৎস্না ভট্টাচাৰ্য্য, নীতিবিজ্ঞান
3. Phanibhushan Chaterji, Principles of Ethics
4. Prof. Mackenzie, 'A Manual of Ethics'.

# অবৈধ

◆ ত্রিবেণী বৰা, স্নাতক দ্বিতীয় বৰ্ষ, দৰ্শন বিভাগ

**চৰিত্ৰসমূহ ঃ**

**স্বৰ্ণপ্ৰভা** ঃ- সহজ সৰল মাতৃ, বয়স ৪২ (পুৰুষৰ লাঞ্ছনাৰ দিন)

**ৰিতু** ঃ- স্বৰ্ণপ্ৰভাৰ জীয়েক, বয়স ২০

**পিংকি** ঃ- ৰিতুৰ বান্ধবী, বয়স ২০

**প্ৰদীপ** ঃ- স্বৰ্ণপ্ৰভাৰ স্বামী, ৰিতুৰ দেউতাক (এই চৰিত্ৰৰ উল্লেখহে থাকিব, মঞ্চত দেখা নাযাব)

**মঞ্চ নিৰ্দেশনা ঃ**

*(স্বৰ্ণপ্ৰভা বৰাৰ চোতালৰ সৈতে থকা ঘৰৰ একাংশ। ঘৰটোত এখন দৰ্জা থাকিব, দুখন খিৰিকি থাকিব । দৰ্জা আধা খোলা আধা বন্ধ অৱস্থাত থাকিব। চোতালৰ একাষে এজোপা তুলসীৰ গুৰিত মাটিৰ টিপ এটাৰ লগতে এগছি গছা থাকিব। তাৰোপৰি দুটা টাবত দুজোপা নাৰ্জিফুল থাকিব, ঘৰৰ বাৰাণ্ডাৰ দৰে ঠাইখনত সমান্তৰালকৈ। চোতালত কাপোৰ শুকাবলৈ এডাল ডাঁৰ থাকিব। আঁৰ কাপোৰ আঁতৰাৰ লগে লগে বাহিৰত কাকো দেখা নাযাব। যদিও অলপ পাচতে ৰঙা চুৰিদাৰ পৰিহিতা ৰীতুৱে তিতা চুলি মেলি ডাঁৰডালৰ ওচৰলৈ আহিব ধোৱা কাপোৰ মেলিবৰ বাবে)*

---

ৰীতু ঃ (নিজক উদেশ্য) মা ভাত খাবলৈ (দুপৰীয়া) পামহি বুলিছে। আজি ইমান দিনৰ মূৰত মামাৰ ঘৰলৈ গৈছে, ইমান সোনকালে যে এৰি নিদিয়ে খাটাং। তথাপিও, এবাৰ ফোন কৰি সোধো, যদি নহাটোৱে হয়, আজি ৰুটী ভাজিকে খাওঁ। পিংকিতো আহিবই, মিলিজুলি বনালেই হ'ল। সেই চেগতে মই তাইৰ নোটখিনিও বিচাৰি দিম। (কথাখিনি কৈ কৈয়ে ৰীতু ভিতৰত সোমায়)

ৰীতু ঃ (ম'বাইলটো হাতত লৈ নাম্বাৰ ডায়েল কৰে) হেল্ল' মা, কি আহি পাবাহি জানো তুমি? ভাত ৰান্ধিব এলাহ লাগিছে, সেইয়ে তুমি নাহা যদি আজি ৰুটী ভাজিকে খাওঁ, পিংকিও আহিব আজি। (অলপ সময় মৌন হৈ) অ' মামী আৰু আইতাই যদি ইমানকৈ জোৰ কৰিছে দুপৰীয়া ভাত খাই আহিলেও হ'ব। ঠিক আছে, ৰাখো, তুমি ভালকৈ আহিবা। (ফোনৰ লাইন কাটি ভিতৰলৈ যাব খোজে হঠাৎ কিবা এটা পৰাৰ দৰে) (পুনৰ নাম্বাৰ ডায়েল কৰে) আমাৰ মেডামকো ফোনটো কৰি জনাওঁ যে মই তেওঁলৈ অপেক্ষাৰত। গতিকে তেওঁ তেওঁৰ দুচকীয়া বাহনখনত উঠি আহিবহে লাগে। (ফোনটো কাণতলৈ) অ'ই আহিবৰ মন নাই নেকি? তই কেইটাত টাইম দিছিল হা? এইখিনি আহি পাওতে তোক ওপৰিঞ্চি ২০ মিনিট লাগে ন? কি কি ক'লি? আৰু ১০ মিনিট? নহ'ব নহ'ব। আৰু ৫ মিনিটৰ ভিতৰত আহি নাপালে কথা বিষম হ'ব কিন্তু। (লগে লগে লাইন কাটি দি ৰীতুৱে দুৱাৰখন ভালকৈ মেলি দি ভিতৰত সোমায়, ঘৰৰ ভিতৰৰপৰা মৃদু সংগীতৰ সুৰ ভাহি আহে)

পিংকি ঃ (চোতালত চাইকেলখন থৈ) মেডাম, আজি বৰ ৰোমাণ্টিক মুডত যেন পাইছো। (নিজকে উদেশ্যে)



(অলপ চিঞৰিয়ে), অ'ই ৰীতু, ৰীতু, কি হ'ল দুৱাৰ খন ধোপাং পাংকৈ খুলি ভিতৰত কি কৰি আছ? তহঁতৰ ইয়াত যিহে চোৰ আধ্যাই পেলাব এইফালে। (চেণ্ডেলযোৰ খুলিব ধৰোতেই, ৰীতু ওলাই আহে, মুখত কৃত্ৰিম খঙৰ আভা)

ৰীতু ঃ কি অ' মেমনী, আহি পালি। আহোতে পিচে কেইটা ষ্টেচনত ৰ'লি? ব'ল ব'ল চৰজি কাটি থোৱা আছে। আটাও মাৰি থোৱা আছে, চুৰিদাৰযোৰ সলাই মোক সহায় কৰি দে।

পিংকি ঃ (খুলিবলৈ ধৰা চেন্দেল আকৌ পিন্ধিব লৈ) অ' আজি তেনেহ'লে মোক বিনা পইচাৰ cook হিচাপে পাবলৈ ইচ্ছা কৰিছ তেনে নহ'ব, মই যাও দেই ।

ৰীতু ঃ (লগে লগে পিংকিৰ হাতত থাপ মাৰি ধৰি) নহয় অ' মেইন (Main) কথা কি জান চব ৰেডি মাত্ৰ তই বনাই দে, মই সেই সময়তে তোৰ নোটখিনি বিচাৰি দিওঁ আৰু যদি তোক নোট নালাগে, তেনেহ'লে যা আৰু। (মুখত দুষ্টামিৰ ভাব লৈ)

পিংকি ঃ কি হ'ল নোট নালাগিব মোক? আজি নোট লৈহে উভতিম, আৰু ইমানদূৰ আহিছো, একো নোখোৱাকৈ যাম বুলি ভাবিছ। (গপচত চেন্দেলযোৰ খুলি ভিতৰত সোমায়, পিচে পিচে ৰীতু) (সংগীতৰ ভলিউম বাঢ়ে)

(কোঠাটোৰ বৰ্ণনা — দুখন খিৰিকিত দুখন ফুলাম গুলপীয়া ৰঙৰ পৰ্দা, এখন বিচনা, (বিচনা চাদৰ পাৰি থোৱা থাকিব) এটা আলমাৰী, এখন কাঠৰ চকী আৰু পঢ়া টেবুলখন)

ৰীতু ঃ (পঢ়া টেবুলখন বিচাৰি থাকে) (ভোৰ ভোৰাই থাকে) ক'ত গ'ল বাৰু নোটখিনি? এনেকৈনো নোহোৱা হ'ব লাগেনে? এতিয়া শেষ, এবাৰ আলমাৰীত বিচাৰিম, সিদিনা মায়ে সুমুৱাই থোৱা কিতাপৰ লগতে কিজানি আছে। যদিহে তাতো নেপাওঁ তেনেহলে নিজৰখিনিকে ফটোষ্টেট কৰি দিব লাগিব, উপায়তো নাই। (আলমাৰীৰ খোলে ৰীতুৱে)

ৰীতু ঃ (পকাখনতে লেপেটা কাঢ়ি ৰীতুৱে কিতাপ বিচাৰি আছে) (নিজক উদেশ্যি) এইখন কি অ' ডায়েৰীচোন, কভাৰটো এতিয়াও ইমান সুন্দৰ হৈ আছে, 91 ৰে ডায়েৰী। (আলমাৰী দুৱাৰ এখনতে ভেজাদি পঢ়িবলৈ আৰম্ভ কৰে।)

পিংকি ঃ (ৰীতুৰ ওচৰত থিয় হৈ থাকে) দুবাৰমান মাতিও মাত-নোপোৱাত গাত হেঁচুকি দিয়ে। অ'ই ইমান মন দি কি পঢ়িছ? নোটহে বিচাৰিব আহিছিলি তই, পঢ়াত ধৰিলি যে?

ৰীতু ঃ (খপজপাই উঠি) কি ? কি কৈছ? (ক্ষোভত ফোপাবলৈ ধৰে)

পিংকি ঃ কি হৈছে তোৰ? কি হৈছে হা? ইমানকৈ ফোপাইছ কিয়?

ৰীতু ঃ (ডায়েৰীখন আগবঢ়াই দি) (অলপসময় এজনীৰো মুখত মাত নাথাকিব) (ৰীতুৱে চলচলীয়া চকুজুৰীয়ে একেথৰে ফেনখনলৈ চাই থাকিব)

পিংকি ঃ (ডায়েৰীখন জপাই থৈ) ৰীতুৰ সোঁহাতখনত খামুচি ধৰে।

ৰীতু ঃ (ফেঁকুৰি ফেঁকুৰি কান্দিব ধৰে) কান্দি কান্দিয়ে কয়- এইয়া কি পিংকি, তাৰমনে মোৰ দেউতা জীয়াই আছে। তেনেহ'লে মাৰ বগা সাজৰ অৰ্থ কি? মোক কিয় দেউতা সৰুতেই ঢুকাল বুলি কৈছিল? জান পিংকি, মোৰ তেতিয়া মনত গোন্ধাইছিল, যেতিয়া মায়ে এডমিছ্‌ন ফৰ্মত দেউতাৰ নাম আৰু মাৰ নাম দুয়োটাতে নিজৰ নামকে লিখিব দিছিল। তাৰমানে, মই মাৰ চৰিত্ৰৰ সম্বন্ধে যি ভাবিচিলো সেইয়া সঁচা। কিন্তু নিজৰ জীয়েকৰপৰা লুকুওৱাৰ অৰ্থ কি? মোৰ অস্তিত্ব কি? তাৰমানে মই অবৈধ, মাৰ অবৈধ সন্তান। (কান্দি কান্দি পিংকিৰ বুকুত সোমাই পৰে)

পিংকি ঃ (ৰীতুৰ মূৰত হাতফুৰাই) অধৈৰ্য্য নহ'বিচোন। তোক সঁচা কথা নোকোৱাৰ আঁৰত খুড়ীৰ কিবা অসুবিধাও থাকিব পাৰে। এনেকৈ একো নজনাকৈ তই খুড়ীৰ চৰিত্ৰত সন্দেহ কৰিব নোৱাৰ। তেনে চৰিত্ৰৰ হোৱা

হ'লে খুড়ীক আজি গাঁৱৰ ৰাইজে ইমান সন্মান নিদিলেহেঁতেন। চব কথা গাৰ জোৰেৰে নহয়।

ৰীতু ঃ (পিংকিৰ হাতখন আচাৰি)মই নাজানো, মই আজি একো নাজানো, মোক মোৰ প্ৰশ্নৰ উত্তৰ আজি মায়ে দিব লাগিব।

(স্বৰ্ণপ্ৰভাৰ প্ৰৱেশ) — (চিএৰি) কি উত্তৰ দিব লাগে? কচোন, আজি মই সকলো প্ৰশ্নৰ উত্তৰ দিম তোক। সকৰে পৰাই নিজে নাখাই, নিজে নিপিন্ধি, খুৱৰা- পিন্ধোৱাৰ পুৰস্কাৰ দিছ এইয়া।

ৰীতু ঃ (চিএৰিয়ে) মা, নিজৰ দোষ ঢাকিবলৈ ইমছনেলি ব্লেকমেইল কৰাৰ প্ৰয়োজন নাই। যি সুধিছো তাৰ উত্তৰ দিয়া, নহ'লে এতিয়াই মই ঘৰ এৰি ওলাই যাম।

স্বৰ্ণপ্ৰভা ঃকি কৈছ তই (জোৰেৰে ৰীতুৰ গাত চৰ সোধাই) ঘৰৰপৰা ওলাই যাবি। যা ওলাই যা। উত্তৰ কেইটাও শুনি যা। জীৱনৰ আচল সময়খিনি অকলেই পাৰ কৰিলো, এতিয়া তই এৰি যাও বুলিছ যা, বাধা নিদিও (কান্দিবলৈ ধৰে) (অলপ সময়ৰ পাচতে বিচনাত বহে আৰু চকুপানী মচি ক'বলৈ ধৰে) মই তেতিয়া বি.এ. পাছ কৰি ওচৰৰে স্কুলখনত সহ-শিক্ষয়িত্ৰী হিচাপে সোমাইছিলো, তেতিয়াই চিনাকি হৈছিল তোৰ দেউতাৰৰ লগত। প্ৰথম চিনাকিয়েই এদিন গভীৰ প্ৰেমৰ ৰূপ পাইছিল। ঘৰৰপৰা অহা হাজাৰ বাধা-বিঘিনি অতিক্ৰম কৰি ইয়াত তেওঁৰ লগত সংসাৰ কৰিছিলো। লাহে-লাহে তেওঁৰ প্ৰকৃত স্বৰূপটো জানিব পাৰিলো। এক বছৰ বাগৰিল। বহুত কথাই বুজিলো - শিকিলো। তোৰ দেউতা প্ৰদীপ বৰা আছিল এজন লম্পট, জুৱাৰী, ভণ্ড মানুহ। কিন্তু সকলো জানি- শুনিও উভতিবলৈ মোৰ কোনো পথ নাছিল। ইতিমধ্যে তই মোৰ গৰ্ভত স্থিতি লৈছিলি। এদিন মোক এৰি থৈ মানুহটো ক'ৰবালৈ গুচি গ'ল। বহুত বিচাৰ খোচাৰ কৰাত গম পালো তেজপুৰত বেলেগ এগৰাকীৰ লগত সংসাৰ কৰিছে। মইও গাঁৱৰ ৰাইজ মাতি আনি সকলো বিৱৰি কৈ নিজৰ সিদ্ধান্তৰ বিষয়ে কোৱাত হয়ভৰ দিলে। তেতিয়াৰপৰাই মই এই সাজত আৰু তোক এই বিষয়ে কোৱা নাছিলো, কাৰণ মই ভাবিছিলো বয়সৰ দিশৰপৰা পৰিপক্ক নোহোৱা এই কথা ক'লে তই পঢ়া-শুনা কৰাত অসুবিধা পাবি। কিন্তু আজি মই বাধ্য হ'লো ...... (কথাখিনি কৈ ফেঁকুৰি উঠে)

ৰীতু আৰু পিংকি ঃ ( দুয়োজনীৰে চকুলো বাগৰি আহে)

পিংকি ঃ (আগবাঢ়ি আহি) নাকান্দিবচোন খুড়ী। ৰীতুক ক্ষমা কৰি দিয়ক। অকস্মাতে গম পোৱাৰ বাবে তাই এনে আচৰণ কৰিছিল। নিজৰ জী বুলি এইবাৰলৈ ক্ষমা কৰকচোন খুড়ী আৰু চাবলৈ গ'লে ভালেই হ'ল দিয়কচোন, আপোনাৰো মনৰ পৰা বোজা এটা আঁতৰিল।

ৰীতু ঃ (মাকৰ ওচৰত আঁঠু কাঢ়ি) (কান্দি কান্দি) অ' মা মোৰ ভুল হৈ গ'ল। এইবাৰৰ কাৰণে ক্ষমা কৰা। মই প্ৰমিজ কৰিছো মা, জীৱনত এনে কোনো কাম নকৰো যাৰবাবে তোমাৰ শিৰ সমাজৰ আগত নত হয়। তুমি বিচাৰৰ দৰেই মই প্ৰশাসনীয় বিষয়া হ'ম।

পিংকি ঃ ( স্বৰ্ণপ্ৰভাৰ হাতত ধৰি) কিন্তু মই কি হ'ম খুড়ী?

স্বৰ্ণপ্ৰভা ঃ(দুয়োজনীকে সাবটি ধৰি) তোমালোক ভৱিষ্যতে যিয়েই নোহোৱা, কেৱল সমাজৰ প্ৰতিনিধি হিচাপে নিৰপেক্ষভাৱে থাকি পুৰুষৰ দ্বাৰা শোষিত সকলো নাৰীকে ন্যায় প্ৰদান কৰিবলৈ চেষ্টা কৰিবা। আৰু সেই লম্পটবিলাকক এনে শাস্তি দিবা যাতে আন দহজনৰ কাৰণে সেইটো আদৰ্শ হয়। হ'বনে? (সোঁ হাতখন আগবঢ়াই দি)

ৰীতু আৰু পিংকি ঃ (স্বৰ্ণ প্ৰভাৰ গালত চুমা যাঁচি) দুয়োজনীয়ে নিজৰসোঁহাতখন স্বৰ্ণপ্ৰভাৰ হাতত দি। থিক আছে।

(আঁৰ কাপোৰ পৰে)

(২০০৮ -০৯ বৰ্ষৰ কলেজ সপ্তাহ সমাৰোহৰ একাংকিকা নাটৰ পাণ্ডুলিপি প্ৰতিযাগিতাত দ্বিতীয় স্থান প্ৰাপ্ত)



একাংকিকা নাট

# আধুনিকতাৰ শিকলি চিঙি

◆ ভাস্বতী গোস্বামী, স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ

**চৰিত্ৰসমূহ ঃ**

মিচেচ কাকতিঃ মাজনীৰ মাক। এগৰাকী আধুনিক মহিলা।
মাজনী ঃ মিচেচ কাকতিৰ জীয়েক।
অমলা ঃ বন কৰা ছোৱালী।
আলহী ঃ ৰমেন আৰু মাক।
প্ৰতিৱেশী ঃ দুগৰাকীমান মহিলা আৰু দুজনী ছোৱালীও।

*(এটা কোঠা ভালদৰে সজোৱা থাকে, কোঠাটোত পাৰ্টিচন এখন দি সিফালে সৰু বিচনা এখনেৰে আন এটা কোঠা হ'ব। তাত মাজনী বহি থাকিব আমন-জিমনকৈ আৰু মাজে-মাজে আইনাখনত নিজৰ চুলিখিনি চাব দুখ মনেৰে। মাকে কাষতে চেলোৱাৰ এযোৰ পিন্ধি ওলাই আহিব, জীয়েকলৈ চাই মাজনী হ'লনে? বুলি কৈ সন্মুখৰ ৰুমলৈ ওলায়, মাজনীয়ে টপ-পেন্ট এযোৰ পিন্ধি অখজা পোৱাৰ দৰে ইফালে-সিফালে টানি টপটো থিক কৰে।)*

---

মিচেচ কাকতি ঃ মাজনী পিন্ধা হ'লনে তোমাৰ?

মাজনী ঃ (টপ পেণ্টযোৰ পিন্ধি দুখ মনেৰে ওলাই আহে) মা, মোক তুমি কিয় জোৰ কৰি মই বেয়া পোৱা কাপোৰবোৰ পিন্ধিবলৈ দিছা? নিজকে ভাও দিবলৈ ওলোৱা বহুৱাৰ দৰে লাগিছে। মই চাদৰ-মেখেলা পিন্ধিয়ে ভালপাও, নতুবা শাৰী এখনকে দিয়া, তাকে পিন্ধি ওলাও, আৰু মোৰ দীঘল চুলিখিনিও কটাই পেলালা। মই যি বেয়া পাঁও তুমি মোক তাকেই কৰিবলৈ দিছা।

মিচেচ কাকতি ঃহ'ব হ'ব দিয়া মাজনী, মই জানো নহয়, আজিৰ ল'ৰাই কি বিচৰে? এতিয়া মন মাৰি নাথাকিবা। বিদেশত থকা ল'ৰা, তুমি গাঁৱলীয়া হৈ ওলালে পচন্দ কৰিবনে? যোৱা, যোৱা মুখখনত অলপ প্ৰসাধন সানি ভালকৈ থাকা।

মাজনী ঃ মই সেইবোৰ সানিব নোৱাৰো দেই। সেইবোৰ নাসানিলে কোনোৱেই যদি মোক পচন্দ নকৰে নাই। মোক পঢ়িবলৈ দিয়া, মই নিজৰ ভৱিত নিজে থিয় দিব পাৰিম। মই চাকৰি কৰিম চাই থাকা, মই চাকৰি পামেই।

মিচেচ কাকতি ঃ আলহী পাব হ'লহি, তুমি কথাৰে চেপচেপাই থাকিবানে? (মৰমেৰে) যোৱা, যোৱা অ' মাজনী, বিদেশত থকা ল'ৰা এটা পোৱা কম ভাগ্যৰ কথানে? ময়ো তোমাৰ জহতে এবাৰ হ'লেও আমেৰিকাখন চাব পাৰিম, ওচৰ-চুবুৰীয়া মিতিৰ-কুটুম্বৰ আগতো.... (কথাখিনি ক'বলৈ নেপালে, বন কৰা ছোৱালীজনী সোমাই আহে)

অমলা ঃ (মাজনীৰ ওচৰত আহি) বাইদেউ, মাংসখিনি নমালো এতিয়া কি কৰিম?

মিছে কাকতি ঃ তই যে এতিয়া মাজনীৰ ওচৰত সুধিবলৈ আহিছ, মই কোৱামতে কৰগৈ যা। মাজনীক এতিয়া পাকঘৰলৈ নেমাতিবি।

অমলা ঃ সকলোবোৰ বাইদেউৱেহে বনাইছে, মই মাত্ৰ যোগাৰ কৰি দিছো। সেয়ে বাইদেউক সুধিবলৈ আহিছিলো।

মাজনী ঃ সকলোখিনিটো হ'লেই অমলা, তই মাত্ৰ বাচন- বৰ্তনবোৰ ধুই মছি থ। (এনেতে গাড়ীৰ হৰ্ণ বাজি উঠে আৰু গাড়ীৰ দৰ্জা খোলা— জপোৱাৰ শব্দ হ'ব)

মিছে কাকতি ঃ মাজনী আহা, তেওঁলোক আহিছে। আগবঢ়াই আনোগৈ, লাজ নকৰিবা, স্মাৰ্ট হৈ থাকিবা, (মাজনী লাজত তলমূৰ কৰে আৰু মাকৰ লগত আগুৱাই যায়।)

ৰমেনৰ মাক ঃ নমস্কাৰ, মিচেচ কাকতি, ভাল নহয় আপোনালোকৰ?

মিচেচ কাকতি ঃ নমস্কাৰ, হয় আছো আৰু আহক, আহক, (মাক, জীয়েকৰ পিচে পিচে মাক, পুতেক সোমায় আহে) বহককচোন, বহক, (জীয়েকক দেখুৱাই) এয়া মোৰ ছোৱালী মাজনী, কটনত এম. এ. পঢ়ি আছে। (মাজনীয়ে সেৱা কৰিব যাব খোজা দেখি মাকে ইংগিতেৰে নমস্কাৰ দিবলৈ কয়) তাই নমস্কাৰ জনায়। আৰু এয়াই আপোনাৰ ল'ৰা ৰমেন নহয় জানো?

ৰমেন ঃ হয়, ময়ে ৰমেন।

মিচেচ কাকতি ঃ তুমি কেতিয়া আহিলা আমেৰিকাৰপৰা, কেইদিন মান থাকিবা চাগে?

ৰমেনৰ মাক ঃ সি তিনি মাহৰ চুটি লৈ আহিছে। এইবাৰ বিয়া-পাতি ছোৱালীও লগত লৈ যাব, সেয়ে সোনকালে বিয়াখন পাতি দিব পাৰিলেই হয়।

মাজনী ঃ আপোনালোকে কথা পাতক, মই চাহ আনো (মাজনী উঠিব ধৰে)

মিচেচ কাকতি ঃ মাজনী তুমি ব'হাচোন, অমলা আছে নহয়, তাই আনিব ৰ'বা, মই তাইক কৈ আহো (মাকো উঠিব ধৰে, তেনেতে ৰমেনৰ মাকে মাত দিয়ে)

ৰমেনৰ মাক ঃ যোৱা মাজনী, তুমিয়েই কৰি আনাগৈ যোৱা, তোমাৰ ৰন্ধা-বঢ়াৰ কথা শুনিহে আছো, আজি খাবলৈ আহিছো, চাবলৈ আহিছো আৰু মোৰ বোৱাৰী কৰি নিবলৈও আহিছো। আমাৰ ৰমেনে যি বিলাক ভাল পায় সেইবোৰ গুণ তোমাৰ গাত আছে আই। সি থাকেহে আমেৰিকাত, তাৰ মনটো একেবাৰে আমাৰ পলাশনী গাঁৱৰ হৈ আছে। তাৰ দীঘল চুলিৰ ছোৱালী, বৰ ভাল লাগে হেনো, (কথা কোৱাৰ লগে লগে ৰমেনৰ মাকে মাজনীৰ কটা চুলিখিনি চায় আৰু মাজনীয়েও তাইৰ হাতখনে কটা চুলিখিনি চুই চায় আৰু আধাতে ৰৈ যায়।) আমাৰ অসমীয়া ছোৱালীবোৰে চাদৰ-মেখেলা নিপিন্ধাই হ'ল, সি চাদৰ মেখেলাহে ভাল পায়। ছোৱালীয়ে প্ৰসাধন কৰি ওলালে সি দেখিবই নোৱাৰে। সি কি কয় জানা সেইবোৰ সানিলে বান্দৰীও বোলে সুন্দৰী হয়। (মাজনী মিচিক্‌কৈ হাঁহি-মাৰি ভিতৰলৈ সোমাই, মিচেচ কাকতিৰ মুখখন ক'লা পৰে)

মিচেচ কাকতি ঃ (বহাৰপৰা উঠি ৰমেনৰ মাকৰ হাতত ধৰি উচুপি উঠে, আৰু খোঁকা-খুঁকি মাতেৰে কয়) মোক ক্ষমা কৰি দিয়ক বাইদেউ, মোৰ বৰ ভুল হৈ গ'ল।

ৰমেনৰ মাক ঃ আপোনাৰ কি ভুল হ'ল? কিয় ক্ষমা কৰিব লাগে, আমাক ক'লেহে জানিব পাৰো।

মিচেচ কাকতি ঃ মোৰ ছোৱালী আপোনালোকে বিচৰা ধৰণৰেই । মইহে তাইক জোৰ কৰি তাই ভাল নোপোৱা কামবোৰ কৰাইছো। তাইক আধুনিক কৰিবলৈ বিচাৰি তাইৰ দীঘল চুলিকোছা কটাই পেললো। (কৈ কান্দি উঠে)

ৰমেনৰ মাক ঃ নাকান্দিব কাকতি, মানুহৰ ভুল হয়েই। আমি আপোনাৰ ছোৱালীৰ কথা সকলো জানিয়েইতো আহিছো বোৱাৰী কৰি ল'বলৈ। আমাৰ দূৰ সম্পৰ্কৰ বোৱাৰী এজনী আপোনালোকৰ চুবুৰীৰে। তাইৰ মুখতে মাজনীৰ কথা সকলো জানি ইয়ালৈ আহিছো। আমি আজি আঙুঠিয়েই পিন্ধাম বুলি ভাৱি, সকলো যোগাৰ লৈ আহিছো।

(এনেতে মাজনী চাহৰ ট্ৰে আৰু অমলাই খোৱা বস্তুৰ ট্ৰে লৈ সোমায় আহে আৰু সকলোৰে আগত যতনাই দিয়ে)

মাজনী ঃ চাহ খাওক।

মিচেচ কাকতি ঃ মাজনী, দেৱীৰ দৰে শাহু পাবা, আগতে এখেতকে সেৱা এটি জনাই লোৱা। (মাজনীয়ে সেৱা কৰে)

ৰমেনৰ মাক ঃ হ'ব আই হ'ব, তুমিও মোৰ লক্ষ্মী বোৱাৰী হ'বা। তোমাৰ কথা আমি জানো। এতিয়া ভিতৰলৈ গৈ কাপোৰ সাজ-সলাই আহা। আমি চাহ খাও। ( চাহ খাবলৈ ধৰে, মাজনী ভিতৰলৈ যায়)

ৰমেন ঃ (মিচেচ কাকতিলৈ চাই ) এইবোৰ চাগৈ মাজনীয়ে বনাইছে নহয়নে?

মিচেচ কাকতি ঃ হয় বোপা, তাই ঘৰত থকা সময়খিনিতে নানা তৰহৰ বস্তু বনায়, মানুহক খুৱাইও বৰ ভাল পায়। গোটেই দিনটো তাই কিবা নহয় কিবা এটা কৰি ব্যস্ত থাকে। অমলাক পঢ়ায়, গান নিজেও গায় অমলাকো শিকাই। ৰন্ধা-বঢ়া কৰিবলৈকো অমলাক শিকাইছে, ফুলনিখন যে দেখিছা, সেইবোৰ তাই ৰোৱা ফুল। বোপা মই তাইক আধুনিকতাৰ নামত বহুৱা সজাই নিজেও সাজিলো, তোমালোকৰ আগত হাঁহিয়াতৰ পাত্ৰ হ'লো। তাই মোৰ একেবাৰে বিপৰীত, সৰুৰে পৰা। একেবাৰে দেউতাকৰ নিচিনা। দেউতাকেও এইবোৰেই ভাল পাইছিল। মইহে আধুনিকতাৰ এই পঙ্গু সমাজখনত থাকি উটি-ভাঁহি গৈছিলো। তাইকো টানি আনিব খুজিছিলো। তোমালোকেহে আজি মোক নতুনকৈ চাবলৈ শিকালা বোপা। এতিয়া তোমালোক বহা ময়ো কাপোৰ যোৰ সলাই আহো (ভিতৰলৈ যাবলৈ উঠাত ৰমেনৰ মাকে ক'লে)।

ৰমেনৰ মাক ঃ আপুনি বেয়া নাপায় যদি আমি আঙঠিটো আনুষ্ঠানিকভাৱেই পিন্ধাও বুলি ভাবিছো। আপুনি ওচৰ-চুবুৰীয়া যি খিনিক পাৰে মাতি দিয়ক। আমি গাড়ীৰপৰা বস্তুবোৰ নমায় আনো। (ৰমেনে গাড়ীৰপৰা কেইবাটাও টোপোলা আনি থয়হি। ৰুমটোত অমলা আৰু ৰমেনৰ মাকে মানুহ বহিব পৰাকৈ পাটি পাৰি দিয়ে। মাজনীয়ে পাটৰ কাপোৰ এযোৰ পিন্ধি চুলি খিনি বান্ধি সোমাই আহে)।

ৰমেনৰ মাক ঃ মাজনী আহা, ইয়াতেই বহা। ৰমেনৰ মাকে তাইক সৰু-দলিছা এখন পাৰি দিয়ে। (মাজনী তলমূৰকৈ বহি থাকে) ৰমেনৰ মাকে তাইলৈ চাই হাঁহি মাৰি কয়, মাজনী, তুমি চুলিখিনিৰ বাবে দুখ কৰি আছা নহয়, চিন্তা নকৰিবা। তোমাৰ চুলিখিনি আকৌ আগৰ দৰেই হ'ব। বিয়াৰ পাছত মইয়ে বাৰু তোমাৰ চুলিৰ যত্ন ল'ম। (ৰমেনে মাকলৈ চাই হাঁহি মাৰে)

ৰমেন ঃ মা, তেতিয়া মইহে যত্ন ল'ব লাগিব নেকি? (ৰমেনৰ কথাত তিনিও হাঁহে) তেনেতে মিচেচ কাকতি হাতে বোৱা এযোৰ ধুনীয়া চাদৰ মেখেলা পিন্ধি, মুখখন ধুই প্ৰসাধন নাইকিয়া কৰি সোমাই আহে আৰু তেওঁৰ পিছে পিছে দুই গৰাকীমান মহিলা আৰু ছোৱালী দুজনী সোমায়)।

ৰমেনৰ মাক ঃ আইসকল বহক দেই (বুলি পাটিখন দেখুৱাই) সকলো বহে। এতিয়া আমি কামখিনি আগুৱাই নিও (মিচেচ কাকতি ভিতৰৰপৰা টোপোলা দুটা আনি জীয়েকৰ ওচৰত থয়)

মিচেচ কাকতি ঃ এতিয়া আপোনালোকে কামখিনি আগবঢ়াই নিয়ক, মই ভিতৰত অকণমান খোৱাৰ যোগাৰ কৰো (বুলি কৈ ভিতৰ সোমায়)।

ৰমেনৰ মাক ঃ আইসকল, আপোনালোকে উৰুলি দিয়ক (লগে লগে সকলোৱে উৰুলি দিয়ে) ৰমেনৰ মাকে মাজনীৰ হাতত মিঠাইৰ টোপোলা তুলি দি নমাই থয়। তেনেকৈ কাপোৰৰ টোপোলাটোও

হাতত দি নমাই আৰু ৰমেনলৈ চাই কয়, আঙঠিটো তয়ে পিন্ধায় দে। (ৰমেনে আঙঠিটো পিন্ধায়, মাকে মাজনীৰ শিৰত আৰু কপালত সেন্দুৰ দিয়ে। মাজনীয়ে মাকে দি যোৱা টোপোলা দুটা এটা এটাকৈ শৰাই লৈ মাক আৰু ৰমেনক সেৱা জনায়, আটায়ে উৰুলি দিয়ে। মাজনীৰ মাকে চকুৰ পানী মচি-মচি সোমাই আহি আটাইকে ভিতৰলৈ মাতি লৈ যায়। তেতিয়া অমলা আহি লাহে-লাহে বস্তুবোৰ সামৰি থাকে) ওচৰৰ মহিলা কেইগৰাকীয়ে মুখ মচি কোনোৱাই তামোল চোৱাই ওলাই আহে, লগত মিচেচ কাকতিও।

প্ৰতিৱেশী মহিলা ঃ আমি যাও দিয়া মাজনীৰ মাক, দুখ নকৰিবা, ইমান এখন ভাল ঘৰ পালা। ল'ৰা-ছোৱালীৰ সুখেইতো আমাৰো সুখ, নহয় জানো? মাজনী যেনেকুৱাই ভাল ছোৱালী, ল'ৰাও তাই উপযুক্তকেই পালে।

মিচেচ কাকতি ঃ আপোনালোকে আশীৰ্বাদ কৰিব বুলি কৈ তেওঁলোকক আগবঢ়াই দিয়ে। ভিতৰৰপৰা ৰমেন, মাক আৰু মাজনী ওলাই আহে। মিচেচ কাকতিও আহি তেওঁলোকৰ ওচৰত ৰয়। (ৰমেনে মাকৰ ফালে চায় কয়)

ৰমেন ঃ মা, আজিয়েই কৰ্ট মেৰেজৰ কামখিনি কৰিলে ভাল হয়। ভিছা, পাচপৰ্ট, আদি উলিয়াবলৈ সময় লাগিব নহয়?

ৰমেনৰ মাক ঃ ও কথাটো মিছা নহয়, (ৰমেনৰ মাকে মিচেচ কাকতিলৈ চাই) ব'লক আমি আটায়ে গৈ কৰ্টৰ কামখিনি কৰি সিহঁতৰ যোৱাৰ বাবে প্ৰয়োজনীয় কাগজখিনি উলিওৱাত সহায় কৰো।

মিচেচ কাকতি ঃ ব'লক, মাজনী আহা মা, (বুলি কৈ আটাইয়ে গাড়ীৰ ওচৰলৈ যায়। গাড়ী যোৱাৰ শব্দ হয়।)

(যৱনিকা পৰে)

(২০০৮-০৯ বৰ্ষৰ কলেজ সপ্তাহ সমাৰোহৰ একাংকিকা নাটৰ পাণ্ডুলিপি প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত)



# পৃথিৱীত সৰ্বপ্ৰথম
# কি, কেতিয়া আৰু ক'ত প্ৰচলন কৰা হয়

**? পৃথিৱীৰ ক্ষুদ্ৰতম অভিধান ক'ত প্ৰকাশিত হৈছে?**

➯ পৃথিৱীৰ সৰ্ববৃহৎ আৰু সুবিখ্যাত অভিধান অক্সফোৰ্ড ইংলিছ ডিক্সনেৰী। ১২টা খণ্ডৰ ১৬,৪০০ পৃষ্ঠাৰ এই অভিধানখনি মাত্ৰ দুটা খণ্ডত প্ৰকাশ কৰিছে লণ্ডনৰ এজন গ্ৰন্থ প্ৰকাশকে। এই ক্ষুদ্ৰতম অভিধানৰ লগত দিয়া হয় এখনি মেগ্নিফাইং গ্লাচ।

**? কাৰ মৃত্যুত সৰ্ববৃহৎ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হৈছিল?**

➯ তামিলনাডুৰ মুখ্যমন্ত্ৰী চি, এন আন্নাদুৰাইৰ মৃত্যুত। ১৯৬৯ চনৰ ৬ ফেব্ৰুৱাৰীত সম্পন্ন কৰা সেই অন্ত্যেষ্টিক্ৰিয়া অনুষ্ঠানত উপস্থিত হৈছিল (পুলিছৰ হিচাপমতে) ১ কোটি ৫০ লাখ মানুহ।

**? প্ৰথম নলজাতক শিশুৰ (টেষ্ট টিউব চাইল্ড) জন্ম ক'ত আৰু কেতিয়া হৈছিল?**

➯ লুই ব্ৰাউন (২.৬ কে. জি)। চিজাৰিয়ান প্ৰসৱ হয় ১৯৭৮ চনৰ ২৫ জুলাইত। ইংলণ্ডৰ ওল্ডহাম জেনেৰেল হস্পিটেলত লেছলি ব্ৰাউনে শিশুটিৰ জন্ম দিয়ে।

**? বিজ্ঞাপন জগতৰ প্ৰথম বিজ্ঞাপনটি কি আছিল?**

➯ পৃথিৱীত প্ৰথম বিজ্ঞাপনটিৰ সন্ধান পোৱা গৈছে মিছৰত। প্ৰায় তিনি হেজাৰ বছৰৰ আগতেই পেপিৰাচ কাকতত প্ৰকাশিত বিজ্ঞাপনটি পোৱা গৈছে মিছৰৰ পিৰামিডৰ ভিতৰত। তাত লেখা আছিল 'এজন ক্ৰীতদাস পলাই গৈছে ৰাজগৃহৰ পৰা। যিজনে তাক ধৰাই দিব পাৰিব, তেওঁক প্ৰচুৰ টকাৰে পুৰস্কাৰ দিয়া হ'ব।'

**? দীৰ্ঘস্থায়ী অৱৰোধ ক'ত ঘটিছিল?**

➯ আটাইতকৈ দীৰ্ঘস্থায়ী অৱৰোধৰ ঘটনাটি ঘটিছিল চেণ্টাৰ ম্যুৰ নামৰ ঠাইত। তুৰ্কী সেনাপতি মৌলা ইচমাইলে ২৬ বছৰ ধৰি চেণ্টা চহৰখনি ঘেৰাও কৰি ৰাখিছিল। দ্বিতীয় মহাসমৰত ৮৮০ দিন ব্যাপী নাৎচি বাহিনীৰ দ্বাৰা লেনিনগ্ৰাড অৱৰোধ কৰি ৰখা হৈছিল (৩০ আগষ্ট, ১৯৪১ চনৰপৰা ২৭ জানুৱাৰী, ১৯৪৪ চনলৈকে)। সেই অৱৰোধৰ সময়ত নগৰখনি ৰক্ষা কৰিবলৈ গৈ প্ৰাণ বিসৰ্জন দিছিল প্ৰায় ১৫ লাখ নৰ-নাৰীয়ে।

**? ভাৰতত মুদ্ৰাৰ প্ৰচলন কেনেকৈ আৰম্ভ হ'ল?**

➯ এচিয়া মহাদেশত সৰ্বপ্ৰথমে মুদ্ৰাৰ প্ৰচলন আৰম্ভ কৰিছিল ইৰাণৰ সম্ৰাটে। সেই মুদ্ৰা আছিল এচিয়া মাইনৰৰ মুদ্ৰা আৰু লিডিয়া মুদ্ৰাৰ অনুৰূপ মোহৰ যুক্ত। ড° ব্যাশমৰ মতে — ইৰাণৰ মুদ্ৰাৰ অনুকৰণতেই ভাৰতত প্ৰথমেই প্ৰচলন কৰা হৈছিল তাম্ৰমুদ্ৰা।

# সম্পাদিকাৰ প্ৰতিবেদন

## সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

নতুন প্ৰাণৰ ন চকুযুৰিত দীপ্তি ঢালি লৈ পৃথিৱীখন নকৈ চোৱাৰ মানসেৰে যিসকল মনিষীৰ অক্লান্ত প্ৰচেষ্টাৰ ফলত শিক্ষা সংস্কৃতিৰ প্ৰাণকেন্দ্ৰস্বৰূপৰ নগাঁও ছোৱালী মহাবিদ্যালয়খন গঢ় লৈ উঠিল, সেইসকল মনিষীক প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধাৰে স্মৰণ কৰিছো।

নগাঁও ছোৱালী মহাবিদ্যালয়ত নামভৰ্তি কৰা দিনৰে পৰা সাধাৰণ সম্পাদিকাৰ পদত উপবিষ্ট হৈ মহাবিদ্যালয়খনৰ বাবে কিবা এটা কৰাৰ বাসনা মনতে পুহি ৰাখিছিলো। কিন্তু মই নাজানো এইক্ষেত্ৰত মই কিমানদূৰ আগবাঢ়ি যাব পাৰিলো তথাপিও ছাত্ৰী-বান্ধৱী, বাইদেউসকলে মোক যোগ্য বিবেচিত কৰি এই গুৰু দায়িত্ব অৰ্পণ কৰিলে তেওঁলোককৈ হিয়াভৰা মৰম তথা শ্ৰদ্ধা জ্ঞাপন কৰিলো।

নগাঁও ছোৱালী মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ দিনৰে পৰাই মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকাৰ আসনখন অলংকৃত কৰাৰ এটি সপোন দেখিছিলো। ২০০৭ চনত আপোনালোকৰ উৎসাহ আৰু সহায়ত মই নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদিকাৰ দায়িত্ব গ্ৰহণ কৰিছিলো। যিসকল ছাত্ৰীয়ে মোক এই গুৰুত্বপূৰ্ণ দায়িত্বভাৰ ল'বলৈ সুবিধা দিলে তেওঁলোকক মই কৃতজ্ঞতা জনাইছো। মোৰ কাৰ্যকালৰ প্ৰথম পদক্ষেপতে সকলো ছাত্ৰীৰ সহযোগত মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ সমাৰোহ পতা হয়। তাৰ পাছতে নৱাগত আদৰণী সভা, শংকৰদেৱৰ তিথি আদি অনুষ্ঠানসমূহ উলহ-মালহেৰে উদ্‌যাপন কৰা হয়।

ছাত্ৰ সমাজেই হৈছে ভৱিষ্যতৰ দেশ গঢ়োতা। নিজকে সু-নাগৰিক হিচাপে পৰিচয় দিবলৈ হ'লে তেওঁলোকে ছাত্ৰ অৱস্থাৰ পৰাই অনুশীলন কৰা উচিত। দেশ এখনক উন্নতিৰ পথত আগুৱাই নিবলৈ হ'লে আগুৱাই নিয়া সমাজখনো সুস্থ হ'ব লাগিব। জাতি তথা দেশ এখনক আগুৱাই নিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নৰ যোগেদিয়েই নিজকে পৰিপূৰ্ণ কৰি তুলিব লাগিব। কিন্তু আজিৰ যুৱ সমাজত দেখা দিয়া উশৃংখলতা, যুৱ মানসিকতাবোৰে যাতে জীৱনলৈ ধ্বংস মাতি আনিব নোৱাৰে। সেই বিষয়ে তেওঁলোক সজাগ হ'বৰ হ'ল। জীৱনলৈ আহিব পৰা যিকোনো দুৰ্যোগকে সাহসেৰে আকোঁৱালি লৈ সু-নাগৰিক হ'বলৈ ছাত্ৰীসকলক সবিনয়ে নিবেদন জনালো।

ছাত্ৰী একতা সভাৰ সমূহ কাৰ্যসূচী সাফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত বিশেষ পৰামৰ্শদাতা আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° অজন্তা দত্ত বৰদলৈ বাইদেউ প্ৰমুখ্যে কলেজৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰীৰ ওচৰত মই চিৰ কৃতজ্ঞ। লগতে নগাঁও ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সদস্যা সকলক আৰু আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ ন-পুৰণি ছাত্ৰীসকললৈ মই বিশেষভাৱে কৃতজ্ঞতা জনাইছো।

কাৰ্যকালৰ ভিতৰত ভুল-ত্ৰুটি হোৱাটো তেনেই স্বাভাৱিক। তাৰবাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

সৰ্বশেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি আৰু মহাবিদ্যালয়ৰ ছাত্ৰীৰ উজ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো।

**- ৰিমঝিম দাস**
সাধাৰণ সম্পাদিকা
নগাঁও ছোৱালী মহাবিদ্যালয়



## সাংস্কৃতিক সম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন ২০০৭-০৮ শিক্ষাবৰ্ষ

প্ৰতিবেদনৰ আৰম্ভণিতে নগাঁও ছোৱালী কলেজৰ ছাত্ৰীসকলে মোক সাংস্কৃতিক সম্পাদিকা পদৰ বাবে যোগ্য বিবেচনা কৰি তেওঁলোকৰ সেৱা কৰিবলৈ সুবিধা দিয়াৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি নিষ্ঠাৰে পালন কৰিবলৈ চেষ্টা কৰিছিলো যদিও সময়-সুবিধাৰ অভাৱত যিখিনি অপূৰ্ণ থাকি গ'ল, তাৰবাবে মই সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থী।

মোৰ কাৰ্যকালত বিভাগীয় সম্পাদিকাসকলৰ সহায়-সহযোগত সৰস্বতী পূজা, শংকৰদেৱৰ তিথি আদি বছেৰেকীয়া উৎসৱবোৰ উৎসাহ-উদ্দীপনাৰে পালন কৰিছিলো। কলেজ সপ্তাহত প্ৰায়বোৰ ছাত্ৰীয়ে যোগদান কৰিছিল। সংগীত শিল্পী ৰূপম বৰাক নিমন্ত্ৰণ কৰি আনি বিচিত্ৰ অনুষ্ঠান অনুষ্ঠিত কৰা হৈছিল। আবেলিলৈ কলেজৰ ছাত্ৰীৰ দ্বাৰা পৰিৱেশিত একাঙ্কিকা নাটখনে দৰ্শকৰপৰা প্ৰশংসা পাইছিল। কলেজৰ আটাইতকৈ আদৰৰ নৱাগত আদৰণী সভা উৎসাহ উদ্দীপনাৰে পালন কৰা হৈছিল। আদৰণী সভাত সভাপতি, নিৰ্দিষ্ট বক্তা আৰু সমজুৱাসকলৰপৰা দিয়া বহুমূলীয়া ভাষণে সভাৰ সৌষ্ঠৱ বঢ়োৱাৰ লগতে শিক্ষাৰ্থীসকলক জ্ঞানৰ সমল যোগাইছিল।

এইক্ষেত্ৰত কলেজৰ সমূহ ছাত্ৰীলৈ শুভেচ্ছা জ্ঞাপন কৰিছো। লগতে অধ্যক্ষা মহোদয়া, শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দলৈ শ্ৰদ্ধা জ্ঞাপন কৰিছো আৰু মোৰ কাৰ্যকালৰ ভিতৰত অজানিতে কৰা ত্ৰুটি-বিচ্যুতিৰ বাবে ক্ষমা বিচাৰিছো। সেইদৰে সংগীত সম্পাদিকা, সাংস্কৃতিক আদি সকলোৰে যি ত্যাগ আৰু দায়িত্ব সহকাৰে তেওঁলোকৰ নিজ নিজ বিভাগত কুশলতাৰে কাৰ্যনিৰ্বাহ কৰিলে সেয়া নিশ্চয়কৈ প্ৰশংসনীয়। প্ৰত্যেকটো বিভাগতে প্ৰত্যেকজন নিৰ্দিষ্ট বিভাগীয় শিক্ষাগুৰুৱে যি সহযোগিতা আগবঢ়ালে তাৰবাবে আমি ছাত্ৰী একতা সভাৰ প্ৰত্যেক গৰাকী বিভাগীয় সম্পাদিকাৰ লগতে সাংস্কৃতিক সম্পাদিকা হিচাপে মই তেখেতসকলৰ ওচৰত কৃতজ্ঞ।

**- মল্লিকা হাজৰীকা**
সাংস্কৃতিক সম্পাদিকা

# সংগীত সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মোৰ পৰম শ্ৰদ্ধাৰ অধ্যক্ষা মহোদয়া, উপাধ্যক্ষা, মোৰ বিভাগৰ তত্ত্বাবধায়ক মহোদয় / মহোদয়া, আমাৰ মহাবিদ্যালয়ৰ মণিমানিক্য খচিত, প্ৰতিষ্ঠিত শিক্ষাগুৰু সকল আৰু সমূহ কৰ্মকৰ্তাগণৰ শ্ৰীচৰণ কমলত নৈবেদ্য বিহীন মোৰ এই অপূৰ্ণ শৰাই স্বৰূপ শিৰ অৰ্পণ কৰিলো। লগতে মোৰ অতিকৈ মৰমৰ বান্ধৱী, সহপাঠী প্ৰমুখ্যে মহাবিদ্যালয়খনৰসমূহ ছাত্ৰীকে মোৰ আন্তৰিক মৰম তথা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মই সঙ্গীত সম্পাদিকা হিচাপে বিগত ইং ২০০৭ চনৰ পৰা ২০০৯ চনলৈকে দুটা বৰ্ষ সুকলমে শেষ কৰাৰ নেপথ্যতে আছে মোৰ অতিকৈ শ্ৰদ্ধাৰ বিভাগীয় তত্ত্বাবধায়কসকল আৰু ছাত্ৰী একতা সভাৰ বান্ধৱী তথা বিষয়ববীয়া গণ।

আৰু আমাৰ মহাবিদ্যালয়ৰ আনসমূহ শিক্ষক-শিক্ষয়িত্ৰীবৃন্দ আৰু কৰ্মচাৰীবৃন্দক তেওঁলোকৰ অকৃত্ৰিম সহায়-সহযোগিতাৰ বাবে কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো।

যদিও মই বিগত দুটা বৰ্ষত মহাবিদ্যালয়খনৰ সংগীত বিভাগত কোনো বিশেষ উত্তৰণ ঘটাব পৰা নাছিলো তথাপি মহাবিদ্যালয়খনত সময়ে সময়ে অনুষ্ঠিত হৈ থকা অনুষ্ঠানবোৰক পূৰ্বৰ তুলনাতকৈ কোনো ফালেদিয়েই হেয় প্ৰতিপন্ন হ'বলৈ দিয়া নাছিলো। মই এনে এখন মহাবিদ্যালয়ৰ সংগীত সম্পাদিকাৰ বিষয়বাব চলাবলৈ পায় সঁচায়ে পৰম কৃতাৰ্থ হৈছো।

শেষত একান্ত শ্ৰদ্ধাৰে মোৰ প্ৰতিবেদন সামৰিছো।

'জয়তু নগাঁও ছোৱালী কলেজ।'

ধন্যবাদেৰে —

- **শ্ৰীঅঙ্কুৰীমা চুতীয়া ফুকন**

সঙ্গীত সম্পাদিকা, ২০০৭-০৯ বৰ্ষ




নগাঁও ছোৱালী কলেজ আলোচনী




Published by the Principal, Nowgong Girls' College, Nagaon (Assam)
Printed by : Gigabytes Press & Publication, Milanpur, Nagaon (Assam)